## এই সংখ্যাত

# পয়োভৰা

উন্নয়নমূলক বিষয়-বস্তুৰে সমৃদ্ধ
অসমীয়া ভাষাৰ
একমাত্ৰ মাহেকীয়া
আলোচনী

সঞ্চালক আৰু
মুখ্য সম্পাদক ঃ দীপিকা কচ্চল
জ্যেষ্ঠ সম্পাদক ঃ অনুপমা দাস

PAYOBHARA
VOL. - 48 No. 11
অষ্টাচত্বাৰিংশ বৰ্ষ ঃ একাদশ সংখ্যা
জানুৱাৰী ঃ ২০১৮

শিক্ষক, ছাত্ৰ-ছাত্ৰী, শিক্ষা
প্ৰতিষ্ঠান আৰু পুথি ভঁৰালৰ বাবে
১০ শতাংশ ৰেহাই

বেটুপাতৰ শিল্পী ঃ
গজানন পি খোপে

| | | |
|---|---|---|
| ❐ বেংক খণ্ডত সংস্কাৰ ঃ বিধি নিশ্চিতকৰণ | ✍ আতিছা কুমাৰ | ৩ |
| ❐ অৰ্থনৈতিক ৰূপান্তৰ সাধনৰ মূল নায়ক | ✍ বিবেক কুমাৰ<br>✍ সংদেও টেঙুন<br>✍ সুভদা ৰাও | ৭ |
| ❐ অপৰিৱেশিত সম্পদৰ ব্যৱস্থাপনা ঃ প্ৰত্যাহ্বান আৰু আগলৈ যোৱাৰ পথ | ✍ দীপক নাৰাংগ | ১১ |
| ❐ বেংক পুনঃমূলধনীকৰণ ঃ মূলধন ভিত্তি বৃদ্ধি | ✍ আশুতোষ কুমাৰ | ১৬ |
| ❐ দেউলীয়া অৱস্থাৰ সমাধানৰ প্ৰয়াস | ✍ ইণ্ডীৱজল ধচমানা | ১৯ |
| ❐ ৰাষ্ট্ৰীয় ঘাইপথ উন্নয়নৰ এটা নতুন যাত্ৰা | ✍ যুধবীৰ সিং মালিক | ২৩ |
| ❐ ভাৰতবৰ্ষৰ গ্ৰাম্য বেংক ব্যৱস্থাৰ সমস্যা আৰু প্ৰত্যাহ্বান | ✍ মঞ্জুলা ৰাধাৰা | ২৬ |
| ❐ ভাৰতবৰ্ষৰ আকালন ক্ৰমৰ সুযোগ্য উত্থান | ✍ প্ৰভাকৰ চাহু<br>✍ ভৱেশ গাৰ্গ | ৩১ |
| ❐ সৰ্বাত্মক দিশৰ সুচলতা প্ৰদানৰ ক্ষেত্ৰত বেংকসমূহৰ ভূমিকা | ✍ চৰণ সিং<br>✍ শিৱকুমাৰা ৰেড্ডী কে | ৩৬ |
| ❐ ইন্দ্ৰধনুছ আঁচনিৰ জৰিয়তে ৰাজহুৱা খণ্ডৰ বেংক ব্যৱস্থাৰ পুনৰুজ্জীৱিতকৰণৰ প্ৰয়াস | ✍ ডী এছ মালিক | ৪২ |
| ❐ বেংক উদ্যোগত বৃহৎ তথ্যৰ বিশ্লেষণ | ✍ চতুৰ্ভুজ বাৰিক<br>✍ শ্ৰীকান্ত শৰ্মা | ৪৬ |
| ❐ ডিজিটেল লেনদেন আৰু কম নগদ অৰ্থনীতি | ✍ আৰ সুব্ৰমণিয়াকুমাৰ | ৪৮ |
| ❐ বেংকিং ক্ষেত্ৰৰ সংস্কাৰত ভাৰতীয় ৰিজাৰ্ভ বেংকৰ ভূমিকা | ✍ হামান আলী | ৫৪ |
| ❐ ভাৰতৰ ৰাজহুৱা খণ্ড বেংকৰ চামিলকৰণ | ✍ মীৰা বালা বৰা | ৫৭ |
| ❐ গ্ৰাম্য বেংক, প্ৰত্যাহ্বান আৰু ভৱিষ্যতৰ পথ | ✍ অৰূপজ্যোতি শইকীয়া | ৬০ |
| ❐ শৰীৰ সুস্থ ৰখাৰ বাবে প্ৰয়োজনীয় খাদ্য | ✍ প্ৰদীপ কুমাৰ দাস | ৬৫ |
| ❐ সংকট কালত 'বেংকৰ পুনৰ মূলধনীকৰণ' | ✍ বিদ্যুৎ বৰুণ শৰ্মা | ৬৭ |
| ❐ শিল্প, শিল্পী আৰু বিপণন ঃ এটি চমু অধ্যয়ন | ✍ কিংশুক চক্ৰৱৰ্তী | ৬৯ |

পয়োভৰাত প্ৰকাশিত
প্ৰবন্ধ-পাতিৰ মতামত
লেখকৰ নিজস্ব

পয়োভৰাৰ বছৰেকীয়া গ্ৰাহক মূল্য ঃ ২৩০.০০ টকা
দুবছৰৰ গ্ৰাহক মূল্য ঃ ৪৩০.০০ টকা
তিনি বছৰৰ গ্ৰাহক মূল্য ঃ ৬১০.০০ টকা
সম্পাদকীয় কাৰ্যালয় পেন্সনপাৰা পথ, গৃহ নং ৪, গুৱাহাটী
গুৱাহাটী-৭৮১ ০০৩ ফোন ঃ ২৬৬৫০৯০, ই-মেইল ঃ ypeguw@dataone.in
yojanaasomia@yahoo.co.in
প্ৰকাশক ঃ অতিৰিক্ত সঞ্চালক প্ৰধান (ভাৰপ্ৰাপ্ত), প্ৰকাশন বিভাগ, সূচনা ভৱন, চি জি অ' কমপ্লেক্স, নতুন দিল্লী ঃ ১১০০০৩
মুদ্ৰক ঃ ডি কে গ্ৰাফিকছ, বামুণীমৈদাম, গুৱাহাটী ঃ ৭৮১ ০২১, ফোন নং ঃ ৯৮৬৪০-৬৩৫৮৪

প

য়ো

ভ

ৰা

# এই সংখ্যাৰ প্ৰসংগত

## বেংকৰ ওপৰত বেংকিং

সমগ্ৰ বিশ্বৰ বিভিন্ন সংস্কৃতিত সঞ্চয়ৰ ধাৰণাটো সদায় বিৰাজমান। প্ৰাচীন কালত কলহত ধন বা সোণৰ মুদ্ৰা জমা কৰি মাটিৰ তলত পুতি থৈছিল। ৰাজকীয় কোষাগাৰত এখন দেশত কৰৰ ৰূপত বা তলতীয়া দেশৰ ৰজাৰ পৰা সংগ্ৰহ কৰা কৰ-কাটল জমা কৰি থোৱা হৈছিল।

আধুনিক বেংকিঙৰ আবিৰ্ভাৱৰ লগে লগে ধনৰ পৰিচালনা মানুহৰ ঘৰৰপৰা বেংকলৈ স্থানান্তৰিত হ'ল। এতিয়া লোকে ধন আৰু গহণাও বেংকত ৰাখি নিৰাপদ অনুভৱ কৰে। তদুপৰি বেংকে জমা ধনৰ ওপৰত সুত আগবঢ়োৱাৰ বাবে এটা অতিৰিক্ত উপাৰ্জনো হয়। আনহাতে বেংকে এই ধন বিভিন্ন ষ্টক আৰু আমানত হিচাপে বিনিয়োগ কৰে। এইদৰে, বিনিয়োজন বেংকিং আৰু কৰ্প'ৰেট বেংকিঙৰ এটা নতুন ব্যৱস্থাৰ আৰম্ভ হ'ল। চৰকাৰী ধনো ৰজাৰ কোষাগাৰৰ পৰা ছেণ্ট্ৰেল বেংকলৈ আগবঢ়াই দিয়া হ'ল, যিটো লাহে লাহে মুদ্ৰা নীতিৰ নিয়ন্ত্ৰণলৈ পৰিণত হ'ল। বৰ্তমান ছেণ্ট্ৰেল বা কেন্দ্ৰীয় নিয়ন্ত্ৰক বেংকৰ অবিহনে অৰ্থনীতি কল্পনাই কৰিব নোৱাৰি। ভাৰতৰ কেন্দ্ৰীয় বেংক ভাৰতীয় ৰিজাৰ্ভ বেংক চৰকাৰী পুঁজিৰ ৰখা স্থান হৈ থকা নাই, ই হ'ল বিত্তীয় নীতি নিয়ন্ত্ৰক, সকলো বেংকৰ বেংকাৰ আৰু মুদ্ৰাৰ নিয়ন্ত্ৰক আদি সকলো।

ভাৰতৰ বেংকিং ব্যৱস্থা লঘু আৰু ব্যক্তিগত বাণিজ্যিক বেংকেৰে আৰম্ভ হৈছিল। কিন্তু এইবোৰ বিফল হ'ল বা বেংকাৰে জমা ধন আত্মসাৎ কৰিলে আৰু গ্ৰাহকে জমা থোৱা কষ্টোপাৰ্জিত ধন হেৰুৱালে তেতিয়া চৰকাৰে ইয়াৰ গ্ৰহণ কৰিবলগীয়া সিদ্ধান্ত ল'লে আৰু এই বেংকবোৰ ৰাষ্ট্ৰীয়কৃত কৰা হ'ল। এই বৃহৎ সংস্কাৰ সাধনে বেংকৰদ্বাৰা হোৱা যিকোনো লোকচানে গ্ৰাহকক প্ৰভাৱিত কৰিব নোৱৰা বা গ্ৰাহকৰ ধন বেংকে অপব্যৱহাৰ কৰিব নোৱৰাটো নিশ্চিত কৰিলে। পৰৱৰ্তী বছৰবোৰত ৰাজহুৱা খণ্ডৰ বেংকসমূহ নিয়ন্ত্ৰণ কৰাৰ বাবে ক্ৰমান্বয়ে আন নিয়ন্ত্ৰক ব্যৱস্থা প্ৰৱৰ্তন কৰা হ'ল। বেংক খণ্ডৰ সংস্কাৰ সাধনৰ বাবে নৰসিংহম সমিতিৰ পৰামৰ্শাৱলীসমূহ এই ক্ষেত্ৰত আন এটা বৃহৎ পদক্ষেপ হিচাপে পৰিলক্ষিত হৈছে। ইয়াৰ পাছতো বেংক খণ্ডৰ দক্ষতাৰ উৎকৰ্ষ আৰু প্ৰশাসনৰ ওপৰত আলোকপাত কৰি এলানি সংস্কাৰ গ্ৰহণ কৰা হয়।

একে সময়তে চৰকাৰে গোলকীয় ধাৰাৰ লগত সমানে খোজ মিলাবলৈ আন খণ্ডসমূহৰ দৰে বেংক খণ্ডও ব্যক্তিগতকৰণ কৰা উচিত বুলি বিবেচনা কৰে। এইছ ডী এফ চী, আই চী আই চী আই, এক্সিছ আৰু য়েছ বেংকৰ দৰে ব্যক্তিগত খণ্ডৰ বেংকবোৰক ভাৰতীয় বেংকিং খণ্ডত কাম কৰিবলৈ সন্মতি দান কৰা হয়। ৰাজহুৱা খণ্ডৰ বেংকৰ তুলনাত এই বেংকবোৰে গ্ৰাহকক সন্তুষ্টি আদায় কৰাত বেছি সফল বুলি প্ৰমাণিত কৰিছে আৰু কৰ্প'ৰেট বেংকিং আৰু ৰীটেইল বেংকিং উভয়তে ই প্ৰধান স্থান হিচাপে পৰিগণিত হৈছে। এই সূত্ৰৰ আঁত ধৰি ৰাজহুৱা খণ্ডৰ বেংকসমূহো অধিক গ্ৰাহকক মিত্ৰ হ'বলৈ আৰম্ভ কৰিছে আৰু তেওঁলোকৰ কামত প্ৰযুক্তিগত উন্নতি প্ৰৱৰ্তন কৰিছে।

সফল বেংকেঙিৰ বাবে অ-সম্পাদিত সম্পদৰ বিষয়টো এটা ডাঙৰ অন্তৰায় হৈ পৰিছে। এই বিষয়টো ৰাজহুৱা খণ্ডৰেই হওক বা ব্যক্তিগত খণ্ডৰেই হওক ভাৰতীয় বেংকবোৰৰ বাবে এটা উদ্বেগজনক বিষয় হৈ পৰিছে। বেংক খণ্ডৰ এটা বৃহৎ বিষয়টো সমাধানৰ অৰ্থে চৰকাৰে পুনৰ মূলধনীকৰণ, বেংকিং ব'ৰ্ড ব্যুৰ' গঠন আৰু বাধ্যবাধকতাৰ গাঁথনি প্ৰৱৰ্তন আদিৰ দৰে ব্যৱস্থাপনা সাধনৰ সন্দৰ্ভত দৃষ্টি নিবন্ধ কৰি মিছন ইন্দ্ৰধনুস্ আঁচনি ঘোষণা কৰিছে। ইয়াৰ পাছত অ-সম্পাদিত সম্পদৰ বিষয়টো সমাধানৰ বাবে গ্ৰহণ কৰা দেউলীয়া বিধি হ'ল ইয়াৰ অন্যতম কাৰ্য ব্যৱস্থা।

আধুনিক বেংকিঙত বিশেষকৈ বেংকৰ লেনদেনত এই কম নগদ অৰ্থনীতি আৰু ডিজিটেলাইজেশ্বনৰ যুগটোত আন এটা উদ্বেগজনক বিষয় হ'ল ছাইবাৰ সুৰক্ষা। এই দিশটোৰ সমস্যা সমাধানৰ বাবে তথ্য আৰু প্ৰযুক্তি বিভাগে আই আই টীৰ দৰে প্ৰতিষ্ঠানৰ সহযোগত বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰিছিল। এই ক্ষেত্ৰত জন ধন যোজনা আৰু প্ৰত্যক্ষ লাভ হস্তান্তৰ হ'ল বেংকিঙৰ জৰিয়তে বিত্তীয় অন্তৰ্ভুক্তিৰ বাবে চৰকাৰৰ এটা বৃহৎ প্ৰয়াস। এই ক্ষেত্ৰত গ্ৰাম্য বেংকিঙৰ বিষয়েও উল্লেখ কৰিব লাগিব, কিয়নো বহুতো দূৰণিবটীয়া অঞ্চলৰ লোক বেংকিং ব্যৱস্থাত অন্তৰ্ভুক্তিৰ পৰা বাদ পৰি গৈছে। গ্ৰাম্য জনতাই এতিয়াও উপযুক্ত শিক্ষাৰ অভাৱত, বেংকিং ব্যৱস্থাত প্ৰৱেশ নকৰা আদি কেতবোৰ কাৰণত বেংক ব্যৱস্থাটোৰ লগত বহু পৰিমাণে স্বচ্ছন্দ্য অনুভৱ কৰা নাই। বেংক আৰু গ্ৰাম্য জনতাৰ মাজত যোগসূত্ৰ হিচাপে কাম কৰা বেংকিং কৰেছপণ্ডেণ্টৰ ব্যৱস্থা প্ৰৱৰ্তন কৰি চৰকাৰে এইবোৰ সমস্যা সমাধান কৰিব বিচাৰিছে।

ইয়াৰ বাবেই, বেংকিঙৰ সংস্কাৰ অৰ্থনীতিবিদ আৰু নীতি পৰিকল্পনাকাৰীসকলৰ বিষয় যেন লাগিব পাৰে, কিন্তু বেংক হ'ল এনে এখন ঠাই, য'ত লোকে নিজৰ কষ্টোপাৰ্জিত ধন ৰখাৰ বাবে বিশ্বাসত লয়। আপোনাৰ বিত্ত নিয়ন্ত্ৰণ কৰাটো এটা চাপমুক্ত উপশমকাৰী আৰু এটা দক্ষ আৰু ভাল বেংকিং ব্যৱস্থা হ'ল প্ৰতিজনৰ জীৱনক চাপমুক্ত কৰাৰ বাবে উপশমকাৰী চাবীকাঠি।

# বেংকিং খণ্ডৰ সংস্কাৰ ঃ বিধি নিশ্চিতকৰণ

**আতিছা কুমাৰ***

ব্যৱসায়িক প্ৰতিষ্ঠান বা পৰিয়াল উভয়ৰে বাবে বেংক ব্যৱস্থা হ'ল ভাৰতৰ সৰ্বাধিক গুৰুত্বপূৰ্ণ জমাধনৰ উৎস। বিত্তীয় বজাৰখনৰ মসৃণ ক্ৰিয়াকলাপৰ বাবে বেংকৰ মূলধনৰ বিনিয়োগৰ আকাৰ পুনৰুদ্যম আৰু স্তৰ গুৰুত্বপূৰ্ণ। ভাৰতৰ বেংক খণ্ড ৰাজহুৱাভাৱে নিয়ন্ত্ৰিত বেংকৰ অধিক অনুপাতৰদ্বাৰা বৈশিষ্ট্যপূৰ্ণ। বেংক ব্যৱস্থাৰ প্ৰতি মূল প্ৰত্যাহ্বানসমূহ হ'ল— নিম্ন বিত্তীয় গভীৰতা, অনুৎপাদনশীল সম্পদৰ আধিক্য আৰু ৰাজহুৱা খণ্ডৰ বেংকৰ বৰ্দ্ধিত সংখ্যা। এই বিষয়সমূহে ঔদ্যোগিক জমাধনৰ সংকোচন ঘটায় আৰু আন্তঃৰাষ্ট্ৰীয় মূলধনী প্ৰয়োজন পূৰাবলৈ বেংকৰ সামৰ্থ্য হ্ৰাস কৰে। ভৱিষ্যতলৈ দৃষ্টি ৰাখি বেংক খণ্ডক উজ্জীৱিত কৰিবলৈ আমি তিনিটা কথালৈ মন কৰাটো আৱশ্যকীয়— বেংক পৰিচালনা উন্নত কৰা, এই খণ্ডত প্ৰতিযোগিতা বৃদ্ধি কৰা আৰু কৰ্প'ৰেট বণ্ড বজাৰ উন্নত কৰি ঋণৰ উৎসৰূপে বেংকৰ ওপৰত থকা চাপ হ্ৰাস কৰা।

**ভাৰতৰ বেংক সংস্কাৰৰ ইতিহাস ঃ**

১৯৯১ বৰ্ষৰ আগলৈকে ভাৰতত বেংক খণ্ডৰ বৃহৎ অংশ ৰাষ্ট্ৰীয়কৰণ কৰিছিল। ১৯৬৯ চনত ৫০ কোটি টকাতকৈ অধিক জমাধান থাকিলে সেইটো বেংকক চৰকাৰে ৰাষ্ট্ৰীয়কৃত বেংকৰ স্বীকৃতি দিছিল। চৰকাৰে বেংকৰ শাখাসমূহৰ ৮০ শতাংশ নিয়ন্ত্ৰণ কৰিছিল। ১৯৮০ চনত চৰকাৰে অধিক বেংক নিজৰ নিয়ন্ত্ৰণলৈ আনে। দেশজুৰি ২০০ কোটি টকাতকৈ অধিক জমাধন থাকিলে সেই বেংকৰ ৰাষ্ট্ৰীয়কৰণ হৈছিল। সকলো বেংকৰ ৯০ শতাংশ চৰকাৰৰদ্বাৰা নিয়ন্ত্ৰিত হৈছিল আৰু এই কালছোৱাত এই অংশ বেছ স্থিৰ হৈ আছিল। ১৯৬৯ চনৰ পৰা ১৯৯১ চনৰ কালছোৱাত ভৌগোলিকভাৱে সম বিতৰণ, অধিকসংখ্যক উপভোক্তাক সামৰি লোৱাৰ লগতে বেংকৰ শাখা-সমূহৰ সংখ্যা যথেষ্ট বৃদ্ধি পাইছিল। বেংকসমূহত আমানত আৰু জমাধনৰ পৰিমাণো বহুত বাঢ়িছিল। অগ্ৰাধিকাৰ খণ্ড ঋণ ১৪ শতাংশৰপৰা ৪১ শতাংশলৈ বৃদ্ধি হৈছিল।

কিন্তু ১৯৯১ চনলৈ বেংকসমূহৰ উৎপাদনশীলতা আৰু দক্ষতা অৱনমিত হৈছিল। উপভোক্তা সেৱাৰ মান নিম্ন স্তৰৰ হোৱাৰ লগতে লাভৰ পৰিমাণো কমি গৈছিল। ১৯৯১ চনত যেতিয়া অৰ্থনীতিৰ উদাৰীকৰণ হ'ল, তেতিয়া চৰকাৰে বেংক সংস্কাৰৰ বাবে বহু পদক্ষেপ গ্ৰহণ কৰিলে। ১৯৯৯ চনত বিত্তীয় ব্যৱস্থা সমিতিৰ অধ্যক্ষ এ নৰসিংহমৰ নেতৃত্বত 'ষ্টেটিউটৰী লিকুইডিটী ৰেচিঅ" (এছ এল আৰ) আৰু 'কেশ্ব ৰিজাৰ্ভ ৰেচিঅ" (চি আৰ আৰ) হ্ৰাস কৰি বেংকৰ সম্পদসমূহ মুক্ত কৰাত অনুমোদন জনালে। সমিতিয়ে সুদৰ হাৰৰ নিৰ্ণয় কৰিবলৈ বজাৰৰ প্ৰভাৱসমূহৰ ওপৰত নিৰ্ভৰ কৰি ব্যক্তিগত খণ্ড আৰু বিদেশী বেংকৰ প্ৰৱেশ অধিক সহজ কৰি তোলাত গুৰুত্ব আৰোপ কৰিলে। ইয়াৰ ফলত প্ৰতিযোগিতা বৃদ্ধি হোৱাৰ লগতে ৰাজহুৱা খণ্ডৰ বেংকৰ সংখ্যা হ্ৰাস পায়। সমিতিৰ বহুকেইটা পৰামৰ্শ ৰূপায়িত হ'ল। এছ এল আৰ আৰু চী আৰ আৰ হ্ৰাস কৰাকে ধৰি বজাৰৰদ্বাৰা নিৰ্ণিত সুদৰ হাৰ আৰু বহু নতুন ব্যক্তিগত খণ্ড আৰু বিদেশী বেংক মুকলি হ'ল।

১৯৯৮ চনত এম নৰসিংহমৰ অধ্যক্ষতাত বেংক খণ্ডৰ সংস্কাৰ সমিতিয়ে বেংক খণ্ডৰ সংস্কাৰৰ বাবে কেইটামান পদক্ষেপ গ্ৰহণ কৰে। এই সমিতিয়ে প্ৰচলিত পদক্ষেপত হোৱা প্ৰগতি পৰ্যালোচনা কৰি বিধি প্ৰণয়ন, মূলধনৰ পৰ্যাপ্ততা আৰু বেংক চামিলকৰণ সন্দৰ্ভত ব্যৱস্থা গ্ৰহণৰ প্ৰস্তাৱ গ্ৰহণ কৰে। ইয়াৰ বাহিৰেও, ১৯৯৮ চনৰ সমিতিয়ে বেংকৰ পেছাদাৰী ব্যৱস্থাপনা, দক্ষতা প্ৰশিক্ষণ আৰু উন্নতৰ প্ৰযুক্তিৰ ব্যৱহাৰ সম্পৰ্কীয় ব্যৱস্থা গ্ৰহণত অনুমোদন জনায়। ১৯৯১ চনৰপৰা ভাৰতৰ বেংক ব্যৱস্থাৰ শক্তি বৃদ্ধি আৰু প্ৰদৰ্শন উন্নত হোৱা বাবে এই সংস্কাৰসমূহৰ অধিকসংখ্যকেই ৰূপায়িত হৈছিল। উদাহৰণ স্বৰূপে, মুঠ ঘৰুৱা

***লিখিকা আতিছা কুমাৰ এগৰাকী অৰ্থনীতিবিদ আৰু নিটি আয়োগৰ কাৰ্যালয়ৰ উপাধ্যক্ষ। তেওঁ বাণিজ্য, বিত্ত আৰু ব্যক্তিগত খণ্ডৰ উন্নয়নৰ কাম-কাজৰ লগত জড়িত।**

উৎপাদনৰ অংশৰূপে বেংকসমূহে আগবঢ়োৱা জমাধনৰ পৰিমাণ বৃদ্ধি কৰা হয়, ১৯৯০ চনৰ ৫১.৫ শতাংশৰপৰা ২০০০ চনত ৫৩.৪ শতাংশলৈ। অৱশ্যে অন্য দেশত এই পৰিমাণ মুঠ ঘৰুৱা উৎপাদনৰ সৈতে জমাধনৰ অনুপাতৰ অৰ্দ্ধেক। ২০০০ চনত চীনত এই অনুপাত ১৩৩ শতাংশ, মালয়ছিয়াত ১৪৩ শতাংশ আৰু থাইলেণ্ডত ১২২ শতাংশ।

২০০০ৰ দশকটোত বেংক সংস্কাৰৰ বাবে বহুকেইখন সমিতি গঠন কৰা হ'ল আৰু ক্ৰমশঃ নতুন নতুন সংস্কাৰ সাধন হ'বলৈ ধৰিলে। 'বিত্তীয় খণ্ড সংস্কাৰ সম্পৰ্কীয় সমিতি'য়ে বৃহৎ অৰ্থনীতি আৰু নিয়ামক আন্তঃগাঁথনি সন্দৰ্ভত পৰামৰ্শাৱলী গ্ৰহণ কৰিছে। তদুপৰি এই পৰামৰ্শাৱলীয়ে বিত্তীয় অন্তৰ্ভুক্তি আৰু ঘৰুৱা বিত্তীয় উন্নয়নকো সামৰি লয়। ২০১৪ চনত 'ভাৰতত বেংকৰ পৰিচালনা পৰিষদৰ প্ৰশাসন পৰ্য্যালোচনা সমিতি' (পী জে নায়ক সমিতি)ও গঠন কৰা হয়। ইয়াৰ গুৰুত্বপূৰ্ণ পৰামৰ্শাৱলীয়ে ৰাজহুৱা খণ্ডৰ বেংকৰ প্ৰশাসন আৰু পৰিচালনাৰ দক্ষতা বৃদ্ধিৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। ভাৰতৰ বেংক ব্যৱস্থা খণ্ডত ই বৃহৎ প্ৰভাৱ পেলাবলৈ ধৰা পৰিলক্ষিত হ'ল।

**সাম্প্ৰতিক পৰিস্থিতি ঃ ৰাজহুৱা খণ্ডৰ বেংক আৰু সংকটাপন্ন সম্পদ ঃ**

বৰ্তমানেও ভাৰতৰ বেংক ব্যৱস্থাৰ বৈশিষ্ট্য হ'ল ৰাজহুৱা খণ্ডৰ বেংকৰ বৃহৎ সংখ্যক অংশ। মুঠ সম্পদৰ ৭০ শতাংশতকৈ অধিক অংশৰূপে ৰাজহুৱা খণ্ডৰ বেংকৰ প্ৰদৰ্শনে সামগ্ৰিক বেংক ব্যৱস্থাটোক প্ৰতিনিধিত্ব কৰে। ৰাজহুৱা খণ্ডৰ বেংকতেই বৃহৎ আৰু বৰ্দ্ধিত অনুৎপাদনশীল সম্পদৰ বোজা পৰিলক্ষিত হয়। ২০১৬ চনৰ মাৰ্চলৈ এনে সম্পদৰ ৮৮ শতাংশ অংশ কেৱল ৰাজহুৱা বেংকৰ। এই পৰিস্থিতি দিনক দিনে অৱনমিত হ'বলৈ ধৰিছে। অন্য ধৰণে ক'বলৈ গ'লে ৰাজহুৱা খণ্ডৰ বেংকত অনুৎপাদনশীল সম্পদৰ পৰিমাণ ২০১৫ চনৰ মাৰ্চলৈ ২.৭৮ লাখ কোটি টকাৰপৰা ২০১৭ চনৰ জুনলৈ ৭.৩৩ লাখ কোটি টকালৈ বৃদ্ধি পাইছে।

ৰাজহুৱা খণ্ডৰ বেংকত সংকটাপন্ন সম্পদৰ অংশ প্ৰায় ১৬ শতাংশ, ব্যক্তিগত খণ্ডৰ বেংকতকৈ ৩ গুণ বেছি। বৰ্দ্ধিত অনুৎপাদনশীল সম্পদে ৰাজহুৱা খণ্ডৰ বেংকৰ অৱস্থাত চাপ সৃষ্টি কৰে। এই প্ৰতিকূল অৱস্থা সম্পদ ওভোতাই দিয়া (আৰ অ' এ) আৰু ইকুইটি বা লভ্যাংশ ঘূৰাই দিয়া (আৰ অ' ই) অনুপাতৰ অৱনতিয়ে প্ৰতিফলিত কৰে। দশকটোৰ ভিতৰত প্ৰথমবাৰৰ বাবে ২০১৬ চনত ই নেতিবাচক হয়।

তালিকা ১ ঃ

**বেংকত সংকটাপন্ন সম্পদৰ বৃদ্ধি মুঠ বৃদ্ধিৰ অংশৰূপে (শতাংশ)**

| | মাৰ্চ, '০৮ | মাৰ্চ, '১৭ |
|---|---|---|
| ৰাজহুৱা খণ্ডৰ বেংক | ৩.৫ | ১৫.৭ |
| ব্যক্তিগত খণ্ডৰ বেংক | ৪.২ | ৪.৬ |
| বিদেশী বেংক | ৩.০ | ৪.৫ |
| সকলো বেংক | ৩.৫ | ১২.১ |

**উৎস ঃ** ৰিজাৰ্ভ বেংক অৱ ইণ্ডিয়া

তৎসত্ত্বেও ব্যক্তিগত খণ্ডৰ বেংকসমূহো অনুৎপাদনশীল সম্পদেৰে প্ৰভাৱিত হৈ আছে। সকলো বাণিজ্যিক বেংকৰ সৰ্বমুঠ অনুৎপাদনশীল সম্পদৰ পৰিমাণ ২০১৬ চনৰ মাৰ্চত ৬.১ ট্ৰিলিয়ন টকা। তদুপৰি সম্পদৰ মান আৰু লাভজনকতা সময়ৰ লগে লগে অৱনমিত হৈ আহে। ২০০৮ বৰ্ষৰ মাৰ্চৰ পৰা ২০১৭ বৰ্ষৰ মাৰ্চৰ মাজৰ কালছোৱাত অনুৎপাদনশীল সম্পদৰ বৃদ্ধি সকলো বেংকৰ মুঠ বৃদ্ধিৰ অংশৰূপে ৩.৫ শতাংশৰপৰা ১২.১ শতাংশলৈ বাঢ়ে। বেংকৰ 'প্ৰফিট আফ্‌টাৰ টেক্স' (পী এ টী-PAT) ২০১৬-১৭ চনৰ প্ৰথম অৰ্দ্ধাংশত বছৰেকীয়া ভিত্তিত সংকুচিত হৈছে। বেংকসমূহৰ লাভ হ্ৰাস হোৱাৰ কাৰণ হ'ল বিপদ শংকাৰ বৰ্দ্ধিত গতি, ঋণ মকুৱ বা ৰেহাই আৰু মুঠ সুদৰ আয় হ্ৰাস।

বেংকৰ সংকটাপন্ন সম্পদৰ বোজাৰ বাবে ঔদ্যোগিক জমাধনৰ গতি মন্থৰ হৈছে। ইয়াৰ ফলত আন্তঃৰাষ্ট্ৰীয় মূলধনৰ প্ৰয়োজনীয়তা পূৰাবলৈ বেংকৰ দক্ষতা হ্ৰাস পায়। ২০১৭ চনৰ জানুৱাৰীত ঔদ্যোগিক খণ্ডৰ জমাধনৰ বিকাশ ৫.১ শতাংশলৈ সংকুচিত হৈছে; ২০১৬ চনৰ জানুৱাৰীত এই হাৰ ৫.৬ শতাংশ আছিল। অনুৎপাদনশীল সম্পদৰ বৃদ্ধিৰ বাবে BASEL-IIIৰ অধীনত উচ্চতৰ মূলধন প্ৰয়োজনীয়তা পূৰোৱাৰ ক্ষেত্ৰত অন্তৰায়ৰূপে দেখা দিয়ে। এই আৱশ্যকতাসমূহ ২০১৯ চনৰ জানুৱাৰীত কাৰ্যকৰী হ'ব।

এই প্ৰত্যাহ্বানসমূহৰ মোকাবিলা কৰিবলৈ চৰকাৰে পুঁজিৰ যোগান ধৰে। ২০১৫-১৬ চনত 'ইন্দ্ৰধনু আঁচনি'ৰ অধীনত পুনৰ মূলধনীকৰণৰ বাবে পদক্ষেপ গ্ৰহণে দেখুৱায় যে অনুৎপাদনশীল সম্পদৰ আধিক্য আৰু অৰ্থনীতিত ইয়াৰ বিৰূপ প্ৰভাৱ সম্পৰ্কে চৰকাৰ সজাগ। নেতিবাচক প্ৰভাৱৰ ভিতৰুৱা হ'ল বেংকৰ জমাধনৰ অধিক অৱনতি, বেংকৰ নিম্ন লাভজনকতা আৰু অৱনমিতি মূলধন পৰ্যাপ্ততা অনুপাত। ইয়াৰ মোকাবিলা কৰিবলৈ বিত্ত মন্ত্ৰণালয়ে ২৪ অক্টোবৰত বেংকৰ পুনৰ মূলধনীকৰণৰ বাবে ২.১ লাখ কোটি টকাৰ আঁচনি ঘোষণা কৰে। এই পুঁজিয়ে

ৰাজহুৱা খণ্ডৰ বেংকক কেৱল ন্যূনতম মূলধন আৱশ্যকতা পূৰাবলৈ সহায় নকৰে, তদুপৰি বেংকৰ নিজৰ জমা-খৰচৰ খতিয়ান (বেলেন্সশ্বীট) উন্নত কৰা আৰু অনুৎপাদনশীল ঋণৰ জোৰা মৰাতো সহায় কৰে।

পুনৰ মূলধনীকৰণৰ বাহিৰেও 'ইন্দ্ৰধনু আঁচনি'য়ে বেংক ব্যৱস্থাত আনুষ্ঠানিক প্ৰশাসন দৃঢ় কৰিবলৈ প্ৰয়োজন হোৱা বহল পৰিসৰৰ বেংক সংস্কাৰক অন্তৰ্ভুক্ত কৰে। ই সামৰা সাতটা বিষয়ৰ ভিতৰত অন্যতম হ'ল দায়বদ্ধতাৰ আন্তঃগাঁথনি সৃষ্টি, ৰাজহুৱা খণ্ডৰ বেংকৰ অধ্যক্ষ আৰু মুখ্য কাৰ্যবাহী বিষয়াৰ ভূমিকা পৃথক কৰা, নিযুক্তি আৰু প্ৰশাসনৰ বাবে বেংক ব'ৰ্ড ব্যুৰ' (বী বী বী) গঠন অৱশ্যে ৰূপায়ণ সম্পূৰ্ণ হোৱা নাই। তদুপৰি দেউলীয়া অৱস্থা বা 'ইনছলভেন্সি এণ্ড বেংকৰাপ্‌চি কোড' (আই বী চী) প্ৰদান কৰা হৈছে যাতে অনুৎপাদনশীল সম্পদৰ মোকাবিলা কৰিবলৈ এটা পথ পোৱা যায়। ইয়াৰ বাবে বেংক আৰু প্ৰম'টাৰসকলক ২৭০ দিনৰ ভিতৰত প্ৰস্তাৱিত আঁচনিত সহমত পোষণ কৰাটো আৱশ্যকীয়; অন্যথা সম্পদ বাজেয়াপ্তকৰণ অনিবাৰ্য।

**গোলকীয় প্ৰেক্ষাপট ঃ গভীৰতা আৰু প্ৰতিযোগিতা**


ভাৰতৰ বেংকসমূহে বিশ্বৰ আন দেশৰ বেংকৰ আকাৰ বা বিত্তীয় গভীৰতাৰ তুলনাত পিছপৰি আছে। অৰ্থনৈতিক উৎপাদনৰ ক্ষেত্ৰত অন্য দেশৰ বজাৰ আৰু অন্য বিত্তীয় অনুষ্ঠানতকৈও আমাৰ দেশৰ বেংকসমূহ পিছপৰি ৰৈছে। বেংক ব্যৱস্থাৰ আপেক্ষিক আকাৰ ধাৰণৰ বাবে কেৱল বিত্তীয় গভীৰতাই মাপকাঠী নহয়, ই আৰ্থিক বিকাশ আৰু দাৰিদ্ৰ্য দূৰীকৰণৰ সৈতেও ইতিবাচকভাৱে জড়িত। ৰাজ্যিক পৰ্যায়ত তথ্য বাৰহাৰেৰে চলোৱা এটা জৰীপত দেখা গ'ল যে বিত্তীয় অৱনমনে গ্ৰামাঞ্চলত দাৰিদ্ৰ্য বৃদ্ধিত ইন্ধন যোগাইছে। চিত্ৰ-১ত নিৰ্বাচিত দেশৰ তুলনাত ভাৰতত মুঠ ঘৰুৱা উৎপাদনৰ অংশৰূপে বেংকৰ সম্পদ দেখুওৱা হৈছে। ভাৰতত অইন দেশৰ তুলনাত মুঠ ঘৰুৱা উৎপাদনৰ অংশৰূপে ব্যক্তিগত জমাধন আৰু আমানতৰ সৈতে জমাধনৰ অনুপাতৰ নিম্নস্তৰ পৰিলক্ষিত হয়। ২০১৫ বৰ্ষত ভাৰতৰ মুঠ ঘৰুৱা উৎপাদনৰ সৈতে ব্যক্তিগত জমাধনৰ অনুপাত ৫০.২ শতাংশ আছিল; ইয়াৰ তুলনাত চীনৰ ১৪০ শতাংশ আৰু ব্ৰাজিলৰ ৭১ শতাংশ। একেদৰে, বেংক আমানতৰ সৈতে বেংকৰ জমাধনৰ অনুপাত ২০১৫ বৰ্ষত ভাৰতত ৭৭ শতাংশৰ বিপৰীতে ব্ৰাজিলত ১১৯ শতাংশ আৰু চীনত ৩১২ শতাংশ।

অতি কমসংখ্যক নতুন বেংকৰ প্ৰতিষ্ঠাৰ বাবে বৃহৎ বেংকে বেংক ব্যৱস্থাটোত প্ৰভূত বিস্তাৰ কৰে। ২০১৬ চনৰ মাৰ্চত, শীৰ্ষৰ ১০টা বেংকে (সম্পদৰ লেখত) বেংক ব্যৱস্থাৰ মুঠ সম্পদৰ ৫৮ শতাংশ দখল কৰিছে। ১৯৯১ চনৰেপৰা সাৰ্বজনীন বেংকৰ বাবে মাথোঁ ১৪ খন অনুজ্ঞা পত্ৰ প্ৰদান কৰা হৈছে। ইয়াৰ বিপৰীতে আমেৰিকা যুক্তৰাজ্যত বাৰ্ষিক গড়ে প্ৰায় ১৩০টাৰো অধিক নতুন বেংকক ১৯৭৬ চনৰপৰা ২০০৯ চনৰ কালছোৱাত স্বীকৃতি প্ৰদান কৰা হৈছে। ভাৰতত বিদেশী বেংকৰ সংখ্যা কম। ২০১৬ চনৰ হিচাপ মতে, মুঠ বেংক সম্পদৰ ৬ শতাংশহে বিদেশী বেংকৰ সম্পদ।

**ভৱিষ্যতলৈ দৃষ্টি ঃ**

ভৱিষ্যতে, সম্পদৰ উৎপাদনশীল আবণ্টনৰ বাবে উপযুক্ত উৎসাহবৰ্দ্ধক গাঁথনি আৰু জমাধান বিস্তাৰ বা দক্ষতা বৃদ্ধিৰে ভাৰতে অধিক বিশাল আৰু

চিত্ৰ-১ ঃ **মুঠ ঘৰুৱা সম্পদ আৰু আমানতৰ ধন বেংকৰ সম্পদৰ অনুপাত (শতাংশ), ২০১৫**




**উৎস ঃ** আন্তঃৰাষ্ট্ৰীয় বিত্তীয় পৰিসংখ্যা, আন্তঃৰাষ্ট্ৰীয় মুদ্ৰানিধি (আই এম এফ)

মূলধন সমৃদ্ধ বেংক ব্যৱস্থা গঢ়ি তোলাৰ বাবে অহোপুৰুষাৰ্থ কৰা উচিত। বিশাল বেংক ব্যৱস্থা গঢ়ি তুলিবলৈ পুনৰ মূলধনীকৰণৰ লগতে আন বহু পদক্ষেপ গ্ৰহণ কৰিব লাগিব; সেইবোৰৰ ভিতৰত কৰ্প'ৰেট প্ৰশাসন সংস্কাৰ, প্ৰৱেশৰ বাবে অন্তৰায় দূৰীকৰণ, উন্নত বিত্তীয় তত্বাৱধান, গতিশীল কৰ্প'ৰেট ঋণ বজাৰ উন্নয়ন আৰু দক্ষ ঋণ পুনৰুদ্ধাৰ পদ্ধতি অন্যতম।

ইয়াৰ বাবে তিনিটা নিৰ্দিষ্ট ক্ষেত্ৰক অগ্ৰাধিকাৰ দিব পৰা যায়। প্ৰথমটো হ'ল, প্ৰশাসনৰ দক্ষতা বৃদ্ধি আৰু প্ৰতিষ্ঠানৰ দৃঢ়কৰণ, বিশেষকৈ ৰাজহুৱা খণ্ডৰ বেংকত। এই সংস্কাৰসমূহ পুনৰ নৱীকৰণৰ দৰেই গুৰুত্বপূৰ্ণ আৰু সমান্তৰালভাৱে চলি থাকিব লাগে। বিশ্বৰ আন দেশসমূহৰ দৰে অনুৎপাদনশীল সম্পদৰ মোকাবিলা কৰিবলৈ বেংক খণ্ডৰ সংস্কাৰ অত্যন্ত গুৰুত্বপূৰ্ণ। উদাহৰণ স্বৰূপে, চীনত পুনৰ মূলধনীকৰণৰ উপৰি বেংক সংস্কাৰ-সমূহৰ যোগেৰে বিত্তীয় নিয়ন্ত্ৰণ আৰু তত্বাৱধান দৃঢ়কৰণত বিশেষকৈ গুৰুত্ব আৰোপ কৰা হৈছে। তদুপৰি কৰ্প'ৰেট প্ৰশাসনীয় দক্ষতা বৃদ্ধি আৰু স্বচ্ছতাৰ ওপৰতো সৰ্বাধিক গুৰুত্ব প্ৰদান কৰা হৈছে। একেদৰে, ১৯৯০ৰ শেষছোৱাত দেখা দিয়া পূব এছীয় বিত্তীয় সংকটৰ পাছত বেংকসমূহৰ তত্বাৱধান নিশ্চিত কৰিবলৈ দক্ষিণ কোৰিয়াই বিত্তীয় তত্বাৱধায়ক সেৱা (এফ এছ এছ) গঠন কৰে। চৰকাৰেও পৰাপক্ষত বেংকসমূহত প্ৰশাসনিক দক্ষতা বৃদ্ধিৰ আৱশ্যকতা অনুধাৱন কৰিছে। 'ইন্দ্ৰধনু আঁচনি'য়ে বেংক কৰ্মচাৰীৰ নিযুক্তি চোৰা-চিতা কৰাৰ বাবে স্বতন্ত্ৰ বেংক ব'ৰ্ড গঠনৰ পৰামৰ্শ প্ৰদান কৰিছে। প্ৰকৃততে স্বতন্ত্ৰ ব্যুৰ' গঠন কৰিলে ই ৰাজহুৱা খণ্ডৰ বেংক প্ৰশাসনত প্ৰভূত প্ৰভাৱ পেলাব। অধিক দায়বদ্ধতাই জমাধনৰ উৎপাদনশীল আবণ্টন নিশ্চিত কৰিব। সময় মতে এয়া ৰূপায়ণ হোৱাটো আমি নিশ্চিত কৰা প্ৰয়োজনীয়।

সংস্কাৰৰ দ্বিতীয় পদক্ষেপ হ'ল কৰ্প'ৰেট 'বণ্ড' বজাৰৰ উন্নয়ন। 'বণ্ড' বজাৰে বিত্তৰ উৎসৰূপে বেংকক সহযোগিতা আগবঢ়োৱাটো আৱশ্যকীয়। নগদ টকা আৰু গভীৰ 'বণ্ড' বজাৰে ব্যৱসায়িক প্ৰতিষ্ঠানসমূহক কম মূল্যত ঋণ গ্ৰহণৰ সুবিধা প্ৰদান কৰিব। সময়ৰ লগে লগে, আদৰ্শগতভাৱে, কৰ্প'ৰেট ঋণৰ উৎসৰূপে 'বণ্ড' বজাৰৰ অংশ বৃদ্ধি হ'ব আৰু ইয়াৰ ফলস্বৰূপে বেংকৰপৰা গ্ৰহণ কৰা ঋণৰ অংশ হ্ৰাস পাব।

বেংক খণ্ডৰ সংস্কাৰৰ তৃতীয়টো পদক্ষেপ হ'ল বেংক খণ্ডক অধিক প্ৰতিযোগিতামূলক ৰূপে গঢ়ি তোলা। খণ্ডটোত অধিক প্ৰতিযোগিতা আৰু উদ্ভাৱন গঢ়ি তুলিবলৈ ব্যক্তিগত আৰু বিদেশী বেংক বা বিত্তীয় প্ৰতিষ্ঠানৰ প্ৰৱেশত উৎসাহ প্ৰদান কৰা প্ৰক্ৰিয়া অবিৰতভাৱে চলাই থকাটো ভাৰতৰ বাবে জৰুৰী। বেংকক অনুজ্ঞা পত্ৰ প্ৰদান কৰাৰ বাবে গ্ৰহণ কৰা নতুন 'অন-টেপ' নীতি এই দিশত ইতিবাচক পদক্ষেপ। অৱশ্যে প্ৰৱেশৰ বাবে প্ৰয়োজনীয় অৰ্হতা কিছু শিথিল কৰাটো দৰকাৰ যাতে প্ৰৱেশত অধিক প্ৰতিবন্ধকতা পৰিলক্ষিত নহয়। আনুষংগিক গাঁথনিৰ হকে আগবঢ়োৱা সমৰ্থনে বিদেশী বেংকসমূহক ভাৰতীয় বেংক ব্যৱস্থাত কেৱল প্ৰৱেশ কৰাতেই উৎসাহ যোগাব এনে নহয়, ই বিশ্বত হঠাৎ দেখা দিব পৰা সংকটবোৰ মোকাবিলা কৰাত সহায় কৰিব। অৱশেষত, অধিক প্ৰতিযোগিতাই এই খণ্ডত দক্ষতা আৰু লাভজনকতা বৃদ্ধি কৰিব।

ঐতিহাসিকভাৱে ভাৰতীয় বেংক খণ্ডৰ সংস্কাৰে, বিশেষকৈ ১৯৯০ৰ কালছোৱাত, প্ৰতিযোগিতা বৃদ্ধি কৰাত গুৰুত্ব আৰোপ কৰিছে। বেংক প্ৰশাসন আৰু নিয়ন্ত্ৰণত অধিক মনোযোগ প্ৰদান কৰা হৈছে। ভৱিষ্যতৰ সংস্কাৰসমূহেও এই দিশসমূহত অধিক মনোনিৱেশ কৰা আৰু অতীতৰ অভিজ্ঞতাৰপৰা শিক্ষা লোৱাটো বাঞ্ছনীয়। ❐

*পয়োভৰা ৰাইজৰ আলোচনী—*

*নিজে পঢ়ক, আনকো পঢ়ুৱাওক—*

*দেশ গঢ়াত নিজৰ মতামত আগবঢ়াওক—*

# অৰ্থনৈতিক ৰূপান্তৰ সাধনৰ মূল নায়ক

**বিবেক কুমাৰ***
**সংকেত টেঙুন***
**সুভদা ৰাও***

ভাৰতীয় অৰ্থনীতি ২০১৮ চনলৈ অগ্ৰসৰ হোৱাৰ সময়ত নীৰৱ আৰু প্ৰভূত পৰিৱৰ্তন পৰিলক্ষিত হয়। পোনপ্ৰথমবাৰৰ বাবে দেশৰ জনমূৰি আয়ে ডলাৰৰ লেখত ২000 স্পৰ্শ কৰিব। বিশ্ব অৰ্থনীতিত সাধাৰণতে উন্নত ব্যয়বহন সাধ্যতাৰ বাবে ঘৰুৱা বিলাসী সামগ্ৰী আৱশ্যকীয় সামগ্ৰীত পৰিণত হোৱা কাৰ্যই বহু বিস্তৃতি লাভ কৰে। জনমূৰি আয়ৰ এই বৃদ্ধিৰ দ্বাৰা ভাৰতীয় অৰ্থনীতি বিশ্ব অৰ্থনীতিৰ প্ৰেক্ষাপটত এই অৱস্থাৰ দুৱাৰডলিত উপনীত হৈছে।

অৰ্থনৈতিক এই ৰূপান্তৰৰ কাল-ছোৱাত ভাৰতীয় বেংক ব্যৱস্থাই মূল কাৰকৰ ভূমিকা গ্ৰহণ কৰিব লাগিব। কেৱল বেংক সেৱাৰ ক্ৰমশঃ উত্থানেই নহয়, আমি বেংক সেৱা আৰু সমস্যা সমাধানৰ ক্ষেত্ৰত পৰিমাৰ্জিত ৰূপো দেখা পাওঁ।

**বেংক খণ্ডই পূৰ্বৰ সংস্কাৰৰ প্ৰতি কেনে সঁহাৰি জনাইছিল ঃ**

এই যাত্ৰা আৰম্ভ কৰাৰ আগতে আমি বুৰঞ্জীৰ কেইটামান পাত লুটিয়াব লাগিব। ১৯৬৯-৮০ চনৰ বেংক ৰাষ্ট্ৰীয়কৰণৰ কালছোৱাৰ পাছত ভাৰতৰ বেংক খণ্ডত ১৯৯১ চনৰ পাছত সুদূৰপ্ৰসাৰী সংস্কাৰ পৰিলক্ষিত হ'ল। আমানত প্ৰক্ৰিয়া আৰু সুদৰ হাৰৰ বাধ্যবাধকতা প্ৰত্যাহাৰ কৰা, পূৰ্বব্যৱস্থা গ্ৰহণৰ হ্ৰাসকৰণ, চি বি এছলৈ অভিগমন, নতুন যুগৰ সৈতে খাপ খোৱাকৈ ব্যক্তিগত খণ্ডৰ বেংকসমূহক অনুজ্ঞাপত্ৰ প্ৰদানে ২০০০ৰ বেংক খণ্ডৰ দ্ৰুত প্ৰসাৰৰ ক্ষেত্ৰখন সাজু কৰি তুলিলে আৰু এয়া সমূলি আশ্চৰ্যজনক নহয় যে ১৯৯৭ বিত্তীয় বৰ্ষৰ জমা ধনৰ পৰিমাণ ৩৫.৭ শতাংশৰপৰা ২০১৭ বিত্তীয় বৰ্ষত মুঠ ঘৰুৱা উৎপাদনৰ ৬০.৮ শতাংশলৈ বৃদ্ধি পালে। তদুপৰি ১৯৯৭ বিত্তীয় বৰ্ষৰ ক্ৰেডিট ইনটেনছিটি মুঠ ঘৰুৱা উৎপাদনৰ ১৯.৬ শতাংশৰ-পৰা ২০০৭ বিত্তীয় বৰ্ষত দুগুণতকৈ অধিক হৈ ৪৫ শতাংশলৈ বৃদ্ধি পালে। অহা ১০ বছৰত, জি ডি পিৰ সৈতে সংগতি ৰাখি ২০১৭ চনলৈ আমানত আৰু জমাধনৰ অনুপাত ক্ৰমে ৭১.২ শতাংশ আৰু ৫৯.৯ শতাংশলৈ বৃদ্ধি পায়। ২০০৮ চনৰ বিশ্ব অৰ্থনৈতিক সংকটৰপৰা অৰ্থনৈতিক আৰু বিত্তীয় বজাৰখনত দেখা দিয়া প্ৰভূত অস্থিৰতা সত্ত্বেও এই বৃদ্ধি সম্ভৱ হৈছে।

এই প্ৰসাৰৰ প্ৰাৰম্ভিক স্তৰটোত (১৯৯০ৰ দশকত) ৰাজহুৱা খণ্ডৰ বেংকসমূহে আধিপত্য বিস্তাৰ কৰিছিল। তথাপি এই পৰিস্থিতি ক্ৰমাৎ সলনি হ'বলৈ ধৰিলে যেতিয়াৰপৰা ব্যক্তিগত খণ্ডৰ বেংকসমূহে ভাৰতীয় অৰ্থনীতিত জমাধন বৃদ্ধিত গৌণ ভূমিকাৰপৰা ক্ৰমশঃ মুখ্য ভূমিকা গ্ৰহণ কৰিবলৈ ধৰিলে। এটা উদাহৰণদ্বাৰাই এই কথা স্পষ্ট হৈ পৰে— ২০০৭ বিত্তীয় বৰ্ষত ব্যক্তিগত বেংকসমূহত অনাদায় জমা ধনৰ অংশ আছিল ২০ শতাংশ; ২০১৭ বিত্তীয় বৰ্ষত এই অংশৰ পৰিমাণ হ'লগৈ ২৯ শতাংশ। জমাধনৰ বৃদ্ধিৰ পৰিমাণৰ অংশ অধিক স্পষ্ট— ব্যক্তিগত খণ্ডৰ বেংকসমূহে বৰ্দ্ধিত জমাধনৰ ৭৫ শতাংশ বিতৰণ বা ব্যয় কৰে। এইক্ষেত্ৰত কোনোবাই যুক্তি দৰ্শাব পাৰে যে উল্লিখিত তথ্যসমূহ পক্ষপাতমূলক, কাৰণ ৰাজহুৱা খণ্ডৰ বেংকসমূহত সম্পদৰ মান সম্পৰ্কীয় বিষয়সমূহ অসমানুপাতিকভাৱে জাপি দিয়া হৈছে। চনৰেপৰা ৰাজহুৱা খণ্ডৰ বেংকসমূহতকৈ ব্যক্তিগত খণ্ডৰ বেংকসমূহত জমাধনৰ বিকাশ ক্ৰমশঃ বৃদ্ধি পাবলৈ ধৰিছে।

ব্যক্তিগত খণ্ডৰ বেংকসমূহত বিকাশৰ গতি দ্ৰুত হোৱাৰ কাৰণ হ'ল উপভোক্তাৰ বৰ্দ্ধিত প্ৰয়োজন অনুসৰি তেওঁলোকে নিজকে খাপ খুৱাই ল'ব পাৰে। ব্যক্তিগত খণ্ডৰ বেংকে উন্নত উপভোক্তা অভিজ্ঞতাৰ ওপৰত মনোনিৱেশ কৰিবলৈ সক্ষম হৈ সুকীয়া পৰিচয় দাঙি ধৰে। তদুপৰি ব্যক্তিগত বেংকে আমানতৰ বৃহত্তৰ অংশ পৰিচালনা বা সচল কৰিবলৈ সমৰ্থ হয়। ২০০৭

***লিখক বিবেক কুমাৰ মোম্বাইৰ YES BANKৰ জ্যেষ্ঠ অৰ্থনীতিবিদ আৰু গ্ৰুপ এক্সিকিউটিভ ভাইছ-প্ৰেছিডেণ্ট। সংকেত টেঙুন একে বেংকৰে বিজনেছ ইক'ন'মিক বেংকিং ডিভিজনৰ সহকাৰী উপ-সভাপতি অৰ্থনীতিবিদ। সুভদা ৰাও YES BANKৰ মুখ্য অৰ্থনীতিবিদ আৰু গ্ৰুপ প্ৰেছিডেণ্ট।**

বিত্তীয় বৰ্ষত ব্যক্তিগত বেংকৰ আমানতৰ স্বত্ব ২০ শতাংশৰ-পৰা ২০১৭ বিত্তীয় বৰ্ষত ২৪ শতাংশলৈ বৃদ্ধি হৈছে।

ব্যক্তিগত খণ্ডৰ বেংকৰ বাবে যোৱা ১০ বছৰত যিকেইটা কাৰকৰ বাবে বজাৰৰ অংশ বৃদ্ধি হৈছে সেয়া মূলতঃ ২ প্ৰকাৰৰ ঃ

**পুৰণি আৰু উৎকৃষ্ট ঃ** ৰাজহুৱা খণ্ডৰ বেংকে ঔদ্যোগিক বা আন্তঃ-গাঁথনিত বিত্তৰ যোগান ধৰাৰ বাবে ব্যৱসায়িক উত্থান-পতনৰ প্ৰভাৱ বেংক-সমূহৰ জমা-খৰচৰ খতিয়ান (বেলেন্সশ্বীট)ত প্ৰভাৱ পৰে। ইয়াৰ বিপৰীতে অধিকসংখ্যক নতুনকৈ স্থাপিত ব্যক্তিগত খণ্ডৰ বেংকত কোনো সম্পদৰ বোজা নাথাকে, কাৰণ ঔদ্যোগীকৰণৰ পৰৱৰ্তী কালত ২০০০ চনৰ পাছৰেপৰা এই বেংকসমূহ গঠিত হৈছে। তুলনামূলকভাৱে কম পুৰণি আৰু উৎকৃষ্ট হোৱা বাবে শেহতীয়া প্ৰযুক্তিৰ ব্যৱহাৰেৰে সমস্যাৰ সমাধান আৰু সামৰ্থ্য বৃদ্ধিৰে নতুন ৰাজহ সংগ্ৰহথলী তৈয়াৰ কৰাৰ লগতে উপভোক্তাৰ অভিজ্ঞতা সুখপ্ৰদ কৰি তোলাত সহায়ক হয়। ব্যক্তিগত বেংকসমূহে প্ৰযুক্তিৰ ব্যৱহাৰৰ ক্ষেত্ৰত আগভাগ লোৱাৰ উদাহৰণ হ'ল 'পইণ্ট অব্ ছেল' যন্ত্ৰৰ প্ৰসাৰ ঘটোৱা। ২০১২ চনত জমাধনৰ অংক মাথোঁ ১৮ শতাংশ হোৱা সত্ত্বেও ব্যক্তিগত বেংকে ব্যৱসায়ৰ পৰিসৰ পি অ' এছ যন্ত্ৰ স্থাপনৰ যোগেৰে বৃদ্ধি কৰিবলৈ আৰম্ভ কৰিলে য'ত বেংকসমূহৰ ২০১২ চনত অংশ হ'লগৈ ৮০ শতাংশ। তেতিয়াৰেপৰা ৰাজহুৱা খণ্ডৰ বেংকসমূহেও ব্যাপক প্ৰতিযোগিতাত অৱতীৰ্ণ হ'ল। এতিয়াও ৰাজহুৱা খণ্ডৰ বেংকসমূহৰ অধিকাংশ ৫৭ শতাংশ অংশ আছে। এই অংশ ৰাজহ উৎপন্ন কৰাৰ বাবে স্থিৰ উৎস। উল্লেখযোগ্য যে এই শ্ৰেণীবিভাজনৰ সৈতে ব্যক্তিগত খণ্ডৰ বেংকৰ মুঠ আয়ৰ ২০ শতাংশ হ'ল অন্য উপাৰ্জন; ইয়াৰ বিপৰীতে ৰাজহুৱা খণ্ডৰ বেংকৰ মুঠ আয়ৰ ১৪ শতাংশ হ'ল অন্য উপাৰ্জন।

**উৎপাদনশীলতা ঃ** বেংকসমূহৰ আয়ৰ অনুপাতৰ সৈতে ব্যয় অৰ্থাৎ CI (কৰ্মচাৰীৰ ব্যয় + অন্যান্য ক্ৰিয়াশীল ব্যয়)/(মুঠ সুতৰ উপাৰ্জন + অন্য উপাৰ্জন) বিশ্লেষণ কৰি আমি ৰাজহুৱা খণ্ডৰ বেংকৰ আৰু ব্যক্তিগত খণ্ডৰ বেংকৰ স্পষ্ট তাৰতম্য দেখা পাওঁ। ব্যক্তিগত বেংকৰ বাবে CI নিম্নগামী ২০১২ বিত্তীয় বৰ্ষৰ ৪৭ শতাংশৰপৰা ২০১৭ বিত্তীয় বৰ্ষৰ ৪৩ শতাংশলৈ অৱনমিত হৈছে। ইয়াৰ বিপৰীতে একে কাল-ছোৱাত ৰাজহুৱা খণ্ডৰ বেংকৰ বাবে এই অনুপাত ৪৪ শতাংশৰপৰা ৪৯ শতাংশলৈ বৃদ্ধি পাইছে। সৰ্বমুঠ ব্যয় নিয়ন্ত্ৰণৰ ভিতৰত ৰখা কাৰ্যই প্ৰতিযোগিতাত যথেষ্ট সুবিধা প্ৰদান কৰে, যিহেতু ই সম্পদৰপৰা হোৱা লাভ বৃদ্ধি আৰু এই বৃদ্ধিয়ে সংস্থাটোক দুই ধৰণে সাফল্য অৰ্জন কৰাত সহায় কৰে— বৰ্তমানৰ অংশীদাৰসকলক পৰ্যাপ্ত লাভ প্ৰদান কৰে আৰু অধিকতৰ প্ৰসাৰৰ বাবে মূলধন বঢ়োৱাৰ ক্ষেত্ৰত সুযোগ আগবঢ়ায়।

**ক্ষিপ্ৰতা ঃ** অধিকসংখ্যক নতুন ব্যক্তিগত বেংকেই সঠিক প্ৰতিভাৱান কৰ্মচাৰীক কৰ্মত নিয়োগ কৰাত যথেষ্ট নমনীয়, ইয়াৰ লগতে নিশ্চিত কৰে যে ক্ষতিপূৰণ আৰু দৰমহাৰ নীতি আকৰ্ষণীয় হয়। তদুপৰি ব্যক্তিগত খণ্ডৰ বেংকসমূহে বিভিন্ন সমস্যা বা চাপত আগতীয়া চিনাক্তকৰণ আৰু সেই অনুসৰি সমাধান বা মুক্তি লাভৰ বাবে পদক্ষেপ গ্ৰহণ কৰাৰ ক্ষেত্ৰত সতৰ্কতা অৱলম্বন কৰে। ফলস্বৰূপে বেংকসমূহৰ মানৰ সম্পদ প্ৰত্যাহ্বান আৰু সম্পদ মান অক্ষুণ্ণ ৰখা— উভয় ক্ষেত্ৰতে সহায়ক হয় (ৰিজাৰ্ভ বেংকৰ শেহতীয়া সম্পদ মান পুনৰীক্ষণৰ পাছত)। ইয়াৰ বিপৰীতে ৰাজহুৱা খণ্ডৰ বেংকত অসমানুপাতিকভাৱে বৃহত্তৰ ক্ষতি পৰিলক্ষিত হয়।

**ৰাজহুৱা খণ্ডৰ বেংকক পুনৰুজ্জীৱিত কৰিবলৈ শেহতীয়া সংস্কাৰ ঃ**

ব্যক্তিগত খণ্ডৰ বেংকতকৈ এক দশক ধৰি ৰাজহুৱা বেংক পিছ পৰি আছে। চৰকাৰে গ্ৰহণ কৰা শেহতীয়া আন্তঃগাঁথনিগত সংস্কাৰসমূহে অধিক উন্নত প্ৰদৰ্শন আগবঢ়াই নিজৰ স্থিতি সবল কৰাত সহায় কৰিব বুলি আশা কৰা হৈছে।

* বেংক ব'ৰ্ড ব্যুৰ' গঠন, মুখ্য পৰিচালন সঞ্চালক পদটো বিভাজিত কৰি এগৰাকী অ-কাৰ্যকৰী অধ্যক্ষ আৰু মুখ্য কাৰ্যবাহী বিষয়া আৰু মুখ্য কাৰ্যবাহী বিষয়াৰ দীৰ্ঘতৰ কাৰ্যকাল (৫ বছৰ)ৰ বাবে অনুমোদন আদিৰ দৰে চৰকাৰে গ্ৰহণ কৰা সংস্কাৰে অৱশেষত দক্ষতা বৃদ্ধি কৰিব বুলি আশা কৰা হৈছে।
* 'চেণ্ট্ৰেল ৰিপ'জিটৰী অব্ ইনফৰ-মেচন অন লাৰ্জ ক্ৰেডিট'ৰ গঠন আৰু 'ইনচুলভেন্সি এণ্ড বেংক্ৰাপ্টছি ক'ড' (আই বি চি)ৰ ৰূপায়ণৰ ফলত তথ্য প্ৰদান ঋণদায়গ্ৰস্ত সম্পদৰ সমাধানৰ বাবে প্ৰতিষ্ঠানিক আন্তঃগাঁথনি গঢ়ি তোলাত সুবিধা হয়। ইয়াৰ ফলত বেংকত বেলেন্স-শ্বীটত স্থবিৰ হৈ থকা মূলধন সচল হয় আৰু তেনেদৰে জমাধনৰ বিস্তাৰৰ পথ মুকলি কৰে।
* ৰাজহুৱা খণ্ডৰ বেংকৰ বাবে চৰকাৰে শেহতীয়াকৈ ঘোষণা কৰা ২.১১ লাখ কোটি টকাৰ বৃহৎ পুনৰ-মূলধনীকৰণ আঁচনিয়ে সমগ্ৰ প্ৰেক্ষাপট সলনি কৰিব বুলি আশা কৰা হৈছে। ই সময় সাপেক্ষ হোৱাৰ লগতে ৰাজহুৱা খণ্ডৰ বেংকে

বেছেল III নিয়ামক আৱশ্যকতা পূৰোৱাটো নিশ্চিত কৰিব। তদুপৰি এই আঁচনিয়ে উন্নততৰ প্ৰদৰ্শন দাঙি ধৰিব পৰা বেংকৰ বাবে 'বিকাশ মূলধন'ৰ বাবে পথ মুকলি কৰিব। মোৰ মতে এই পদক্ষেপে ৰাজহুৱা খণ্ডৰ বেংকৰ মাজত প্ৰতিযোগিতা বৃদ্ধি কৰিবলৈ উৎসাহিত কৰিব; ফলত সামগ্ৰিক অৰ্থনীতিৰ বাবে লাভজনক হ'ব।

**পৰৱৰ্তী প্ৰজন্মৰ বাবে বেংক সাজুনে?**

২০২৫ চনলৈ ভাৰত বিশ্বৰ চতুৰ্থ সৰ্ববৃহৎ অৰ্থনীতিৰ দেশ হ'ব বুলি আশা কৰা হৈছে। ইয়াৰ পৰিপ্ৰেক্ষিতত চাৰিটা 'D'য়ে বেংকৰ সামগ্ৰিক ছবিখন সলাব বুলি নিশ্চয়তা প্ৰদান কৰা হৈছে।

* **উন্নয়ন** ঃ ই চৰকাৰৰ বিত্তীয় অন্তৰ্ভুক্তি আৰু অন্যান্য গুৰুত্বপূৰ্ণ খণ্ড আৰু গাঁথনিগত সংস্কাৰক সামৰি লয়।
* **নিয়ন্ত্ৰণ প্ৰত্যাহাৰ** ঃ বিত্তীয় মধ্যস্থতা আৰু সঞ্চয় অৱনমনৰ ক্ষেত্ৰত নীতিৰ উন্নীতকৰণ।
* **জনগাঁথনি** ঃ যুৱ প্ৰজন্ম আৰু ডিজিটেল প্ৰযুক্তি ব্যৱহাৰ কৰা উপভোক্তাৰে বজাৰখন পৰিচালিত হ'বলৈ ধৰিছে।
* **বিভাজন** ঃ বেংক ব্যৱস্থা, টেলিকম আৰু বিত্তীয় খণ্ডৰ সমন্বয় আৰু ডিজিটেলকৰণক ই সামৰি লয়।

এই চাৰিটা 'D'ৰ ভিত্তিত তলৰ সাতটা পৰিৱৰ্তনেৰে ভাৰতৰ পৰৱৰ্তী প্ৰজন্মৰ বেংক ব্যৱস্থাৰ চিত্ৰপট ব্যাখ্যা দাঙি ধৰিব।

**১। প্ৰযুক্তিয়ে বেংক ব্যৱস্থা ৰূপান্তৰ ঘটাব ঃ**

প্ৰযুক্তিয়ে বেংকৰ স্বৰূপ ভৱিষ্যতে সম্পূৰ্ণ সলনি কৰিব। বিগ ডেইটা, ক্লাউড কম্পিউটিং, স্মাৰ্ট ফোন আৰু অন্যান্য এনে সঁজুলিৰ উদ্ভাৱন ইয়াৰ অন্তৰ্ভুক্ত হ'ব। 'মাল্টিচেনেল' নহয়, 'অমনিচেনেল' হ'ব নতুন পদ্ধতি। উপভোক্তাই বেংকৰ সৈতে কৰা লেনদেনৰ প্ৰক্ৰিয়াটোৰেই সম্পূৰ্ণ পৰিৱৰ্তন হ'ব। উদাহৰণস্বৰূপে উপভোক্তাৰ ম'বাইল ফোনলৈ ব্যক্তিগত অফাৰ প্ৰেৰণ, ব্যক্তিৰ সৈতে সম্পৰ্ক অটুট ৰাখিবলৈ হোম ভিডিঅ' কনফাৰেন্সিঙৰ ব্যৱহাৰ, মুখমণ্ডল চিনাক্তকৰণ প্ৰযুক্তিৰ ওপৰত গুৰুত্ব আদি প্ৰক্ৰিয়াসমূহেৰে প্ৰযুক্তিৰ জৰিয়তে বেংক ব্যৱস্থাৰ আমূল পৰিৱৰ্তন সাধন কৰা হ'ব।

গতিকে উল্লেখ কৰাটো নিষ্প্ৰয়োজন যে ম'বাইল বেংকিং আৰু ম'বাইল পেমেণ্ট/বাণিজ্যই হ'ল আমাৰ ভৱিষ্যৎ। ভাৰতৰ দৰে বৃহৎ সংখ্যক ম'বাইল ফোন ব্যৱহাৰকাৰীৰ দেশত বিত্তীয় সেৱাসমূহ লাভ কৰিবলৈ এই প্ৰযুক্তি ব্যৱহাৰ কৰিব পৰাৰ যথেষ্ট থল আছে। আমাৰ দেশত ৯৪৬ নিযুতৰো অধিক ম'বাইল ফোন ব্যৱহাৰকাৰী আছে যদিও ম'বাইল বেংকিং উপভোক্তাৰ সংখ্যা মাথোঁ ৫০ নিযুত। এইক্ষেত্ৰত JAM ত্ৰয় (জনধন-আধাৰ ম'বাইল) বেংক ব্যৱস্থাৰ সামগ্ৰিক ৰূপ সলাব পৰাকৈ সক্ষম।

**২। প্ৰযুক্তিৰ পৰিণাম বেংকৰ 'সৃষ্টিশীল ধ্বংস' ঃ**

প্ৰতিযোগিতা বৃদ্ধি কৰিব পৰা উদ্ভাৱনৰ ওপৰত বেংকে মনোনিৱেশ কৰাটো আৱশ্যকীয়। ইয়াৰ ফলত উপভোক্তাই উন্নততৰ আৰু কম ব্যয়ৰ সেৱা লাভ কৰিব। বেংকে অংশীদাৰিত্বৰ জৰিয়তে আন্তঃগাঁথনিক সামৰি লৈ লক্ষ্য অৰ্জন কৰিব পাৰে। তদুপৰি উপভোক্তাৰ পৰিচয় নিশ্চিতকৰণ, প্ৰৱঞ্চনা নিৰীক্ষণ, ধন আদায় প্ৰক্ৰিয়াকৰণ, একাউণ্ট আন্তঃগাঁথনি, কে ৱাই চি প্ৰক্ৰিয়াকৰণ আদি কাম-কাজৰ দায়িত্ব প্ৰচলিত প্ৰযুক্তি প্ৰদানকাৰীৰ ওপৰত এৰি দিয়াটো হ'ব আগবাঢ়ি যোৱাৰ বাবে গুৰুত্বপূৰ্ণ পদক্ষেপ ।

**৩। নগদবিহীন আৰু শাখাবিহীন বেংক ব্যৱস্থা ঃ**

বি-মুদ্ৰাকৰণৰ পাছত আৰু নগদবিহীন অৰ্থনীতিৰ ওপৰত গুৰুত্ব প্ৰদান কৰা সক্ৰিয় নীতিৰে নগদবিহীন বেংক ব্যৱস্থাই ইণ্টাৰনেটৰ অধিক ব্যৱহাৰেৰে ২০১৫ৰ ডিছেম্বৰলৈ প্ৰায় ৪০০ নিযুত ব্যৱহাৰকাৰী আৰু ম'বাইল ফোনক বেংকৰ ব্যক্তিগত শাখালৈ ৰূপান্তৰিত কৰাৰ জৰিয়তে লেনদেনৰ সুবিধাৰ বৈপ্লৱিক পৰিৱৰ্তন সাধন কৰাটো সম্ভৱ হ'ব। উল্লেখযোগ্য যে মাত্ৰ এবছৰতে ২০১৪ বৰ্ষত স্মাৰ্টফোন ব্যৱহাৰকাৰীৰ সংখ্যা দুগুণলৈ বৃদ্ধি পাই ৮০ নিযুত হৈছেগৈ। মৰগান ষ্টেনলীৰ মতে, ভাৰতীয় ইণ্টাৰনেট বজাৰ ২০১৩ বৰ্ষত ১১ বিলিয়ন ডলাৰৰপৰা ২০২০ চনলৈ ১৩৭ বিলিয়ন ডলাৰলৈ বৃদ্ধি হ'ব। এই সংখ্যা সোণালী সুযোগৰূপে বিবেচিত হ'ব।

সমগ্ৰ বিশ্বত বেংক উদ্যোগ নিতৌ ৯-৫ বজাৰ ব্যৱসায়ৰপৰা শীঘ্ৰেই ২৪×৭ ব্যৱসায় মঞ্চলৈ ৰূপান্তৰিত হোৱাৰ থল আছে। শাখাবিহীন বেংক ব্যৱস্থাই ৰাজহ সংগ্ৰহৰ লক্ষ্য অৰ্জন কৰাত সহায় কৰাৰ লগতে ব্যয় ব্যৱস্থাপনাতো সহায় কৰিব। শাখাবিহীন বেংক ব্যৱসায়ে প্ৰচলিত ৯-৫ বজাৰ সময়সাপেক্ষ শাখাসমূহ বন্ধ কৰিবলৈ উন্নত দেশসমূহক উৎসাহিত কৰিছে। যোৱা ৫ বছৰত 'বেংক অব্ আমেৰিকা'ই শতাধিক শাখা বন্ধ কৰি দিছে। শাখাবিহীন বেংকৰ আৰ্হি আৰু অধিক বাস্তৱমুখী কৰাৰ অৰ্থে উপভোক্তা ধৰি ৰখাৰ ব্যয় ৪০ শতাংশ

হ্রাস কৰিব পৰা 'আধাৰ'ৰ দৰে ৰাষ্ট্ৰীয় মঞ্চৰ সৈতে সংলগ্ন কৰা বাঞ্ছনীয়।

**৪। এ টি এম ব্যৱহাৰৰ ক্ষেত্ৰত উদ্ভাৱন ঃ**

বিশ্ব বেংকৰ প্ৰাক্‌কলন অনুসৰি ভাৰতীয় বেংকত প্ৰত্যেক লেনদেনৰ বাবদ প্ৰত্যেক শাখাত ৪৮ টকাকৈ, ফোন বেংকিঙৰ বাবদ ২৫ টকাকৈ, এ টি এমত ২৮ টকাকৈ, আই ভি আৰৰ বাবে ৮ টকাকৈ আৰু অনলাইনৰ বাবে ৪ টকাকৈ ব্যয় হয়। ভাৰতত এ টি এমৰ সংখ্যা জনসংখ্যাৰ বিপৰীতে বৰ কম— ভাৰতত প্ৰত্যেক ১০০ লাখ লোকৰ মাজত মাত্ৰ ১১টা এ টি এম থকাৰ বিপৰীতে চীন আৰু মালয়ছিয়াত এই সংখ্যা ক্ৰমে ৩৭ আৰু ৫২। এই ক্ষেত্ৰত সৌৰশক্তিচালিত এ টি এমৰ ব্যৱহাৰে স্থাপন ব্যয় প্ৰায় ৫০ শতাংশ হ্ৰাস কৰিব আৰু গ্ৰামাঞ্চলত শক্তিৰ নাটনিৰ ফলত উদ্ভৱ হ'ব পৰা অসুবিধা দূৰ কৰিব।

**৫। আন্তঃগাঁথনিগত বিত্তৰ যোগান-আধাৰ নিৰ্মাণ ঃ**

বিশ্বৰ আন্তঃগাঁথনি বজাৰত ভাৰতৰ প্ৰায় ৫ শতাংশ অংশ আছে। ২০২৫ বৰ্ষলৈ এই অংশ ৯-১০ শতাংশলৈ বৃদ্ধি হোৱাৰ সম্ভাৱনা পৰিলক্ষিত হৈছে। ভৱিষ্যতৰ উন্নয়ন আৰ্হি ৫:২৫ গাঁথনিৰ দিশত গঢ়ি উঠিব আৰু পি পি পি আৰ্হি হ'ব দীৰ্ঘ ম্যাদী বিত্ত যোগানৰ বাবে। অতিৰিক্তভাৱে আন্তঃগাঁথনি ঋণ পুঁজি, 'গ্ৰীণ বেংকিং' আৰু 'ভায়েবিলিটি গেপ ফাণ্ডিং' হ'ব নতুন বিন্যাস।

**৬। ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগৰ বাবে নতুন আৰ্হি ঃ**

ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগে দেশৰ মুঠ ঘৰুৱা উৎপাদনলৈ ৮ শতাংশ অৰিহণা যোগায়। SIDBI বা ভাৰতৰ ক্ষুদ্ৰ উদ্যোগ উন্নয়ন বেংকৰ প্ৰাক্‌কলন অনুসৰি ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ খণ্ডৰ সামগ্ৰিক ঋণৰ বাবে প্ৰয়োজনীয় ধনৰ চাহিদা ৬৫০ বিলিয়ন আমেৰিকান ডলাৰ। নতুন গাঁথনি যেনে গোট ভিত্তিক যোগান, মূলধন ৰাজসাহায্য নীতি প্ৰযুক্তিৰ বিকাশৰ বাবে, মুদ্ৰা বেংক, জমাধন নিশ্চয়তা আঁচনি, উত্থায়ন কেন্দ্ৰ, ষ্টাৰ্ট-আপ সুবিধাই সমাগত বৰ্ষসমূহত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব।

**৭। প্ৰতিযোগিতা আৰু সুদৃঢ়কৰণ ঃ**

নতুন ৰূপৰ বিশেষ বেংকৰ প্ৰৱেশ কৰাৰ লগে লগে ভাৰতৰ বেংক ব্যৱস্থাৰ ৰূপান্তৰ ঘটিব। উদ্ভাৱন আৰু প্ৰতিযোগিতাৰ তাড়না আৰু ব্যৱসায়ৰ মান অক্ষুণ্ণ ৰাখিলে সহযোগিতাৰে ভিত্তি সুদৃঢ় হ'ব। অহা ১৫-২০ বছৰৰ ভিতৰত তলৰ উদ্ভাৱনীমূলক চিন্তাই বাস্তৱিকতে পাৰ্থক্য আনি দিব ঃ

একাউণ্ট নাম্বাৰ পৰ্টেবিলিটী (ম'বাইল নাম্বাৰ পৰ্টেবিলিটীৰ দৰে একে ধৰণৰ);

বিগ ডেইটা এনালিটিক্‌ছৰ বাবে দক্ষতা বৃদ্ধিৰ সুবিধা;

খুচুৰা ঋণৰ পুনৰীক্ষণ।

**সামৰণি ঃ**

ব্যক্তিগত আৰু ৰাজহুৱা খণ্ডৰ বেংকৰ পোনতে সুবিধা গ্ৰহণ কৰি প্ৰভাৱ বিস্তাৰ কৰিবলৈ সমৰ্থ হোৱা শাখাসমূহ সুবিধাজনক স্থিতিত উপনীত হ'ব পাৰিব। এই বেংকসমূহে কাৰ্যনীতিৰ ক্ষেত্ৰত প্ৰভূত সুবিধা লাভ কৰিব। এই আকাংক্ষিত নতুন পৰিৱৰ্তনসমূহক সম্পূৰ্ণ আঁকোৱালি ল'ব পাৰিলে ভাৰতৰ বেংক ব্যৱস্থা বিশ্বমানৰ হোৱাই নহয়, এই কাৰ্যই ভাৰতৰ অৰ্থ-নীতিক পৰৱৰ্তী ৫ বছৰৰ ভিতৰত বিশ্বৰ শীৰ্ষৰ চাৰিটা স্থানলৈ উন্নীত কৰিব। ❑


**'পয়োভৰা'ৰ গ্ৰাহক হোৱা নিয়মাৱলী**

▯ 'পয়োভৰা'ৰ প্ৰতিখনৰ মূল্য ২২.০০ টকা আৰু বিশেষ সংখ্যাৰ মূল্য ৩০.০০ টকা। আনহাতে এবছৰৰ বাবে গ্ৰাহক মূল্য হ'ব ২৩০.০০ টকা, দুবছৰৰ বাবে ৪৩০.০০ টকা আৰু তিনি বছৰৰ বাবে ৬১০.০০ টকা নিৰ্দ্ধাৰণ কৰা হৈছে। ▯ গ্ৰন্থাগাৰ, শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ বাবে ১০ শতাংশ ৰেহাই দিয়া হয় (তাৰ বাবে উপযুক্ত প্ৰমাণ-পত্ৰৰ প্ৰয়োজন)। ▯ গ্ৰাহক মূল্য ব্যক্তিগতভাৱে 'পয়োভৰা'ৰ গুৱাহাটী কাৰ্য্যালয়লৈ আহি, প্ৰতিনিধি পঠাই বা মণি-অৰ্ডাৰযোগে জমা দিব পাৰি। ▯ মণি-অৰ্ডাৰ পঠোৱাৰ ঠিকনা ঃ সম্পাদক, পয়োভৰা, প্ৰকাশন বিভাগ, তথ্য আৰু অনাতাঁৰ মন্ত্ৰালয়, পেন্সনপাৰা পথ, গৃহ নং-৪, গুৱাহাটী-৭৮১০০৩। ▯ আলোচনীখন সাধাৰণ ডাকত পঠোৱা হয়।

# অপৰিৱেশিত সম্পদৰ ব্যৱস্থাপনা ঃ প্ৰত্যাহ্বান আৰু আগলৈ যোৱাৰ পথ

**দীপক নাৰাংগ***

বেংকৰদ্বাৰা বিত্তীয় ক্ষেত্ৰত মধ্যস্থতা কৰাটো হ'ল বিকাশ সাধনৰ এটা চালিকা শক্তি; কিয়নো তাৰদ্বাৰাই অৰ্থনীতিত ধনৰাশিৰ বিস্তাৰিতকৰণত উদগনি জগায়; আৰু তাৰ বাবে বেংকবোৰে যিসকলৰ অতিৰিক্ত ধন আছে তেওঁলোকে জমা ৰখাৰ সুচল ব্যৱস্থা কৰে, আৰু সেই ধনৰাশিকেই বিনিয়োগৰ কাম-কাজত খটাবলৈ ঋণ প্ৰদান কৰে। অৰ্থনীতিত এনে ব্যৱস্থাৰ গুণীতক প্ৰভাৱ আছে। ঋণ প্ৰদানৰ ফলত উৎপাদনমূলক সম্পদৰাজিৰ বাবে চাহিদাৰ পথ সুচল কৰে আৰু তাৰদ্বাৰাই সামগ্ৰী আৰু সেৱা যোগান ধৰোঁতাৰ উপাৰ্জন স্তৰ বৃদ্ধি কৰে। এক কথাত ক'বলৈ গ'লে এজনৰ ব্যয়, কিন্তু আনপিনে অন্যজনৰ উপাৰ্জন হয়। এনে গতি প্ৰৱাহে জি ডি পি, অৰ্থাৎ মুঠ ঘৰুৱা উৎপাদনৰ হাৰ বৃদ্ধি হোৱাৰ পথ প্ৰশস্ত কৰে আৰু খৰতকীয়াকৈ উৎপাদন বৃদ্ধি হোৱাৰ ক্ষেত্ৰতো বৰঙণি যোগায়।

ঋণ প্ৰদানৰ সংকোচন গতিয়ে বিপৰীত প্ৰভাৱ পেলায় আৰু বিকাশৰ ক্ষেত্ৰতো মন্থৰতা আহি পৰে। ঋণ বৃদ্ধিৰ নিশ্চলতাৰ এটা ডাঙৰ কাৰণ হ'ল বেংকৰ বেলেঞ্চ ছীট, অৰ্থাৎ নিৰ্দিষ্ট সময়বিশেষৰ প্ৰস্তুত কৰা হিচাপ-নিকাচৰ প্ৰতিবেদনত কাৰ্য সাধন কৰিব নোৱাৰা সম্পত্তিৰ খৰতকীয়া অৱস্থিতি। এছ চী বীৰ বাকী ৰোৱা ঋণৰ যি ৭২ শতাংশ বজাৰৰ অংশ পৰিমাণ আছে সেয়া ৰাজহুৱা খণ্ডৰ বেংকৰহে। এই দ্বৈত বেলেঞ্চ ছীটৰ সমস্যা অৰ্থাৎ অধিক প্ৰভাৱান্বিত তথা বিপদাপন্ন কোম্পানী-সমূহ আৰু লগতে ৰাজহুৱা খণ্ডৰ বেংকৰ বৰ্দ্ধিত অকাৰ্যকৰী সম্পত্তিয়ে অৰ্থনীতিত বিনিয়োগ সাধন গতিক ধৰি ৰাখে।

ভাৰতত বেংকসমূহৰ বিনা কাৰ্য সাধন সম্পত্তিৰ মুঠ পৰিমাণ পাৰ হৈ যোৱা বছৰটোৰ ৩০ ছেপ্টেম্বৰ পৰ্যন্ত আছিল ৮.৪০ লাখ কোটি টকা। কিন্তু ৩০ জুন পৰ্যন্ত সেই পৰিমাণ আছিল ৮.২৯ লাখ কোটি টকা। এই হিচাপত ছেপ্টেম্বৰ পৰ্যন্ত সেই বৃদ্ধি হাৰ হ'ল ১.৩ শতাংশ। ১৫ ছেপ্টেম্বৰৰ পৰা এনেবোৰ সম্পত্তিৰ ক্ষিপ্ৰগতিত বৃদ্ধি হোৱাৰ কাৰণ হ'ল পূৰ্বৰ বছৰবোৰত বেংকসমূহৰ খৰতকীয়া ঋণৰ মাত্ৰা বৃদ্ধি হোৱা হেতুকে আৰু সেই বৃদ্ধিয়ে ২০০৮ চনৰপৰা গতি লাভ কৰি আছে। ৰাজহুৱা খণ্ডৰ বেংকসমূহৰ মুঠ অগ্ৰিম ধন প্ৰদানৰ পৰিমাণ ২০০৮ চনৰপৰা ২০১৪ চনৰ কালছোৱাত ১৮ লাখ কোটি টকাৰপৰা ৫৪ লাখ কোটি টকালৈ বৃদ্ধি পায় আৰু ২০১৭ চনৰ ছেপ্টেম্বৰৰ ভিতৰত এই সংখ্যা হয় ৫৫.০১ লাখ কোটি টকা। এই স্তূপীকৃত বেয়া ঋণৰ ক্ষেত্ৰত চৰকাৰৰ অধিকৃত বেংকবোৰৰ সম্পত্তিৰ অংশ পৰিমাণ প্ৰায় ৯০ শতাংশ হোৱাটো সেয়ে কোনো আচৰিত কথা নহয়।

২০১৭ বৰ্ষৰ ফেব্ৰুৱাৰী আৰু জুনৰ কালছোৱাত ৰাজহুৱা খণ্ডৰ বেংকৰ বিনা কাৰ্য সাধন সম্পত্তিৰ (যাক কোৱা হয় বেয়া ঋণ) পৰিমাণ প্ৰায় একেধৰণৰ আছিল (৭.৩৩ কোটি টকা), কিন্তু আনহাতে ১৭টা বেচৰকাৰী খণ্ডৰ বেংকৰ এই ঋণ প্ৰদান পৰিমাণ ১.০৬ লাখ কোটি টকালৈ বৃদ্ধি পায়। শতাংশ হিচাপত এই হাৰ হ'ল প্ৰায় ১০.৫%।

বৃহৎ ঋণ লওঁতা— যিসকলৰ ধনৰাশিৰ সীমা হ'ল ৫ কোটি টকা আৰু ততোধিক মূল্যৰ— তেওঁলোকৰ বাণিজ্যিক বেংকৰপৰা লোৱা অগ্ৰিম ধনৰ শ্বেয়াৰ অৰ্থাৎ অংশ পৰিমাণ হ'ল ৫৬ শতাংশ, কিন্তু বেয়া ঋণৰ (অকাৰ্যকৰী সম্পত্তি) অংশ পৰিমাণ হ'ল ৮৬.৫ শতাংশ। এই এন পী এলৈ গতি কৰা সৰ্বাধিক মূল্য পৰিমাণ হয় সেইবোৰ প্ৰতিষ্ঠানৰ 'একাউণ্ট' অৰ্থাৎ হিচাপ-বহীত যাৰ বাকী ৰোৱা ধনৰাশিৰ পৰিমাণ থাকে ২০ কোটি টকাৰ পৰা ৫০ কোটি টকাৰ ভিতৰত। তাৰ পিছতেই অন্য কিছুমানৰ এনে স্থিতিৰ পৰিমাণ হয়গৈ ৫০ কোটি টকাৰপৰা ১০০ কোটি টকাৰ ভিতৰত। বাকী ৰোৱা অগ্ৰিম ধনৰ শীৰ্ষ ১০০ বৃহৎ প্ৰতিষ্ঠান-সমূহৰ ক্ষেত্ৰত মুঠ অগ্ৰিম ধনৰ পৰিমাণ হ'ল প্ৰায় ১৫.২ শতাংশ, কিন্তু তেওঁলোকৰ 'এন পী এ'ৰ (অকাৰ্যকৰী সম্পত্তি) শ্বেয়াৰৰ পৰিমাণ এছ চী বীৰ মুঠ 'এন পী এ'ৰ ২৫.৬ শতাংশ।

*লিখক দীপক নাৰাংগ পুণেৰ এন আই বী এমৰ ইউনাইটেড বেংকৰ প্ৰাক্তন কাৰ্যবাহী সঞ্চালক আৰু ভিজিটিং প্ৰফেচৰ।
প্ৰবন্ধটোত উল্লিখিত মতামত লেখকৰ নিজা।

উদ্যোগসমূহৰ অগ্ৰিম ধনৰ সমানুপাত হাৰ এছ চী বীৰ ক্ষেত্ৰত ২০১৭ বৰ্ষৰ মাৰ্চ পৰ্যন্ত মোটামুটি হিচাপত আছিল ২৩ শতাংশ আৰু আনপিনে এই সমানুপাতৰ হাৰ কৃষি, সেৱা আৰু পাইকাৰী খণ্ডত যথাক্ৰমে আছিল ৬.৩%, ৭% আৰু ২.১%। ইয়াৰ ভিতৰত এটা গোট হিচাপে ৰাজহুৱা খণ্ডৰ বেংকসমূহৰ উদ্যোগলৈ আগবঢ়োৱা অগ্ৰিম ধনৰ সমানুপাতৰ হাৰ আছিল ২৮.৮%। কিন্তু বেচৰকাৰী বেংক আৰু বিদেশী বেংকৰ এই পৰিমাণ আছিল যথাক্ৰমে ৯.৩% আৰু ৭.১%। উদ্যোগ-সমূহৰ বহল প্ৰেক্ষাপটত যিবোৰ সামগ্ৰী ছাপৰ প্ৰভাৱত থাকে সেইবোৰ হ'ল ঘাইকৈ মূল ধাতৰ সামগ্ৰী আৰু তাৰ উৎপাদনজাত পণ্য, চিমেণ্ট, বস্ত্ৰ, আন্তঃগাঁথনি ইত্যাদি।

এনে অৱস্থিতিৰ কাৰণ কি সেই বিষয়ে কিছু বিশ্লেষণ দাঙি ধৰাটো উচিত হ'ব। তাৰ ভিতৰত কেইটামান হ'ল এনেধৰণৰ—

(ক) ধাৰে লওঁতাসকললৈ ঋণ প্ৰদান কৰি নিৰ্দিষ্ট সময়ৰ হিচাপ-নিকাচৰ তালিকাখন বৃদ্ধি কৰাত উছাহৰ ভাব প্ৰকাশ— যিটো এনে ঋণ প্ৰদান কৰাৰ ক্ষেত্ৰত তেনে ঋণ লাভ কৰোঁতাসকলৰ অতীত ঋণ ইতিহাসলৈ চাই অযোগ্য।

(খ) গোলকীয় ক্ষমতা অথবা চাহিদা আৰু যোগানৰ ক্ষেত্ৰত কি স্থিতি বিৰাজমান তাৰ প্ৰতি লক্ষ্য নকৰাকৈ সন্মুখত আহি পৰা চাহিদাৰ কথা ভাবি অধিক ক্ষমতা সৃষ্টিৰ অৰ্থে পুঁজি পুষ্ট কৰিবৰ কাৰণে ঋণ লোৱা হয়।

(গ) বিভিন্ন কাৰণত প্ৰকল্প সম্পূৰ্ণ কৰাৰ ক্ষেত্ৰত বিলম্ব কৰা হয়।

(ঘ) লাভ কৰোঁতাৰ পৰা ধন পুনৰুদ্ধাৰ কৰা কাৰ্য সক্ৰিয়ভাৱে কৰা নহয়।

(ঙ) কৰ্পোৰেট গোষ্ঠীয়ে ইকুইটী ইছ্যু কৰি মূলধনৰ পৰিমাণ বৃদ্ধি কৰিবলৈ সমৰ্থ নহয় অথবা মূলধনী বজাৰৰপৰা অন্য ঋণ সংগ্ৰহ ব্যৱস্থাৰ জৰিয়তে তেনে সুবিধা আদায় কৰিবলৈও অপাৰগ হয়। পৰিৱৰ্তে ঋণত লোৱা ধনৰাশিয়েই ইকুইটী ৰূপে ব্যৱহাৰ কৰে— যাৰ ফলত ধনৰ বোজা দুগুণ হয়। বেংকসমূহে ইকুইটীৰ কাৰ্যকৰণৰ ওপৰত চকু নিদিয়ে।

(চ) অতি আশাবাদী প্ৰক্ষেপণ দৃষ্টিভংগী আৰোপ কৰাৰ বাবদ ব্যৱসায়ত অসফলতাকে আঁকোৱালি ল'ব লগা হয়।

(ছ) পুঁজিৰ বিভাজন বিস্তাৰিতকৰণ অথবা আধুনিকীকৰণৰ অৰ্থে কৰা হয়। কিন্তু যিটোৰ বাবে তেওঁলোকক ঋণ প্ৰদান কৰা হয় সেই উদ্দেশ্যৰ বাবে তেনে ঋণ পুঁজি কামত লগোৱা নহয়।


(জ) ইচ্ছাকৃতভাৱে ঋণ পৰিশোধ নকৰা, পুঁজি আত্মসাৎ কৰা, ঠগ-প্ৰৱঞ্চনা, অনুচিতভাৱে ব্যৱহাৰ ইত্যাদি।

(ঝ) পুঁজিৰ ধনৰাশি কেনেদৰে ব্যৱহাৰ কৰিছে তাক পৰ্যবেক্ষণ কৰিবলৈ বেংকসমূহৰ কৌশলাত্মক উপায়ৰ অভাৱ আৰু কিছুমান কোম্পানীৰ ৰেবৰ জৰিয়তে ধাৰ লওঁতাসকলৰ-দ্বাৰা ধনৰাশি অন্য পথলৈ গতিকৰণ ইত্যাদি।

(ঞ) ঋণ সন্দৰ্ভত পুনৰ চালি-জাৰি চোৱাৰ ক্ষেত্ৰত কাৰ্য ব্যৱস্থাৰ অভাৱ আৰু যিখিনি পৰিশ্ৰম কৰা হয় সেয়াও উপযুক্ত নহয়।

| | জী এন পীৰ সমানুপাত | ঋণ বৃদ্ধি |
|---|---|---|
| ২০০১-০২ | ১১ | ২৩.৬ |
| ২০০২-০৩ | ৯.৫ | ১৪.৪ |
| ২০০৩-০৪ | ৭.৪ | ৯৬.২ |
| ২০০৪-০৫ | ৫.২ | ৩১ |
| ২০০৫-০৬ | ৩.৫ | ৩১ |
| ২০০৬-০৭ | ২.৬ | ২৮.৫ |
| ২০০৭-০৮ | ২.৪ | ২৩.১ |
| ২০০৮-০৯ | ২.৪ | ১৯.৬ |
| ২০০৯-১০ | ২.৫ | ১৭.৩ |
| ২০১০-১১ | ২.৪ | ২২.৩ |
| ২০১১-১২ | ২.৯ | ১৬.৯ |
| ২০১২-১৩ | ৩.৪ | ১৫.১ |
| ২০১৩-১৪ | ৩.৮ | ১০.৯ |
| ২০১৪-১৫ | ৪.৬ | ১২.৬ |
| ২০১৫-১৬ | ৭.৬ | ১০.৭ |
| ২০১৬-১৭ | ৯.৩ | ৫.০৮ |

**% ঋণ বৃদ্ধি বনাম জী এন পী এ %**




**ঋণ বৃদ্ধি % ⊡ মুঠ এন পী এ % ⊡**

নতুন ঋণ প্ৰদান ব্যৱস্থাৰ আগতে প্ৰায় ৩-৪ বছৰ ইয়াৰ গতি লেহেমীয়া আছিল। বৃদ্ধি সাধন কালছোৱাত ‘এন পী এ’ৰ নতুন ব্যৱস্থাই যিমান গতিময়তা লাভ কৰিব লাগিছিল তাত অগ্ৰিম ধনৰ অধিক বৃদ্ধিয়ে প্ৰভাৱান্বিত কৰে। অৱশ্যে মুঠ ‘এন পী এ’ৰ সমানুপাত হাৰ চিন্তা কৰিব লগাকৈ বৃদ্ধি নাপায়। কিয়নো অগ্ৰিম ধনৰ মাত্ৰ ‘এন পী এ’তকৈ অধিক খৰকৈ বাঢ়ি যায়। সেয়ে বেংকসমূহে এনে পৰিস্থিতিৰ প্ৰতি সতৰ্ক হ’ব লগা হয়। তাৰ বাবে উপযুক্তভাৱে পৰ্যবেক্ষণ কৰিব লগা হয় আৰু সংশোধনমূলক ব্যৱস্থা হাতত ল’বলৈও থিৰ কৰা হয়— যাতে ইচ্ছাকৃতভাৱে ঋণ আদায় নিদিয়াৰ পৰা বিৰত থকাসকলক নতুন ঋণ দিয়া নহয়। এই ক্ষেত্ৰত বেংকবোৰে ৰিজাৰ্ভ বেংকৰ চাৰ্কুলাৰখনক গুৰুত্ব সহকাৰে লৈ তেনে ঋণ লওঁতাসকলক সমগ্ৰ প্ৰক্ৰিয়া আৰু ব্যৱস্থাত সহযোগ নকৰা ৰূপে ঘোষণা কৰা হ’ব বুলি আগতীয়া সাৱধান বাণী দিব পাৰিলহেঁতেন।

কোম্পানী আইনৰ ব্যৱস্থাৱলীয়ে বেংক কৰ্তৃপক্ষক ঋণ পৰিশোধ কৰাৰ ক্ষেত্ৰত সহযোগ নকৰাসকলৰ বিৰুদ্ধে উপযুক্ত কাৰ্য ব্যৱস্থা গ্ৰহণ কৰিবলৈ ক্ষমতা দিছে আৰু তেনে গোচৰসমূহ “ছিৰিয়াছ ফ্ৰড ইনভেষ্টিগেশ্বন অফিচ”লৈ প্ৰেৰণ কৰিবলৈও অধিকাৰ দিছে। তলত বিস্তৃতভাৱে সেইবোৰ উল্লেখ কৰা হৈছে।

কোম্পানী আইন, ২০১৩ৰ ৪৪৭ ধাৰা অনুযায়ী এটা কোম্পানীৰ কাম-কাজৰ সন্দৰ্ভত প্ৰৱঞ্চনাক এটা নতুন অপৰাধ ৰূপে তলত উল্লেখ কৰাৰ দৰে গণ্য কৰা হয়—

যিকোনো ব্যক্তিয়ে কোম্পানীৰ স্বাৰ্থত অনিষ্ট সাধন কৰিবলৈ অথবা প্ৰৱঞ্চনা কৰাৰ ইচ্ছাৰে কোনো কাম কিম্বা কোনো বিষয় লুকুওৱা অথবা নিজ স্থিতিক অপব্যৱহাৰ কৰে তেনে ক্ষেত্ৰত সেইবোৰ কাৰ্য ছিৰিয়াছ ফ্ৰড ইনভেষ্টিগেশ্বন অফিচৰ (এছ এফ আই অ’)দ্বাৰা তদন্ত কৰিব পাৰে। শ্বেয়াৰ হোল্ডাৰ কিম্বা ঋণদাতাৰ ক্ষেত্ৰতো কোনো ব্যক্তিয়ে তেনে অপব্যৱহাৰ কৰিলে সেই তদন্ত কাৰ্যালয়ে অনুসন্ধান কৰিব পাৰে। ভুলভাৱে লাভ অৰ্জন কৰিছে কিম্বা ক্ষতিৰ মুখ দেখিছে— যিয়েই নহওক সকলোবোৰ বিষয় উক্ত কাৰ্যালয়ৰ তৰফৰপৰা বিচাৰ্য বিষয় হয়।

সেই কাৰণে ইচ্ছাকৃতভাৱে স্বাভাৱিক গতি ৰোধকৰণৰ গোচৰ এছ এফ আই অ’ক অৰ্পণ কৰিব পাৰি— যাতে কোম্পানী আইন, ৪৪৭ ধাৰাৰ অধীনত তেনে দোষ ভীষণ ধৰণৰ প্ৰৱঞ্চনামূলক বিষয় হয়নে তাক তদন্ত কৰিব পাৰে আৰু এটা কথা হ’ল বেংকবোৰে যদি ঋণ লওঁতাসকলে অসাধু প্ৰবৃত্তি তথা ভুল প্ৰতিনিধিত্ব কৰি ঋণ লৈছে— সেইটো প্ৰতিষ্ঠিত কৰাৰ অৱস্থাত নাথাকিলে ইচ্ছাকৃতভাৱে ধন পৰিশোধ নকৰাৰ কাৰণে তেনে ঋণ লওঁতাৰ বিৰুদ্ধে ফৌজদাৰী কাৰ্যবিধি আৰম্ভ কৰা মস্কিল হয়।

কোনো ব্যক্তিক যদি প্ৰৱঞ্চনা কৰাত দোষী পোৱা যায়, তেনে লোকৰ বাবে কাৰাবাস খটাৰ ম্যাদ ৬ মাহৰ কম নহয় আৰু ইয়াক ১০ বছৰৰ বাবেও বঢ়াই দিব পাৰে আৰু লগতে জৰিমনা বিহিবও পাৰে। সেই জৰিমনাৰ পৰিমাণ প্ৰৱঞ্চনা কালত যিমান ধনৰাশি জড়িত আছিল তাতোকৈ কম নহয় আৰু প্ৰৱঞ্চনা কৰা ধনৰ পৰিমাণতকৈ তিনি গুণ বঢ়াই দিবও পাৰে আৰু যদি তেনে প্ৰৱঞ্চনাই ৰাজহুৱা স্বাৰ্থক আক্ৰান্ত কৰে, সেই ক্ষেত্ৰত কাৰাবাস খটাৰ কাল ৩ বছৰতকৈ কম নহয়।

ধন পৰিশোধ কৰিব নোৱাৰা ঋণ লওঁতাৰপৰা উদ্ধাৰ কৰিবৰ বাবে বেংকৰ কাৰণে বিশেষ আইনো আছে। তেনে আইনবোৰ হ’ল, যেনে— আৰ ডী ডী বী এফ আই এক্ট, এছ এ আৰ এফ এ ই এছ আই এক্ট-০১ আৰু শেহতীয়াকৈ প্ৰণয়ন কৰা ইন্‌ছলভেন্সি এণ্ড বেংক্‌ৰাপ্তছি ক’ড ২০১৬।

‘ছাৰফেইছি’ আইনে বেংক কৰ্তৃপক্ষক ব্যক্তিজনৰ সম্পত্তি অধিকাৰ কৰিবলৈ দিয়ে আৰু আদালতে হস্তক্ষেপ নকৰাকৈ তাক নিলাম কৰিব পাৰে। সন্দেহ নাই এয়া এটা শক্তিশালী আহিলা আৰু উপযুক্ত পৰিকল্পনা তথা ভালদৰে কাৰ্য সাধন কৰিলে তেনে সম্পত্তিবোৰ বিক্ৰী কৰিব পৰা যায়। কিন্তু ঋণ পৰিশোধ কৰিব নোৱাৰা ব্যক্তি বা প্ৰতিষ্ঠানে সম্পত্তি নিলাম কৰাৰ ক্ষেত্ৰত বেংকক বাধা দিবলৈ সকলো উপায় অৱলম্বন কৰিব পাৰে; আৰু কেতিয়াবা অধিকৃত বিষয়াকো তেনে কামত সাঙুৰি ল’বলৈ চেষ্টা কৰে। তেনে ধৰণৰ অনাহকত কৰা প্ৰচেষ্টাই কৰ্মবাহিনীৰ নৈতিক বল হ্ৰাস কৰাৰ পথ মুকলিহে কৰে। তেনে এটা গোচৰ আছিল ২০০৬ চনৰ ১৪ ছেপ্টেম্বৰত মীমাংসা কৰা ‘দীপক নাৰাংগ বনাম হাৰিয়ানা চৰকাৰ তথা এ এন আৰ।’ এই ক্ষেত্ৰত পঞ্জাৱ আৰু হাৰিয়ানা আদালতৰ মাননীয় ন্যায়াধীশে হাৰাশাস্তিত ভোগা এলাহাবাদ বেংকৰ সহকাৰী মহাপ্ৰবন্ধকক (অৰ্থাৎ এই লেখক) কেৱল উদ্ধাৰ কৰা নাছিল, তদুপৰি সজাই-পৰাই উলিওৱা ঘটনাৱলীৰ ওপৰত আধাৰ কৰি আৰু অভিযোগনামা গ্ৰহণ কৰি শাস্তিৰ আদেশ জাৰি কৰা দণ্ডাধীশকো কঠোৰ সমালোচনা কৰিছিল। উল্লেখযোগ্য যে দীপক নাৰাংগ সেই গোচৰৰ কৰ্তৃত্বপ্ৰাপ্ত বিষয়া

আছিল। ন্যায়াধীশ আৰ এছ মদনে এইবুলি যুক্তি দৰ্শায় যে— এইটো এটা গোচৰ— য'ত আবেদনকাৰীক দণ্ডবিধি আইনৰ ১৯৭ ধাৰাৰ অধীনত কেৱল ৰক্ষা কৰাই নহয়, তদুপৰি ২০০২ আইনৰ ৩২ ধাৰাৰ অধীনতো সেই ব্যৱস্থা আছে। তলত তাক উল্লেখ কৰা হ'ল—

- "ৰাজহুৱা কৰ্মী এজনে চৰকাৰী কাম কৰি থাকোঁতে কিবা ভুল কৰা বুলি ধৰা কোনো অপৰাধৰ বাবে তেওঁক শাস্তি প্ৰদানৰ বাবে মঞ্জুৰী দানত দণ্ডবিধি আইনৰ ধাৰা ১৯৭ প্ৰযোজ্য হ'ব। চৰকাৰী কৰ্তব্য বুলিলে এইটোকে বুজাই যে এজন ৰাজহুৱা কৰ্মীয়ে তেওঁৰ কৰ্তব্য কালত কিবা এটা ভুল কৰিলে আৰু সেই ভুলৰ বাবেহে উল্লিখিত আইনৰ ধাৰা প্ৰযোজ্য হ'ব।"
- ৰক্ষণাবেক্ষণ আইন, ২০০২ ধাৰা-৩২— বিশ্বাসযোগ্যতাত লোৱা সুৰক্ষা কাৰ্য— কোনো নিৰাপদ ঋণদাতা অথবা তেওঁৰ কোনো বিষয়াবৰ্গ কিম্বা প্ৰবন্ধকৰ বিৰুদ্ধে এই আইনৰ অধীনত বিশ্বাসযোগ্যতাৰে কিবা কাম কৰিলে কিম্বা নকৰাকৈ এৰি দিলে কোনো গোচৰ, শাস্তি বিধান অথবা অন্য আইনী ব্যৱস্থা ল'বলগা নাথাকে।

ওপৰত উল্লিখিত গোচৰত আবেদনকাৰীৰ বিৰুদ্ধে গোচৰ তৰিবলৈ ২নং প্ৰতিবাদী পক্ষৰ কোনো কাৰণ নাছিল, কিয়নো সেই প্ৰাসংগিক সময়ত তেওঁক কক্ষত পোৱা নগৈছিল। গতিকে বৰ্তমানে আপত্তি দৰ্শোৱা কাৰ্য হ'ল ঋণ পৰিশোধ কৰিবলৈ অসমৰ্থ হোৱাজনে বৰ্তমানে দৰ্শোৱা আপত্তি হ'ল এটা প্ৰতিশোধমূলক কাৰ্যহে। তাকো তেওঁৰ পুত্ৰৰ জৰিয়তে ঘটনাৱলী বিকৃতভাৱে উল্লেখ কৰি গোচৰ তৰিবলৈ বিচাৰে। অথচ সেই অভিযোগনামাত সত্যতা একেবাৰেই নাই। সেই কাৰণে বৰ্তমানৰ অভিযোগ আদালত প্ৰক্ৰিয়াৰ এটা অপব্যহাৰ কৰা কাৰ্য। ইয়াক আওঁৰাই নিবলৈ দিব নোৱাৰি আৰু এটা কথা হ'ল এই আইনৰ সন্দৰ্ভত বিভিন্ন ন্যায়িক ঘোষণা সত্বেও আৰু সেইবোৰ বেংকৰ অধিকৃত বিষয়াৰ পক্ষত হ'লেও এই প্ৰক্ৰিয়াই তীক্ষ্ণতা হেৰুৱাইছে; আনহাতে বেংকসমূহেও সিমান সবলতা প্ৰদৰ্শন কৰি এই আইনৰ অধীনত ঋণৰ ধনৰাশি থাউকতে পুনৰুদ্ধাৰ কৰিবলৈ নলয়। তথাপি বেংকসমূহে এই কামত পিছ পৰি থকা নাই। ২০১৫-১৬ বৰ্ষৰ কালছোৱাত এই আইনৰ অধীনত ৬৪,৫১৯টা সম্পত্তি বেংকৰদ্বাৰা বাজেয়াপ্ত কৰা হয় কিম্বা নিজৰ দখললৈ অনা হয়। ২০১৭ বৰ্ষৰ ১৭ জুনলৈকে এই সংখ্যা হ'ল ৩৩,৯২৮। কিন্তু এই সংখ্যা আৰু অধিক হোৱা উচিত আছিল।

উল্লেখযোগ্য যে চৰকাৰে আইনখন সংশোধন কৰে, আৰু তাৰদ্বাৰাই জিলা কলেক্টৰ/জিলা দণ্ডাধীশৰ বাবে অধিকৃত বিষয়াৰদ্বাৰা আইনখনৰ অধীনত আবেদন কৰিলে সম্পত্তি আয়ত্ত কৰি বেংকক গতাই দিয়াটো বাধ্যতামূলক কৰে। পিছে অন্য কিছুমান বাধাও আছে। তেনে বাধা ঋণ লওঁতাসকলে বেংকৰ প্ৰয়াসক ওফৰাই পেলাবলৈ সৃষ্টি কৰে। ঋণ লওঁতাসকলে এই পদ্ধতি দীৰ্ঘ-দিনীয়া কৰি তোলে।

বেংকৰ অংশীদাৰ বা কৰ্মকৰ্তা ৰূপে এজন সৎ ঋণ লওঁতাৰ অৱস্থা বুজিব পাৰে। তেনে এটা পৰিঘটনাৰ পৰা তাক মূল্যাংকণ কৰক।

লুধিয়ানাৰ এজন উদ্যোগপতি। নাম সঞ্জয় লংৱালিয়া। তেওঁ কৈছিল যে লুধিয়ানাত অন্য উদ্যোগবোৰে সা-সামগ্ৰী তৈয়াৰ কৰাৰ দৰে তেওঁ তেনে সামগ্ৰী প্ৰস্তুত কৰে। তাৰ বাবদ তেওঁ নিৰ্দিষ্ট হাৰত সুত আদায় দিয়ে, কিস্তিও সময় মতে দিয়ে, সকলোবোৰ কৰ সৎভাৱে পৰিশোধ কৰে; কিন্তু বেংকে সুতৰ হাৰ কমাবৰ কাৰণে কৰা তেওঁৰ অনুৰোধ বিবেচনা নকৰে। তেওঁৰ অতীতৰ ভাল আচৰণৰ প্ৰতিও মনোযোগ নিদিয়ে। পূৰ্বতে তেওঁ লোৱা ঋণৰ পৰিমাণ কম আছিল আৰু পৰিশোধ কৰাৰ কোনো আশংকাও নাছিল। সেয়ে তেওঁ দুঃখ প্ৰকাশ কৰে যে অসাধু ঋণ লওঁতাই ঋণৰ ধন বিপথে নি তেওঁলোকৰ ব্যৱসায় চলাব পাৰে; আৰু বিভিন্ন আঁচনিৰ অধীনত তেওঁলোকেই সুতৰ হাৰত ৰেহাই লাভ কৰে আৰু কিস্তি পৰিশোধ কৰাৰ ক্ষেত্ৰত স্থগিত ৰখাৰ সুবিধা লাভ কৰে। দেখ দেখকৈ তেওঁৰ উদ্যোগৰ তৈয়াৰী সামগ্ৰী বজাৰ-কৰণত অসুবিধাৰ সন্মুখীন হয়। কিন্তু তাৰ বিপৰীতে অসাধু ঋণ লওঁতাসকলে সহজে নিজ ব্যৱসায় কৰি যায়। সেয়ে তেওঁ প্ৰশ্ন কৰে অসাধু কাৰ্যৰ বাবে কিবা পুৰস্কাৰ আছে নেকি? ঋণ লাভ কৰা সৎ লোকে কষ্ট ভুগিবলগা হয় নেকি? এই সময়খিনিতে মাননীয় প্ৰধান মন্ত্ৰীয়ে কোৱা কেইটামান শব্দ মোৰ মনত প্ৰতিধ্বনি হ'ল। এটা সাক্ষাৎকাৰত তেওঁ কৈছিল যে **ইচ্ছাকৃতভাৱে ঋণ পৰিশোধ নকৰাসকলক আইনৰ জুতি প্ৰদান কৰিব।**

বৰ্তমানৰ চৰকাৰখনে ঋণ পৰিশোধ কৰিবলৈ অসমৰ্থ আৰু দেউলীয়া বিষয়ক বিধি ২০১৬ চনৰ ১ ডিছেম্বৰত ৰূপায়ণ কৰিবলৈ লোৱাটো হ'ল এটা প্ৰশংসনীয় প্ৰচেষ্টা। ইয়াৰদ্বাৰাই এটা পৰিৱৰ্তন সাধন কৰিবলৈ লোৱা হৈছে। ঋণ পুনৰুদ্ধাৰৰ বাবে যি সুৰুঙা আছে তাক বন্ধ কৰিবলৈ তথা এখন কঠিন আইনৰ ব্যৱস্থা কৰিবলৈ চৰকাৰে দুবাৰ অধ্যাদেশ জাৰি কৰে। এই

বিধি এতিয়া 'ব্ৰহ্মাস্ত্ৰ'ৰ দৰে এপাট শক্তিশালী অস্ত্ৰ। ইয়াক 'এন পী এ'ৰ দৈত্যক সংহাৰ কৰিবলৈ ব্যৱহাৰ কৰা হ'ব। ইয়াৰ উপযুক্ততা নিৰ্ভৰ কৰিব ব্যৱহাৰকাৰীৰ ইচ্ছাশক্তি আৰু সদিচ্ছাৰ ওপৰত— যাতে এটা ন্যায়গত তথা সমভাৱৰ সমাধান উলিয়াব পাৰি। আইনখনৰ প্ৰকৃত উদ্দেশ্যক নস্যাৎ কৰিবলৈ যিকোনো লোকৰ কু-অভিপ্ৰায় মষিমূৰ কৰাটো হ'ব সবাতোকৈ প্ৰয়োজনীয় বিষয়। উল্লিখিত এই বিধিৰ অধীনত যি প্ৰস্তাৱ গ্ৰহণ কৰা হ'ব সেয়া ভাল-বেয়া বিচাৰ কৰি বুদ্ধিমত্তাৰ ওপৰত ভিত্তি কৰা হ'ব লাগিব।

শেহতীয়া অধ্যাদেশ ইচ্ছাকৃতভাৱে ঋণ পৰিশোধ নকৰাসকলক ঋণৰ ধনৰাশি অন্য উদ্দেশ্যত খটোৱাৰ ফলত নিজৰ যি কোম্পানী হেৰুৱাব লগা হ'ল তাক পুনৰ ক্ৰয় কৰিবৰ কাৰণে বাধা আৰোপ কৰে। চৰকাৰে যি উদ্যমেৰে এই কাম কৰিলে সেয়া শলাগিবলগীয়া আৰু 'এন পী এ'ৰ সংহাৰী পদ্ধতিটোক পৰিহাৰ কৰাৰ বিষয়েও পৰিষ্কাৰ কৰি দিছে। ইয়াৰ লগতে কোম্পানী আইন ২০১৩ৰ ৪৪৭ ধাৰাৰ ব্যৱস্থাই ইচ্ছাকৃত ঋণ পৰিশোধ নকৰা-সকলক কঁপাই তুলিছে। এনে লোকক ৰিজাৰ্ভ বেংকৰ সংজ্ঞা মতে এটা ডাঙৰ অপৰাধ ৰূপে কৰি তোলাৰ এয়া সঠিক সময়। অন্য কিছুমান দেশতো এনেদৰে কৰা হয়— যাৰ ফলত তেনে ঋণ লাভৰ ব্যতিক্ৰমী লোকৰ শেহ যাত্ৰাত বাধা আৰোপ কৰি শেল মৰা হ'ব। এই ব্যৱস্থাৱলীয়ে বেংকৰপৰা ধন ধাৰে লোৱাসকলৰ— যি নিজকে ধন পৰিশোধ নকৰাটো জন্ম অধিকাৰ ৰূপে ভাবে— তেওঁলোকৰ আচৰণত এটা ডাঙৰ প্ৰভাৱ পেলাবলৈ লৈছে আৰু অৱশেষত ভ্ৰান্তিকৰ ঋণ লওঁতাসকলৰ কাৰণে দিন গণনা কৰা অন্ত পৰিবলৈ লৈছে।

অধিক অগ্ৰগতি সাধনৰ বাবে বেংকসমূহে পুঁজি লাভ কৰাসকলে কেনেদৰে ধনৰাশি কামত খটাই সেই বিষয়ে নিশ্চিত কৰিবৰ কাৰণে বিচাৰালয়ৰ অনুসন্ধান সম্পৰ্কীয় কামৰ সহায়ত গণনাৰ কাম কৰা আৱশ্যক। ঋণ লওঁতা আৰু তেওঁলোকৰ ব্যৱসায় সন্দৰ্ভত তথ্য প্ৰাপ্তিৰ ক্ষেত্ৰত বেংকে বৃহৎ পৰিসংখ্যা বিশ্লেষণ ব্যৱস্থাক কামত লগোৱা উচিত আৰু অন্য তথ্য প্ৰযুক্তি-ভিত্তিক উপায়সমূহৰো সহায় লোৱা প্ৰয়োজন। "আৰ্টিফিচিয়েল ইণ্টেলিজেঞ্চ' ব্যৱস্থাক উন্নত কৰি ঋণ আদায়ত ব্যতিক্ৰম ঘটা সম্বন্ধে কমেও এবছৰ আগতীয়াকৈ ভৱিষ্যদ্বাণী কৰাত নিয়োগ কৰা দৰকাৰ আৰু সেয়া ৮০ শতাংশ প্ৰতিপন্ন কৰাৰ সামৰ্থ্য আছে। ফিন্‌টেক্ অৰ্থাৎ বিত্তীয় প্ৰযুক্তি বিষয়ক কোম্পানীবোৰে তথ্যপাতি প্ৰযুক্তি বিশ্লেষণৰে সঠিক সম্ভেদ উপলব্ধ কৰে। এনে ধৰণৰ ছ'ফ্‌টৱেৰৰ নৱী মুম্বাইত বিকাশ কৰি উলিওৱা হৈছে। 'ডী ২ কে টেক্‌ন'ল'জী' ৰূপে জনাজাত এই ফিন্‌টেক্ কোম্পানীয়ে লাভ কৰা ফলাফল বেছ ভাল। সেয়ে বেংকসমূহে এই ক্ষেত্ৰত তৰুণ কৰ্মবাহিনীক প্ৰশিক্ষণ প্ৰদান কৰা উচিত। বৰ্তমানে তেওঁলোকৰ মাজত ইয়াৰ অভাৱ আছে। তেওঁলোকৰ দক্ষতাৰ মান উন্নত কৰাটোহে প্ৰয়োজন।

চৰকাৰৰ তৰফৰ পৰাও কিছু কাম কৰিব লগা আছে। বেংকসমূহৰ বোৰ্ডত (বোৰ্ড অৱ বেংকছ) পেছাদাৰী লোকক নিযুক্তি দিয়া প্ৰয়োজন— যাৰ বেংকৰ কাম-কাজ সন্দৰ্ভত জ্ঞান আৰু যথেষ্ট অভিজ্ঞতা আছে। অৱসৰপ্ৰাপ্ত পৰিচালন সঞ্চালক আৰু কাৰ্যবাহী সঞ্চালকৰ দৰে— যাৰ বেংকৰ বোৰ্ডত ভাল অভিলেখ আছে— তেনে বিষয়াসকলক নিৰ্বাচন কৰি কাম কৰিবলৈ দিয়াটো উচিত হ'ব। পুনৰুদ্ধাৰ কাৰ্য খৰতকীয়া কৰিবৰ বাবে চৰকাৰে আৰু অধিক 'এন চী এল টী' আৰু 'ডী আৰ টী' লোৱাটো ভাল হ'ব; কিয়নো লক্ষ্যত উপনীত হ'বৰ বাবে বৰ্তমানৰ কাম-কাজত দৃষ্টিপাত কৰা মণ্ডলীৰ সদস্য যথেষ্ট কম। কামৰ বোজাৰ স'তে সামঞ্জস্য ৰাখি ন্যায়াধীশৰ সংখ্যা বৃদ্ধি কৰিব পাৰে। ব্যক্তিগত, মালিকানাধীন আৰু অংশীদাৰমূলক প্ৰতিষ্ঠানসমূহৰ দিনক দিনে বাঢ়ি অহা প্ৰয়োজনীয়তালৈ চাই এনে বিচাৰ ব্যৱস্থাৰ আৱশ্যকতা অধিকভাৱে অনুভৱ কৰা যাব।

ঋণদাতাৰ প্ৰয়োজনীয়তা আৰু ঋণ লওঁতাৰ অনুপযুক্ততাৰ ক্ষেত্ৰত যি বিধি তৈয়াৰ কৰা হয় তাৰ পিছৰ বিকশিত দৃশ্যপটে যেনেদৰে গা কৰি উঠিবলৈ উপক্ৰম কৰিছে তালৈ চাই ঋণ লোৱা তথা ঋণ দান কাৰ্য উভয়তে আগন্তুক দিনবোৰত পৰিৱৰ্তন সাধন হ'ব আৰু বেংকৰদ্বাৰা সেৱা আগবঢ়োৱা কাৰ্যও বহুত নিৰাপদজনক হ'ব। নিঃসন্দেহে বেংকবোৰে স্বস্তিৰ নিঃশ্বাস পেলাব। এই আমূল পৰিৱৰ্তনৰ বাবে চৰকাৰক অশেষ ধন্যবাদ। ঋণ লওঁতাসকলৰ মানসিক দৃষ্টিভঙ্গী যে পৰিৱৰ্তন হ'ব সেইটো নিশ্চিত। ❒

# বেংক পুনঃমূলধনীকৰণ ঃ মূলধন ভিত্তি বৃদ্ধি

**আশুতোষ কুমাৰ***

বিগত কেইবা বছৰো ধৰি অনাদায়ী ঋণ (এন পী এ)ৰ পৰিমাণ অভাৱনীয়ভাৱে বাঢ়ি যোৱাৰ ফলত ৰাজহুৱা খণ্ডৰ বেংকসমূহে সন্মুখীন হোৱা সমস্যাৱলীৰ সমাধানৰ বাবে যোৱা ২৪ অক্টোবৰত ৰাজহুৱা খণ্ডৰ বেংকবোৰৰ (পী এছ বী) অৱস্থা সন্দৰ্ভত এটা গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰে। ৰাজহুৱা খণ্ডৰ বেংকবোৰৰ ‘বেলেঞ্চ শ্বীট’ৰ ওপৰত এন পী এৰ ভৰ বেছি হোৱা বাবে ইয়াৰ ঋণদানৰ সামৰ্থত তাৰ বিৰূপ প্ৰভাৱ পৰিছে, যাৰ পৰিণতিত ব্যক্তিগত বিনিয়োগ আৰু ব্যক্তিগত খণ্ডৰ মুঠ মূলধন গঠনত বাধা উপজিছে। ২০১৭ চনৰ জুনত ৰাজহুৱা খণ্ডৰ বেংকত এন পী এ ৭.৩৩ কোটি টকা পায়, ইয়াৰ তুলনাত ২০১৫ চনৰ মাৰ্চত এনে অ-কাৰ্যকৰী সম্পদৰ পৰিমাণ আছিল ২.৭৩ কোটি টকা। থোৰতে ক’বলৈ হ’লে প্ৰায় দুমাহতে ৰাজহুৱা খণ্ডৰ বেংকিং ব্যৱস্থাত বেয়া ঋণৰ পৰিমাণ তিনিগুণ বৃদ্ধি পাইছে। ইয়াৰ ওপৰি বেংক ব্যৱস্থাত দেখা দিয়া অন্য এটা প্ৰত্যাহ্বান হৈছে ঘৰুৱা বেংকবোৰৰ এন পী এৰ পৰিমাণ মুঠ ঋণ আৰু আগধনৰ প্ৰায় ১০ শতাংশৰ ঘৰ স্পৰ্শ কৰাটোৱে ব্যৱস্থাটোলৈ অহা প্ৰত্যাহ্বানকে সূচিত কৰিছে।

২৪ অক্টোবৰত কেন্দ্ৰীয় কেবিনেটে ঘৰুৱা বেংকিং ব্যৱস্থাক পুনঃসবলীকৰণ কৰাৰ বাবে ২,১১,০০০ কোটি টকাৰ পৰিকল্পনাত অনুমোদন জনাইছে। তাৰ বাবে বজাৰ ঋণ, বাজেট যোগে ব্যৱস্থা গ্ৰহণ আৰু বেংক পুনঃমূলধনীকৰণ বণ্ড ব্যৱস্থাৰ সহায় লোৱা হ’ব। এই আঁচনিৰ কথা ঘোষণা কৰি বিত্ত মন্ত্ৰী অৰুণ জেইটলীয়ে কয়, ‘বেংকসমূহ শক্তিশালী হ’লে অধিক চাকৰিৰ সৃষ্টি হ’ব, বিকাশৰ হাৰ ত্বৰান্বিত হ’ব আৰু বিনিয়োগ বৃদ্ধি পাব।’ সেই অনুসৰি ২,১১,০০০ কোটি টকীয়া বেংক পুনঃমূলধনীকৰণ আঁচনিৰ পৰিকল্পনা এনেধৰণৰ— বাজেটীয় সমৰ্থন ১৮,০০০ কোটি টকা, ইকুইটী ইচ্ছ্যুৰ যোগেদি ৫৮,০০০ কোটি টকা আৰু বেংক পুনঃমূলধনীকৰণ বণ্ডৰ যোগেদি ১,৩৫,০০০ কোটি টকা।

এতিয়া আমি বণ্ডৰ কথা আলোচনা কৰোঁ আৰু ই আমাৰ বেংকিং ব্যৱস্থাক কিদৰে উপকৃত কৰিব সেয়া পৰীক্ষা কৰোঁ। সম্প্ৰতি বণ্ড মুকলি কৰা বিষয়টোক লৈ বিত্ত মন্ত্ৰণালয়ৰ বিত্তীয় সেৱা আৰু বিত্তীয় পৰিক্ৰমা বিভাগে সহযোগিতাৰ মাধ্যমেৰে কাম কৰি আছে। বণ্ড মুকলি কৰাৰ যোগেদি বেংকসমূহে কিমান মূলধন আহৰণ কৰিব পাৰিব সেই সম্পৰ্কে সঠিক আৰু সবিস্তাৰে বিৱৰণসহ এটা ঘোষণা কম সময়তে কৰা হ’ব। বণ্ড মুকলিৰ সময়ত এই কথা স্পষ্টকৈ কোৱা হৈছে যে বণ্ডবোৰৰ যোগিদে অহা কেইমাহমানৰ ভিতৰতে মুঠ ১,৩৫,০০০ কোটি টকাৰ বৃহৎ অংশ বেংক ব্যৱস্থাত অন্তৰ্ভুক্ত কৰা হ’ব। এতিয়া আমি পুনঃমূলধনীকৰণ বণ্ডবোৰ কিদৰে কাৰ্যক্ষম হ’ব আৰু অৰ্থনীতিত ইয়াৰ সম্ভাব্য প্ৰভাৱ কেনে হ’ব সেই সম্পৰ্কে আলোচনা কৰিম। চৰকাৰে বণ্ডবোৰ মুকলি কৰিব আৰু বেংকবোৰে এয়া পোনপটীয়াভাৱে গ্ৰহণ কৰিব। ইয়াৰ যোগেদি ধন বাহিৰলৈ ওলাই নাযাব আৰু এয়া কেৱল এটা গণনাৰ বিষয়হে হৈ পৰিব। ধন আনৰ হাতলৈ নোযোৱা মানেই চৰকাৰে বিত্তীয় ক্ষেত্ৰত অতিৰিক্ত বোজা বহন কৰাৰপৰা হাত সৰাটো নিশ্চিত হয়।

এতিয়া চাব লগীয়া কথা হৈছে চৰকাৰে ঋণদাতাক এই বণ্ডবোৰ দ্বিতীয় স্তৰত বজাৰত বিক্ৰী কৰিবলৈ অনুমতি দিয়ে নে নিদিয়ে। যিহেতু বণ্ড মুকলিৰ বিষয়টো এতিয়াও বিত্ত মন্ত্ৰণালয়ৰ বিবেচনাধীন হৈ আছে, সেয়েহে আমি ইয়াৰ বিস্তাৰিত বৰ্ণনাৰ বাবে চৰকাৰী ঘোষণালৈ অপেক্ষা কৰাহে যুগুত হ’ব। সি যি কি নহওক, এটা কথা যুক্তিৰে বিবেচনা কৰিব পৰা যায় যে দুয়োটা পৰিস্থিতিতে বেংকবোৰেই উপকৃত হ’ব। কিয়নো ইয়াৰ যোগেদি বেংকৰ মূলধন ভিত্তি বাঢ়িব। বেংকক বণ্ডবোৰ মুকলিকৈ বিক্ৰী কৰাৰ অনুমতি চৰকাৰে দিলেও ইয়াৰ যোগেদি বেংকে ধন আহৰণ কৰি ঋণদানৰ ক্ষমতা বঢ়াব পাৰিব। আনহাতে, যদিহে বেংকবোৰক বণ্ডবোৰ মুকলিকৈ বিক্ৰীৰ অনুমতি দিয়া নহয়ো, তেতিয়াও ই আয় উপাৰ্জনৰ বিনিয়োগ হিচাপে পৰিগণিত হ’ব। দুয়োটা দিশ চালিজাৰি চাই এই সিদ্ধান্তত উপনীত হ’ব পৰা যায় যে পুনঃমূলধনীকৰণ বণ্ডে বেংকিং ব্যৱস্থাক লাভান্বিত কৰিব।

---

***লিখক আশুতোষ কুমাৰ বী টী ভী আই বাতৰি ছেনেলৰ সহকাৰী সম্পাদক।**

বণ্ড মুকলি ব্যৱস্থাটো বি-মুদ্ৰাকৰণৰ পাছত বেংক ব্যৱস্থালৈ অহা জমা ধনৰাশিৰ সদ্ব্যৱহাৰৰ দিশটো এটা সঠিক পদক্ষেপ। কিয়নো বেংকে মূলধনৰ অভাৱত সেই ধনৰাশি মোকলাই নিদিলেহেঁতেন। ভাৰতীয় ৰিজাৰ্ভ বেংক (আৰ বী আই)ৰ তথ্যমতেই বি-মুদ্ৰাকৃত ৫০০ আৰু ১০০০ টকীয়া নোটবোৰ ইতিমধ্যে বেংকিং চেনেললৈ উভতি আহিছে।

বণ্ড মুকলিৰ গুৰুত্ব শোধন ক্ষমতা আৰু দেউলীয়া বিধিৰ দিশৰপৰাও বিবেচনা কৰিব পৰা যায়। যোৱাবছৰ গ্ৰহণ কৰা এই বিধি সম্প্ৰতি প্ৰায় ৩০০ টা হিচাপ পৰীক্ষণৰ ক্ষেত্ৰত ব্যৱহাৰ হৈ আছে। তাৰ ভিতৰত ১২ টা হৈছে ডাঙৰ প্ৰতিষ্ঠানৰ অকাৰ্যকৰী সম্পদৰ হিচাপ-নিকাচ যাৰ মূল্য প্ৰায় ২.২৫ লাখ কোটি। এই সম্পৰ্কীয় যাৱতীয় নিৰ্দেশ ভাৰতীয় ৰিজাৰ্ভ বেংকে ৰাষ্ট্ৰীয় কোম্পানী আইন ন্যায়াধিকৰণ (এন চী এল টী)ক ২০১৭ বৰ্ষৰ জুন মাহত দিছে। অন্য ২৯ টা প্ৰতিষ্ঠানৰ তালিকাও এন চি এল টিক দিয়াৰ প্ৰস্তুতি চলি আছে, যদিহে বেংকবোৰ আৰু ধন অনাদায়ী প্ৰতিষ্ঠানবোৰ কোনো বুজাবুজিত উপনীত হ'ব নোৱাৰে। দিন যোৱাৰ লগে লগে বেছিসংখ্যক কৰ্পোৰেট ঋণ গ্ৰহিতা এই প্ৰস্তাৱৰ অধীনলৈ অহাৰ লগে লগে বেংকবোৰৰ সৈতে বুজাবুজি হোৱাৰ সম্ভাৱনা নুই কৰিব নোৱাৰি। প্ৰকৃততে কেতবোৰ বেংকে শীৰ্ষস্তৰীয় অকাৰ্যকৰী হিচাপ-নিকাচৰ ক্ষেত্ৰত ৬০ শতাংশ পৰ্যন্ত সুদ কৰ্তন প্ৰস্তুতিও চলাইছে।

যোৱা জুলাই মাহত প্ৰকাশ পোৱা ক্ৰিছিলৰ এখন প্ৰতিবেদন মতে ৫০ টা বৃহৎ প্ৰতিষ্ঠানৰ অনাদায়ী ঋণ আদায়ৰ বাবে বেংকসমূহে ৬০ শতাংশলৈকে অৰ্থাৎ ২,৪০,০০০ কোটি টকা পৰ্যন্ত সম্পদ বিক্ৰীৰ সম্ভাৱনা আছে। এই প্ৰতিষ্ঠানবোৰে অৰ্থনীতিৰ কেতবোৰ গুৰুত্বপূৰ্ণ খণ্ডক প্ৰতিনিধিত্ব কৰিছে। ধাতু খণ্ডৰ প্ৰতিষ্ঠানো ইয়াত আছে। উল্লেখ্য যে এই খণ্ডৰ প্ৰতিষ্ঠানেই মুঠ ঋণৰ ৩০ শতাংশ লৈছে। নিৰ্মাণ খণ্ডৰ প্ৰতিষ্ঠানে ২৫ শতাংশ আৰু শক্তি খণ্ডৰ প্ৰতিষ্ঠানে ১৫ শতাংশ ঋণ লৈ থৈছে। যোৱা ২০১৭ বৰ্ষৰ মাৰ্চ মাহলৈ এই খণ্ডবোৰেই মুঠ অকাৰ্যকৰী সম্পদৰ অধিক অংশ অধিকাৰ কৰি আছে।

ৰেটিং সংস্থাটোৱে কয়, 'বেংকবোৰে ৬০ শতাংশ সম্পদ বিক্ৰী কৰিব পাৰে যাৰ পৰিমাণ ২.৪ লাখ কোটি হ'বগৈ পাৰে। ইয়াৰ যোগেদি ৪ লাখ কোটি টকাৰ ঋণ লোৱা ৫০ শতাংশ বৃহৎ প্ৰতিষ্ঠানৰ সৈতে বুজাবুজি সম্ভৱপৰ হ'ব।'

এজেন্সীটোৱে সম্পদ বিক্ৰীকো চাৰিটা ভাগত ভগাইছে। এই ভাগবোৰ হৈছে গভীৰ (৭৫ শতাংশতকৈ বেছি), আগ্ৰাসী (৫০-৭৫ শতাংশ), মধ্যমীয়া (২৫-৫০ শতাংশ) আৰু সাধাৰণ (২৫ শতাংশতকৈ কম)। এই সংখ্যাবোৰলৈ চালে ক'ব পাৰি যে ২৫ শতাংশ ঋণৰ ক্ষেত্ৰত সাধাৰণ পৰিমাণৰ বা মধ্যমীয়া পৰিমাণৰ সম্পদ বিক্ৰীৰ প্ৰয়োজন হ'ব পাৰে। কিন্তু এক তৃতীয়াংশৰ বাবে আগ্ৰাসী আৰু প্ৰায় ৪০ শতাংশৰ বাবে গভীৰ সম্পদ বিক্ৰীৰ প্ৰয়োজন আছে।

খণ্ড হিচাপে চালে শক্তিখণ্ডৰ অধিক সম্পদ বিক্ৰীৰ প্ৰয়োজন হ'ব। এজেন্সীটোৰ মতে ধাতু আৰু নিৰ্মাণ খণ্ডৰ বাবে আগ্ৰাসী নীতি ল'ব লাগিব। গভীৰ সম্পদ বিক্ৰীৰ প্ৰয়োজন থকা বেছিভাগ প্ৰতিষ্ঠানেই হৈছে অবহনক্ষম ব্যৱসায়িক প্ৰতিষ্ঠান, সেয়েহে এনে প্ৰতিষ্ঠানৰপৰা ধন আদায়ৰ বাবে সম্পদ বিক্ৰীও জৰুৰী হৈ পৰিছে বুলি ক্ৰিছিলে প্ৰকাশ কৰে। যিবোৰ প্ৰতিষ্ঠানৰ মধ্যমীয়া ধনৰ সম্পদ বিক্ৰীৰ প্ৰয়োজন আছে সেইবোৰ ঋণৰ ধনেৰে মূলধন ব্যয়ত গুৰুত্ব দিছে। সি যি কি নহওক, চাহিদা হ্ৰাস বা নিয়ামক বিষয়ক সমস্যাৰ বাবে অধিক সময়ৰ প্ৰয়োজন হৈছে। ব্যয়ো বাঢ়ি যোৱাৰ সম্ভাৱনা বাঢ়িছে।

তদুপৰি ক্ৰিছিলৰ প্ৰতিবেদন মতে সাময়িকভাৱে লোকচানৰ সন্মুখীন হোৱা প্ৰতিষ্ঠানবোৰৰপৰাহে সামান্য সম্পদ বিক্ৰীৰ প্ৰয়োজন হ'ব। এয়া পাছত শুধৰাই লোৱাৰো সুযোগ আছে। সংস্থাটোৱে কয়, 'অৰ্থনীতিৰ বৃহত্তৰ স্বাৰ্থত সম্পদ বিক্ৰীৰ দৰে তিতা ঔষধেই ভাল, কিয়নো এনেদৰে চলি থাকিলে বৃহত্তৰ লোকচানৰ সম্ভাৱনা আছে।'

সেয়ে শোধন ক্ষমতাৰ সমস্যা দূৰীকৰণৰ বাবে প্ৰতিষ্ঠানৰ সম্পদ বিক্ৰীৰ পন্থা ৰাজহুৱা খণ্ডৰ বেংকবোৰে বেছেল থ্ৰী নিয়ম মতে ল'লেও তাৰ বাবে প্ৰাথমিক দায়িত্ব চৰকাৰহে, কিয়নো ইয়াৰ ফলত চৰকাৰৰেই ক্ষতি হৈছে সৰ্বাধিক। ইয়াৰ বাবে উপযুক্ত হৈছে পুনঃমূলধনীকৰণ বণ্ড। অৱশ্যে এইক্ষেত্ৰত চৰকাৰে পৰিমাণ, দিওঁতা, গ্ৰাহক, টিকটৰ আকাৰ আৰু কুপনৰ হাৰ ঘোষণা কৰে, তেন্তে বিষয়টোত অধিক স্বচ্ছতা আহিব।

অৱশ্যে বণ্ড মুকলিৰ যোগেদি ক্ষুদ্ৰ অৰ্থনীতিত কেনে প্ৰভাৱ পৰিব আৰু বিশেষকৈ বিত্তীয় ঘাটিৰ ওপৰত ইয়াৰ প্ৰভাৱ বেছ আকৰ্ষণীয় হ'ব। এই বণ্ডবোৰৰ বাবদ বছৰি প্ৰায় ৮০০০ কোটিৰপৰা ৯০০০ কোটি টকাৰ ভিতৰত সুদ ব্যয় হ'ব। চৰকাৰৰ মুখ্য অৰ্থনৈতিক উপদেষ্টা অৰবিন্দ সুব্ৰমণিয়নৰ মতে বণ্ড মুকলিৰ যোগেদি মুদ্ৰাস্ফীতি প্ৰভাৱিত নহয় বা বিত্তীয় ঘাটিৰ পৰিসৰ নাবাঢ়ে।

অৰশ্যে বণ্ড মুকলিয়ে বিত্তীয় ঘাটিৰ পৰিসৰ বঢ়াবনে নবঢ়াব সেয়া হিচাপ-নিকাচৰ পাছতহে জনা যাব।

'১.৩৫ লাখ কোটি পুনঃমূলধনী-কৰণ বণ্ড মুকলিৰ বাবদ হ'বলগীয়া বাৰ্ষিক সুদ ব্যয়ে মুদ্ৰাস্ফীতিৰ সৃষ্টি নকৰে বা বিত্তীয় ঘাটিও নবঢ়ায়। কাৰণ ইয়াৰ ফলত অৰ্থনৈতিক কাম-কাজ বৃদ্ধি পাব আৰু সম্পদৰ সৃষ্টি হ'ব। বছৰি ৮০০০ ৰপৰা ৯০০০ কোটি টকাৰ সুদ ব্যয় হ'ব যদিও তাৰ কোনো প্ৰভাৱ অনুভূত নহ'ব,' মুখ্য অৰ্থনৈতিক উপদেষ্টা অৰবিন্দ সুব্ৰমণিয়নে বণ্ড মুকলিৰ কথা ঘোষণাৰ পিছদিনা দিল্লী বিশ্ববিদ্যালয়ত এটা ভাষণত এইদৰে কয়। ভাষণত সুব্ৰমণিয়নে কয় যে ভাৰতীয় হিচাপ ব্যৱস্থা মতে, পুনঃমূলধনীকৰণ বণ্ডে ঋণ বৃদ্ধি কৰিব, যাৰ ফলত বিত্তীয় ঘাটি বাঢ়িব। কিন্তু আই এম এফৰ পদ্ধতি মতে হিচাপ প্ৰস্তুত কৰিলে তেনে নহয়।

এই বণ্ড মুকলিৰ সৈতে অন্য কেবাটাও বেংকিং সংস্কাৰ হ'ব বুলি চৰকাৰে ইংগিত দিছে। চৰকাৰে তাৰ বাবে দৃঢ়তাও দেখুৱাইছে। গুৰুগামত ১২ নৱেম্বৰত অনুষ্ঠিত পী এছ বী সদনত বেংকিং আৰু বিত্তীয় সেৱাৰ সচিব ৰাজীৱ কুমাৰে এনে ইংগিতো দিয়ে যে বেংকবোৰৰ মূলধনৰ ভিত্তি দায়াবদ্ধ হ'ব লাগিব। 'বেংকিং সংস্কাৰৰ সৈতে জড়িত সকলো বিষয় প্ৰতিখন বোৰ্ডে কম সময়তে বিবেচনা কৰি চাব আৰু কি ব্যৱসায় কিদৰে আগবাঢ়িব সেয়া স্থিৰ কৰিব। এয়া সহজলভ্য ধন নহয়, সেয়াহে গুৰুত্বপূৰ্ণ কথা। সেয়ে ইয়াৰ পাছতে সমগ্ৰ সংস্কাৰ হ'ব,' কুমাৰে কয়। তেওঁ লগতে কয় যে বেংক বোৰ্ডসমূহৰ স্থিতি নিৰ্ণয় আৰু সংস্কাৰ ব্যৱস্থাপনাৰ এখন স্পষ্ট পৰিকল্পনাও বেংক সংস্কাৰৰ ভিতৰুৱা হ'ব।

কুমাৰৰ মতে, পুনঃমূলধনীকৰণ নিজে নিজে নাহে, ইয়াৰ আগে পিছে এলানি সংস্কাৰ থাকে। বণ্ড সন্দৰ্ভত তেওঁ কয় যে এই পৰিকল্পনা আগতেই কাৰ্যকৰী কৰা হ'ব।

ইপিনে, বেংক পুনঃমূলধনীকৰণ বিষয়টোক ভাৰতৰ কৰ্পোৰেট জগতেও সমৰ্থন জনাইছে। বিত্ত মন্ত্ৰী অৰুণ জেইটলীক প্ৰাক্‌বাজেট সাক্ষাতৰ সময়ত ভাৰতীয় উদ্যোগ মহাসংঘ (চী আই আই)-ই জনায় যে প্ৰস্তাৱিত পৰিকল্পনাই বেংকিং খণ্ডক শক্তিশালী কৰিব। চি আই আয়ে কয়, 'বেংকবোৰক পুনঃ-মূলধনীকৰণ বণ্ড পুনৰমুকলি কৰাৰ অনুমতি দিব পৰা যায়। সেইবোৰ প্ৰতিষ্ঠানে বা বিনিয়োগকাৰী আনকি সাধাৰণ লোকেও ক্ৰয় কৰিব পাৰিব।' ❐

**পয়োভৰাৰ পৰৱৰ্তী সংখ্যাৰ**

## বিষয় সম্ভাৰ

ফেব্ৰুৱাৰী ২০১৮ — **ৰাজহুৱা অভিযোগৰ প্ৰতিকাৰ**

মাৰ্চ ২০১৮ — **কেন্দ্ৰীয় বাজেট ঃ ২০১৮-২০১৯**

উপৰোক্ত বিষয়ত অভিজ্ঞ ব্যক্তিৰ পৰা প্ৰবন্ধ-পাতি বিচৰা হ'ল। বিষয়সমূহ উত্তৰ-পূৰ্বাঞ্চলৰ তথ্যপাতিৰে সমৃদ্ধ হ'ব লাগিব। উপযুক্ত বিবেচিত হ'লে যথা সংখ্যাত প্ৰকাশ কৰা হ'ব। লগতে বিভিন্ন পুথি, আলোচনী বিক্ৰেতা সকলকো তেওঁলোকৰ প্ৰয়োজনীয় কপিৰ বাবে আমাৰ কাৰ্যালয়ৰ লগত যোগাযোগ কৰিবলৈ অনুৰোধ কৰা হ'ল।

সম্পাদক, **পয়োভৰা**
পেন্সনপাৰা পথ, গৃহ নং-৪, গুৱাহাটী-৭৮১০০৩
ফোন নং-২৬৬৫০৯০, ই-মেইল ঃ yojanaasomia@yahoo.co.in

# দেউলীয়া অৱস্থাৰ সমাধানৰ প্ৰয়াস

**ইণ্ডীৰজল ধচমানা***

ব্যৱসায়-বাণিজ্যৰ বাবে সুবিধাজনক স্থান হিচাপে ভাৰতবৰ্ষই ইয়াৰ স্থানৰ উন্নতি সাধন কৰিছে। ২০১৮ চনত প্ৰকাশিত বিশ্ব বেংকৰদ্বাৰা ৩০টা স্থান আগবাঢ়ি ১০০ সংখ্যক স্থান লাভ কৰিছে। ইয়াৰ এটা অন্যতম কাৰণ হ'ল— দেউলীয়া অৱস্থা নাইকিয়া কৰাৰ দক্ষতা। যদিও এই ক্ষেত্ৰৰ পৰিমাপত ১০৩ সংখ্যক স্থানত আছে তথাপি ২০১৭ৰ প্ৰতিবেদন অনুসৰি ১৩৬ সংখ্যক স্থানতকৈ ই বহু উন্নত। লগতে পূৰ্বৰ বছৰবোৰৰ তুলনাত এই ক্ষেত্ৰত আমাৰ অৰ্থনীতি ধীৰ গতিৰে আগবাঢ়িছে। উদাহৰণ স্বৰূপে ২০১৬ চনৰ প্ৰতিবেদনত ১৩৬ সংখ্যক স্থানত আৰু ২০১৫ত ১৩৭ সংখ্যক স্থানত আছিল।

প্ৰাথমিকভাৱে এই উন্নয়ন ২০১৬ত চৰকাৰে নিয়ামক হিচাপে ইনছ'ল্ভেন্সি এণ্ড বেংক্ৰাপ্টচি ব'ৰ্ড অৱ ইণ্ডিয়া (আই বী বী আই)ৰ সৈতে ইনছ'ল্ভেন্সি এণ্ড বেংক্ৰাপ্টচি ক'ড (আই বী চী) প্ৰচলন কৰে। এই বিধি প্ৰযোজ্য নোহোৱালৈকে ব্যক্তিগত আৰু অংশীদাৰী ক্ষেত্ৰত দেউলীয়া নীতিবোৰৰ সম্পৰ্কত জাননী জাৰি কৰিব পৰা নাছিল। যেতিয়া কোনো ব্যক্তি বা সংগঠনে তেওঁলোকৰ ঋণদাতাৰ বিত্তীয় দেয় পৰিশোধ কৰিব নোৱাৰে, তেতিয়াই দেউলীয়া অৱস্থাৰ উদ্ভৱ হয়। ঋণৰ পুনৰ গঠনৰ জৰিয়তে দেউলীয়া অৱস্থাৰ মোকাবিলা কৰিব পাৰি বা এইদৰে সেয়া সমাধান কৰিব নোৱাৰিলে দেউলীয়া অৱস্থাৰ বিৰুদ্ধে আইনী প্ৰক্ৰিয়া গ্ৰহণ কৰিব পাৰি, সংশ্লিষ্ট কোম্পানী পুনৰ গঠন বা ঋণ পৰিশোধ কৰিবৰ বাবে ইয়াৰ সম্পত্তিবোৰ বিক্ৰী কৰা হয়।

ব্যৱসায়ৰ ক্ষেত্ৰত সুবিধাজনক অৱস্থা হ'ল প্ৰৱেশ আৰু প্ৰস্থানৰ সু-সংজ্ঞাৰোপিত আৰু সময়সাপেক্ষ নীতি। এই বিধিয়ে দেশৰ ব্যৱসায়-বাণিজ্যত প্ৰৱেশ কৰা বা পুনৰ গঠন কৰাৰ ক্ষেত্ৰত থকা ব্যৱধান পূৰ্ণ কৰে।

এই আইন প্ৰণয়ন কৰাৰ পূৰ্বে, দেউলীয়া অৱস্থাৰ সমাধানৰ বাবে গ্ৰহণ কৰা সময় যথেষ্ট দীঘলীয়া আছিল। দেউলীয়া অৱস্থাৰ সমাধানৰ বাবে বিভিন্ন আইন ওপৰা-উপৰিকৈ থকাৰ বাবে ধন আদায় কৰাৰ ক্ষেত্ৰত প্ৰাথমিকভাৱে আইনী বিলম্ব পৰিলক্ষিত হৈছিল। এই বিধি প্ৰৱৰ্তনৰ পূৰ্বে কনট্ৰেক্ট এক্ট, দ্য ৰিকভাৰী অৱ ডেটছ ডিউ টু বেংকছ এণ্ড ফাইনেন্সিয়েল ইনষ্টিটিউচনছ এক্ট, দী ছিকিউৰিটাইজেচন এণ্ড ৰিকনষ্ট্ৰাকচন অৱ ফাইনেন্সিয়েল এছেটছ এণ্ড এনফ'ৰ্চমেণ্ট অৱ ছিকিউৰিটি ইণ্টাৰেষ্ট এক্ট আদিকে ধৰি প্ৰায় ১২ খন আইন আছিল। পিছে এইবোৰে প্ৰয়োজনীয় ফলাফল দেখুৱাব পৰা নাই। তদুপৰি ছিক ইণ্ডাষ্ট্ৰিয়েল কোম্পানীজ (স্পেছিয়েল প্ৰভিজন্‌ছ) এক্ট আৰু কোম্পানীজ এক্ট, ১৯৫৬ৰ বিধিবোৰে বিশেষ কাৰ্যকাৰিতা দেখুওৱা নাছিল।

ব্যক্তিগত দেউলীয়া অৱস্থা সম্পৰ্কীয় কেতবোৰ বিধি ব্যৱস্থা যথা দী প্ৰেচিডেন্সী টাউন্‌ছ ইনছ'ল্ভেন্সি এক্ট আৰু দী প্ৰভিন্সিয়েল ইনছ'ল্ভেন্সি এক্ট প্ৰায় এটা শতিকা পুৰণি আৰু ক্ৰমে ১৯০৯ আৰু ১৯২০ চনত এই দুখন সংশোধন কৰা হয়। এই আইনকেইখন এতিয়াও বিধিৰ ২৪৩ ধাৰাৰ দৰে স্তম্ভ স্বৰূপ হৈ আছে যি সংশোধনীৰ জৰিয়তে কৰা প্ৰত্যাহাৰ এই পৰ্যন্ত জাননী জাৰি কৰা হোৱা নাই আৰু ব্যক্তিগত আৰু অংশীদাৰী দেউলীয়া অৱস্থাৰ কাৰণে ওপৰোক্ত বিধি এতিয়া বলৱৎ হোৱা নাই।

দী নেচনেল কোম্পানী ল' ট্ৰিবিউনেল (এন চী এল টী) কোম্পানীবোৰৰ কাৰণে দেউলীয়া সম্পৰ্কীয় বিচাৰপূৰ্বক ৰায়-দানৰ বাবে গঠিত। দী ডেট ৰিক'ভাৰী ট্ৰিবিউনেল (ডী আৰ টী)এ ব্যক্তিৰ কাৰণে দেউলীয়া সম্পৰ্কীয় বিচাৰপূৰ্বক ৰায়দানৰ বাবে গঠিত।

কোম্পানীবোৰৰ দেউলীয়া অৱস্থা মীমাংসাৰ বাবে বিধিবোৰে সময়সাপেক্ষ ব্যৱস্থাৰ সৃষ্টি কৰিছে। যদি অনাদায় ধনৰ পৰিমাণ এক লাখৰ অধিক হয়, তেন্তে ঋণদাতাই দেউলীয়া মীমাংসা প্ৰক্ৰিয়াৰ ব্যৱস্থা বিচাৰিব পাৰে আৰু এন চী এল টীৰ কাষ চাপিব পাৰে।

এই বিধি পূৰ্বৰ মীমাংসা ব্যৱস্থাতকৈ কিছু পৰিমাণে পৃথক যিহেতু ই কৰ্প'ৰেট ঋণীৰ বিৰুদ্ধে দেউলীয়া মীমাংসা

*লিখক ইণ্ডীৰজল ধচমানা বিজিনেছ ষ্টেণ্ডাৰ্ডৰ অৰ্থনৈতিক পৰিক্ৰমা সম্পাদক।

প্ৰক্ৰিয়াৰ ব্যৱস্থা কৰাৰ দায়িত্ব ঋণদাতাৰ ওচৰতহে অৰ্পণ কৰিছে। পূৰ্বৰ ব্যৱস্থাত ঋণীয়েহে প্ৰাথমিকভাৱে মীমাংসা প্ৰক্ৰিয়াৰ ব্যৱস্থা কৰাৰ বিধি আছিল য'ত ঋণদাতাই দেয় পুনৰুদ্ধাৰৰ বাবে সুকীয়া ব্যৱস্থা গ্ৰহণ কৰিছিল। সি যি কি নহওক, কৰ্প'ৰেট ঋণীয়েও দেউলীয়া মীমাংসাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব পাৰে।

এন চী এল টীয়ে গোচৰ গ্ৰহণ কৰাৰ পাছত মীমাংসা প্ৰক্ৰিয়া ১৮০ দিনৰ ভিতৰত সম্পূৰ্ণ কৰিব লাগে, আন ৯০ দিনৰ সম্প্ৰসাৰণ হ'ব পাৰে।

সি যি কি নহওক, মীমাংসা প্ৰক্ৰিয়া ৯০ দিনৰ ভিতৰত সম্পূৰ্ণ হোৱা যি পৰৱৰ্তীভাৱে ৪৫ দিনৰ সম্প্ৰসাৰিত হোৱাৰ এটা দ্ৰুত বিচাৰ ব্যৱস্থাৰ বিধানো আছে। কেৱল ক্ষুদ্ৰ কোম্পানীবোৰ (৫০ লাখ টকালৈকে মূলধন আদায় দিয়া বা দুই কোটি টকালৈকে ব্যৱসায় সম্পন্ন হোৱা ব্যক্তিগত সংস্থাবোৰ) আৰু ষ্টাৰ্টছ-আপছে এই পদ্ধতিৰ ব্যৱস্থা গ্ৰহণ কৰিব পাৰে। সংশ্লিষ্ট বছৰত মুঠ ১ কোটি টকালৈকে সম্পদ থকা তালিকাভুক্ত নোহোৱা কোম্পানীয়েও এই ব্যৱস্থা বাছনি কৰিব পাৰে।

মীমাংসা প্ৰক্ৰিয়াৰ সময়ছোৱাত বিত্তীয় ঋণদাতাই ঋণীৰ ব্যৱসায় পুনৰ গঠন কৰিব পাৰে নে নোৱাৰে আৰু পুনৰ গঠনৰ পন্থা ল'ব পাৰে নে নোৱাৰে সেয়া নিৰীক্ষণ কৰে। এই দিনবোৰত ঋণদাতাৰ দাবী নাকচ হ'ব। যদি দেউলীয়া মীমাংসা প্ৰক্ৰিয়া ব্যৰ্থ হয়, তেন্তে সম্পদৰ তৰলীকৰণ আৰম্ভ হয়।

মীমাংসা প্ৰক্ৰিয়া অনুজ্ঞা পত্ৰধাৰী দেউলীয়া মীমাংসা পেছাদাৰী ব্যক্তি (আই পী)ৰদ্বাৰা পৰিচালিত হয়। আই পী সকল কমেও দহ বছৰ কাল চাৰ্টাৰ্ড একাউণ্টছ বা কোম্পানী ছেক্ৰেটাৰী বা ক'ষ্ট একাউণ্ট বা অধিবক্তা বা মেনেজমেণ্টৰ অভিজ্ঞতা থকা হ'ব লাগিব। তেওঁ সীমিত দেউলীয়া অৱস্থা পৰীক্ষাত উত্তীৰ্ণ হ'ব লাগিব। নেচনেল ইনছ'ল্ভেন্সি পৰীক্ষা উত্তীৰ্ণ আন ব্যক্তিয়েও আই পী হ'ব পাৰিব।

আবেদন গ্ৰহণ কৰাৰ ১৪ দিনৰ ভিতৰত আই বী বী আইৰ নিশ্চিতকৰণ সাপেক্ষে এন চী এল টীয়ে অন্তৰ্বৰ্তীকালীন আই পী নিযুক্তি দিয়ে। এগৰাকী অন্তৰ্বৰ্তীকালিন আই পীয়ে মাত্ৰ ৩০ দিনৰ বাবে কাৰ্যালয়ত থাকে। তেওঁ ঋণীৰ সম্পদ আৰু কোম্পানীৰ পৰিচালনা নিয়ন্ত্ৰণ কৰে, তথ্য প্ৰদানকাৰী আহিলাৰ জৰিয়তে ঋণীৰ বিত্তীয় তথ্য সংগ্ৰহ কৰে। তেওঁ ঋণদাতাৰ সমিতিও গঠন কৰে। সকলো বিত্তীয় ঋণদাতা ঋণদাতা সমিতিৰ অংশ, মাত্ৰ সেই সকলকহে বাৰণ কৰা হয় যিসকল কৰ্প'ৰেট ঋণীৰ সম্পৰ্কীয় পক্ষ। পৰিচালক ঋণদাতাও এই সমিতিৰ অংশ হ'ব, কিন্তু ভোটৰ অধিকাৰ নাথাকিব। গড় দেয় মুঠ দেয়ৰ কমেও দহ শতাংশ হ'ব লাগিব।

গঠনৰ সাত দিনৰ ভিতৰত ঋণদাতাৰ সমিতিৰ বৈঠক অনুষ্ঠিত হয় আৰু অন্তৰ্বৰ্তীকালীন আই পীক মীমাংসাকাৰী বৃত্তিধাৰী ব্যক্তি হিচাপে স্থানান্তৰ বা নিশ্চিত কৰা হ'ব নে নহয় সেই সম্পৰ্কে ৭৫ শতাংশ ভোটৰ জৰিয়তে সিদ্ধান্ত লোৱা হয়। ইয়াৰ পাছত এন চী এল টীৰদ্বাৰা মীমাংসাকাৰী বৃত্তিধাৰী লোক নিযুক্তি দিয়া হয়।

তৰলীকৃত কালত এই বিধিয়ে সম্পদ বিতৰণৰ সৰ্বোচ্চ ক্ষমতাক অগ্ৰাধিকাৰ দিয়ে। নিশ্চিত ঋণদাতাই তেওঁলোকৰ ঋণদান চুক্তিৰ ব্যক্তিৰেকে সম্পূৰ্ণ দেয় ধনৰ পৰিমাণ লাভ কৰিব, অনিশ্চিত ঋণদাতাই ঋণদাতাৰ ব্যৱসায়ৰ ওপৰত অগ্ৰাধিকাৰ থাকিব আৰু অনিশ্চিত ঋণদাতাৰ পাছত চৰকাৰী দেয় পৰিশোধ কৰিব।

এই বিষয়বোৰে গৃহ ক্ৰেতাৰ বাবে কিছু প্ৰশ্ন উত্থাপন কৰিলে যিহেতু কেতবোৰ বিল্ডাৰে এই নিৰ্দেশত স্থান লাভ নকৰাৰ বাবে এটা ৰূঢ় বাতাৱৰণৰ সন্মুখীন হ'বলগীয়া হ'ল। কেতবোৰ প্ৰতিবাদৰ পাছত নিয়ামকে গৃহ ক্ৰেতাক তেওঁলোকৰ দাবী নতুন ফৰ্মক্ৰমত জনোৱাৰ বাবে জাৰি কৰিলে, কিন্তু বৰ্তমানো সম্পত্তিৰ তালিকাত ক'তো চিহ্নিতকৰণ কৰা নাই।

সময় আগবঢ়াৰ লগে লগে এই বিধিৰ ৰূপায়ণৰ ক্ষেত্ৰত বিভিন্ন বিষয় আহিল।

উদাহৰণ স্বৰূপে এই বিধিৰ অধীনত দেশৰ প্ৰথম কৰ্প'ৰেট মীমাংসা আঁচনি প্ৰকৃত সময়ৰ মুঠ মীমাংসা ব্যৱস্থাত পৰিণত হয় যেতিয়া এন চী এল টীক ৯০ শতাংশতকৈও অধিক কৰ্তনৰ অনুমতি দিয়া হয়। এন চী এল টীয়ে চিনাজী ডুৰে অট'মেটিভ অধিগ্ৰহণ কৰাৰ অনুমতি প্ৰদান কৰা হয় চিনাজী কাষ্টিংক— যাৰ জৰিয়তে বিশ্বজনীন বাহন উৎপাদকলৈ এলুমিনিয়াম এলই হুইল উৎপাদন আৰু যোগান ধৰাসকলৰ সৰ্বমুঠ ৯০০ কোটি টকাৰ দেয়ৰ ভিতৰত ইয়াৰ ঋণদাতাক ৫৪ কোটি টকাহে পৰিশোধ কৰা হয়।

তদুপৰি চৰ্তবোৰো অতি আকৰ্ষণীয়। ৫৪ কোটি টকাৰো ২০ কোটি টকা আপফ্ৰণ্টত আৰু পৰৱৰ্তী পাঁচ বছৰলৈ আদায় দিয়া হ'ব। ঋণৰ মূলধন আছিল ৬৮৫ কোটি টকাৰ সৈতে সুত, বিধিসন্মত দেয় আৰু আন ঋণদাতালৈ পৰিশোধেয় আছিল।

চিনাজী ডুৰে বৰ্ড ফৰ ইণ্ডাষ্ট্ৰিয়েল এণ্ড ফাইনেন্সিয়েল ৰিষ্ট্ৰাকচাৰিং (বী আই এফ আৰ)ৰ ৯৩,০০০ জমা থকা

গোচৰৰ এটা আৰু আই বী চীৰ অধীনত এন চী এল টীলৈ বদলি কৰা হয়। এই বিধিৰ অধীনত এল চী এল টীৰ ওচৰত ৰুজু কৰা গোচৰবোৰৰ ভিতৰত ই এটা।

দেউলীয়া অৱস্থা মীমাংসাৰ ক্ষেত্ৰত অধিক সিদ্ধান্ত গ্ৰহণ কৰিব পৰা অৱস্থা লাভ কৰে যেতিয়া চৰকাৰে যোৱা মেই মাহত দেউলীয়া অৱস্থা মীমাংসাৰ প্ৰক্ৰিয়াবোৰ অব্যাহত ৰখাৰ বাবে আৰু কু-ঋণবোৰ পুনৰুদ্ধাৰ কৰাৰ বাবে ভাৰতীয় ৰিজাৰ্ভ বেংক (আৰ বি আই)ক বিস্তৃত পৰিসৰত ক্ষমতা প্ৰদান কৰা এখন বিধেয়ক (যি পৰৱৰ্তীভাৱে দী বেংকিং ৰেগুলেচন (এমেণ্ডমেণ্ট) আইন, ২০১৭ হিচাপে স্থলাভিষিক্ত কৰা হয়) গ্ৰহণ কৰে।

ৰাজহুৱা খণ্ডৰ বেংক (পী এছ বী)বোৰৰ নন-পাৰফৰ্মিং এছেট্‌ছ (এন পী এ)এ উচ্চ পৰ্যায়ত উপনীত হয় যিবোৰৰ ভিতৰত শক্তি, ষ্টীল, পথ আন্তঃগাঁথনি আৰু টেক্সটাইল খণ্ড অন্যতম।

বিধেয়ক অনুসৰণ কৰি আৰ বী আয়ে বেংকবোৰক ১২টা বৃহৎ কু-ঋণক এই বিধি অনুসৰি ব্যৱস্থা গ্ৰহণ কৰিবলৈ কয়। ইয়াৰ অন্তৰ্ৱৰ্তী উপদেষ্টা সমিতি (আই এ চি)ৰ অনুমোদনাৱলীৰ ভিত্তিত কেন্দ্ৰীয় বেংকে লগতে এই গোচৰবোৰৰ সময়ভিত্তিক মীমাংসাৰ ব্যৱস্থাও কৰি লয়।

১২টা একাউণ্ট হ'ল— ভূষণ ষ্টীল, লানকো ইনফ্ৰা, এছাৰ ষ্টীল, ভূষণ পাৱাৰ, আলোক ইণ্ডাষ্ট্ৰিজ, এমটেক অট', মন্নেট ইস্পাত, ইলেক্ট্ৰষ্টীল ষ্টীলছ, এৰা ইনফ্ৰা, জে পী ইনফ্ৰাটেক, এ বী জী শ্বিপয়াৰ্ড আৰু জ্যোতি ষ্ট্ৰাকচাৰছ। এই একাউণ্টবোৰে বেংকৰ নন-পাৰফৰ্মিং এছেটছ ব্যৱস্থাৰ ২৫ শতাংশ গঠন কৰে। ভাৰতীয় বেংকিং ব্যৱস্থাৰ সৰ্বমুঠ কু-ঋণৰ পৰিমাণ মাৰ্চত ৭.১১ লাখ কোটি টকা, ইয়াৰ ভিতৰত ১২টা একাউণ্ট প্ৰায় ১.৭৮ লাখ কোটি টকাৰ বাবে দায়ী।

বিত্তীয় সেৱা প্ৰদানকাৰী প্ৰতিষ্ঠান মতিলাল অ'চৱালৰ প্ৰতিবেদন অনুসৰি চলিত কেলেণ্ডাৰ বৰ্ষৰ প্ৰথম ন মাহত এন চী এল টীলৈ মুঠ ৩৭৬টা গোচৰ প্ৰেৰণ কৰা হৈছে। এটা বৃহৎ সংখ্যক গোচৰ— ১৮৭টা পৰিচালিত ঋণদাতাৰদ্বাৰা ৰুজু কৰা হৈছে, ১২২টা গোচৰ বিত্তীয় ঋণদাতাৰদ্বাৰা আৰু বাকী গোচৰবোৰ কৰ্প'ৰেট ঋণীৰদ্বাৰা ৰুজু কৰা।

এই একাউণ্টবোৰৰ প্ৰস্তাৱ কৰ্প'ৰেট ধাৰ দিওঁতাৰ বাবে বিশেষ গুৰুত্বপূৰ্ণ হ'ব বুলি আশা কৰা হৈছে। সি যি কি নহওক, আৰম্ভণিতে মাত্ৰ দুটা একাউণ্ট মীমাংসাৰ বাবে গ্ৰহণ কৰাকে ধৰি বাকীবোৰ বিনয়ী যেন দেখা যায়, সাতটা একাউণ্টক তৰলীকৃত কৰাৰ নিৰ্দেশ দিয়া হয় আৰু আন ১৪টা পৰৱৰ্তী আপীলৰ বাবে প্ৰেৰণ কৰা বুলি প্ৰতিবেদনত প্ৰকাশ।

কৰ্তন কৰা বিষয় জড়িত ১২টা গোচৰ ভাৰতীয় ৰিজাৰ্ভ বেংকৰ অনুমোদন সাপেক্ষে এন চী এল টীলৈ প্ৰেৰণ কৰা হৈছে।

অন্য বিষয়বোৰ আছিল তেওঁলোকৰ নিজৰ কোম্পানীৰ বাবে প্ৰমোটাৰক বান্ধোন। এই বিষয়টো মীমাংসা কৰাৰ বাবে বিধিৰ অধীনত সংশোধিত বিধিয়ে সন্দেহজনক প্ৰমোটাৰক তেওঁলোকৰ কোম্পানী গ্ৰহণ কৰাত জটিলতা আনি দিয়ে। ইয়াৰ লক্ষ্য হ'ল ঋণদাতাৰ ভয় নাইকিয়া কৰা যাতে এই প্ৰতিষ্ঠানবোৰ জনসাধাৰণৰ ওচৰলৈ গৈ বৰ্তমানৰ কম মূল্যৰ অৱস্থাৰ বাবে দায়ী হ'ব।

সেইদৰে কোনো ইচ্ছাকৃত ধন অনাদায়ীয়ে বৰ্তমান কোম্পানী গ্ৰহণ কৰিব যাতে নোৱাৰে তাৰ বাবে ঋণ দাতাৰ সমিতিয়ে তেওঁলোকক নিৰীক্ষণ কৰিব। নিয়ামকে দেউলীয়া কোম্পানীক বান্ধোনত অনাৰ বাবে আনৰ বাবেও নিয়ম-কানুন কঠোৰ কৰিছে। সংশোধিত প্ৰস্তাৱ অনুসৰি ঋণদাতাই ঋণ পৰিকল্পনাৰ ক্ষেত্ৰত দাখিল কৰা বিতং বিষয়বস্তু যাতে পেছাদাৰী ব্যক্তিৰ প্ৰস্তাৱ অনুসৰি হয়, তাৰ প্ৰতি বিশেষ বাধ্যবাধকতা আৰোপ কৰিছে। এই ক্ষেত্ৰত প্ৰমোটাৰকো সামৰি লোৱা হৈছে। তেনে প্ৰমোটাৰক তেওঁলোকৰ ঋণ গ্ৰহণীয়তা আৰু বিশ্বাসযোগ্যতাৰ প্ৰতি সন্মান জনাই কঠোৰ পৰীক্ষাত অৱতীৰ্ণ হ'ব লাগিব।

ভাৰতীয় ৰিজাৰ্ভ বেংকৰ নীতি-নিৰ্দেশনা অনুসৰি মীমাংসাৰ বাবে অহা আবেদনকাৰীৰ দোষী সাব্যস্তকৰণ, ফৌজদাৰী প্ৰক্ৰিয়া, ইচ্ছাকৃত অনাদায়ীৰ শ্ৰেণী বিভক্তকৰণ আদি ছবিয়ে আৰোপ কৰাত উন্মুক্ত ৰাখিব লাগিব।

সি যি কি নহওক, প্ৰমোটাৰৰ বান্ধোনৰ বিষয়বোৰ বৰ্তমানো অস্পষ্ট হৈ ৰৈছে। তেনে ক্ষেত্ৰত, চৰকাৰে আই বী চী সংশোধনৰ বাবে এখন বিধেয়ক জাৰি কৰাটোৱে কেৱল অনাদায়ী, সন্দেহজনক প্ৰমোটাৰৰ কাম-কাজত বাধা আৰোপ কৰাই নহয়, প্ৰমোটাৰ বা তেওঁলোকৰ ভগ্নী সংগঠন যিবোৰ কোম্পানীৰ দেউলীয়া গোচৰ এন চী এল টীৰদ্বাৰা গ্ৰহণ কৰা হৈছে। এই প্ৰভাৱৰ বাবে বিধিৰ ধাৰা ২৯ক বিধেয়কত সংযোজন কৰা হৈছে।

বিধেয়কৰ বক্তব্যৰ অৰ্থ হ'ল এবছৰতকৈও অধিক কাল নন-পাৰফৰ্মিং এছেটৰ সৈতে থকা প্ৰমোটাৰ বা কোম্পানীৰ ভগ্নী সংগঠনবোৰক বাধা আৰোপ কৰা। ই পুথিগতভাৱে তেতিয়ালৈকে প্ৰমোটাৰক বাধা আৰোপ নকৰে যেতিয়ালৈকে তেওঁলোকে

মূলধন দি থাকিব আৰু সুত দেয় থাকিব আৰু এবছৰ সম্পূৰ্ণ হোৱাৰ পূৰ্বে সম্পদবোৰ মানসম্পন্ন কৰি ৰাখিব।

সি যি কি নহওক, এবাৰৰ বাবে হ'লেও ইয়াক অনুমতি দিয়া নহয় যদিও এন চী এল টীয়ে দেউলীয়া মীমাংসা আবেদন গ্ৰহণ কৰে। ইয়াৰ অৰ্থ এয়াই যে কোনো প্ৰমোটাৰ বা তেওঁলোকৰ সহযোগীয়ে ওপৰত উল্লেখ কৰা ১২টা বৃহৎ ঋণৰ প্ৰতিবদ্ধ সম্পদ ক্ৰয় কৰিব নোৱাৰে।

তদুপৰি এই কোম্পানীবোৰৰ কাৰণে নিবিদা দাখিল কৰাৰ বাবে কৰ্প'ৰেট জামিনদাৰো যোগ্য নহ'ব। তদুপৰি ই হ'ল্ডিং কোম্পানী বা পৰিত্যক্ত সম্পদৰ ক্ষেত্ৰত প্ৰমোটাৰৰ পক্ষও সামৰি লোৱা হৈছে।

এতিয়া প্ৰমোটাৰৰ সম্পৰ্কীয় পক্ষৰ সংজ্ঞাৰ বিষয়টো আহিল। উদাহৰণ স্বৰূপে আৰ্চিলৰ মিট্টালৰ দৰে এটা কোম্পানী যি উত্তম গালভাৰ পৰিত্যক্ত সম্পদ নিবিদা কৰাৰ বাবে আগ্ৰহ প্ৰকাশ কৰিছে যি কোম্পানী যোৱা এবছৰতকৈ অধিক কাল এন পী এ তালিকাত আছে ই নিজৰ ঋণ গ্ৰহণীয়তাৰ পাছতো যোগ্য হ'ব।

এই পৰিত্যক্ত সম্পদবোৰৰ বাবে আৰ্চিলৰ মিট্টাল এটা শক্তিশালী যোগ্য নিবিদাকাৰী হিচাপে থিয় দি কয় যে, ই উত্তম গালভাত অ-নিয়ন্ত্ৰিত সংখ্যালঘু অংশীদাৰ হিচাপে আছিল যাৰ পৰিচালক মণ্ডলীত কোনো প্ৰতিনিধিত্বও নাই আৰু পৰিচালনৰ সিদ্ধান্তত কোনো প্ৰভাৱো নাই। অৰ্থাৎ ই উত্তম গালভাৰ প্ৰমোটাৰ নহয় আৰু সেয়ে পুনৰ গঠন প্ৰক্ৰিয়াৰ অধীনত কোনো ষ্টীল সম্পদৰ কাৰণে নিবিদাৰপৰা আঁতৰাই ৰখাৰ কোনো কাৰ্যকৰী কাৰণ থাকিব নোৱাৰে।

আৰ্চিলৰ মিট্টালে উত্তম গালভাৰ সংখ্যালঘু ২৯ শতাংশ ষ্টকৰ স্বত্বাধিকাৰী, কিন্তু বোম্বে ষ্টক এক্সছেঞ্জৰ তথ্য অনুসৰি মিগলানি পৰিয়ালক কোম্পানীৰ এটা প্ৰমোটাৰ হিচাপে তালিকাভুক্ত কৰা হয়।

আই বী চীৰ সংজ্ঞানুসৰি, এটা সম্পৰ্কীয় পক্ষ যি পৰিত্যক্ত কোম্পানীটোৰ ২০ শতাংশতকৈও অধিক ভোটৰ অধিকাৰ নিয়ন্ত্ৰণ কৰে আৰু ২ শতাংশতকৈও অধিক ষ্টকৰ সৈতে ৰাজহুৱা কোম্পানীৰ সঞ্চালক।

সি যি কি নহওক, দী ছিকিউৰিটি এণ্ড এক্সছেঞ্জ ব'ৰ্ড অৱ ইণ্ডিয়া এক্টে এগৰাকী প্ৰমোটাৰ বা প্ৰমোটাৰ গোটৰ সংজ্ঞা হিচাপে প্ৰকাশ কৰিছে যে ১০ শতাংশতকৈও অধিক ইকুইটি থকা আৰু কোম্পানীটো চলাই থকাত নিয়ন্ত্ৰণ থকা কোনো ব্যক্তি বা গোট।

সেয়ে কাক নিবিদা দাখিলৰ বাবে অনুমতি প্ৰদান কৰা নহ'ব সেই সম্পৰ্কে সম্পৰ্কীয় পক্ষবোৰ স্পষ্ট হোৱা প্ৰয়োজন।

আই বী চীৰ অধীনত মীমাংসা কৰাৰ বাবে এন চী এল টীৰ ওচৰলৈ নিয়া ১২টা কোম্পানীৰ ভিতৰত পাঁচটা ষ্টীল কোম্পানী আৰু এমটেক অট'য়ে সম্ভাব্য ক্ৰেতাৰপৰা প্ৰস্তাৱ লাভ কৰিছে।

এই ১২টা একাউণ্টৰ উপৰি আৰ বী আয়ে বেংকবোৰলৈ ২৯টা কোম্পানীৰ আন এখন তালিকা ১৩ ডিচেম্বৰৰ ভিতৰত এন পী এৰ বিষয়টো দ্বিপাক্ষিকভাৱে সমাধানৰ বাবে দিছে অন্যথা এই একাউণ্টবোৰ এন চী এল টীলৈ প্ৰেৰিত হ'ব।

এতিয়া আহিল সমতাৰ বিষয়। যদি একাউণ্টবোৰ এন চী এল টীৰ ওচৰলৈ প্ৰেৰণ কৰাৰ পূৰ্বে বেংকে দ্বিপাক্ষিক-ভাৱে অনাদায় কোম্পানীবোৰক দ্বিতীয় তালিকাত লেনদেনৰ বাবে কিছুসময় দিয়ে, তেন্তে এন চী এল টীলৈ প্ৰথম তালিকাত প্ৰেৰণ কৰা ১২টা গোচৰৰ ক্ষেত্ৰত তেনে সময় কিয় দিয়া নহ'ল?

দেউলীয়া অৱস্থাৰ গোচৰৰ বিবাদমান বিষয়বোৰ এইদৰে আহি থাকিব, কিন্তু ইয়াক সহজ কৰি তোলা অভিজ্ঞতাই কোম্পানীবোক নিজে ওলাই অহা বা পুনৰ গঠন কৰি ভাৰতত ব্যৱসায় কৰাটো সহজ কৰিব। কোম্পানীবোৰে ব্যৱসায় কৰোঁতে ইয়াৰ শিথিলতাই যাতে সমগ্ৰ প্ৰক্ৰিয়াটো প্ৰভাৱান্বিত কৰিব নোৱাৰে তাৰ প্ৰতি যত্নৱান হ'ব লাগিব।

উদাহৰণ স্বৰূপে চিনাৰ্জী ডুৰেৰ গোচৰত, এডেলৱেছ এ আৰ চীয়ে ঋণ পুননামাংকন পৰিকল্পনাৰ বিৰোধিতাৰে আপীলকৰণ ন্যায়াধিকৰণ নেশ্বনেল কোম্পানী ল' এপিলেট ট্ৰিবিউনেল (এন চী এল এ টী)ৰ কাষ চাপিছিল। ইয়াৰে এটা বিষয় আছিল যে চিনাৰ্জী কাষ্টিংছে চিনাৰ্জী ডুৰেৰ এটা সম্পৰ্কীয় পক্ষই বিধেয়কৰদ্বাৰা যত্ন লৈছে। চিনাৰ্জী ডুৰে আৰু চিনাৰ্জী কাষ্টিঙৰ মাজত হোৱা বৃহৎ পৰিমাণৰ লেনদেনৰ শুনানি এন চী এল এ টীৰদ্বাৰা লোৱা হয়। ❐

ভাৰতমালা পৰিযোজনা

# ৰাষ্ট্ৰীয় ঘাইপথ উন্নয়নৰ এটা নতুন যাত্ৰা

**যুধবীৰ সিং মালিক***

**১। ভূমিকা**

(ক) ২০১৭ চনৰ অক্টোবৰত অনুষ্ঠিত অৰ্থনৈতিক পৰিক্ৰমা কেবিনেট সমিতিয়ে ভাৰতমালা পৰিযোজনাৰ প্ৰথম অংশৰ প্ৰস্তাৱত অনুমোদন জনায়। ভাৰতমালা হৈছে দেশৰ বাবে গ্ৰহণ কৰা ঘাইপথ উন্নয়নৰ এটা ব্যাপক কাৰ্যসূচী। পৰিবহণৰ ক্ষেত্ৰত বাঢ়ি অহা প্ৰয়োজনীয়তাৰ বাবে ঘাইপথ খণ্ডক এতিয়াও ভাৰতৰ আন্তঃগাঁথনিৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ বুলি গণ্য কৰি অহা হৈছে। ভাৰতমালাক ঘাইপথৰ আন্তঃগাঁথনিৰ ক্ষেত্ৰত এটা নতুন যুগৰ আৰম্ভণি বুলি ধৰি ল'ব পাৰি।

(খ) ১৯৯৮ চনত এন ডী এ চৰকাৰে দেশৰ প্ৰথম ধ্বজাবাহী ঘাইপথ উন্নয়ন কাৰ্যসূচী 'ৰাষ্ট্ৰীয় ঘাইপথ উন্নয়ন প্ৰকল্প' হাতত লৈছিল। এই প্ৰকল্প কাৰ্য ৰূপায়ণ কৰাৰ অভিজ্ঞতাকেই সমল কৰি দেশত পথ উন্নয়ন ব্যৱস্থাক এটা বিশেষ স্তৰলৈ উন্নীত কৰিবৰ বাবে ভাৰতমালা প্ৰকল্প হাতত লোৱা হৈছে। ইয়াৰ যোগেদি দেশৰ ৰাষ্ট্ৰীয় ঘাইপথবোৰৰ বিকাশ, ব্যৱহাৰ আৰু চোৰা-চিতাক গুৰুত্ব দিব বিচৰা হৈছে। ভাৰতমালাৰ উদ্দেশ্য হৈছে দেশত ৰাষ্ট্ৰীয় ঘাইপথেৰে সামগ্ৰী আৰু যাত্ৰীৰ পৰিবহণ অধিক সুষম কৰি তোলা।

**২। ভাৰতমালাৰ আৰ্হি প্ৰস্তুতকৰণ**

(ক) উৎপাদনস্থলীৰপৰা লক্ষ্যস্থানলৈ সামগ্ৰীৰ গতিপথৰ বিষয়ে বিজ্ঞান-সন্মতভাৱে বিস্তৃত অধ্যয়ন কৰা হয়। তাৰ পাছতে নতুন অৰ্থনৈতিক কৰিড'ৰ চিনাক্তকৰণ আৰু বিকাশৰ বাবে বিশেষ কৌশল যুগুতাই উলিওৱা হয় যাতে অৰ্থনৈতিক অঞ্চলটোৰ সা-সৰঞ্জামৰ যোগ্যতা বাঢ়ে। অৰ্থনীতিত ইয়াৰ প্ৰভাৱ অধিক হ'ব বুলিও আশা কৰা হৈছে। ৰাষ্ট্ৰীয় ঘাইপথ বিকাশ প্ৰকল্পৰ সৈতে অৰ্থনৈতিক কৰিড'ৰকে ধৰি উৎপাদনস্থলী আৰু লক্ষ্যস্থান সম্পৰ্কীয় অধ্যয়নটো সম্পন্ন কৰা হৈছিল।

(খ) অধ্যয়নটোত এয়াও পোহৰলৈ আহে যে দেশৰ অৰ্থনৈতিক কৰিড'ৰবোৰৰ বেছি ভাগতে আন্তঃ-গাঁথনিৰ অসাম্য আছে। উদাহৰণ স্বৰূপে মুম্বাই-কলকাতা কৰিড'ৰৰ ওড়িশাৰ একাংশ এতিয়াও দ্বিপথ-যুক্ত। তদুপৰি পথ সাল-সলনিও সঘনে ঘটে। যদিহে এই গুৰুত্বপূৰ্ণ পথছোৱা কমেও চাৰি লেনযুক্ত কৰা নহয়, তেন্তে গাড়ী-মটৰৰ যাতায়াত বাধাগ্ৰস্ত হৈয়েই থাকিব আৰু তাৰ ফলত সামগ্ৰী পৰিবহণৰ ব্যয়ো বাঢ়ি থাকিব। ইয়াৰ কাৰণে তীখা আৰু শক্তিৰ ওপৰত বিৰূপ প্ৰভাৱো পৰিব। সেয়ে দেশৰ বিভিন্ন ঠাইত অৰ্থনৈতিক কৰিড'ৰবোৰত দেখা দিয়া অসাম্য শীঘ্ৰে দূৰকৰণৰ প্ৰয়োজন আছে।

(গ) নতুন কৰিড'ৰ আৰু ফীডাৰ পথবোৰৰ বিকাশৰ লগতে ৰাষ্ট্ৰীয় ঘাইপথ বিকাশ প্ৰকল্প (এন এইছ ডী পী)ৰ অধীনত নিৰ্মিত পথবোৰৰো সংস্কাৰ জৰুৰী। বাইপাছ নিৰ্মাণ, ৰিংৰোড নিৰ্মাণ আদিৰ যোগেদি এইবোৰ পথৰ ভিৰ কমাব পৰা যায়। বহু মডেলৰ লজিষ্টিক পাৰ্ক নিৰ্মাণ কৰিব পৰা যায় যাতে সামগ্ৰী পৰিবহণত কোনো অসুবিধা নহয়।

(ঘ) ভাৰতৰ ৰপ্তানি-আমদানি বাণিজ্যক উৎসাহ যোগাবৰ বাবে সীমান্তৰ পথবোৰ আৰু উপকূলীয় অঞ্চলৰ আন্তঃগাঁথনিৰ বিকাশ অত্যন্ত জৰুৰী। নেপাল, বাংলাদেশ আৰু ভূটানৰ সৈতে ভাৰতৰ বাণিজ্যিক সংযোগৰ স্থানবোৰ চিহ্নিত কৰি তাৰ সৈতে সংযোগ কৰা ভাৰতীয় পথবোৰৰ বিকাশো গুৰুত্বপূৰ্ণ। জাহাজ পৰিবহণ মন্ত্ৰণালয়ে সাগৰ-মালা কাৰ্যসূচীত লোৱা বন্দৰ সংযোগৰ আঁচনিৰ সৈতে উপকূলীয় অঞ্চলবোৰলৈ পথ যোগাযোগ বৃদ্ধিৰো বিশেষ সংযোগ আছে।

(ঙ) প্ৰকল্প ভিত্তিক পথ উন্নয়নতকৈ কৰিড'ৰ ভিত্তিক চেষ্টালৈ পৰিৱৰ্তনৰ

*লিখক যুধবীৰ সিং মালিক পথ পৰিবহণ আৰু ঘাইপথৰ সচিব

গুৰুত্ব উপলব্ধি কৰিছে পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰণালয়ে 'ভাৰতমালা পৰিযোজনা' গ্ৰহণ কৰিছে।

৩। **ভাৰতমালা— ছটা উপাদান**

(ক) **অৰ্থনৈতিক কৰিড'ৰ ঃ** অৰ্থনৈতিক-ভাৱে গুৰুত্বপূৰ্ণ ঘাইপথ কৰিড'ৰবোৰে অহা বছৰবোৰত সামগ্ৰী পৰিবহণৰ ২৫ শতাংশ সামৰি ল'ব। এবাৰ এই কৰিড'ৰ-সমূহ নিৰ্মাণ হৈ উঠিলে তাৰ সৈতে সংযোগ কৰি আন্তঃকৰিড'ৰ আৰু ফীডাৰ পথসমূহেৰে মিলি ই সামগ্ৰী পৰিবহণৰ ৮০ শতাংশ সামৰিব। অৰ্থনৈতিক কৰিড'ৰ হিচাপে মুঠ ২৬,২০০ কিলোমিটাৰ পথ চিনাক্তকৰণ হৈছে। তাৰ ভিতৰত প্ৰথমে ৯০০০ কিলোমিটাৰ পথ নিৰ্মাণ কৰা হ'ব।

(খ) **আন্তঃকৰিড'ৰ আৰু ফীডাৰ পথবোৰ ঃ** প্ৰায় ৮০০০ কিলোমিটাৰ পথ আন্তঃকৰিড'ৰ আৰু ৭৫০০ কিলোমিটাৰ ফীডাৰ পথ নিৰ্মিত হ'ব বুলি চিনাক্ত কৰি তাৰে ৬০০০ কিলোমিটাৰ প্ৰথমে নিৰ্মাণৰ প্ৰস্তুতি লোৱা হৈছে।

(গ) **ৰাষ্ট্ৰীয় কৰিড'ৰৰ কাৰ্যদক্ষতা বৃদ্ধি ঃ** সোণালী চতুৰ্ভুজ কৰিড'ৰ আৰু উত্তৰ-দক্ষিণ আৰু পূব-পশ্চিম কৰিড'ৰে ভাৰতৰ মুঠ সামগ্ৰীৰ ৩৫ শতাংশ পৰিবহণ কৰে আৰু এই পথাংশকে ৰাষ্ট্ৰীয় কৰিড'ৰ বুলি ঘোষণা কৰা হ'ব। ৰাষ্ট্ৰীয় কৰিড'ৰ ছটাত যানবাহনৰ গড় চলাচল হ'ল ৩০,০০০ পী ডী ইউতকৈ কম। প্ৰয়োজন সাপেক্ষে এই পথবোৰৰ ৬/৮ লেন নিৰ্মাণ কাৰ্য সময়ত কৰা হ'ব। ৰাষ্ট্ৰীয় কৰিড'ৰবোৰে সা-সামগ্ৰীৰ দক্ষতা প্ৰভাৱিত কৰে। ৰাষ্ট্ৰীয় কৰিড'ৰবোৰত ভিৰ কমাবলৈ ৰিংপথ আৰু বাইপাছ/ওখকৈ নিৰ্মাণ কৰা কৰিড'ৰ আদি নিৰ্মাণৰ বিশেষ প্ৰয়োজন আছে। সা-সামগ্ৰী পৰিবহণৰ সুবিধা হোৱাকৈ সামগ্ৰী পাৰ্কবোৰো উপযুক্ত স্থানত নিৰ্মাণ কৰা হ'ব। প্ৰথমবাৰ প্ৰায় ৫০০০ কিলোমিটাৰ এনে পথ নিৰ্মাণ কৰা হ'ব।

(ঘ) **সীমান্ত আৰু আন্তঃৰাষ্ট্ৰীয় সংযোগ পথ ঃ** আন্তঃৰাষ্ট্ৰীয় সীমান্তৰ লগতে সীমাঞ্চলৰ প্ৰায় ৩০০০ কিলোমিটাৰ পথ উন্নয়নৰ বাবে বাছনি কৰা হৈছে। তাৰ ভিতৰত দেশৰ মূল ঘাইপথবোৰৰ সৈতে নেপাল, ভূটান, বাংলাদেশ আৰু ম্যানমাৰৰ আন্তঃৰাষ্ট্ৰীয় সীমাঞ্চলত থকা বাণিজ্য চকীবোৰক সংযোগ কৰিবলৈকেই ২০০০ কিলোমিটাৰ পথ নিৰ্মাণৰ প্ৰয়োজন হ'ব। প্ৰথমাৱস্থাত এই ধৰণৰ ২০০০ কিলোমিটাৰ পথ নিৰ্মাণ কৰা হ'ব।

(ঙ) **উপকূল আৰু বন্দৰ সংযোগী পথ ঃ** ভাৰতৰ উপকূল অঞ্চলৰ ওচৰৰ প্ৰায় ২,১০০ কিলোমিটাৰ উপকূলীয় পথ বিকাশৰ বাবে চিনাক্ত কৰা হৈছে। এই পথবোৰে উপকূল অঞ্চলত পৰ্যটন আৰু ঔদ্যোগিক বিকাশত অৰিহণা যোগাব। প্ৰায় ২০০০ কিলোমিটাৰ বন্দৰ সংযোগী পথ চিনাক্ত কৰা হৈছে, যাৰ যোগেদি আমদানি-ৰপ্তানি বাণিজ্যৰ সুবিধা থাকিব। এই ক্ষেত্ৰই তুলনামূলক-ভাৱে সৰু বন্দৰবোৰকো গুৰুত্ব দিয়া হৈছে। চিনাক্ত কৰা পথবোৰ জাহাজ পৰিবহণ মন্ত্ৰণালয়ৰ সাগৰমালা প্ৰকল্পৰ সৈতে সংগতি ৰাখি নিৰ্মাণৰ দিহা কৰা হৈছে। প্ৰথম পৰ্যায়ত প্ৰায় ২০০০ কিলোমিটাৰ এনে পথ নিৰ্মাণ কৰা হ'ব।

(চ) **গ্ৰীণফিল্ড এক্সপ্ৰেছ ৱে ঃ** কেতবোৰ ৰাষ্ট্ৰীয় আৰু অৰ্থনৈতিক কৰিড'ৰত গাড়ী-মটৰৰ চলাচলে ৫০,০০০ পী চী ইউৰ সীমা অতিক্ৰম কৰি যায় আৰু ইয়াত বহুকেইটা গাড়ী ৰ'বলগীয়া পইণ্টৰ সৃষ্টি হৈছে। প্ৰায় ১৯০০ কিলোমিটাৰ পথ চিনাক্ত কৰি 'গ্ৰীণফিল্ড এক্সপ্ৰেছ ৱে' নিৰ্মাণৰ বাবে বাছনি কৰা হৈছে। ইয়াৰে প্ৰায় ৮০০ কিলোমিটাৰ পথ প্ৰথম পৰ্যায়ত নিৰ্মাণ কৰা হ'ব।

৪। **ভাৰতমালা প্ৰথম স্তৰ— উপাদান আৰু সম্ভাব্য বিনিয়োগ**

(ক) ভাৰতমালা প্ৰথম স্তৰত মুঠ প্ৰায় ২৪,৮০০ কিলোমিটাৰ পথ নিৰ্মাণৰ পৰিকল্পনা কৰা হৈছে। তদুপৰি প্ৰথম স্তৰতে ৰাষ্ট্ৰীয় ঘাইপথ উন্নয়ন কাৰ্যসূচীৰ বাকী ৰৈ যোৱা ১০,০০০ কিলোমিটাৰ পথো নিৰ্মাণ কৰাৰ লক্ষ্য লোৱা হৈছে। ইয়াৰ বাবদ প্ৰথম স্তৰত পাঁচ বছৰত ৫,৩৫,০০০ কোটি টকাৰ আনুমানিক ব্যয় ধাৰ্য কৰা হৈছে।

(খ) প্ৰথম স্তৰত হ'বলগীয়া কাম আৰু তাৰ অনুমোদিত ব্যয় তালিকাত দিয়া ধৰণৰ।

(গ) উল্লিখিত ২৪,৮০০ কিলোমিটাৰ পথ চিনাক্তকৰণৰ ক্ষেত্ৰত যথেষ্ট স্বাতন্ত্ৰ্য দিয়া হৈছে, কিয়নো পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰণালয়ক নিৰ্মাণ হ'বলগীয়া পথৰ ১৫ শতাংশত অন্য প্ৰকল্প গ্ৰহণৰ স্বাধীনতাও দিয়া হৈছে। কিবা বিষয়লৈ এডোখৰ পথ নিৰ্মাণত বাধা পালে সেই ধন অন্য এলেকাত পথ নিৰ্মাণত ব্যয়ৰ স্বতন্ত্ৰতাও আছে।

| ক্র. নং | নিৰ্মাণ হ'ব লগা পথ | দৈৰ্ঘ্য (কিলোমিটাৰ) | ব্যয় (কোটি টকাত) |
|---|---|---|---|
| (ক) | অৰ্থনৈতিক কৰিড'ৰবোৰৰ উন্নয়ন | ৯,০০০ | ১,২০,০০০ |
| (খ) | আন্তঃকৰিড'ৰ আৰু ফীডাৰ পথ | ৬,০০০ | ৮০,০০০ |
| (গ) | ৰাষ্ট্ৰীয় কৰিড'ৰৰ কাৰ্যক্ষমতা উন্নয়ন | ৫,০০০ | ১,০০,০০০ |
| (ঘ) | সীমান্ত আৰু আন্তঃৰাষ্ট্ৰীয় সংযোগ পথ | ২,০০০ | ২৫,০০০ |
| (ঙ) | উপকূল আৰু বন্দৰ সংযোগী পথ | ২,০০০ | ২০,০০০ |
| (চ) | এক্সপ্ৰেছ ৱে | ৮০০ | ৪০,০০০ |
| | মুঠ | ২৪,৮০০ | ৩,৮৫,০০০ |
| | এন এইচ ডী পীৰ বাকী ৰৈ যোৱা পথৰ কাম | ১০,০০০ | ১,৫০,০০০ |
| | মুঠ | | ৫,৩৫,০০০ |

৫। **প্ৰকল্পৰ চৰকাৰী মূল্য নিৰ্দ্ধাৰণ আৰু অনুমোদনত প্ৰতিনিধিত্বমূলক ব্যৱস্থা**

(ক) ব্যক্তিগত ঘাইপথ প্ৰকল্পৰ চৰকাৰী মূল্য নিৰ্দ্ধাৰণ আৰু তাৰ অনুমোদনত প্ৰতিনিধিত্বমূলক ব্যৱস্থাও এই কাৰ্যসূচীৰ এটা বিশেষ বৈশিষ্ট্য। ইয়াৰ ফলত প্ৰকল্পবোৰৰ কাম-কাজ নিৰ্দ্ধাৰিত সময়ত আৰু ক্ষিপ্ৰগতিত সম্পন্ন হৈ উঠিব। প্ৰকল্পবোৰৰ দৰ নিৰ্দ্ধাৰণ আৰু অনুমোদনৰ দায়িত্বত আছে ভাৰতৰ ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণ (এন এইচ এ আই)। একে সময়তে মূল্য নিৰ্দ্ধাৰণ প্ৰক্ৰিয়া বা অনুমোদন ব্যৱস্থাত ক'তো যাতে মান হ্ৰাস নাপায়। সকলো প্ৰকল্পই কাৰিকৰী, বিত্তীয় আৰু অৰ্থনৈতিক-ভাৱে সকলো প্ৰস্তাৱ এন এইছ এ আই আৰ মন্ত্ৰণালয়ে নীতি আয়োগৰ বিশেষজ্ঞক লৈ গঠন কৰা প্ৰকল্প অনুমোদন আৰু প্ৰযুক্তি নিৰীক্ষণ সমিতিৰ হাতেৰে পাৰ হৈ আহিব লাগিব। প্ৰকল্প প্ৰস্তুতকৰণৰ কাম বিভিন্ন সংস্থাই ইতিমধ্যে আৰম্ভ কৰিছে। নীতি আয়োগৰ মুখ্য কাৰ্যবাহী বিষয়াকো নীতি আয়োগৰ অংশকালীন সদস্য কৰি লোৱা হৈছে।

৬। **বৃহৎ প্ৰত্যাহ্বানপূৰ্ণ কৰ্ম পদ্ধতি**

এই কাৰ্যসূচীৰ অন্য এটা বৈশিষ্ট্য হৈছে বৃহৎ প্ৰত্যাহ্বানপূৰ্ণ কৰ্মপদ্ধতিত ৰাজ্য চৰকাৰসমূহকো অংশগ্ৰহণৰ সুযোগ দিয়া। এই কৰ্ম ব্যৱস্থাত যিসমূহ প্ৰকল্পত ৰাজ্য চৰকাৰসমূহে ভূমিদানকে ধৰি সক্ৰিয় ভূমিকা গ্ৰহণ কৰে, সেই চৰকাৰসমূহকে প্ৰকল্পবোৰ ৰূপায়ণৰ ক্ষেত্ৰতো অগ্ৰাধিকাৰ দিয়া হ'ব।

৭। **প্ৰতিষ্ঠানিক সামৰ্থ্য বৃদ্ধি**

প্ৰকল্প সঠিকভাৱে কাৰ্য ৰূপায়িত কৰিবলৈ পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰণালয়ৰ কাৰ্যকৰী গোটবোৰৰ সামৰ্থ্য বৃদ্ধিতো গুৰুত্ব দিয়া হৈছে। এই উদ্দেশ্যে 'অৰ্গেনাইজেচন এণ্ড প্ৰচেছ ট্ৰেন্সফৰ্মেচন অৱ এম অ' আৰু টী এইচ এণ্ড ইট্‌ছ ইম্‌প্লিমেণ্টেচন এজেন্সীজ' শীৰ্ষক এটা অধ্যয়ন চলাই ইয়াৰ কেতবোৰ প্ৰস্তাৱ ৰূপায়ণ কৰা হৈছে। বিশেষকৈ ভূমি অধিগ্ৰহণ ব্যৱস্থাত সংস্কাৰ, প্ৰকল্পৰ ডী পী আৰ-ৰ মান উন্নত কৰা, প্ৰকল্প নিৰীক্ষণ ইনফৰমেচন ছিষ্টেম (পী এম আই এছ) আৰু কেতবোৰ কাম ইয়াৰ যোগেদি হৈছে।

৮। **ভাৰতমালাৰ প্ৰভাৱ**

(ক) সুসংগত কৰিড'ৰ ব্যৱস্থাৰে সমগ্ৰ দেশতে পথেৰে গাড়ী-মটৰ যাতায়াতৰ সুচলতা বৃদ্ধি কৰা। চিনাক্তকৃত নেটৱৰ্কেৰে দেশৰ প্ৰায় ৮০ শতাংশ আন্তঃজিলা সামগ্ৰী পৰিবহণ ব্যৱস্থা সামৰি ল'ব পৰা যাব। ফলত সমগ্ৰ দেশত গাড়ীৰ গতিবেগ ২০ৰ পৰা ২৫ শতাংশ বাঢ়িব।

(খ) অৰ্থনৈতিক কৰিড'ৰ, আন্তঃকৰিড'ৰ আৰু ফীডাৰ পথসমূহৰ বিকাশে পথ আন্তঃগাঁথনি উন্নত কৰিব, গাড়ী-মটৰৰ ভিৰ হোৱা স্থানবোৰ নোহোৱা কৰিব। সীমিত প্ৰৱেশৰ এক্সপ্ৰেছ ৱে আৰু তাৰ সৈতে সংযুক্ত কৰিড'ৰ ভিত্তিক প্ৰৱেশ-প্ৰস্থান ট'লিং ব্যৱস্থাই ঘাইপথত গাড়ীৰ গড় গতিবেগ বহুখিনি বৃদ্ধি কৰিব। সামগ্ৰী পৰিবহণৰ গড় গতিবেগ বাঢ়িলে তিনিটা লাভ হ'ব— (ক) গাড়ী-মটৰৰ সঠিক ব্যৱহাৰ হ'ব আৰু প্ৰতি টন সামগ্ৰীত পৰিবহণ ব্যয়ো কমিব। (খ) ইন্ধনৰ ব্যৱহাৰ উন্নত হ'ব কাৰণ গাড়ীবোৰে অবাবত সময় নষ্ট কৰিব নালাগিব, ফলত পৰিবহণ ব্যয় কমিব আৰু (গ) ক্ষিপ্ৰ আৰু বিশ্বাসযোগ্য সামগ্ৰী পৰিবহণ ব্যৱস্থাই সামগ্ৰীৰ পৰিবহণৰ ক্ষেত্ৰত গড় গতিবেগৰ উন্নতি ঘটাব। এবাৰ এই নেটৱৰ্কটো হৈ উঠিলে অৰ্থনীতিত যোগান শৃংখলৰ সামগ্ৰিক ব্যয় ৫ৰ পৰা ৬ শতাংশ হ্ৰাস কৰিব। দেশৰ 'লজিষ্টিক পাৰ্ফৰমেন্স ইণ্ডেক্স' (এন পী আই) বৃদ্ধিত ই অৰিহণা যোগাব।

**(৪১ পৃষ্ঠাত চাওক)**

# ভাৰতবৰ্ষৰ গ্ৰাম্য বেংক ব্যৱস্থাৰ সমস্যা আৰু প্ৰত্যাহ্বান

**মঞ্জুলা ৰাধাৰা***

জাতিৰ পিতাই কোৱাৰ দৰে, ‘ভাৰতবৰ্ষ গাঁওবোৰতে বাস কৰে’, অৰ্থাৎ ভাৰতবৰ্ষৰ সৰ্বাংগীন উন্নয়নৰ ক্ষেত্ৰত গ্ৰামোন্নয়নে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। স্বাধীনতা প্ৰাপ্তিৰপৰা আমাৰ নীতি নিৰ্দ্ধাৰকসকলৰ বাবে ভাৰতবৰ্ষৰ গ্ৰাম্য সমৃদ্ধি অনাৰ ক্ষেত্ৰত যথোপযুক্ত গুৰুত্ব প্ৰদান কৰাটো স্থায়ী প্ৰচেষ্টাত পৰিণত হৈছে। স্বাধীনতাৰ পাছৰ যোৱা ৭০ বছৰত সমবায় ভিত্তিক ঋণ গাঁথনিৰপৰা আৰম্ভ কৰি ৰাজহুৱা খণ্ডৰ বেংক ৰাষ্ট্ৰীয়কৰণ আৰু গ্ৰামাঞ্চলত সেইবোৰৰ শাখা সম্প্ৰসাৰণ আৰু তাৰ পাছত ১৯৭৬ চনত আঞ্চলিক গ্ৰাম্য বেংকবোৰৰ আৰম্ভণিকৰণ, আনুষ্ঠানিক গ্ৰাম্য প্ৰতিষ্ঠান গাঁথনিৰ বিকাশ আৰু বিভিন্ন স্তৰত সম্প্ৰসাৰণ সাধন হয়। অনাকাংক্ষিতভাৱে এই সম্প্ৰসাৰণ কাৰ্যসূচীসমূহৰ পাছতো আমাৰ গ্ৰাম্য জনসংখ্যাৰ এটা বৃহৎ অংশ অদ্যাপি ‘বিত্তীয়ভাৱে নিলগত থকা’ত ধন ধাৰলৈ দিয়া মহাজনৰ হাতোৰাত বন্দী হৈ আছে— যি নিশ্চিতভাৱে এটা গভীৰ উদ্বেগৰ বিষয়।

সাম্প্ৰতিক সময়তো দেশখন বিশ্বৰ ২৪ শতাংশ বেংকবিহীন প্ৰাপ্তবয়স্কৰ আবাসভূমি আৰু ই দক্ষিণ এছিয়াৰ দুই-তৃতীয়াংশ। প্ৰায় ৩১ কোটি ‘সম্ভাব্য বেংক ব্যৱস্থাই সামৰিবলগীয়া গ্ৰাম্য ভাৰতীয়’ৰ আনুষ্ঠানিক বেংকিং সেৱাৰ সুবিধা নাই। ২০১৬ চনৰ ৩০ জুনৰ এছ এল বী চীৰ প্ৰতিবেদন অনুসৰি ভাৰতবৰ্ষৰ ৬,০০,০০০ গাঁৱৰ ভিতৰত ৪,৫২,১৫১ খন গাঁৱক ১৪,৯৭৬টা শাখা, ৪,১৬,৬৩৬টা বী চী আৰু ২০,৫৩৯টা অন্যান্য মাধ্যম যথা এ টী এম, ম’বাইল ভান আদিয়ে সামৰি লৈছে। ততোধিক গুৰুত্বপূৰ্ণ দিশটো হ’ল এই বিত্তীয় সুবিধাবোৰ গ্ৰহণ কৰাৰ ক্ষেত্ৰত দুৰ্বল কায়িক আৰু সামাজিক গাঁথনিয়েও প্ৰভাৱ পেলাইছে।

৭১ শতাংশ গ্ৰাম্য সাক্ষৰ লোকসকল বাস কৰা দেশখনৰ গ্ৰাম্য ভাৰতীয়ই বেংকৰ সুবিধা গ্ৰহণ কৰিবৰ বাবে পুৱা ১০ বজাৰপৰা বিয়লি ৫ বজালৈ খোলা থকা বেংকৰ শাখালৈ যোৱাৰ বাবে সম্পূৰ্ণ এটা দিনৰ মজুৰি উৎসৰ্গা কৰিবলগীয়া হয়। তেনে পৰিপ্ৰেক্ষিতত বেংকৰ ঋণ আৰু জমা অৱস্থা উন্নীতকৰণৰ বাবে বেচৰকাৰী সংস্থা, আত্মসহায়ক গোট, ক্ষুদ্ৰ বিত্তীয় প্ৰতিষ্ঠান, বেংক প্ৰতিনিধি আৰু ব্যৱসায়িক সুবিধা প্ৰদানকাৰী আদিৰ দৰে অৰ্দ্ধ-আনুষ্ঠানিক সুবিধা প্ৰদানকাৰী ব্যৱস্থা আদিৰ সহায় লৈ আছে। পিছে বৰ্তমানৰ অৱস্থাত এই মাধ্যমবোৰে সীমিত সুবিধা প্ৰদান কৰি আহিছে আৰু বহুধৰণৰ ত্ৰুটীৰ সন্মুখীন হৈছে।

এইবোৰৰ উপৰি, বহুতো বেংকে গ্ৰাম্য বজাৰখন অৰ্থনৈতিক সুবিধা প্ৰদানকাৰীৰ পৰিৱৰ্তে নিয়মভিত্তিক প্ৰয়োজনীয়তা হিচাপেহে দৃষ্টি আৰোপ কৰে। ইয়াৰ কেতবোৰ নিশ্চিত কাৰক হ’ল ঃ যিহেতু গ্ৰাম্য পৰিয়ালবোৰৰ আয় আৰু ব্যয় অনিয়মীয়া আৰ্হিৰ সেয়ে গ্ৰামাঞ্চলত বেংকবোৰৰ নন-পাৰফ’ৰ্মিং ঋণৰ পৰিমাণ অধিক। মৌচুমী ঋতুৰ ওপৰত নিৰ্ভৰশীল গ্ৰাম্য অৰ্থনীতিৰ ক্ষেত্ৰত এই বিষয়টো এটা অতিৰিক্ত সংযোজন। তদুপৰি ঋণ ৰেহাই ব্যৱস্থা ৰাজনৈতিক নীতি নিৰ্ভৰশীল। সেয়ে ই পৰৱৰ্তীভাৱে বেংকৰ বাবে বেদনাদায়ক হৈ পৰে। আনহাতে গ্ৰাম্যাঞ্চলত জমা লেনদেন আৰু ঋণ লেনদেনৰ গড় পৰিমাণ ক্ষুদ্ৰ, ইয়াৰ অৰ্থ হ’ল এই প্ৰচলিত ব্যৱস্থা ভংগ কৰাৰ বাবে বেংকে প্ৰতি শাখা বা মাধ্যমত অধিক গ্ৰাহক সৃষ্টিৰ প্ৰয়োজন। যিহেতু বহুতো গ্ৰামাঞ্চলৰ লোক শিক্ষিত আৰু এ টী এম, ফোন বেংকিং বা ইণ্টাৰনেট বেংকিং আদিৰ দৰে প্ৰযুক্তি পৰিচালিত মাধ্যমবোৰৰ ব্যৱহাৰৰ ক্ষেত্ৰত সিমান পৰিমাণৰ সুচল নহয়, তেনে ক্ষেত্ৰত বেছিভাগেই বেংকৰ শাখাৰ ওপৰত নিৰ্ভৰশীল, যি বেংকৰ সেৱা গ্ৰহণ কৰাৰ উচ্চ মূল্য দিব লাগে। চিকিৎসা আৰু সামাজিক আকস্মিকতা আদিৰ দৰে অতি অনিয়মীয়া আৰু অস্থিৰ উপাৰ্জন ক্ষেত্ৰখনে বেংকৰ ঋণ দানৰ ক্ষেত্ৰত তীব্ৰ প্ৰত্যাহ্বান আনি দিয়ে। যিহেতু উৎপাদন ব্যয় আৰু আকস্মিক খৰচ সামৰাৰ বাবে দৰিদ্ৰ গোটবোৰক বুনিয়াদী সঞ্চয় সেৱা আৰু ক্ষুদ্ৰ ঋণৰ প্ৰয়োজন, কৃষক আৰু কৃষক সংস্থাবোৰক

***লিখিকা মঞ্জুলা ৰাধাৰা চণ্ডীগড়স্থিত নাবাৰ্ডৰ হাৰিয়ানা আঞ্চলিক কাৰ্যালয়ৰ সহকাৰী মহাপ্ৰবন্ধক**

জীৱন আৰু সম্পদৰ ক্ষতিপূৰণৰ বাবে বীমা আদিৰ দৰে প্ৰত্যাহ্বানমূলক উৎপাদন আদিৰ উপৰি উৎপাদনত আৰ্থিক সহায়ৰ বাবে বৃহৎ পৰিমাণৰ ঋণ ইনপুট, সংসাধন আৰু বজাৰ আদিৰ প্ৰয়োজন।

নতুন গ্ৰাম্য বিত্তীয় আৰ্হি 'গ্ৰাম্য জনসাধাৰণক বেংক সেৱাৰ সৈতে যুক্ত কৰা' আৰু গ্ৰাম্য উপভোক্তা হিচাপে কেৱল কৃষক আৰু অশিক্ষিত লোকৰ মাজত আবদ্ধ নাৰাখি সেই প্ৰজন্মকো সামৰি লোৱা— যিসকলে প্ৰযুক্তিৰ ব্যৱহাৰ আৰু গ্ৰহণ কৰিব পাৰে— যাৰ জৰিয়তে বহুমুখী বিত্তীয় উৎপাদকৰ দাবী অনুসৰি আৰ্হি আৰু দক্ষ ব্যৱস্থা আৰু গ্ৰাম্য উপভোক্তাই গ্ৰহণ কৰিব পৰাকৈ বহনক্ষম আনুষ্ঠানিক সেৱাৰে বিত্তীয় খণ্ডৰ সংযোজন ঘটোৱাটো সময়ৰ দাবী। পিছে বৰ্তমানেও বহনক্ষম গ্ৰাম্য বিত্তীয় ব্যৱস্থাৰ সংযোজন ঘটোৱাটো বহু পৰিমাণে প্ৰত্যাহ্বানমূলক আৰু আনুষংগিক বিষয়বোৰ বুজাৰ বাবে বহু সমন্বিত প্ৰচেষ্টাৰ প্ৰয়োজন, যিবোৰক ৭টা বৃহৎ শ্ৰেণীত বিভক্ত কৰিব পাৰি।

★ **উৎপাদক কৌশল ঃ** কম পৰিমাণৰ লেনদেন, সেইবোৰৰ বিভিন্ন উৎপাদক গোট বা সেৱা শিথিল-কৰণ, ধাৰাবাহিক সুলভতা আৰু উৎপাদকৰ সৰবৰাহ অবিহনে উন্নতি সাধিব পাৰিনে? কোনবোৰ শ্ৰেণীৰ বিত্তীয় উৎপাদকৰ দৰিদ্ৰতা হ্ৰাস কৰাত বৃহৎ প্ৰভাৱ আছে আৰু গ্ৰাম্য অঞ্চলৰ অৱহেলাৰ উন্নীত-কৰণৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ?

★ **প্ৰক্ৰিয়া ঃ** কি ধৰণৰ ব্যৱসায়িক প্ৰক্ৰিয়াই বেংকবোৰক অৱহেলিত আৰু অনুন্নত শ্ৰেণীৰ কাষ চাপিব পাৰিব আৰু বিত্তীয় ক্ষমতাক বিলুপ্তি নঘটোৱাকৈ গ্ৰাহকক দুৱাৰডলিত জটিলতামুক্ত সেৱা আগবঢ়াব পাৰিব? আমি কিদৰে এটা সক্ষম ক্ষেত্ৰৰ আৰ্হি প্ৰস্তুত কৰোঁ আৰু প্ৰতিনিধিমুক্ত শাখাবিহীন বেংকিং সেৱা উত্তীৰ্ণ হোৱাৰ আৰ্হি সম্পৰ্কত বক্তব্য ৰাখিব পাৰোঁ।

★ **অংশীদাৰিত্ব ঃ** বেংকবিহীন আৰু বেংকৰ অধীনস্থ লোকসকলে বিভিন্ন ধৰণৰ সেৱা প্ৰদানকাৰী-সকলৰপৰা বিত্তীয় সেৱা প্ৰাপ্তিত কেনেধৰণৰ জটিলতাৰ সন্মুখীন হয়? বেংক, অ-বেংক, অংশীদাৰিত্ব যথা ব্যৱসায়িক প্ৰতিনিধি, আত্মসহায়ক গোট, এম এফ আই আদিয়ে গ্ৰহণযোগ্যভাৱে আৰু সুলভতাৰে বিত্তীয় সেৱা আগবঢ়াইনে?

★ **সুৰক্ষা ঃ** এনে সেৱা গ্ৰহণ কৰাৰ ক্ষেত্ৰত সেৱা প্ৰদানকাৰী আৰু সেৱা গ্ৰহণকাৰী উভয়েই কি সুৰক্ষা ব্যৱস্থা আৰু প্ৰণালী গ্ৰহণ কৰা প্ৰয়োজন? ঋণ সংস্কৃতিৰ অনিশ্চিত সোঁত আৰু বন্যাৰ বিৰুদ্ধে ধাৰ লওঁতাসকল সুৰক্ষিত হয়নে নহয়।

★ **লাভজনক অৱস্থা ঃ** গ্ৰাম্য বিত্তীয় সেৱা প্ৰদানকাৰীসকলৰ কাৰ্যাৱলী বহনক্ষম ভিত্তিত লাভজনকভাৱে হোৱাটো নিশ্চিত কৰিবলৈ গ্ৰাম্য উপভোক্তাসকলৰ বাবে কেনে-ধৰণৰ ব্যৱসায়িক কৌশল গ্ৰহণ কৰিছে আৰু সক্ষমযোগ্য আৰু গ্ৰহণযোগ্য সেৱাৰ আৰ্হিবোৰ গ্ৰহণ কৰিছে? সঠিক মূল্য আৰ্হিৰ জৰিয়তে আমি গ্ৰাহকৰ ধন আদায়ৰ প্ৰতি আগ্ৰহক আমি কিদৰে লৈছোঁ?

★ **উৎপাদনশীলতা ঃ** গ্ৰামাঞ্চললৈ আগবঢ়োৱা বিত্তীয় সেৱাৰ উৎপাদনশীলতা আমি কিদৰে বৃদ্ধি কৰিব পাৰিম? বিত্তীয় সেৱাক অধিক উৎপাদনশীল কৰা আৰু সৰ্বোচ্চ ব্যৱহাৰ নিশ্চিত কৰাৰ বাবে বিত্তৰ সৈতে অন্যান্য সম্পদ (যথা 'ক্ৰেডিট প্লাছ' আহ্বানৰ অধীনত)ৰ সংযোগকৰণৰ বাবে কি কৌশল গ্ৰহণ কৰা প্ৰয়োজন?

★ **জনসাধাৰণ ঃ** গ্ৰাম্য শাখাৰ কৰ্মচাৰীসকল বিত্তীয় সংযোগী-কৰণৰ জ্ঞান, দক্ষতা আৰু আগ্ৰহৰ ক্ষেত্ৰত প্ৰয়োজনীয়ভাৱে পৰিচালনা কৰিবলৈ উপযুক্তভাৱে সজ্জিত কৰাৰ প্ৰয়োজনীয়তা কিমান? সম্ভাব্য গ্ৰাহকক চিনাক্তকৰণ আৰু তেওঁলোকক সময়োপযোগী উপদেশ প্ৰদান আৰু বহুমুখী বেংক সেৱা প্ৰদান কৰিবলৈ তেওঁলোকৰ সক্ষমতা, বোধশক্তি আৰু দায়বদ্ধতা আছেনে?

নেলচন মেণ্ডেলাই কৈছিল, 'আমাৰ উন্নতিৰ পৰীক্ষা যিসকলৰ অধিক আছে তেওঁলোকক অধিক সংযোগ কৰা নহয়, যিসকলৰ অতি কম আছে তেওঁলোকক পৰ্যাপ্ত সুবিধা আগবঢ়োৱাটোহে।' গতিকে বৰ্তমান আমি গ্ৰাম্য বেংক সেৱাৰ ক্ষেত্ৰত থকা প্ৰত্যাহ্বানবোৰ মীমাংসা কৰাৰ বাবে আমাৰ চৰকাৰৰ দৃষ্টিভংগীবোৰ বাস্তৱায়িত কৰাৰ জৰিয়তে পৰীক্ষাত অৱতীৰ্ণ হওঁ আহক।

ভাৰতবৰ্ষত বিত্তীয় সংযোজনৰ বাবে প্ৰথম গাঁথনিগত পদক্ষেপ ২০০৫ চনত গ্ৰহণ কৰা হৈছিল। ইণ্ডিয়ান বেংকৰ অধ্যক্ষ কে চী চক্ৰৱৰ্তীয়ে ইয়াক আৰম্ভ কৰিছিল। মংগলম গাঁৱেই ভাৰতবৰ্ষৰ প্ৰথম গাঁও য'ত সকলো পৰিয়াললৈ বেংকৰ সেৱা আগবঢ়োৱা হৈছে। ভাৰতীয় ৰিজাৰ্ভ বেংকে বহনক্ষম আৰু মাত্ৰাপূৰ্ণ বিত্তীয় সংযোগীকৰণৰ

বাবে নতুন উৎপাদন আগবঢ়োৱা, নিয়ামক নীতি-নিৰ্দেশনা শিথিলকৰণ আৰু অন্যান্য সমৰ্থিত ব্যৱস্থাৰ জৰিয়তে কৌশলপূৰ্ণ ব্যৱস্থাৰ এটা সংযোজিত পদক্ষেপৰ জৰিয়তে ইয়াক গ্ৰহণ কৰিছিল। এই পদক্ষেপবোৰৰ কেতবোৰ হ'ল ঃ

অলংকাৰবিহীন (ন' ফ্ৰিল) একাউণ্টৰ সুবিধাকৰণ আৰু ক্ষুদ্ৰ জমা আৰু ঋণৰ কাৰণে সাধাৰণ ক্ৰেডিট কাৰ্ড (জী চী চী), বছৰি ৫০,০০০ টকাতকৈ কম পৰিমাণৰ ধন জমাৰ সৈতে জড়িত আগ্ৰহী ব্যক্তিৰ বাবে নিয়মাৱলী শিথিলকৰণ। দৰিদ্ৰ আৰু অনুন্নত লোকসকলক সহজে ঋণৰ সুবিধা আহৰণ কৰাৰ উদ্দেশ্যেৰে তেওঁলোককৈ জী চী চী আগবঢ়োৱা হৈছে। কৃষকসকলক জটিলতামুক্ত আৰু সময়োপযোগী ঋণ আগবঢ়োৱাৰ বাবে ২০১৬ৰ ছেপ্টেম্বৰত ৫০ নিযুতত‌কৈও অধিক কিষাণ ক্ৰেডিট কাৰ্ড বেংক ব্যৱস্থাৰ জৰিয়তে আগবঢ়োৱা হৈছে। ২০০৬ চনৰ জানুৱাৰীত ভাৰতীয় ৰিজাৰ্ভ বেংকে বাণিজ্যিক বেংকসমূহক বেচ-চৰকাৰী সংস্থাবোৰ (এন জী অ'/এছ এইছ জী), ক্ষুদ্ৰ বিত্তীয় প্ৰতিষ্ঠানবোৰ আৰু অন্যান্য সামাজিক সংস্থাবোৰক বিত্তীয় আৰু বিত্তীয় সেৱা আগবঢ়োৱাৰ বাবে সংযোগ স্থাপনকাৰী হিচাপে সেৱা আগবঢ়াবলৈ অনুমতি প্ৰদান কৰে। এই সংযোগ স্থাপনকাৰী কামবোৰৰ ভিতৰত বাণিজ্যিক বেংকবোৰৰ হৈ বাণিজ্যিক সুবিধা প্ৰদানকাৰী বা বাণিজ্যিক প্ৰতিনিধি হিচাপে কাৰ্য কৰিব। আৰ বী আয়ে লগতে বাণিজ্যিক বেংকবোৰক বিভিন্ন অঞ্চলত ১০০ শতাংশ বিত্তীয় সংযোগীকৰণ অভিযান আৰম্ভ কৰিবলৈ নিৰ্দেশ দিয়ে, যাৰ ফলত পুডুচেৰীৰ দৰে কেন্দ্ৰীয়শাসিত অঞ্চল আৰু হিমাচল প্ৰদেশ, কেৰালাৰ দৰে ৰাজ্যই ইয়াৰ সকলোবোৰ জিলাক ১০০ শতাংশ বিত্তীয় সংযোজন হিচাপে ঘোষণা কৰে। ২০২০ৰ কাৰণে আৰ বী আইৰ লক্ষ্য হ'ল তথ্য প্ৰযুক্তি সংযোগৰ জৰিয়তে বিভিন্ন মাধ্যমেৰে প্ৰায় ৬০০ নিযুত নতুন গ্ৰাহক একাউণ্ট খোলা আৰু তেওঁলোককৈ সেৱা আগবঢ়োৱা। সি যি কি নহওক, নিৰক্ষৰতা আৰু নিম্ন আয় সঞ্চয় আৰু গ্ৰামাঞ্চলত বেংকৰ শাখা নথকাৰ বাবে বিভিন্ন ৰাজ্যত বিত্তীয় সংযোগৰ ধাৰাবাহিকতা ৰক্ষাৰ পথত হেঙাৰ ৰূপে থিয় দিছে আৰু তেনে ক্ষেত্ৰত পৰ্যাপ্ত পৰিমাণৰ আইনী আৰু বিত্তীয় গাঁথনি নথকাটোও এটা মন কৰিবলগীয়া বিষয়।

সম্প্ৰতি এই বিষয়বোৰ এটাৰ পাছত এটাকৈ মীমাংসা কৰাৰ চেষ্টা কৰোঁ আহক ঃ

১। দৰিদ্ৰ গাঁওবাসীৰ ওচৰত উপস্থিত হোৱাৰ বাবে বী চী আৰ্হিৰ কাৰ্যকৰী পদক্ষেপৰ বাবে নিম্নোক্ত ব্যৱস্থাবোৰ গ্ৰহণ কৰা প্ৰয়োজন ঃ

★ নিম্ন আয়ৰ গ্ৰাহকসকললৈ নিম্ন পৰিমাণৰ লেনদেনৰ জৰিয়তে সেৱা আগবঢ়োৱাৰ বাবে বী চীবোৰে পৰ্যাপ্ত উপাৰ্জন কৰিব নোৱাৰে। বী চীবোৰ পৰ্যাপ্ত ব্যৱহাৰযোগ্য কৰা বাবে সেইবোৰক বেংকৰ জৰিয়তে প্ৰয়োজনীয় সাহায্য আগবঢ়োৱা যাতে সেইবোৰে গাঁওবাসীৰ দুৱাৰ-ডলিত বেংক সেৱা আগবঢ়াব পাৰে।

★ বী চী পৰিচালনাৰ প্ৰয়োজনীয় নিৰীক্ষণ আৰু নগদ ধন পৰিচালনা মীমাংসা কৰাৰ বাবে গ্ৰাহক আপত্তি আদিৰ দৰে বিষয়বোৰ সমাধান কৰিবলৈ বেংকবোৰে গ্ৰহণযোগ্য দূৰত্বত ক্ষুদ্ৰ গাঁথনিৰ আৰু মৰ্টাৰ শাখা মুকলি কৰা উচিত।

★ পৰৱৰ্তীভাৱে বেংকে বী চীবোৰৰ কাৰ্যকৰী পৰিচালনাৰ বাবে উপযুক্ত প্ৰশিক্ষণ আৰু দক্ষতা বিকাশ কাৰ্যসূচী গ্ৰহণ কৰা প্ৰয়োজন।

২। গ্ৰাম্য দৰিদ্ৰ জনসাধাৰণৰ প্ৰয়োজনীয়তাখিনি পূৰণ কৰাৰ বাবে বহনক্ষম হাৰত গ্ৰহণযোগ্য উদ্ভাৱনীমূলক আৰ্হি তৈয়াৰ কৰাটো সৰ্বোচ্চ বিষয়।

★ ধন ধাৰে দিওঁতাৰপৰা গাঁওবাসীক নিলগাই ৰাখিবৰ বাবে বেংকে ঋণ মুকলি কৰা ব্যৱস্থাবোৰ সৰল আৰু সেই প্ৰক্ৰিয়াবোৰ শিথিল কৰা প্ৰয়োজন।

৩। আই চী টী যুক্ত পৰিৱেশত, লক্ষ্য প্ৰাপ্তিত শীঘ্ৰে উপনীত হোৱাৰ বাবে প্ৰযুক্তিয়ে মুখ্য কাৰক।

★ গাঁওবাসীলৈ সেৱা আগবঢ়োৱাৰ বাবে বেংকে তেওঁলোকৰ এ টী এম নেটৱৰ্ক গ্ৰাম্য আৰু বেংকহীন অঞ্চলত স্থাপন কৰা প্ৰয়োজন। ইয়াৰ লগতে যথোপযুক্ত নিৰাপত্তামূলক ব্যৱস্থাৰ লগতে বিত্তীয় শিক্ষা অভিযানো গ্ৰহণ কৰা প্ৰয়োজন।

★ সম্পূৰ্ণ লেনদেন ব্যয় হ্ৰাস কৰাৰ বাবে গ্ৰামাঞ্চলত ক্ষুদ্ৰ টিকটৰ সৈতে সমন্বয় সাধনৰ প্ৰয়োজনাৰ্থে ঘৰুৱা ৰূপে কাৰ্ডৰ প্ৰচলন ঘটাব পাৰে।

★ যদিও দেশৰ সৰ্বোচ্চ কৃষি আৰু গ্ৰামোন্নয়ন বেংক নাবাৰ্ডে ইতিমধ্যে কে চী চীক ইলেক্ট্ৰনিক ক্ৰেডিট কাৰ্ড আৰু ৰূপে কে চী চীলৈ পৰিৱৰ্তন কৰাৰ বাবে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে পৰৱৰ্তীভাৱে বেংকে বহুমুখী কাৰ্ডৰ প্ৰচলন ঘটাব পাৰে যিবোৰে গ্ৰামাঞ্চলৰ প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি

ডেবিট কাৰ্ড, কে চী চী আৰু জী চী চীৰ দৰে কাৰ্য কৰিব পাৰে।

★ ২০১৭ৰ মাৰ্চত গ্ৰাম্য ভাৰতবৰ্ষত ৫০৬ নিযুত ম'বাইল গ্ৰাহক আছে। তেনে পৰিপ্ৰেক্ষিতত এই গ্ৰাহক-সকললৈ এছ এম এছ বাৰ্তা প্ৰেৰণৰ জৰিয়তে বিত্তীয় লেনদেনৰ বাবে এটা এপৰ প্ৰচলন কৰিব পাৰে যি সকলো ধৰণৰ হেণ্ডছেটৰ সৈতে চালিত হ'ব।

★ নাবাৰ্ডৰ শেহতীয়া জাননীৰ নীতি-নিয়মবোৰ অনুসৰণ কৰি বেংকবোৰে পী এ চীবোৰ ব্যৱহাৰ কৰিব পাৰে— যিবোৰ ব্যৱসায়িক প্ৰতিনিধি হিচাপে সমবায়ৰ বৃহত্তৰ গ্ৰাম্য নেটৱৰ্ক।

★ যিহেতু প্ৰব্ৰজনকাৰী জনসাধাৰণৰ বাবে ধন প্ৰেৰণৰ সা-সুবিধাবোৰ সৰ্বাধিক গুৰুত্বপূৰ্ণ, সেয়ে প্ৰব্ৰজন-কাৰীসকলৰ বাবে সহজ আৰু কম খৰচী ধন প্ৰেৰণ ব্যৱস্থা আগবঢ়োৱাটো সৰ্বাধিক গুৰুত্বপূৰ্ণ।

★ গ্ৰাম্য দৰিদ্ৰ জনসাধাৰণৰ সৈতে লেনদেন কৰাৰ বাবে বেংকবোৰে তেওঁলোকৰ কৰ্মচাৰীৰ লগতে বী চীবোৰক সাজুকৰণৰ প্ৰশিক্ষণ দিয়াটো বেংকবোৰৰ বাবে মানৱীয়তাৰ দিশ।

★ অৰ্থপূৰ্ণ বিত্তীয় সংযোজনৰ লক্ষ্য প্ৰাপ্তিৰ বাবে বেংকে ঋণ অনুমোদনৰ ক্ষেত্ৰত ক্ষুদ্ৰ কৃষককো বৃহৎ কৃষকৰ সৈতে তুলনা কৰাত অগ্ৰাধিকাৰ দিয়াৰ প্ৰয়োজন।

★ বেংকে তেওঁলোকৰ চী বী এছ মঞ্চ মানসম্পন্ন কৰাত নিশ্চিত হোৱা প্ৰয়োজন।

★ গ্ৰাম্য বেংকিং ব্যৱস্থাৰ সুচল উত্তৰণৰ বাবে ইলেক্ট্ৰনিক বেনিফিট ট্ৰেন্সফাৰ ব্যৱস্থাক কাৰ্যকৰীভাৱে উত্তৰণ ঘটোৱাৰ প্ৰয়োজন।

★ সংস্থাপন আৰু অন্যান্য সা-সুবিধাবোৰ উৎসাহীকৰণৰদ্বাৰা গ্ৰামাঞ্চলত ঋণ শোষণ সক্ষমতা বৃদ্ধিৰ বাবে চৰকাৰ/বেংকবোৰে পদক্ষেপ গ্ৰহণ কৰা প্ৰয়োজন।

★ শেহতীয়া তথ্যই দেখুৱায় যে গ্ৰামাঞ্চলত বেংকৰ শাখাবোৰৰ সংখ্যা ২০১০ চনৰ মাৰ্চত ৩৩,৩৭৮ৰ পৰা বৃদ্ধি হৈ ২০১৬ চনৰ মাৰ্চত ৫১,৮৩০টা হৈছেগৈ, তথা গ্ৰামাঞ্চলত শাখাবিহীন বেংকিং আউটলেটৰ সংখ্যা ২০১০ চনৰ মাৰ্চত ৩৪,৩১৬ৰ পৰা ২০১৬ৰ মাৰ্চত ৫৩৪,৪৭৭টালৈ বৃদ্ধি হৈছে। এই তথ্যই শাখাবিহীন বেংকিঙৰ জৰিয়তে বেংক সেৱা উত্তৰণৰ এটা উৎসাহপূৰ্ণ অৱস্থা দেখুৱায়। তৎসত্ত্বেও ২০১৭ চনৰ মাৰ্চ মাহৰ তথ্য অনুসৰি ব্যক্তিগত খণ্ডৰ বেংকবোৰৰ মুঠ সংখ্যাৰ মাত্ৰ ২০ শতাংশহে গ্ৰামাঞ্চলত আছে, সেয়ে ব্যক্তিগত খণ্ডৰ বেংকবোৰে সৰ্বাধিক গ্ৰাম্য শাখা স্থাপনৰ প্ৰতি বিশেষ মনোযোগ আৰোপ কৰা প্ৰয়োজন।

★ তথ্য অনুসৰি, ৬ লাখ গ্ৰাম্য ভাৰতীয়ৰ ভিতৰত ১৮০০০ৰৰে বিদ্যুৎ সংযোগ নাই, সেয়ে কায়িক আৰু ডিজিটেল সংযোগ ব্যৱস্থাৰ আন্তঃগাঁথনিৰ উন্নয়নৰ বাবে, বিৰতিহীন শক্তি যোগান আদিৰ বাবে চৰকাৰে যুদ্ধকালিন তৎপৰতা গ্ৰহণ কৰা প্ৰয়োজন।

★ বেংকৰ সকলো নথি-পত্ৰ আঞ্চলিক ভাষাত অন্ততঃ মূল ভাষাবোৰত কৰাটো সৰ্বোচ্চ দায়িত্ব। বিত্তীয় শিক্ষা প্ৰদানৰ অংশ হিচাপে বেংকে সাধাৰণ লোকৰ মাজত তেওঁলোকৰ ইংৰাজী আতংক নাশ কৰাৰ বাবে ইতিবাচক পদক্ষেপ গ্ৰহণ কৰা প্ৰয়োজন।

★ ভাৰতবৰ্ষৰ ডাক সংযোজন বিশ্বৰ ভিতৰতে সৰ্ববৃহৎ। দেশখনত ১,৫৪,৮৮২টাতকৈ অধিক ডাকঘৰ আছে যিবোৰৰ ভিতৰত ১,৩৯,১৮২ (৮৯.৮৬%)টা গ্ৰামাঞ্চলত। এই দিশটোৰ প্ৰতি চকু দি ডাকঘৰবোৰে এটা গুৰুত্বপূৰ্ণ দায়িত্ব পালন কৰিব পাৰে। ভাৰত চৰকাৰৰদ্বাৰা ভাৰতীয় ডাক বেংক স্থাপন কৰাটো এই দিশৰ এটা উল্লেখনীয় পদক্ষেপ।

★ যদিও নাবাৰ্ডৰ আত্মসহায়ক গোট— বেংক সংযোজন কাৰ্যসূচী বিশ্বৰ ভিতৰতে সৰ্ববৃহৎ ক্ষুদ্ৰ ঋণ কাৰ্যসূচী, তথাপি মাইক্ৰ'-এণ্টাৰ-প্ৰাইজ সম্পৰ্কীয় বিষয়বোৰত সিহঁতৰ বহনীয়তা আৰু মান প্ৰদান ব্যৱস্থা এতিয়াও মীমাংসা কৰাৰ প্ৰয়োজনীয়তা আছে।

★ বী চীবোৰৰ সেৱা গ্ৰহণকাৰীৰ অধিকাংশই প্ৰযুক্তিৰ শিক্ষাৰহিত আৰু অপৰিচিত হোৱা হেতুকে বী চীবোৰে যাতে তেওঁলোকক বিপথে পৰিচালিত কৰিব নোৱাৰে তাৰ প্ৰতি লক্ষ্য ৰখাটো প্ৰয়োজন।

ওপৰোক্ত বিষয়বোৰ সমাধান কৰাৰ বাবে চৰকাৰ তথা ভাৰতীয় ৰিজাৰ্ভ বেংকে শেহতীয়াভাৱে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে যথা—

১। জন ধন যোজনাৰ অধীনত প্ৰায় ২৬ কোটি একাউণ্ট মুকলি কৰাটো বৃহৎ সাফল্য।

২। ক্ষুদ্ৰ ঋণ প্ৰদানৰ বাবে মাইক্ৰ' ইউনিট ডেভলপমেণ্ট ৰিফাইনেঞ্চ এজেন্সী (মুদ্ৰা) স্থাপন।

৩। অটল পেঞ্চন যোজনা, প্ৰধান মন্ত্ৰী সুৰক্ষা বীমা যোজনা আৰু প্ৰধান মন্ত্ৰী জীৱন জ্যোতি বীমা যোজনা আদি বিভিন্ন সামাজিক খণ্ডৰ আঁচনিবোৰে সামাজিক সুৰক্ষা প্ৰদান কৰে।

৪। বেংকিং প্ৰতিনিধি আৰু ব্যৱসায় সুবিধা প্ৰদানকাৰীসকলৰ জৰিয়তে বেংকিং সেৱা প্ৰদান।

৫। ঋণ আৰু জমা লেনদেনবোৰত ৰেহাইৰ প্ৰস্তাৱ।

৬। আধাৰ সংযোগী মাইক্ৰ' এ টী এম আৰু নগদ লেনদেনৰ ক্ষেত্ৰ ৰূপে কাৰ্ডৰ প্ৰচলন।

৭। ১১টা আদায়কাৰী বেংক আৰু ১০টা ক্ষুদ্ৰ বিত্তীয় বেংকক অনুজ্ঞা পত্ৰ প্ৰদানৰ জৰিয়তে ভিন্নধৰ্মী বেংকক উৎসাহীকৰণ কৰা হৈছে।

সি যি কি নহওক, এই ব্যৱস্থাবোৰে কেতবোৰ প্ৰত্যাহ্বান গ্ৰহণ কৰে ঃ পী এম জে ডী ৱাইত একাউণ্টৰ সামঞ্জস্য ৰক্ষা, পী এম জে ডী ৱাইৰ অধীনত সৃষ্টি কৰা বৃহৎসংখ্যক একাউণ্টত ধন শূন্য আৰু অব্যৱহৃত হিচাপে পৰি আছে— যি বেংকক এই একাউণ্টবোৰ পৰিচালনাৰ ক্ষেত্ৰত ব্যয় বৃদ্ধি কৰায়। দৰিদ্ৰ জনসাধাৰণ উপাৰ্জনৰ এটা নিম্ন স্তৰত বাস কৰে, তেওঁলোকৰ কোনো নিয়মীয়া উপাৰ্জন নাথাকে, বেংকত জমা ৰখাৰ বাবে তেওঁলোকৰ ৰাহি ধন নাথাকে বা আন কোনো বিত্তীয় সুবিধাও নাথাকে সেয়ে বিত্তীয় সংযোগীকৰণৰ কোনো অৰ্থও নাথাকে।

**প্ৰযুক্তি সংযোজিত সেৱা যথা জন ধন, আধাৰ আৰু ম'বাইল (জাম) সংযোগীকৰণ গ্ৰহণ কৰিবলৈ অতি মন্থৰ**

★ ধন আদায়কাৰী বেংকবোৰৰ সুবিধাবোৰ বিশাল, কিন্তু সেইবোৰৰ ব্যৱহাৰকাৰীৰ বিষয়বোৰ জটিল, ইণ্টাৰনেট সুবিধা গ্ৰহণত অসুবিধা, আপত্তি মীমাংসা কৰা ব্যৱস্থা নথকা আদিয়ে ব্যৱহাৰকাৰীক অসুবিধাত পেলাই সংখ্যা হ্ৰাস কৰে। পৰৱৰ্তীভাৱে আৰ বী আয়ে নতুন আদায়কাৰী বেংকৰ প্ৰতি ইয়াৰ দায়বদ্ধতা বৃদ্ধিৰ ঊৰ্দ্ধত অধিক দায়বদ্ধতা বৃদ্ধিৰ প্ৰয়োজন।

★ প্ৰত্যক্ষ লাভ হস্তান্তৰ ব্যৱস্থা প্ৰাক্তন মধ্যভোগীৰ সৈতে বেংক কৰ্মচাৰীৰ সহযোগিতা বিলম্ব/নাকচ কৰে।

★ আদায়কাৰী বেংকবোৰৰ প্ৰসাৰতাই নিয়মীয়া বেংকবোৰৰ মাচুল উপাৰ্জন যথা গ্ৰাহকৰপৰা লাভ কৰা ডিমাণ্ড ড্ৰাফ্‌ট, নগদ বিনিময়, পৰিশোধ, চেকৰ জৰিয়তে নগদ উলিওৱা আৰু এ টী এম লেনদেন মাচুল আদিৰ ক্ষেত্ৰত অৱহেলা কৰিব পাৰে।

★ পী এম জে জে বী ৱাই, পী এম এছ বী ৱাই, এ পী ৱাই আদি আঁচনিবোৰ বৃহৎভাৱে বেংক ব্যৱস্থা দৰিদ্ৰৰ কাষ চপাৰ ওপৰত নিৰ্ভৰ কৰে আৰু যেতিয়া জনসংখ্যাৰ বৃহৎ অংশৰ পেঞ্চন বা বীমা উৎপাদকৰ প্ৰতি সজাগতা নাথাকে তেতিয়া এটা জটিল পৰিস্থিতিৰ সন্মুখীন হয়।

★ বহু ক্ষেত্ৰত ব্যৱসায়িক প্ৰতিনিধি-সকল ধন আত্মসাৎ কৰাৰ অভিযোগত অভিযুক্ত।

★ বেংকিং প্ৰযুক্তি সম্পৰ্কীয় প্ৰৱঞ্চনা ভয়াৱহ হাৰত বৃদ্ধি পাইছে।

★ গ্ৰাম্য আৰু প্ৰত্যন্ত অঞ্চলবোৰত ম'বাইল সংযোগ বৰ্তমানো এটা শোচনীয় অৱস্থাত আছে।

★ অগ্ৰাধিকাৰ খণ্ডত ঋণ দানৰ লক্ষ্য ফলপ্ৰসূ নহ'বও পাৰে, কাৰণ বহুতো বেংকে দৰিদ্ৰক ঋণ প্ৰদানত আগ্ৰহহীনতা দেখুৱায়। সেয়ে যিসকলে ঋণ লাভৰ বাবে ভুৱা নথি দাখিল কৰে তেওঁলোকে ঋণ লাভ নকৰে। উদাহৰণ স্বৰূপে, কৃষকৰ বাবে ঋণ কম হাৰত সুলভ। কিন্তু যিসকল ব্যক্তিৰ কৃষি নাই তেওঁলোকেও বেংকৰ সৈতে যোগাযোগৰ ভিত্তিত ঋণ লাভ কৰে। সেয়ে অগ্ৰাধিকাৰ খণ্ডৰ ঋণ প্ৰকৃত গৰাকীৰপৰা আনৰ হাতলৈ যায়। চৰকাৰে এই দিশবোৰ চোৱা-চিতা কৰা প্ৰয়োজন আৰু ঋণ যাতে প্ৰকৃত আবেদনকাৰীয়ে লাভ কৰে তাক চোৱা প্ৰয়োজন আৰু ভুৱা আবেদনকাৰী আৰু ইয়াক সমৰ্থন কৰা বেংক বিষয়াসকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা প্ৰয়োজন।

সামৰণিত ৰিজাৰ্ভ বেংকে নিয়ামক পৰিৱেশ সৃষ্টিৰ ক্ষেত্ৰত সদায় প্ৰতিশ্ৰুতিবদ্ধ হৈ থাকিব বুলি আশা কৰোঁ, যাৰ জৰিয়তে বিত্তীয় স্থিৰতাৰ কোনো বিঘিনি নঘটাকৈ বিত্তীয় সেৱা দৰিদ্ৰৰ মাজত কোনো জটিলতা নোহোৱাকৈ উপনীত হ'ব। একে সময়তে বেংকবোৰক তেওঁলোকৰ সামগ্ৰিক ব্যৱসায়িক দৰ্শনৰ অংশ হিচাপে তেওঁলোকৰ নিজৰ বিত্তীয় সংযোজনৰ সিদ্ধান্ত ল'বলৈ বিশেষকৈ প্ৰাক্তন ক্ষুদ্ৰ বিত্তীয় সেৱা প্ৰদানকাৰী ৰূপত থাকিবলৈ উঠি অহা বেংকবোৰক দিয়া প্ৰয়োজন। সেইদৰে ক্ষুদ্ৰ আৰু আদায়কাৰী বেংকত অনুজ্ঞা পত্ৰ প্ৰদান কৰি বিদেশী বেংকৰ অগ্ৰাধিকাৰ খণ্ডত আগবঢ়াৰ দৰে যোৱা উচিত। এইদৰেই গ্ৰাম্য বিত্তীয় ব্যৱস্থাৰ আকাৰ আৰু প্ৰয়োজনীয়তা বৃদ্ধি পাব, গ্ৰাম্য বিত্তীয় ব্যৱস্থালৈ অহা ধাৰাবাহিক আৰু নৱ

**(৫৬ পৃষ্ঠাত চাওক)**

# ভাৰতবৰ্ষৰ আকালন ক্ৰমৰ সুযোগ্য উত্থান

**প্ৰভাকৰ চাহু***
**ভৰেশ গাৰ্গ***

১। আৰম্ভণি

এই বছৰৰ আৰম্ভণিত অৰ্থনৈতিক সমীক্ষা ২০১৬-১৭ই আঙুলিয়াই দিছে যে আন্তঃৰাষ্ট্ৰীয় আকলন ক্ৰম সংস্থা (চি আৰ এ) ৰদ্বাৰা ভাৰতীয় অৰ্থনীতিক পক্ষপাতিত্বমূলক প্ৰদৰ্শন কৰা হৈছে। এই বিতৰ্কৰ পশ্চাদপটত ভাৰতবৰ্ষৰ আকলন ক্ৰমৰ উত্থান হৈছে নে নাই সেই বিষয়টো আছিল, চূড়ান্তভাৱে মোডীয়ে ভাৰতৰ ক্ৰম বি এ এ ৩ ৰ পৰা বি এ এ ২ লৈ উত্থান ঘটাইছিল আৰু দৃষ্টি ইতিবাচকৰ পৰা স্থিৰতালৈ। এই উত্থান ১৩ বছৰতকৈও অধিক দিনৰ ব্যৱধানত আহিছে। এই উত্থানৰ বাবে মোডীয়ে কেবাটাও কাৰণ দৰ্শাইছে যথা সামগ্ৰী আৰু সেৱা কৰ (জী এছ টী) ৰ প্ৰচলনৰ জৰিয়তে কৰ ব্যৱস্থাৰ পৰিৰৰ্তন, দেউলীয়াজনিত গোচৰ মীমাংসাৰ বাবে ইন্‌ছল্‌ভেন্সী এণ্ড বেংকৰাপ্টচী কোড, ন্যূনতম নগদ ধন অৰ্থনীতিৰ বাবে ভাৰতবৰ্ষই লোৱা দৃঢ় পদক্ষেপৰ কাৰণে আনুষ্ঠানিক সংস্কাৰ, বিভিন্ন ক্ষেত্ৰত প্ৰত্যক্ষ বিদেশী বিনিয়োগ ইকুইটিৰ সীমা বৃদ্ধি, ভাৰতবৰ্ষৰ পথ আৰু বন্দৰ সংযোগৰ বাবে নতুন প্ৰকল্প ঘোষণাকে ধৰি আন্তঃগাঁথনি উন্নয়নত গুৰুত্ব আৰু বিত্তীয় সৰলীকৰণৰ পথ অনুসৰণ কৰা। বিশ্ব বেংকৰদ্বাৰা চিহ্নিত ব্যৱসায়কৰণৰ সূচক এবছৰতে ৩০টা স্থান অতিক্ৰম কৰি ১০০ সংখ্যক স্থানত উপনীত হোৱাৰ পাছত ই ভাৰতীয় অৰ্থনীতিৰ বাবে দ্বিতীয় ইতিবাচক সংবাদ। সমসাময়িক ভাৱে বিগত কিছু বছৰত সামগ্ৰিকভাৱে অৰ্থনীতিৰ স্বাস্থ্য মন কৰিবলগীয়াকৈ উন্নতি সাধন হোৱাৰ পাছতো আন এক সংস্থা ষ্টেণ্ডাৰ্ড এণ্ড পূৰৰ্ (এছ এণ্ড পি) এ আকলন ক্ৰমৰ উন্নতি দেখুওৱা নাই। প্ৰকৃতাৰ্থত এছ এণ্ড পিয়ে ২০০7 চনৰ পৰা ভাৰতৰ ক্ৰমৰ ধাৰাবাহিক স্থিৰতা দেখুৱাইছে।

**আকলন ক্ৰমৰ গুৰুত্ব আৰু উন্নতিৰ লাভ**

চী আৰ এ-এ বিনিয়োগৰ নিৰিখ ধাৰ্য কৰাৰ বাবে ঋণী দেশৰ বৃহৎ বিত্তীয়, বৃহৎ অৰ্থনীতি আৰু স্থিৰতাৰ মাপ লক্ষ্য কৰে আৰু ইয়াৰ ঋণ প্ৰদানৰ ক্ষেত্ৰত উপযুক্ততা আৰু আগ্ৰহৰ বাবে ইয়াৰ অৰ্থনৈতিক দৃষ্টিকোণৰ প্ৰতি গুৰুত্ব আৰোপ কৰে। তিনিটা আন্তঃৰাষ্ট্ৰীয় চি আৰ এ-এ বিশ্ববজাৰৰ অধিকাংশ নিয়মক কৰে—ষ্টেণ্ডাৰ্ড এণ্ড পূৰৰ্ছ (এছ এণ্ড পী), মোডীজ আৰু ফিটছ-এ নিশ্চিত কৰে যে আকলন মাত্ৰাই আকলন মানৰ নিশ্চিতি প্ৰদান কৰাৰ প্ৰতি আগ্ৰহী নহয়, ভৱিষ্যৎ সঠিকভাৱে আগজাননী নিদিয়ে আৰু মাত্ৰাক মাত্ৰ এটা বজাৰ সংকেত হিচাপে বিবেচনা কৰা হয়। লগতে বিভিন্ন চী আৰ এ-এ আকলন মাত্ৰাৰ সিদ্ধান্ত গ্ৰহণৰ পূৰ্বে একে বিষয়ৰ মাপ নকৰে। নিৰ্দিষ্টভাৱে এছ এণ্ড পী ঋণীসকলৰ ঋণগ্ৰহণীয়তাৰ ক্ষেত্ৰত অতি আমোদজনক বিষয় যথা আনাদায়ৰ সম্ভাৱনা। আনহাতে মোডীয়ে আশা কৰিব পৰা লোকচান পৰীক্ষা কৰে যি অনাদায়ৰ ক্ষেত্ৰত বৃহৎ পৰিমাণৰ সম্ভাৱনীয়তাৰ অংশ। যদিও বিত্তীয় সংকটৰ পৰৱৰ্তী সময়ত মাত্ৰা নিৰূপক সংস্থাবোৰৰ বিশ্বাসযোগ্যতা প্ৰশমণ হৈছিল য'ত এ এ এ মানক বিনিয়োগ অনাদায় হৈছিল, তেনে ক্ষেত্ৰত সেইবোৰৰ গুৰুত্ব নাশ হৈছিল। আকলন মানে কোনো নিয়ম ভিত্তিক পদ্ধতি ব্যৱহাৰ নকৰে আৰু বিষয়নিষ্ঠ কিন্তু এইবোৰে ঋণৰ ব্যয়ৰ ক্ষেত্ৰত প্ৰভাৱ পেলায় আৰু আন্তঃৰাষ্ট্ৰীয় মূলধনী বজাৰত প্ৰৱেশ কৰায় আৰু গতিকে ই গুৰুত্বপূৰ্ণ হৈ থাকে আৰু দেশবোৰ এই মান নিৰূপণৰ প্ৰতি নিৰ্ভৰশীল হৈ থাকে (কেৰৰেৰ ২০১৫)

আন্তঃৰাষ্ট্ৰীয় বিত্তীয় বজাৰত মূলধন বৃদ্ধি আৰু বিদেশী বিনিয়োগ আকৰ্ষণৰ বাবে চৰকাৰ আৰু কোম্পানীবোৰে ভাৰতৰ দৰে উত্থিত বজাৰ অৰ্থনীতি (ই এম ই)-এ আন্তঃৰাষ্ট্ৰীয় চী আৰ এৰ যাত্ৰাৰ ওপৰত নিৰ্ভৰশীল। সেয়ে, এই আকলন যাত্ৰাই বিনিয়োগ অনাত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে আৰু তাৰ জৰিয়তে দেশৰ অৰ্থনীতিৰ শ্ৰীবৃদ্ধি ঘটে।

*লিখক প্ৰভাকৰ চাহু দিল্লীস্থিত ইন্সিটিউট অব্ ইক'ন'মিক গ্ৰূপৰ সহযোগী অধ্যাপক, ভৰেশ গাৰ্গ হাইদৰাবাদৰ ইণ্ডিয়ান ইন্সিটিউট অব্ টেকন'লজি (আই আই টি)ৰ গৱেষক।

বিনিয়োগৰ নিৰিখৰ বাবে চী আৰ এ-এ মুঠ আৰু বাহ্যিক ঋণ আৰু মুঠ ঘৰুৱা উপাৰ্জন উৎপাদন অৰ্থাৎ জী ডী পী উন্নয়ন, জনমূৰি মুঠ ঘৰুৱা উৎপাদন, মূলধন আৰু প্ৰত্যক্ষ বিদেশী বিনিয়োগ আগমন, বিত্তীয় আৰু চলিত একাউণ্ট ঘাটি আৰু এক অৰ্থনীতিৰ অনাদায় ইতিহাসক পৰিমাপক হিচাপে গ্ৰহণ কৰে।

মোডীজৰদ্বাৰা মাপ উন্নতিকৰণে ভাৰতবৰ্ষক বিভিন্ন পথেৰে লাভবান কৰে। ভাৰতবৰ্ষ এক মূলধন নাটনি অৰ্থনীতি আৰু মাপৰ এক উন্নয়ন ঘটায়, সেয়ে বিদেশৰ পৰা মূলধন আকৰ্ষণ কৰিবলৈ সুবিধা যি পৰৱৰ্তীভাৱে অৰ্থনৈতিক উন্নয়নত ইন্ধন যোগোৱাত এক অৰিহণা যোগায়। দ্বিতীয়তে, বৰ্তমান বিনিয়োগ এক নিম্ন ক্ৰয় মূল্যত উপনীত হৈছে যাৰ ফলত ঋণৰ প্ৰিমিয়াম প্ৰত্যাহ্বান হ্ৰাস পাইছে। তৃতীয়তে, বাহ্যিক ঘাটি বৰ্তমান সহজে নিধি যোগানৰদ্বাৰা পূৰাব পাৰি আৰু বিনিয়োগত ঢৌ সৃষ্টিয়ে সামগ্ৰিকভাৱে অৰ্থনীতিৰ ষ্টক মাৰ্কেট সাফল্যৰ উন্নতি সাধন কৰে।

**২। ভাৰতীয় অৰ্থনীতিৰ কৃতিত্ব**

ভাৰতীয় অৰ্থনীতিয়ে বিগত শতিকাত তুলনামূলকভাৱে ভাল ফল প্ৰদৰ্শন কৰিছে। এই অৰ্থনীতিৰ, গড় হিচাপত বিগত দহ বছৰত ৭.৬৮ শতাংশ বৃদ্ধি ঘটিছে। প্ৰকৃতাৰ্থত ভাৰতবৰ্ষৰ উত্থিত অৰ্থনীতি দ্ৰুতভাৱে বিকশিত আৰু ২০১৭-১৮ বিত্তীয় বৰ্ষত ৭.২ শতাংশ বৃদ্ধিৰ প্ৰক্ষেপ কৰিছে আৰু এই উন্নয়নৰ মূল কাৰণ হ'ল ৰপ্তানিৰ শিতানৰ বৃদ্ধি আৰু চৰকাৰৰ ব্যয়। ভাৰতবৰ্ষ অন্যান্য উত্থিত আৰু উন্নয়নমূলক অৰ্থনীতিক পিছ পেলাই গৈছে যি মাত্ৰ ৪.১ শতাংশ বৃদ্ধিৰ আশা কৰে (বিশ্ব বেংক, ২০১৭)

**তালিকা ১ ঃ ভাৰতীয় অৰ্থনীতিৰ ক্ষুদ্ৰ আৰ্থিক অৱস্থা**

| বছৰ | চলিত একাউণ্ট ঘাটি (মুঠ ঘৰুৱা উৎপাদন | বিত্তীয় ঘাটি (মুঠ ঘৰুৱা উৎপাদন শতাংশত) | এফ ডি আই সোঁত (বিলিন মাৰ্কিন ডলাৰত) | মুঠ ঋণ (মুঠ ঘৰুৱা উৎপাদন শতাংশত) |
|---|---|---|---|---|
| ২০০৭ | ১.০ | ৫.১ | ২২.৮২৬ | ৭৪.০২৭ |
| ২০০৮ | ১.৩ | ৪.০ | ৩৪.৮৪৪ | ৭৪.৫৩৬ |
| ২০০৯ | ২.৩ | ৮.৩ | ৪১.৯০৩ | ৭২.৫২৭ |
| ২০১০ | ২.৮ | ৯.৩ | ৩৭.৭৪৫ | ৬৭.৪৫৮ |
| ২০১১ | ২.৮ | ৬.৯ | ৩৬.০৪৭ | ৬৯.৬৪৩ |
| ২০১২ | ৪.২ | ৭.৮ | ৪৬.৫৫১ | ৬৯.১০৫ |
| ২০১৩ | ৪.৮ | ৬.৯ | ৩৪.২৯৮ | ৬৮.৫২৯ |
| ২০১৪ | ১.৭ | ৬.৭ | ৩৬.০৪৭ | ৬৮.৫৭৬ |
| ২০১৫ | ১.৩ | ৬.৭ | ৪৫.১৪৭ | ৬৯.৫৫১ |
| ২০১৬ | ১.১ | ৭.৫ | ৫৫.৫৫৮ | ৬৯.৫৩৭ |

উৎস ঃ আৰ বি আই আৰু আই এফ এফ — আই এফ এছ

তালিকা ১-এ ভাৰতীয় অৰ্থনীতিৰ গুৰুত্বপূৰ্ণ ক্ষুদ্ৰ আৰ্থিক সংকেতবোৰ প্ৰদৰ্শন কৰে। নিৰীক্ষণ কৰিব পাৰি যে চলিত একাউণ্ট স্থিতিয়ে বিশ্বজনীন বিত্তীয় সংকটৰ অন্তৰ পাছত তাৎপৰ্যভাৱে উন্নতি সাধন কৰিছে। চলিত বিত্তীয় ঘাটি আনকি অনাকাংক্ষিত স্তৰত ২০১৩ চনত মুঠ ঘৰুৱা উৎপাদনৰ ৪.৮% ৰ অভূতপূৰ্ব হাৰত উপনীত হোৱাৰ লগতে মুঠ ঘৰুৱা উৎপাদনৰ ৭% উচ্চ বিত্তীয় ঘাটি হৈছিল যি অস্থিৰতাৰ সংকট বৃদ্ধি কৰিছিল। ২০১৪ চনৰ ছেপ্টেম্বৰত প্ৰধান মন্ত্ৰীৰ নেতৃত্বত ভাৰত চৰকাৰে প্ৰৱৰ্তন কৰা ধ্বজাবাহী আঁচনি খণ্ডৰ কৰ্মসংস্থাপন সৃষ্টি আৰু উচ্চ হাৰৰ উন্নয়ন দেখুৱায়, ভাৰতীয় অৰ্থনীতিয়ে ঘাটিৰ উচ্চ পৰ্যায় পূৰণ কৰে আৰু সুস্থিৰ মূলধন সোঁতৰ জৰিয়তে নিধি যোগান ধৰে। প্ৰত্যক্ষ বৈদেশিক বিনিয়োগ সোঁতৰ ধাৰা যি মূলধনী সোঁতৰ অতি গুৰুত্বপূৰ্ণ সুস্থিৰ ৰূপ আৰু ২০০৭ ৰ ২২.৮২৬ বিলিয়ন মাৰ্কিন ডলাৰৰপৰা দুগুণ হাৰত ২০১৬ত ৫৫.৫৫৮ বিলিয়ন মাৰ্কিন ডলাৰৰ বৃদ্ধিত তাৎক্ষণিকভাৱে 'ৰুদ্ধ' ব্যৱস্থা গ্ৰহণ কৰে। 'মেইক্ ইন ইণ্ডিয়া' কাৰ্যসূচীয়ে ২০২০ৰ ভিতৰত ভাৰতৰ মুঠ ঘৰুৱা উৎপাদনত নিৰ্মাণখণ্ডৰ অংশ ২৫% লৈ বৃদ্ধিৰ লক্ষ্য আগত ৰাখি ২৫টা সম্ভাৱনাপূৰ্ণ খণ্ডত ১০০ নিযুত কৰ্ম সংস্থান সৃষ্টিৰ লক্ষ্য বান্ধি লৈছে। এই কাৰ্যসূচী গ্ৰহণ কৰাৰপৰা ভাৰত চৰকাৰে আন্তঃগাঁথনি উন্নয়ন, পৰিবেশিক অনুমোদন আৰু মুক্তকৰণ, সৰলীকৰণ, ব্যৱসায়ৰ স্বাচ্ছন্দতাপূৰ্ণকৰণ, বুদ্ধিমত্তা সম্পদ অধিকাৰ সুৰক্ষিতকৰণ ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগক উৎসাহ যোগোৱা, কৰ ব্যৱস্থা সৰলীকৰণ, শ্ৰম আইন সংশোধন, প্ৰত্যক্ষ বৈদেশিক বিনিয়োগ চৰ্ত সৰলীকৰণ আৰু দক্ষতাপূৰ্ণ বাণিজ্যিক নীতি সংস্কাৰৰ জৰিয়তে মুক্ত অৰ্থনীতিৰ উৎসাহীকৰণৰ ব্যৱস্থা কৰিছে। ভাৰত চৰকাৰৰ আৰ্থিক নীতিবোৰ বিগত কেইবছৰমানত

সংগতিপূৰ্ণ আৰু প্ৰগতিশীল হৈছে আৰু বাণিজ্যিক পৰিবেশ সক্ষম আৰু সুস্থিৰ হৈছে। মূলধনী সোঁত বৃদ্ধিয়ে দেখুৱাইছে যে বিনিয়োগ অতি নিশ্চিত হৈছে আৰু এফ ডী আই সোঁত বোৱাই উন্নতি আৰু কৰ্মসংস্থান সৃষ্টিত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। তদুপৰি বিগত কেইবছৰত এক ইতিবাচক প্ৰভাৱ পৰিছে। বিত্তীয় অৱস্থিতি সামান্যভাৱে অৱনতি ঘটিছে কিন্তু বিত্তীয় সন্তুলনৰ ক্ষেত্ৰত বিত্তীয় ভাৰসাম্যৰ উন্নয়নৰ বাবে বহুতো ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

মুঠ ঋণ জী ডী পী অনুপাত এখন দেশৰ মান নিৰূপণৰ বাবে জটিল কাৰক। ২০০৩ চনত ই ৮৪.২ শতাংশ স্থানত উপনীত হৈছে আৰু প্ৰতিবছৰে ক্ৰমাগতভাৱে উন্নতি ঘটিছে আৰু ২০১৬ চনত ৬৯.৫ শতাংশত উপনীত হৈছে। ভাৰতবৰ্ষৰ মুঠ ঋণৰ মাত্ৰ ৪২ শতাংশ ৰাজহুৱা ঋণ আৰু তাৰে অধিকাংশই আভ্যন্তৰীণ। ২০০৭ ত যেতিয়া এছ এণ্ড পিয়ে ভাৰতবৰ্ষৰ মানৰ উন্নতি ঘটাইছিল মুঠ ঋণৰ ঘৰুৱা উৎপাদন অনুপাত আছিল ৭৭.১ শতাংশ আৰু ২০১৬ চনত ই ৬৯.৫ শতাংশলৈ নামি আহে।

পৰৱৰ্তীভাৱে বিত্তীয় দায়িত্ববাহী আৰু বাজেট পৰিচালনা (এফ আৰ বী এম) কমিটীয়ে ২০২৩ চনৰ ভিতৰত মুঠ ঋণৰ ঘৰুৱা উৎপাদন অনুপাত ৬০ শতাংশলৈ নিম্ন কৰাৰ প্ৰতিশ্ৰুতি গ্ৰহণ কৰে। প্ৰকৃতাৰ্থত প্ৰাথমিক ঘাটি, যি বিত্তীয় পৰিচালনা ভালকৈ প্ৰতিফলন ঘটায় যেতিয়া ভাৰতবৰ্ষৰ পথ বিত্তীয় সুস্থিৰতালৈ আহে। যি কি নহওক, এফ আৰ বী এম-এ কয় যে সুত পৰিশোধে বৃহৎ অংশক সামৰি লয় আৰু ই বিত্তীয় ঘাটি হ্ৰাস কৰি দেশৰ বিত্তীয় স্বাস্থ্য সুস্থিৰ কৰে।

**তালিকা ঃ ভাৰতবৰ্ষৰ মুখ্য বাহ্যিক ঋণ সুচক আৰু অনুপাত**

| বছৰ ঋণ-সেৱা অনুপাত | বাহ্যিক ঋণ (বিলিয়ন মাৰ্কিন ডলাৰত) | বাহ্যিক ঋণ মুঠ ঘৰুৱা উৎপাদনলৈ | দীৰ্ঘকালীন ঋণলৈ মুঠ বাহ্যিক ঋণ | হ্ৰস্বকালীন ঋণলৈ মুঠ বাহ্যিক ঋণ |
|---|---|---|---|---|
| ২০০৭ ৪.৭ | ১৭২.৩৬ | ১৭.৫ | ৮৩.৭ | ১৬.৩ |
| ২০০৮ ৪.৮ | ২২৪.৪০৭ | ১৮.০ | ৭৯.৬ | ২০.৪ |
| ২০০৯ ৪.৪ | ২২৪.৪৯৮ | ২০.৩ | ৮০.৭ | ১৯.৩ |
| ২০১০ ৫.৮ | ২৬০.৯৩৫ | ১৮.২ | ৭৯.৯ | ২০.১ |
| ২০১১ ৪.৪ | ৩১৭.৮৯১ | ১৮.২ | ৭৯.৬ | ২০.৮ |
| ২০১২ ৬.০ | ৩৬০.৭৬৬ | ২১.১ | ৭৮.৩ | ২১.৭ |
| ২০১৩ ৫.৯ | ৪০৯.৩৭৪ | ২২.৪ | ৭৬.৪ | ২৩.৬ |
| ২০১৪ ৫.৯ | ৪৪৬.১৭৮ | ২৩.৮ | ৭৯.৫ | ২০.৫ |
| ২০১৫ ৭.৬ | ৪৭৪.৬৭৫ | ২৩.৮ | ৮২.০ | ১৮.০ |
| ২০১৬ ৮.৮ | ৪৮৫.০২৩ | ২৩.৭ | ৮২.৮ | ১৭.২ |

**উৎস ঃ আৰ বি আই**

বাহ্যিক ঋণ সূচকৰ ভিত্তিত মুঠ বাহ্যিক ঋণৰ ৮৩ শতাংশ দীৰ্ঘকালিন ঋণ হিচাপে থকাৰ বিপৰীতে মুঠ বাহ্যিক ঋণৰ ১৭ শতাংশ হ্ৰস্বকালিন ঋণ (তালিকা ২)ঙ্গ ঋণ সেৱা অনুপাত ২০১৪ চনৰ ৫.৯ ৰপৰা ২০১৬ চনত ৮.৮ লৈ বৃদ্ধি পায় আৰু ই এক সুযম বিষয়। ভাৰতবৰ্ষৰ বাহ্যিক ঋণৰ ভিত্তিত মুঠ ঘৰুৱা উৎপাদন ২০০৭ চনৰপৰা ২০১৬ চনৰ ভিতৰত প্ৰায় ৬ শতাংশ পইণ্ট বৃদ্ধি পায় যি কি নহওক, এই একে সময়তে দীৰ্ঘকালিন আৰু হ্ৰস্বকালিন ঋণৰপৰা মুঠ বাহ্যিক ঋণ ১ শতাংশতকৈও কম হাৰত পৰিৱৰ্তন হয়। মুঠ বাহ্যিক ঋণৰ দীৰ্ঘকালিন আৰু হ্ৰস্বকালিন ঋণৰ ভিত্তিত বিশ্লেষণ কৰিলে দেখা যায় মুঠ চুড়ান্ত সংখ্যক লৈ সামান্য বিহ্বলতা আছে। প্ৰকৃতাৰ্থত মুঠ বাহ্যিক ঋণৰ দীৰ্ঘকালিন ঋণ অনুপাত ২০১৩ ৰপৰা ২০১৬ ৰ ভিতৰত ৬% পইণ্টত উন্নতি হ'লেও বাহ্যিক স্থিৰতাৰ ক্ষেত্ৰত সামান্য উদ্বেগ আছে।

ফোৰেক্স আকলন মান নিৰূপনৰ ক্ষেত্ৰত আন এক স্থিৰতা সূচক সৃষ্টি কৰিছে। ভাৰতবৰ্ষৰ ফোৰেক্স সংৰক্ষণ

২০০৭ ৰ ১৯৯.১৭৯ বিলিয়ন মাৰ্কিন ডলাৰৰ পৰা ২০১৬ চনত ৩৬০.১৭৬ বিলিয়ন মাৰ্কিন ডলাৰলৈ বৃদ্ধি পায় ইয়াৰ ফলত এটা দিশ লক্ষ্য কৰা হৈছে যে যদিও মূলধনী সোঁত আৰু পৰিৱৰ্তিত নিৰিখৰ হেঁচা ভৱিষ্যতে বৃদ্ধি পায় তথাপিও এক স্বাচ্ছন্দ্য স্থিতি বৰ্তি থাকিব। উন্নত বৈদেশিক বিনিময় সংৰক্ষণ স্থিতি সত্ত্বেও আমদানিয়ে সামৰা (মাহৰ ভিত্তিত) দিশতো ২০১৩ চনত ৪০০ বিলিয়ন ডলাৰৰে ৭ মাহলৈ অৱনমিত হোৱাৰ বিপৰীতে ২০১৭ চনত প্ৰায় ১২ মাহলৈ বৃদ্ধি পায়।

সামগ্ৰিক ক্ষুদ্ৰ অৰ্থনীতিৰ সূচকবোৰৰ উন্নয়নৰ উপৰি চৰকাৰে অন্তঃগাঁথনি খণ্ডলৈ অধিক সম্পদ আৱণ্টন, বিভিন্ন জটিল খণ্ডত এফ ডী আই ইকুইটী বৃদ্ধি, দ্ৰুত অনুমোদন আৰু মুক্তকৰণৰ বাবে স্বচ্ছতা অনা, ৰাজ্যসমূহক শ্ৰম সংস্কাৰৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ উদগনি যোগোৱা, দেওলীয়া অৱস্থাৰ বিধিকে ধৰি ব্যৱসায় কৰাৰ ক্ষেত্ৰত স্বাচ্ছন্দ্য অনা আৰু চূড়ান্তভাৱে সামগ্ৰী আৰু সেৱা কৰৰ ব্যৱস্থাকে ধৰি বহুতো সংস্কাৰমূলক ব্যৱস্থা লৈছে। তদুপৰি বিনিয়োগ বৃদ্ধিৰ বাবে চৰকাৰে 'মেইক্ ইন ইণ্ডিয়া'ৰ দৰে ধ্বজাবাহী কাৰ্যসূচী আৰু 'ষ্টাৰ্ট্ আপ ইণ্ডিয়া', 'স্কীল ইণ্ডিয়া ডিজিটেল ইণ্ডিয়া' আদিৰ দৰে পৰিপূৰক কাৰ্যসূচী কৰ্মসংস্থাপনৰ বৱে অধিক নিৰ্মাণ আদিৰ ব্যৱস্থা গ্ৰহণ কৰিছে। সৰ্বাধিক উৎকৃষ্ট কামটো হৈছে বন্ধ হৈ থকা প্ৰকল্প পুনৰজ্জীৱিতকৰণৰ বাবে বিনিয়োগ সূচকত দেওলীয়া বিধিৰ প্ৰৱৰ্তন আৰু ক'ৰপ'ৰেট আৰু বেংক খণ্ডৰ বেলেঞ্চশ্বীট নিকাকৰণত সহায় কৰিছে।

বক্স-১ ব্যৱসায়কৰণত স্বাচ্ছন্দতা অনাৰ বাবে শেহতীয়া ব্যৱস্থা—

□ বহুমুখী পূৰ্বানুমতি লুপ্তকৰণৰ বাবে বিশেষজ্ঞ কমিটি গঠন।

□ ২৪*৭ ই-ব্যৱসায় পৰ্টেল প্ৰতিষ্ঠা, যি চৈধ্যটা নিয়ামক অনুমতি গৃহ একে স্থানতে আনিব।

□ আগন্তুক চাৰি বছৰৰ ভিতৰত কৰ্পৰেট কৰ ৩০% ৰপৰা ২৫% লৈ হ্ৰাস।

□ জেনেৰেল এণ্টি-এভইডিং ৰুল আন দুবছৰৰ বাবে পিছুৱাই দিয়া হৈছে আৰু ৰেট্ৰলেক্টিভ টেক্স প্ৰায় উঠাই দিয়া হৈছে।

□ বিনিয়োগকাৰীক সহজ প্ৰৱেশৰ অনুমতি প্ৰদানৰ বাবে নতুন দেউলীয়া আইনৰ প্ৰস্তাৱ। দেউলীয়া বিধি ২০১৫ৰ অতিৰিক্তভাৱে ২০১৬ত সমন্বিত দেউলীয়া আইন প্ৰৱৰ্তন।

□ বাণিজ্যিক বিবাদ শীঘ্ৰে মীমাংসা কৰাৰ কাৰণে নতুন আইনী ব্যৱস্থা স্থাপনৰ প্ৰস্তাৱ।

□ কৰ বিবাদৰ এবাৰতে সমাধান।

□ কোম্পানী আইনৰ প্ৰায় সংশোধনীৰ প্ৰস্তাৱ।

□ কোম্পানী পঞ্জীকৰণৰ বাবে বৰ্তমানৰ গড়ে ১৫ৰপৰা ২০ দিনৰ ব্যৱস্থা এদিনতে কৰাৰ প্ৰস্তাৱ।

□ যুৱ ভাৰতীয়ক দক্ষ কৰাৰ বাবে ৰাষ্ট্ৰীয় দক্ষতা উন্নয়ন পৰিষদৰ উপৰিও ১৫০০ বহুমুখী দক্ষতা প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ আবণ্টন।

□ ২০১৬ চনৰ ১ মাৰ্চৰ পাছত পঞ্জীকৰণ কৰা নতুন প্ৰতিষ্ঠানৰ ক্ষেত্ৰত ক'ৰ্পৰেট কৰ ২৫% নিৰিখত ধাৰ্য আৰু আৰম্ভ কৰাসকলৰ বাবে পাঁচ বছৰৰ ভিতৰত তিনি বছৰৰ কৰ ছুটী (টেক্স হলিডেই)

□ স্কেল ইক'নমিক্স আৰু 'মেইক ইন ইণ্ডিয়া'ৰ কাৰণে ইণ্টাৰমেডিয়াৰী ইনপুটছ আৰু কম্পনেণ্ট আমদানি কৰাৰ কাৰণে কৰ আৰু শুল্ক কৰ্তন।

□ কাৰ্যপালিকা আৰু ন্যায়পালিকাৰ দায়বদ্ধতা উন্নীতকৰণৰ বাবে প্ৰযুক্তিৰ ব্যৱহাৰ।

□ আমদানি আৰু ৰপ্তানিৰ বাবে নথি ১১ ৰপৰা ৩ লৈ হ্ৰাস।

□ প্ৰতিৰক্ষা সামগ্ৰীৰ অনুজ্ঞাপত্ৰ ৰদ— প্ৰতিৰক্ষা সামগ্ৰীৰ ৫৬ শতাংশৰ বাবে প্ৰয়োজনীয় অনুজ্ঞাপত্ৰ ৰেহাই।

□ অপ্ৰবাসী ভাৰতীয়ৰ বিনিয়োগ ভাৰতীয়ৰ বিনিয়োগ হিচাপে গ্ৰহণ কৰা হ'ব।

**৩। পক্ষপাতিত্ব প্ৰকাশ ঃ চীন বনাম ভাৰত**

যেতিয়া ভাৰতবৰ্ষ আৰু চীনৰ মাজত লেনদেন কৰা হয় আকলন, মান নিৰ্দ্ধাৰণ কৰা হয় তেতিয়াই ভাৰতবৰ্ষৰ নীতি নিৰ্দ্ধাৰকসকলে চী আৰ এৰ বিসংগতিবোৰ লক্ষ্য কৰে। এই বিতৰ্ক চলিত বছৰৰ আৰম্ভণিতো দেখা গৈছিল যেতিয়া ষ্টেণ্ডাৰ্ড এণ্ড পুৱাৰ্-এ (এছ এণ্ড পি জ) সঠিকভাৱে এ + ৰ পৰা এএ অৰ্থাৎ স্থিৰতাৰ পৰা ঋণাত্মকতালৈ অৱনমিত কৰিছিল। কিন্তু ভাৰতবৰ্ষৰ বৃহৎ বুনিয়াদী ব্যৱস্থাত লক্ষ্যণীয় উন্নতিৰ পাছতো দেশখনৰ মানৰ উন্নতি ঘটোৱা নাছিল। ভাৰত চৰকাৰৰ মুখ্য অৰ্থনৈতিক উপদেষ্টাই চী আৰ এৰ বিসংগতিপূৰ্ণ মান দেখুৱাইছিল, বিশেষকৈ চী এণ্ড পী ৰ 'দৰিদ্ৰ' মান

প্ৰসংগত। ২০০৭ ত এছ এণ্ড পী-এ ভাৰতৰ আকলন মান নিৰ্ণায়ক বী বী বী লৈ উন্নীত কৰে। তেতিয়া পৰা এছ এণ্ড পী-এ বিগত ১০ বছৰত চাৰি বাৰৰ বাবে (ফেব্ৰুৱাৰী ২০০৯, মাৰ্চ ২০১০, এপ্ৰিল ২০১২ আৰু ছেপ্টেম্বৰ ২০১৪) ভাৰতৰ মান নিৰূপণ কৰে আৰু স্থিতি ৰক্ষা কৰি চলে। মোডীয়েও মান উন্নীতকৰণৰ বাবে ১৩ বছৰ লয়, যি কি নহওক, নীতি বিশ্লেষক আৰু বজাৰ বিশেষজ্ঞ সকলে বিশ্বাস কৰে যে উন্নীতকৰণ কৰিবলগীয়া আছিল।

আন ই এম ইৰ তুলনাত, এছ এন পী-এ আন কেতবোৰ উত্থিত বজাৰ (এম ই) বোৰৰ বী বী বী মান নিৰূপণ কৰে কিন্তু ভাৰতীয় অৰ্থনীতিৰ সৈতে এইবোৰে সুষমভাৱে কাৰ্য কৰা নাছিল। ২০১৪-১৬ ৰ ভিতৰত মুঠ ঘৰুৱা উৎপাদন গড় উন্নয়নৰ হাৰ হাংগেৰীত ৩.০৬ শতাংশ, ইণ্ডোনেছিয়াত ৪.৯৬ শতাংশ, ৰাছিয়াত -০.৭৯ শতাংশ আৰু উৰুগুৱেত ১.৮৮ শতাংশ (সকলো ই এম ই যিবোৰক এছ এন পী-এ বী বী বী মান দিছে) কিন্তু ভাৰতৰ ক্ষেত্ৰত প্ৰায় ৭.৩ শতাংশ। ইয়াৰ পৰা উপলব্ধি কৰিব পাৰি যে ভাৰতবৰ্ষই একে মান নিৰূপকৰ জৰিয়তে আন দেশবোৰৰ তুলনাত অগ্ৰগতি ইণ্ডোনেছিয়া, ৰাছিয়া আৰু উৰুগুৱেতকৈ উন্নত ফল প্ৰদৰ্শন কৰিছে। তদুপৰি মুঠ ঘৰুৱা উৎপাদনলৈ মুঠ চৰকাৰী ঋণৰ ক্ষেত্ৰত ভাৰতবৰ্ষই হাংগেৰী (২০১৬ ত ৭৪.১৯) আৰু ইটালী ২০১৬ ত ১৩২.৬০) তকৈ উন্নত স্থানত আছে। যি কি নহওক ব্যাহিক খণ্ডৰ ক্ষেত্ৰত হাংগেৰী, ইটালী, ৰাছিয়া আৰু উৰুগুৱেৰ চলিত একাউণ্ট অতিৰিক্ততা আছে। ভাৰতবৰ্ষৰ চলিত একাউণ্ট ঘাটি ২০১৩ ত ৪.৮ শতাংশ পৰা ২০১৬ ত মাত্ৰ ১ শতাংশ হয়গৈ, যিটো এই সকলে ই এম ইৰে তুলনা কৰিব পাৰি। অতি জটিল সংকটৰ সময়তো ভাৰতবৰ্ষই এই দায়বদ্ধতা আদায়ত ব্যৰ্থ হোৱা নাছিল, ভাৰতবৰ্ষই ইয়াৰ ঋণ আদায়ৰ সক্ষমতা প্ৰকাশ কৰি সচ্ছল অৱস্থা প্ৰদৰ্শন কৰিছিল। পৰৱৰ্তী ভাৱে ভাৰতবৰ্ষই প্ৰত্যক্ষ বৈদেশিক বিনিয়োগৰ দৰে অধিক সচ্ছল অৱস্থাৰ নিশ্চিতিৰ জৰিয়তে বৃহৎ ব্যাহ্যিক ঘাটি পূৰণ কৰিব পৰা সক্ষমতা প্ৰদৰ্শন কৰিছে। যদিও এছ এণ্ড পীয়ে চীনৰ মান এ+ৰ পৰা এ এ লৈ নিম্নগামী, অৰ্থাৎ স্থিৰতাৰ পৰা ঋণাত্মকতালৈ কৰিছে ভাৰতবৰ্ষই ইয়াৰ অৰ্থনৈতিক উন্নয়ন হাৰ, চলিত একাউণ্ট ঘাটি, মূলধনী সোঁত, ঋণ অনুপাত, উন্নত প্ৰদৰ্শন কৰাৰ পাছতো ভাৰতবৰ্ষৰ স্থিতাৱস্থা বাহাল ৰাখিছে। বৈদেশিক বিনিয়োগৰ প্ৰতিযোগিতাত ভাৰতবৰ্ষ আৰু চীন দুই বৃহৎ উত্থিত দেশ কিন্তু সেই দেশ দুখনৰ বৃহৎ অৰ্থনৈতিক বুনিয়াদ আৰু আভ্যন্তৰীণ বিনিয়োগ স্থিতি ইমানেই পাৰ্থক্য যে দুয়োখন দেশৰ মাজত তুলনা কৰা সমীচিন নহয়।

চীনৰ প্ৰতিবাদত ভাৰতবৰ্ষই উদাৰীকৰণৰ পাছত বজাৰমুখী বিনিময় নিৰিখ অনুসৰণ কৰিব ধৰে, আৰু ১৯৯০ চনৰ প্ৰথম ভাগৰ পৰাই বহু বছৰ জুৰি চলিত একাউণ্ট ঘাটি আৰু বিত্তীয় ঘাটিৰত ভুগিবলগীয়া হয়। সেয়ে বৰ্তমান আমি বহুতো মুখ্য বৃহৎ সূচকৰ ক্ষেত্ৰত প্ৰদৰ্শন কৰা অৱস্থাৰ ওপৰত ভিত্তি কৰি ইয়াৰ মাপ উন্নীতকৰণ কৰিব পাৰিছো।

অতি জটিল পৰিমাণৰ কথা হ'ল মুঠ ঘৰুৱা উৎপাদনলৈ মুঠ ঋণ অনুপাত বহুতো দেশত নিম্নগামী হৈছে। জাপানত ই ২৩৯.২ শতাংশ, ছিংগাপুৰত ১১২ শতাংশ, আমেৰিকা যুক্তৰাষ্ট্ৰত ১০৭ শতাংশ, আৰু স্পেইনত ৯৯ শতাংশ বৃদ্ধি পাইছে। কিন্তু চী আৰ এ-এ এইবোৰ দিশলৈ কোনো গুৰুত্ব আৰোপ নকৰি নিজৰ মাপ ৰক্ষা কৰে। ভাৰতবৰ্ষৰ মুঠ ঘৰুৱা উৎপাদনলৈ মুঠ ঋণ অনুপাত এই দেশবোৰৰ তুলনাত নিম্ন কিন্তু চীনতকৈ উচ্চ যিটো চী আৰ এ-এ ভাৰতৰ চলিত ঋণ হাৰৰ যুক্তিযুক্ততা সাব্যস্ত কৰে। কিন্তু বিশ্ব বেংক গোটৰ আন্তৰ্জাতিক ঋণ পৰিসংখ্যা ২০১৬ ই চূড়ান্ত ব্যাহ্যিক ঋণৰ ক্ষেত্ৰত ভাৰতক চীন আৰু ব্ৰাজিলৰ পাছত স্থান দিছে। যি কি নহওক, ভাৰতবৰ্ষই ইয়াৰ বিত্তীয় অৱস্থাতে হওক বা ব্যাহ্যিক ঋণৰ ক্ষেত্ৰতে হওক কেতিয়াও অনাদায়ী হৈ থকা নাই আৰু ই উন্নীতকৰণৰ বাবে এটা বৈধ আৰু শক্তিশালী দিশ।

বিত্তীয় ঘাটি আৰু চলিত একাউণ্ট সম্পৰ্কীয় তুলনাত এই পৰিমাপৰ উন্নতি ঘটি যোৱা কেইবছৰমানত এই ব্যৱধান হ্ৰাস পায়। মুঠ বিত্তীয় ঘাটি আৰু চলিত একাউণ্ট ঘাটি সন্মিলিতভাৱে যোৱা কেইবছৰমানৰ ভিতৰত গ্ৰহণযোগ্য ১০ শতাংশ হাৰৰ তলত অৱস্থান গ্ৰহণ কৰিছে, য'ত চীনৰ চলিত একাউণ্ট ৰাহি ২০০৭ চনৰ প্ৰায় ১০ শতাংশৰ পৰা ২০১৬ চনত প্ৰায় ২ শতাংশলৈ হ্ৰাস পাইছে। যদিও ভাৰতৰ তুলনাত চীন উন্নত স্থানত আছে ভাৰতবৰ্ষৰ ঋণ উন্নীতকৰণৰ যুক্তিযুক্ততা সাব্যস্ত কৰিবৰ বাবে বহুতো ইতিবাচক উন্নয়ন আছে। ২০০৭ চনৰ ২৩ বিলিয়ন ডলাৰৰ তুলনাত প্ৰত্যক্ষ বৈদেশিক বিনিয়োগৰ সোঁত ২০১৬ চনত ৫৬ বিলিয়ন ডলাৰ হয়গৈ আৰু ই বাৰ্ষিক প্ৰত্যক্ষ বিদেশী বিনিয়োগৰ ক্ষেত্ৰত উচ্চতম। ভাৰতৰ মুঠ ঋণৰ ভিতৰত ৰাজহুৱা ঋণ মুঠ ঘৰুৱা উৎপাদনৰ মাত্ৰ ৪২ শতাংশ, য'ত

**(৫৩ পৃষ্ঠাত চাওক)**

# সৰ্বাত্মক দিশৰ সুচলতা প্ৰদানৰ ক্ষেত্ৰত বেংকসমূহৰ ভূমিকা

**চৰণ সিং***
**শিৱকুমাৰা ৰেড্ডী কে***

বিত্তীয় ব্যৱস্থাক সৰ্বাত্মকভাৱে ৰূপান্তৰ কৰাটো হ'ল এটা প্ৰক্ৰিয়া—যাৰদ্বাৰাই সমাজৰ সকলো শ্ৰেণী, বিশেষকৈ স্পৰ্শকাতৰ গোটৰ লোক-সকলৰ বাবে আৱশ্যক হোৱা বিত্তীয় সেৱা তথা উৎপাদিত সামগ্ৰীসমূহ বহন-যোগ্য মূল্যত পোৱাৰ নিশ্চয়তা কৰিব পাৰি আৰু তাকো বিধিবদ্ধ তথা ঘাই প্ৰতিষ্ঠানমূলক ব্যৱস্থাৰ জৰিয়তে সৎ আৰু স্বচ্ছভাৱে পাব পাৰি। সামগ্ৰিক-ভাৱে এই বিত্তীয় ব্যৱস্থাই আৱশ্যকীয় দিশসমূহৰ সামৰি লোৱাৰ লক্ষ্য হ'ল স্পৰ্শকাতৰ লোক, ঘাইকৈ দৰিদ্ৰ জনতাৰ জীৱনৰ ৰূপান্তৰ সাধন কৰা, বেংকৰ বিত্তীয় ব্যৱস্থাৰ প্ৰতি সুচল প্ৰৱেশ ঘটোৱা আৰু তাৰ জৰিয়তে এক স্থিৰ গতিৰ উপাৰ্জন উদ্ৰেক কৰিবলৈ তেওঁলোকক সমৰ্থৱান কৰি তোলা।

যথাৰ্থতে ক'বলৈ গ'লে, সাধাৰণতে যি ধৰণে বিশ্বাস কৰা হয় তাৰ বিপৰীতেহে ভাৰতে স্থিতি গ্ৰহণ কৰা দেখা যায়। ঐতিহাসিকভাৱে বিত্তীয় ব্যৱস্থাৰ সৰ্বাত্মক ৰূপ পৰিৱেশন কৰাত ভাৰত হ'ল আগশাৰীৰ দেশ। সমবায় ক্ৰেডিট ছ'চাইটিজ আইন, ১৯০৪-এ ভাৰতত সমবায় আন্দোলনক উজ্জীৱিত কৰি তোলে। সমবায় বেংকসমূহৰ লক্ষ্য হ'ল বেংকৰ সা-সুবিধা প্ৰদান কৰা—ঘাইকৈ ধন ধাৰে দিওঁতাসকলৰ তুলনাত সহজ চৰ্তত এনে ঋণ পোৱাৰ সুচল কৰা। ভাৰতত বিত্তীয় অন্তৰ্ভুক্তিকৰণৰ অনুশীলন কাৰ্য ১৯৫৫চনত ষ্টেট বেংক অৱ ইণ্ডিয়াক ৰাষ্ট্ৰীয়কৰণ কৰাৰ লগে লগে আৰম্ভ হয়। ১৯৬৭ চনত সামাজিক বেংক ব্যৱস্থাৰ সন্দৰ্ভত এক বিতৰ্কৰ আৰম্ভ হয় আৰু তাৰ ফলস্বৰূপে ১৪টা ব্যক্তিগত খণ্ডৰ বেংকক বেংকবিহীন ব্যৱস্থাৰ ক্ষেত্ৰত সেৱা আগবঢ়াবলৈ ১৯৬৯চনত ৰাষ্ট্ৰীকৃত কৰা হয়। গুৰুত্বপূৰ্ণ খণ্ডক ঋণ প্ৰদান কৰা ভাবধাৰাৰ বিষয়টো ক্ৰমান্বয়ে বৈশিষ্ট্যপূৰ্ণ হৈ উঠে আৰু ১৯৭৪ চনৰ ভিতৰত ইয়াৰ কাৰ্যকৰণৰ বিষয়েও ভবা হয়। সেই অনুযায়ী ১৯৮০ চনত আৰু আঠটা বেচৰকাৰী বেংকক গ্ৰাম্য অঞ্চলত বেংক ব্যৱস্থা সম্প্ৰসাৰিত কৰিবলৈ ৰাষ্ট্ৰীয়কৃত কৰা হয়। সমাজৰ স্পৰ্শকাতৰ শ্ৰেণীৰ লোকসকল ইয়াৰ দ্বাৰাই যাতে উপকৃত হয় তাৰ প্ৰতিও মনোযোগ দিয়া হয়। তেতিয়াৰপৰা বিকাশ প্ৰক্ৰিয়াৰ গতি ক্ৰমান্বয়ে বৃদ্ধি কৰিবলৈ — বিশেষকৈ অৰ্থনীতিৰ গুৰুত্বপূৰ্ণ খণ্ডত তাৰ প্ৰভাৱ অধিক কৰিবলৈ বেংকৰ ঋণ দানৰ ক্ষেত্ৰত যথেষ্টভাৱে উন্মেষ সাধন হয়। পূৰ্বতে এই খণ্ডটোৰে তেনেদৰে যথেষ্টভাৱে মনোযোগ লাভ কৰা নাছিল।

ভাৰতীয় ৰিজাৰ্ভ বেংক আৰু নাবাৰ্ড অৰ্থাৎ কৃষি আৰু গ্ৰাম্য বিকাশ বিষয়ক ৰাষ্ট্ৰীয় বেংকেও দেশখনৰ বিভিন্ন অঞ্চলত বেংক ব্যৱস্থা সম্প্ৰসাৰণ কৰাত সঙ্ঘবদ্ধভাৱে প্ৰয়াস অব্যাহত ৰাখে আৰু সেই অনুক্ৰমে ক্ষুদ্ৰ বিত্ত প্ৰদান তথা ব্যৱসায়িক যোগাযোগ আঁচনি প্ৰচলন কৰা হয়। অন্যান্য প্ৰয়াসৰ ভিতৰত আছে আঞ্চলিক গ্ৰাম্য বেংক স্থাপন (১৯৭৫), সেৱা ক্ষেত্ৰৰ দৃষ্টিভঙ্গী অৱলম্বন (১৯৮৯) আৰু আত্ম-সহায়ক গোট-বেংক যোগসূত্ৰ কাৰ্যসূচী (১৯৮৯ আৰু ১৯৯০)।

শেহতীয়া বছৰকেইটাত—বিশেষকৈ ২০০৫ চনৰ নৱেম্বৰৰ পৰা ৰিজাৰ্ভ বেংকৰদ্বাৰা বিত্তীয় অন্তৰ্ভুক্তি-কৰণ কাৰ্যক নিশ্চিত কৰিবৰ বাবে বিশেষভাৱে প্ৰয়াস কৰা হয়। এই ক্ষেত্ৰত 'আপোনাৰ গ্ৰাহকৰ আৱশ্যকতা জানক' বিষয়ক বিধি সৰল কৰা হয় আৰু 'ন'-ফ্ৰিলছ' হিচাপ-বহীৰ প্ৰচলন আৰম্ভ কৰা হয়। বিত্তীয় অন্তৰ্ভুক্তিকৰণৰ ক্ষেত্ৰত ৰিজাৰ্ভ বেংকৰ সতৰ্কতামূলক নীতি হ'ল সমতা আৰু উপযুক্ততাৰ মাজত এটা ভাৰসাম্য নিশ্চিত কৰা আৰু বেংকসমূহৰ ঋণ ক্ষমতালৈ চাই তেনে বেংকবোৰৰ বিত্তীয় স্বাস্থ্য অটুট ৰখা। ৰিজাৰ্ভ বেংকে এটা বেংকৰদ্বাৰা গতিচালনা কৰা দৃষ্টিভঙ্গী অৱলম্বন কৰে আৰু দূৰ-দূৰণিৰ ঠাইবোৰত বেংকে ব্যৱহাৰ কৰিব লগা 'হাতেৰে ল'ৰা-চৰা কৰা' পদ্ধতিৰ দৰে প্ৰযুক্তিমূলক নতুন উপায়বোৰক উৎসাহিত কৰে।

### বেংক ব্যৱস্থাৰ সীমাবদ্ধতা

ভাৰতৰ অৰ্থনৈতিক দৃশ্যপটৰ যি পৰিৱৰ্তন সাধন হৈছে তাত বিত্তীয় অন্তৰ্ভুক্তিকৰণ ব্যৱস্থাই যথেষ্ট বৰঙণি

*লিখক চৰণ সিং বেংগালুৰুৰ আই আই এমৰ ভিজিটিং ফেকাল্টি আৰু শিৱকুমাৰা ৰেড্ডি কে বেংগালুৰুৰ আই আই এমৰ ৰিছাৰ্চ এনালিষ্ট

যোগাইছে। পিছে এনে ধৰণৰ বিভিন্ন প্ৰয়াস অব্যাহত থকা সত্ত্বেও বেংক ব্যৱস্থাই যিমানখিনিলৈকে স্পৰ্শ কৰিব পাৰিছে সেয়া সীমাবদ্ধ। এতিয়াও কিছুমান গুৰুত্বপূৰ্ণ বিষয় আছে—য'ত আনুষ্ঠানিক বেংক ব্যৱস্থাৰ পদ্ধতিয়ে গৈ ঢুকি পোৱা নাই। তেনে বিষয়বোৰৰ ক্ষেত্ৰত উল্লেখযোগ্য হ'ল— দৰিদ্ৰতা, কম উপাৰ্জন স্তৰ আৰু বেংকৰ শাখাবোৰৰ পৰা দূৰত্ব— যি স্পৰ্শকাৰতৰ গোটসমূহক তেনে সুবিধা গ্ৰহণ কৰাৰ পৰা বঞ্চিত কৰিছে। ২০১১ বৰ্ষৰ পিয়ল অনুসাৰে ভাৰতৰ সৰ্বমুঠ পৰিয়ালৰ ঘৰৰ ভিতৰত মাত্ৰ ৫৮.৭ শতাংশ ঘৰে আৰু গ্ৰামাঞ্চলৰ মাত্ৰ ৫৪.৪ শতাংশ ঘৰেহে আনুষ্ঠানিক বেংক ব্যৱস্থা সেৱাৰ সুবিধা লাভ কৰে। সেয়া ১নং তালিকাত দিয়া হৈছে।

তেতিয়া মুঠ ৮,২৬২টা বেংক কাৰ্যালয়ৰ ভিতৰত তেতিয়া মাত্ৰ ১,৮৩৩ টা গ্ৰাম্য আৰু ৩,৩৪২ টা অৰ্দ্ধ-চহৰীয়া বেংক কাৰ্যালয় আছিল। ইয়াৰ ভিতৰত ইম্পেৰিয়েল বেংকৰ ১৬০ টা শাখা, এক্সচেঞ্জ বেংকৰ ৯৮ টা তথা ইণ্ডিয়ান জইণ্ট ষ্টক বেংকৰ ৬৮৮ টা শাখা আছিল। ই এইটোকে বুজায় যে ৩ লাখ জনসংখ্যাৰ বাবে এটা শাখা বেংকেহে সেৱা আগবঢ়ায়। এনে পৰিস্থিতিত টকা ধাৰে দিওঁতা সকলে যথেষ্ট ব্যৱসায় কৰিছিল আৰু আনকি বেংক ৰাষ্ট্ৰীয়-কৰণৰ পাছতো গ্ৰাম্য এলেকাসমূহত এওঁলোকে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আছিল। তাৰ কাৰণ হ'ল বেংকৰ শাখা কাৰ্যালয়ৰ সংখ্যা কেইটামানহে আছিল আৰু সেইবোৰো বহু দূৰৈত অৱস্থান কৰিছিল।

শাখা বেংকৰ নেটৱৰ্ক বিস্তৃত আছিল, কিন্তু তথাপি বেংক ব্যৱস্থাৰ সুচলতা প্ৰদান আৰু ঋণ সুবিধা সম্প্ৰসাৰণ কৰিবলৈ কৰা চৰকাৰৰ প্ৰয়াস সত্ত্বেও গ্ৰাম্য ঋণ দানৰ ক্ষেত্ৰত ব্যৱসায়িক ঋণ প্ৰদান কৰোঁতাসকলৰ ক্ষেত্ৰত ১৯৯১ চনৰ পাছত অংশভাগ বৃদ্ধি হ'বলৈ আৰম্ভ কৰিছিল (১ নং গ্ৰাফিক চিত্ৰত দ্ৰষ্টব্য)।

**চৰকাৰৰদ্বাৰা বিশেষ প্ৰয়াস**

প্ৰত্যেক পৰিয়ালৰ ঘৰতেই বেংক ব্যৱস্থাৰ এটা হিচাপ-বহী খোলাৰ নিশ্চিত কৰিবলৈ প্ৰধান মন্ত্ৰীয়ে কাৰ্যভাৰ গ্ৰহণ কৰি ২০১৪ চনৰ ১৫ আগষ্টৰ দিনা লালকিল্লাৰপৰা দিয়া তেওঁৰ প্ৰথম ভাষণত ইয়াৰ বাবে সঙ্গবদ্ধ প্ৰয়াস কৰাৰ আৱশ্যকতাৰ কথা ঘোষণা কৰিছিল। প্ৰধান মন্ত্ৰী জন ধন যোজনা হ'ল এনে এক ব্যৱস্থা যিটোৱে বেংকৰ প্ৰতি সুবিধা প্ৰদানৰ ক্ষেত্ৰত সাৰ্বজনীন সুচলতা প্ৰাপ্তিৰ পথ মুকলি কৰে। প্ৰত্যেক পৰিয়ালৰ ঘৰৰ বাবে কমেও এটা মূল বেংকৰ হিচাপ-বহী থকাৰ সন্দৰ্ভত গুৰুত্ব আৰোপ কৰা বিষয়টোৱে পৰিয়ালৰ ঘৰৰ সংখ্যা বৃদ্ধি কৰাৰ চৰকাৰৰ প্ৰয়াসক দৃঢ় কৰে। ২০১৭ চনৰ ৬ ডিচেম্বৰলৈকে আঁচনি খনৰ অধীনত মুঠ ৩০.৭ কোটি হিচাপ-বহী খোলা হয়। ইয়াৰ ভিতৰত ১৮.১ কোটি

**১ নং তালিকা ঃ বেংক সেৱা লাভ কৰা লোকৰ ঘৰৰ শতাংশ হাৰ (কোটিৰ হিচাপত লোকৰ ঘৰ)**


| | ২০০১ চনৰ পিয়ল | | | ২০১১ চনৰ পিয়ল অনুযায়ী | | |
|---|---|---|---|---|---|---|
| পৰিয়াল ঘৰ সংখ্যা | পৰিয়াল ঘৰৰ মুঠ | বেংক সেৱা লাভ কৰা মুঠ পৰিয়ালৰ ঘৰ | শতাংশ হাৰ | পৰিয়াল ঘৰৰ মুঠ সংখ্যা | বেংক সেৱা লাভ কৰা মুঠ পৰিয়ালৰ ঘৰ | শতাংশ হাৰ |
| গ্ৰাম্য | ১৩.৮ | ৪.২ | ৩০.১ | ১৬.৮ | ৯.১ | ৫৪.৪ |
| চহৰ | ৫.৪ | ২.৭ | ৪৯.৫ | ৭.৯ | ৫.৩ | ৬৭.৮ |
| মুঠ | ১৯.২ | ৬.৮ | ৩৫.৫ | ২৪.৭ | ১৪.৫ | ৫৮.৭ |

**উৎস ঃ** ভাৰত চৰকাৰ

**ভাৰতত বেংক সেৱাৰ সম্প্ৰসাৰণ আৰু ঋণ দিওঁতাৰ ভূমিকা**

চৰকাৰ আৰু ৰিজাৰ্ভ বেংক অৱ ইণ্ডিয়াৰ প্ৰচেষ্টাৰ ফলত বেংকৰ শাখা সম্প্ৰসাৰণ হৈছে, কিন্তু টকা ধাৰে দিওঁতাই এটা গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আছে। ১৯৩৫ চনত ভাৰতীয় ৰিজাৰ্ভ বেংক প্ৰতিষ্ঠা কৰাৰ প্ৰাক্‌ক্ষণত ভাৰতত বেংক কাৰ্যালয়ৰ সংখ্যা আছিল ৯৪৬টা। ১৯৬৯ চনৰ মাৰ্চত বেংক-সমূহক যেতিয়া ৰাষ্ট্ৰায়ত্ত কৰা হৈছিল

**১নং গ্ৰাফিক চিত্ৰ ঃ প্ৰতিষ্ঠানমূলক আৰু অ-প্ৰতিষ্ঠানমূলক গ্ৰাম্য ঋণ**




**টোকা ঃ** অনানুষ্ঠানিক উৎস ঃ ঋণ দিওঁতাৰে গঠিত, আনুষ্ঠানিক উৎস ঃ আৰ আৰ বিকে ধৰি মাত্ৰ সমবায় সমিতি। বেংক তথা বাণিজ্যিক বেংকৰে গঠিত

**উৎস ঃ** সৰ্বভাৰতীয় ঋণ আৰু বিনিয়োগ জৰীপ, বিভিন্ন বিষয়, এন এছ এছ অ'

হ'ল গ্ৰাম্য অঞ্চলত আৰু ১২.৭ কোটি হ'ল চহৰাঞ্চলত। ৰূপয়া কাৰ্ডৰ সংখ্যাও ৰাজহুৱা খণ্ডৰ বেংকবোৰে বেংকৰ ব্যৱস্থা নথকা অঞ্চলবোৰত বেংক সেৱা

| ২ নং তালিকা ঃ প্ৰধান মন্ত্ৰী জন ধন যোজনাৰ স্থিতি (২০১৭ চনৰ ৬ ডিচেম্বৰৰ লেখত) (কোটি হিচাপত) | | | | | |
|---|---|---|---|---|---|
| বেংকৰ নাম/প্ৰকাৰ | হিতাধিকাৰীৰ সংখ্যা | | | হিচাপ বহীত জমা (কোটি টকা) | হিতাধিকাৰীক দিয়া ৰূপয়া ডেবিট কাৰ্ডৰ সংখ্যা |
| | গ্ৰাম্য | চহৰ | মুঠ | | |
| ৰাজহুৱা খণ্ডৰ বেংক | ১৩.৩ | ১১.৫ | ২৪.৮ | ৫৫৬৪৬.৬ | ১৮.৬ |
| আঞ্চলিক গ্ৰাম্য বেংক | ৪.২ | ০.৮ | ৪.৯ | ১২০৩৩.৯ | ৩.৬ |
| ব্যক্তিগত খণ্ডৰ বেংক | ০.৬ | ০.৪ | ১.০ | ২১৬০.৬ | ০.৯ |
| সৰ্বমুঠ | ১৮.১ | ১২.৭ | ৩০.৭ | ৬৯৮৪১.২ | ২৩.১ |

**উৎস ঃ** ভাৰত চৰকাৰ

২৩.১ কোটিলৈ বৃদ্ধি পায়। বাণিজ্যিক বেংকসমূহত যি জমা ধন ৰখা হয় তালৈ চাই ইয়াৰ অগ্ৰগতি বেছ সন্তোষজনক। ২০১৭ বৰ্ষৰ ৬ ডিছেম্বৰ পৰ্যন্ত সেই বেংকসমূহত জমা ধনৰাশিৰ পৰিমাণ হ'ল ৬৯,৮৪১.২ কোটি টকা (২ নং তালিকাত দ্ৰষ্টব্য)।

গ্ৰাম্য অঞ্চলত শাখা বেংকৰ নেটৱৰ্কৰ আকাৰ খৰতকীয়াকৈ বৃদ্ধি পায়—যদিও চহৰ তথা মেট্ৰোপলিটান অঞ্চলসমূহত বৃদ্ধিৰ হাৰ অধিক। (৩ নং তালিকাত দ্ৰষ্টব্য)। ২০১৫ বৰ্ষৰ কালছোৱাত ৰাষ্ট্ৰায়ত্ত বেংক, ষ্টেট বেংক আৰু ইয়াৰ সহযোগী বেংকৰ উপস্থিতি গ্ৰাম্য অঞ্চলসমূহত অধিক আছিল (৪নং তালিকাত দ্ৰষ্টব্য)।

সামাজিক বেংক ব্যৱস্থাত পৰম্পৰাগতভাৱে জড়িত হৈ থকা

| ৩ নং তালিকা ঃ জনসংখ্যা গোটৰ হিচাপত শাখা বেংকৰ সংখ্যা | | | | | |
|---|---|---|---|---|---|
| বৰ্ষ | গ্ৰাম্য | অৰ্দ্ধ চহৰীয়া | চহৰ | মেট্ৰোপলিটান | মুঠ |
| ১৯৬৯ | ১৮৩৩ | ৩৩৪২ | ১৫৮৪ | ১৫০৩ | ৮২৬২ |
| ১৯৭৯ | ১৩৩৩৭ | ৭৮৮৯ | ৫০৩৭ | ৩৯৩৯ | ৩০২০২ |
| ১৯৮৯ | ৩৩০১৪ | ১১১৬৬ | ৭৫২৪ | ৫৯৯৫ | ৫৭৬৯৯ |
| ১৯৯৯ | ৩২৮৫৭ | ১৪১৬৮ | ৯৮৯৮ | ৮০১৬ | ৬৪৯৩৯ |
| ২০০৯ | ৩০৯৪৩ | ১৯২৮২ | ১৫৩৫৬ | ১৪২৮৮ | ৭৯৮৬৯ |
| ২০১৭ | ৪৮৮০৬ | ৩৮২০১ | ২৪৫৭৪ | ২৬৪৭৮ | ১৩৮০৫৯ |

**টোকা ঃ** এই পৰিসংখ্যাত প্ৰশাসনীয় কাৰ্যালয়সমূহ ধৰা হোৱা নাই।

**উৎস ঃ** ৰিজাৰ্ভ বেংক অৱ ইণ্ডিয়া, হেণ্ডবুক অৱ ষ্টেটিছটিকছ অন ইণ্ডিয়ান ইক'ন'মি

আগবঢ়োৱাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰাৰ কাম অব্যাহত ৰাখিছে, কিন্তু হিচাপ-বহীৰ সংখ্যা তথা বাকী ৰোৱা ধনৰাশিৰ পৰিমাণ যোৱা দশকটোত যথেষ্টভাৱে বৃদ্ধি পায় (৫নং তালিকাত দ্ৰষ্টব্য)। কিছুমান বেংক প্ৰতিষ্ঠানমূলক মনত ৰাখিব লগা কাৰ্যৰ পৰা উপকৃত হয়। তাৰ কাৰণ হ'ল সেইবোৰ বেংকে পূৰ্বতে কিছুমান আঁচনি— হনি ডিপোজিট বা জীৱন নিধি আঁচনি চলাইছিল। আৰু এইবোৰ সাম্প্ৰতিক বছৰবোৰত মূল সঞ্চয় হিচাপলৈ পৰ্যৱসিত হয়।

বাণিজ্যিক বেংকসমূহে উত্তৰাঞ্চল, বিশেষকৈ গ্ৰাম্য আৰু অৰ্দ্ধ-চহৰীয়া অঞ্চলসমূহত ঋণ প্ৰদান কৰাৰ ক্ষেত্ৰত এটা বৈশিষ্টপূৰ্ণ ভূমিকা পালন কৰে (৬ নং তালিকাত দ্ৰষ্টব্য)। পূব আৰু উত্তৰ-পূৰ্বাঞ্চলৰ চহৰীয়া অঞ্চলবোৰতে যথেষ্ট পৰিমাণে ঋণ আগবঢ়োৱাৰ পৰিমাণ বৃদ্ধি পায়।

কৃষি খণ্ডত ঋণ আগবঢ়োৱাৰ ক্ষেত্ৰত বাণিজ্যিক বেংকসমূহে ৰিজাৰ্ভ বেংক অথবা সমবায় বেংকবোৰতকৈ অধিক সফলতা লাভ কৰে (৭নং তালিকাত দ্ৰষ্টব্য)।

**ঋণ প্ৰদানৰ ক্ষেত্ৰত ন ন ব্যৱস্থা**

বেংকে ঢুকি নোপোৱা ঠাইবোৰৰ লোকসকলক বেংক সেৱা আগবঢ়াবৰ বাবে বাণিজ্যিক বেংকে কিছুমান বিকল্প ব্যৱস্থা, যেনে ম'বাইল ভান, বেংকিং কিয়স্ক আৰু বী চীৰ দৰে উপায় অৱলম্বন কৰে। সৰহসংখ্যক বেংকে ঢুকি নোপোৱা গ্ৰাহক হ'ল সেইসকল যি কেতিয়াও কোনো এটা বেংকৰ শাখা কাৰ্যালয়ত প্ৰৱেশ কৰা নাই, কিন্তু বী চী চেনেলে তেওঁলোকৰ মাজত এক বেংক সংস্কৃতি গঢ়ি তোলাৰ প্ৰক্ৰিয়া আৰম্ভ কৰে। এই 'বী

**৪ নং তালিকা ঃ বেংক গোটৰ হিচাপত শাখা বেংকৰ সংখ্যা ঃ ২০১৫**

| বেংকৰ প্ৰকাৰ | গ্ৰাম্য | অৰ্দ্ধ চহৰীয়া | চহৰ | মেট্ৰোপলিটান | মুঠ |
|---|---|---|---|---|---|
| এছ বি আই আৰু সহযোগী | ৮০২৯ | ৬৫৯৩ | ৪৩০৪ | ৩৬২২ | ২২৫৪৮ |
| ৰাষ্ট্ৰায়ত্ত বেংক | ২১৬০৫ | ১৬৯৫৬ | ১৩০৮৩ | ১১৭০৩ | ৬৩৩৪৭ |
| আঞ্চলিক গ্ৰাম্য বেংক | ১৪৬১৩ | ৩৭৪৮ | ১০৭১ | ২২৮ | ১৯৬৬০ |
| ব্যক্তিগত খণ্ডৰ বেংক | ৪৩০২ | ৬৪৫৭ | ৪৫২১ | ৪৬৯৮ | ১৯৯৭৮ |
| বিদেশী বেংক | ৮ | ১২ | ৫৭ | ২৪৭ | ৩২৪ |
| সৰ্ব ভাৰতীয় | ৪৮৫৫৭ | ৩৩৭৬৬ | ২৩০৩৬ | ২০৪৯৮ | ১২৫৮৫৭ |

**উৎস ঃ** ভাৰত চৰকাৰ

চীৰ সৈতে কৰা বেংক ব্যৱস্থাই তেওঁলোকৰ ব্যৱসায় অথবা বাসস্থলৰ সমীপৰ ঠাইতেই এনে বেংক ব্যৱস্থাৰ সুবিধা আগবঢ়োৱা নাই, তদুপৰি বেংক লেনদেনৰ জৰিয়তে যথেষ্ট পৰিমাণৰ সঞ্চয় কৰাৰ পথ মুকলি কৰে। গ্ৰাহকসকলে পৰিবহনৰ খৰচ বচাব পাৰে, সময় ৰাহি কৰিব পাৰে আৰু লেন-দেনৰ কাম সম্পূৰ্ণ কৰিবলৈ এটা শাখা কাৰ্যালয়লৈ যাব লগা হোৱাৰ বাবে কোনো কাৰখানা বা প্ৰতিষ্ঠানত পাব লগা মজুৰিখিনিও হেৰুৱাৰ ভয় নেথাকে। গ্ৰাম্য অঞ্চলত বসবাস কৰা লোকৰ ক্ষেত্ৰত যি সঞ্চয় কৰা হয় সেয়া প্ৰণিধানযোগ্য, কিয়নো বেংকৰ লেন-দেন সম্পূৰ্ণ কৰিবলৈ বেংকটোলৈ যাব লগা হ'লে তাৰ বাবদ প্ৰায় ২-৬ঘণ্টা সময় লাগে, আৰু সেইটোৱে নিয়মিতভাৱে কৰা কাম-কাজৰ অনুপস্থিতিৰ কথাটোকে সুচায়। ব্যৱসায়িক যোগাযোগেৰে দূৰৈৰ বেংকৰ সৈতে এতিয়া দূৰ-দূৰণিত অৱস্থিত ঠাইসমূহ অথবা বস্তি অঞ্চলৰ মাজত — য'ত বেংক পদ্ধতিয়ে প্ৰৱেশ কৰিব পৰা নাছিল অথবা কম — তেনে ধৰণৰ ঠাইবোৰতো যোগাযোগ স্থাপন কৰিব পৰা হৈছে। সেই অনুযায়ী বাণিজ্যিক বেংকবোৰে প্ৰায় ৬ লাখ গাঁৱত, ঘাইকৈ ব্যৱসায়িক যোগাযোগ স্থাপনৰ জৰিয়তে বেংক সেৱা আগবঢ়াবলৈ সফল হৈছে। সেয়ে বিত্তীয় অন্তৰ্ভুক্তিকৰণ অৰ্থাৎ বিত্তীয় ব্যৱস্থাৰ সামগ্ৰিক ৰূপান্তৰকৰণৰ কাম যথেষ্টভাৱে বিস্তৃতি সাধন হৈছে, আৰু সেই ক্ষেত্ৰত বেংকৰ শাখা-প্ৰশাখাও বহুত বৃদ্ধি পাইছে। ২০১০চনৰ মাৰ্চলৈকে এই সংখ্যা আছিল ৩৩,৩৭৮, কিন্তু ২০১৭ চনৰ মাৰ্চত ই ৫০,৮৬০ লৈ বৃদ্ধি পায় আৰু ব্যৱসায়িক যোগাযোগেৰে তেনে বৃদ্ধি ৩৪,৩১৬ ৰ পৰা ৫,৪৭,২৩৩ লৈ খৰতকীয়াকৈ হয়। লেনদেন কৰা ব্যৱসায় তথা হিচাপ-বহীৰ সংখ্যা যোৱা সাত বছৰৰপৰা বহুত গুণে বৃদ্ধি পায় (৮ নং তালিকাত দ্ৰষ্টব্য) এই কালছোৱাত। ব্যৱসায়িক যোগাযোগৰ জৰিয়তে মূল সঞ্চয় একাউণ্ট, অৰ্থাৎ হিচাপ-বহীত জমা কৰা ধনৰাশিৰ পৰিমাণ প্ৰায় ২৬ গুণ বৃদ্ধি পায় আৰু শাখা বেংকসমূহৰ জৰিয়তে কৰা জমা ১৫ গুণ বৃদ্ধি পায়। এই সময়ছোৱাতে তথ্য প্ৰযুক্তিৰ ব্যৱহাৰৰ জৰিয়তে লেনদেন কৰা ধনৰাশিৰ সৰ্বাধিক বৃদ্ধি পায়। ইয়াৰ ফলত এইটো পৰিলক্ষিত হয় যে প্ৰধান মন্ত্ৰী জন ধন যোজনাৰ সুফল বেছ উৎসাহজনক। ২০১৪ বৰ্ষৰ পাছত প্ৰযুক্তিৰ জৰিয়তে সঞ্চয়ৰ হিচাপ তথা লেনদেনৰ পৰিমাণ বহুত বাঢ়ি যোৱা দেখা যায়।

**৫ নং তালিকা ঃ সূচীবদ্ধ বাণিজ্যিক বেংকৰ গোট হিচাপত বাকী ৰোৱা ঋণৰ পৰিমাণ (নিযুত হিচাপত হিচাপ বহী আৰু বিলিয়ন টকাৰ হিচাপত ধনৰাশি)**

| | ১৯৯৬ মাৰ্চ | | ২০১৬ মাৰ্চ | |
|---|---|---|---|---|
| | হিচাপ বহীৰ সংখ্যা | বাকী ৰোৱা ধনৰাশি | হিচাপ বহীৰ সংখ্যা | বাকী ৰোৱা ধনৰাশি |
| এছ বি আই আৰু সহযোগী | ১৪.২ | ৭৪২ | ২৬.৮ | ১৬১১৩ |
| ৰাষ্ট্ৰায়ত্ত বেংক | ২৫.৭ | ১৩৩০ | ৫৬.৪ | ৩৫১৪৬ |
| আৰ আৰ বি | ১৩.১ | ৭৩ | ২৩.৪ | ২০৬৮ |
| ব্যক্তিগত খণ্ডৰ বেংক | ২.৪ | ২০২ | ৫০.৩ | ১৮১২৯ |
| বিদেশী বেংক | ১.২ | ২২৯ | ৫.৫ | ৩৭৭০ |
| সকলো বেংক | ৫৬.৭ | ২৫৪৭ | ১৬২.৪ | ৭৫২২৬ |

***১৯৯৬ত ঃ** অন্য সূচীবদ্ধ বাণিজ্যিক বেংক

**উৎস ঃ** ৰিজাৰ্ভ বেংক

**৬ নং তালিকা ঃ বাণিজ্যিক বেংকসমূহৰ বাকী ৰোৱা ঋণ**
**(বিলিয়ন টকা হিচাপত)**

| | ১৯৯৬ | | | | ২০১৬ | | | |
|---|---|---|---|---|---|---|---|---|
| | গ্ৰাম্য | অৰ্দ্ধ চহৰ | চহৰ | মেট্ৰো পলিটান | গ্ৰাম্য | অৰ্দ্ধ চহৰ | চহৰ | মেট্ৰো পলিটান |
| উত্তৰাঞ্চল | ৭৭ | ৫৩ | ৮৫ | ২৬১ | ১৭৭৪ | ১৯৯০ | ২৯৬৪ | ১০৫০২ |
| উত্তৰ-পূৰ্বাঞ্চল | ১২ | ৮ | ৮ | - | ১৮১ | ২৫২ | ২২০ | - |
| পূৰ্বাঞ্চল | ৫৯ | ৩৭ | ৪৬ | ১১৬ | ৮৬৬ | ৭১৪ | ১৩৫১ | ২৮৩৭ |
| কেন্দ্ৰীয় অঞ্চল | ৬৬ | ৫৮ | ৭১ | ৪৭ | ১৩৫২ | ১২২৬ | ২২৩১ | ১৭০৮ |
| পশ্চিমাঞ্চল | ৬৪ | ৫৭ | ৬০ | ৬৪৬ | ৯১৩ | ১৩৬৮ | ১৪১৪ | ২০৭০৩ |
| দক্ষিণাঞ্চল | ১০৯ | ১৫৫ | ১৭২ | ২৭৮ | ২২৭০ | ৩৮১৩ | ৪৭৮৪ | ৯৭৮৯ |
| সৰ্বভাৰতীয় | ৩৮৬ | ৩৬৯ | ৪৪৪ | ১৩৪৮ | ৭৩৫৮ | ৯৩৬৩ | ১২৯৬৬ | ৪৫৫৪০ |

**উৎস ঃ** ৰিজাৰ্ভ বেংক ঃ ষ্টেটিছটিকেল ৰিটাৰ্ণছ চিদিউলদ কমাৰ্চিয়েল বেংকছ ইন ইণ্ডিয়া

**৭ নং তালিকা ঃ কৃষি ঋণৰ ক্ষেত্ৰত লক্ষ্য আৰু সফলতা**
(বিলিয়ন টকা হিচাপত)

| বৰ্ষ | বাণিজ্যিক বেংক | | সমবায় বেংক | | আৰ আৰ বি | | মুঠ | |
|---|---|---|---|---|---|---|---|---|
| | লক্ষ্য | সফলতা | লক্ষ্য | সফলতা | লক্ষ্য | সফলতা | লক্ষ্য | সফলতা |
| ২০১৩-১৪ | ৪,৭৫০ | ৫,০৯০ | ১,২৫০ | ১,১৯৯ | ১,০০০ | ৮২৭ | ৭,০০০ | ৭,১১৬ |
| ২০১৬-১৭ | ৬,২৫০ | ৭,৯৯৮ | ১,৫০০ | ১,৪২৮ | ১,২৫০ | ১,২৩২ | ৯,০০০ | ১০,৬৫৮ |

***সাময়িক**

**উৎস ঃ** ৰিজাৰ্ভ বেংকৰ বাৰ্ষিক প্ৰতিবেদন

**নিৰ্বাচিত বিষয় আৰু পৰামৰ্শ**

বিত্তীয় ব্যৱস্থাৰ সৰ্বাত্মক দিশ সামৰি লোৱাৰ ক্ষেত্ৰত যিবোৰ সুৰুঙা পৰিলক্ষিত হয় তাক চালি-জাৰি চোৱাৰ প্ৰয়োজন। প্ৰথমত ঃ প্ৰতিবন্ধী লোক-সকলক এই বিত্তীয় ব্যৱস্থাৰে সামৰি লোৱা আৱশ্যক। এইসকল প্ৰতিবন্ধীৰ ভিতৰত সেই বয়স্ক সকলো আছে— যি দৃষ্টি আৰু শ্ৰৱণৰ দিশৰ পিনৰ পৰা বাধাপ্ৰাপ্ত, কিন্তু লকোমটৰ ব্যৱস্থাৰ জৰিয়তে তেওঁলোকক সেই সুবিধা প্ৰদান কৰা হোৱা নাই। সকলো ধৰণৰ প্ৰতিবন্ধীসকললৈ সুচল প্ৰৱেশ প্ৰদান কৰাৰ ৰিজাৰ্ভ বেংকৰ যি নিৰ্দেশ আছে সেয়া যথেষ্টভাৱে সাধন কৰা হোৱা নাই। অতি কম সংখ্যক এ টি এম আৰু বেংকৰ শাখাসমূহে প্ৰতিবন্ধীসকলক এনে সেৱা আগবঢ়োৱা দেখা যায়।

এই বিত্তীয় দিশৰ সৰ্বাত্মক ৰূপ প্ৰকাশ ব্যৱস্থাক অধিকভাৱে বিস্তৃত কৰাৰ সম্ভাৱনা আছে। কিন্তু কিছুমান প্ৰযুক্তিমূলক বিষয় আছে—যিবোৰে অনানুষ্ঠানিক বেংক ব্যৱস্থাৰ প্ৰতি গ্ৰাহকসকলৰ বিশ্বাসত নেতিবাচক প্ৰভাৱ পেলায়। তেনে বিষয়ৰ ভিতৰত উল্লেখযোগ্য হ'ল— যন্ত্ৰচালিত উপায়-সমূহৰ সঘন অচল অৱস্থা আৰু সংযোগ সাধনৰ ক্ষেত্ৰত আহি পৰা বাধা বা ত্ৰুটীসমূহ। হস্তচালিত উপায়সমূহত দেখা দিয়া সমস্যাৱলীয়ে বিত্তীয় অন্তৰ্ভুক্তি কৰণৰ কাৰ্যত বাধা হৈ থিয় দিয়ে। সেয়ে এনে কিছুমান সা-সুবিধাৰ প্ৰয়োজন— যিবোৰে গ্ৰাম্য জনগণক বিশ্বাস প্ৰদান কৰিব পাৰে আৰু তেনে উপায়সমূহৰ ভিতৰত বায়'মেট্ৰিক সমৰ্থিত তথা বহুভাষিক হস্তচালিত উপায়সমূহক উল্লেখ কৰিব পাৰি। প্ৰযুক্তিগত নতুন সৃষ্টিসমূহৰদ্বাৰাও বেংক ব্যৱস্থাৰ সুচলতা প্ৰদান কাৰ্য বৃদ্ধি কৰাত সহায়ক হ'ব পাৰে। তেনে সৃষ্টিসমূহ হ'ল যেনে—নগদ ধন উলিওৱা আৰু জমা কৰিব পৰা সমন্বিত মেচিন, নতুন একাউণ্ট খোলা তথা ঋণ আগবঢ়োৱা সুবিধাৰ অৰ্থে নথি-পত্ৰসমূহ চালি-জাৰি চোৱাৰ সুবিধা, প্ৰাপ্ত সুবিধাৰ অৰ্থে 'ভইচ কমাণ্ড' আৰু বিশ্লেষণ ইত্যাদি।

বিত্তীয় অন্তৰ্ভুক্তিকৰণৰ ক্ষেত্ৰত যিবোৰ বিষয় হাতত লোৱা হয়, সেই সম্পৰ্কেও বিবেচনা কৰাৰ আৱশ্যকতা আছে। গ্ৰাম্য ভাৰতত বাস কৰা লোকসকলৰ আৰ্থ-সামাজিক পটভূমিৰ ক্ষেত্ৰত যথেষ্ট প্ৰভেদ আছে আৰু সেয়ে বেংকে স্পৰ্শ নকৰা বিভিন্ন শ্ৰেণীৰ লোকৰ বাবে প্ৰস্তুত কৰা বিত্তীয় আঁচনিবোৰৰ ক্ষেত্ৰত শিথিলতা অৱলম্বন কৰাৰ প্ৰয়োজন। বহলাই ক'বলৈ গ'লে বাণিজ্যিক বেংকসমূহে আগবঢ়োৱা যি মান ব্যৱস্থা আছে সেয়া সমাজৰ বেতনভোগী শ্ৰেণীৰ লোকৰ বাবে প্ৰস্তুত কৰা যেনে—পৌনঃপুনিক জমা আঁচনি। এই আঁচনিখন গ্ৰাম্য অঞ্চলত কৃষি উৎপাদনৰ ওপৰত ভিত্তি কৰা উপাৰ্জনৰ লেখলৈ চাই সুকীয়া ধৰণে প্ৰস্তুত কৰাৰ আৱশ্যক হয়।

বিত্তীয় অন্তৰ্ভুক্তিকৰণৰ সন্দৰ্ভত যি বিকাশ সাধন কৰা হয় তাক পৰ্যবেক্ষণ কৰিবৰ বাবে এটা নিষ্ঠাৱান বিত্তীয় প্ৰতিষ্ঠানক দায়িত্ব অৰ্পণ কৰা আৱশ্যক।

**৮ নং তালিকা ঃ বেংকৰ দ্বাৰা বিত্তীয় অন্তৰ্ভুক্তিকৰণৰ অগ্ৰগতি (মাৰ্চত অন্ত পৰা বছৰটো)**

| বৰ্ষ | বি এছ বি ডি এ | | অ'দি | কেচিচি | জিচিচি | আইচিটি |
|---|---|---|---|---|---|---|
| | শাখা | বি চি | | | | |
| ধনৰাশি | | | | (বিলিয়ন টকা হিচাপত) | | |
| ২০১০ | ৪৪ | ১১ | ০.১ | ১,২৪০ | ৩৫ | ৭ |
| ২০১৪ | ২৭৩ | ৩৯ | ১৬ | ৩,৬৮৪ | ১,০৯৭ | ৫২৪ |
| ২০১৭ | ৬৯১ | ২৮৫ | ১৭ | ৫,৮০৫ | ২,১১৭ | ২,৬৫২ |
| আকাৰ | | | | (নিযুত) | | |
| ২০১০ | ৬০ | ১৩ | ০.২ | ২৪ | ১ | ২৭ |
| ২০১৪ | ১২৬ | ১১৭ | ৬ | ৪০ | ৭ | ৩২৯ |
| ২০১৭ | ২৫৪ | ২৮০ | ৯ | ৪৬ | ১৩ | ১,১৫৯ |

**টোকা ঃ** বি এছ বি ডি এ- বেছিক চেভিংছ বেংক ডিপোজিট একাউণ্ট, অ'ডি- অভাৰড্ৰাফ্‌ট, কে চি চি- কিষাণ ক্ৰেডিট কাৰ্ড, জি চি চি- জেনেৰেল ক্ৰেডিট কাৰ্ড, বি চি- বিজনেছ কৰেছপণ্ডেণ্ট, আই চি টি- ইনফৰ্মেচন এণ্ড কমিউনিকেচন টেক্‌ন'ল'জি

**উৎস ঃ** ৰিজাৰ্ভ বেংক

এই ক্ষেত্ৰত ক'বলৈ গ'লে বোধহয় নাবাৰ্ডেই (নেশ্বনেল বেংক ফৰ এগ্ৰিকালচাৰ এণ্ড ৰুৰেল ডেভেলপমেণ্ট) অতি উপযুক্ত প্ৰতিষ্ঠান— যাক গ্ৰাম্য অঞ্চলত বিত্তীয় অন্তৰ্ভুক্তিকৰণৰ কাম-কাজ আগুৱাই নিবৰ বাবে জবাবদিহি কৰিব পৰা যায়।

বিত্ত বিষয়ক শিক্ষা আহৰণ হ'ল এক প্ৰত্যাহ্বানৰ বিষয়, আৰু সেই বাবে বেংক কৰ্তৃপক্ষই সমাজৰ বিভিন্ন শ্ৰেণীৰ লোকক ঘাইকৈ গাঁওসমূহত স্পৰ্শ কৰিবৰ কাৰণে ভিন্ন কৌশল অৱলম্বন কৰে। গ্ৰাহকৰ সৈতে, বিশেষকৈ গঞা ৰাইজৰ সৈতে— তেওঁলোকৰ ধনৰাশি সঞ্চয়ৰ কামত খটুৱাৰ আগতে এক সম্পৰ্ক গঢ়ি তোলাৰ প্ৰয়োজন। বিত্ত বিষয়ক জ্ঞান দৃঢ় কৰিবৰ বাবে কিছুমান বেংকে বহুত প্ৰচেষ্টা কৰে। তেনে ধৰণৰ প্ৰচেষ্টাবোৰ হ'ল, যেনে— মহাবিদ্যালয় স্তৰত কুইজৰ আয়োজন, হাস্যৰসিক গ্ৰন্থ যুগুতাই উলিওৱা, মেজিক শ্বোৰ আয়োজন ইত্যাদি। বেংকে ঢুকি নোপোৱা লোকসকলৰ মাজত বিত্তীয় জ্ঞান প্ৰদান কৰিবৰ বাবে উচিত মান কিতাপ-পত্ৰ আৰু সামগ্ৰীৰ ব্যৱস্থা কৰা আৱশ্যক।

**সামৰণি**

পৰিশেষত এইটো কোৱা আৱশ্যক যে বাণিজ্যিক বেংক—বিশেষকৈ ৰাজহুৱা খণ্ডৰ বেংকসমূহে দেশখনত বিত্তীয় ব্যৱস্থাৰ সৰ্বাত্মক ৰূপ বহুলভাৱে প্ৰতিফলন কৰাত এটা গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। এয়া বিশেষকৈ গাঁও তথা অৰ্দ্ধ-চহৰীয়া অঞ্চলবোৰত প্ৰতিফলিত হোৱা দেখা গৈছে। বেংকসমূহৰ সফল পৰিব্যাপ্তি সাধন কাৰ্যক সম্প্ৰতি অন্যান্য বিত্তীয় উৎপাদন সামগ্ৰীৰ বাবে আন্তঃগাঁথনি সবল কৰিবৰ বাবে ব্যৱহাৰ কৰিবলৈ লোৱা হৈছে। তেনে সামগ্ৰী বা বিষয়সমূহৰ ক্ষেত্ৰত উল্লেখযোগ্য হ'ল বীমা আঁচনি আদি আৰু পেঞ্চন পুঁজি। ❐

---

**(২৫ পৃষ্ঠাৰ পৰা)**

(গ) ৰাষ্ট্ৰীয় ঘাইপথ সংযোগেৰে দেশৰ ৫৫০ খন জিলাক সামৰিব। বৰ্তমান ৩০০ খন জিলাতহে ৰাষ্ট্ৰীয় ঘাই-পথৰ সংযোগ আছে।

(ঘ) ঘাইপথ আৰু সংশ্লিষ্ট আন্তঃগাঁথনি উন্নীতকৰণ, কাৰ্যকৰীকৰণ আৰু চোৰা-চিতাকৰণকে ধৰি ৰাষ্ট্ৰীয় ঘাইপথত বিনিয়োগ আৰু নিৰ্মাণজনিত কাম-কাজৰ বৃহৎ সুযোগৰ সৃষ্টি কৰিব।

(ঙ) ভাৰতমালা প্ৰকল্পৰ ২৪,৮০০ কিলোমিটাৰ দৈৰ্ঘ্যৰ প্ৰথমছোৱাৰ কৰিড'ৰ নেটৱৰ্ক গঢ়ি তুলিব পাৰিলে নিৰ্মাণ চলি থকা অৱস্থাত নিযুক্তিৰ ক্ষেত্ৰত ৩৪ কোটি মানৰ দিৰসৰ সৃষ্টি কৰিব পৰা যাব আৰু অৰ্থনৈতিক কাম-কাজ বৃদ্ধিৰ যোগেদি অতিৰিক্ত ২.২ কোটি স্থায়ী চাকৰি পদৰ সৃষ্টি হ'ব। ❐

# ইন্দ্ৰধনুষ আঁচনিৰ জৰিয়তে ৰাজহুৱা খণ্ডৰ বেংক ব্যৱস্থাৰ পুনৰুজ্জীৱিতকৰণৰ প্ৰয়াস

**ডী এছ মালিক***

যোৱা দুমাহ কালত বিত্তীয় সেৱা খণ্ড উৎফুল্লিত হৈ উঠিছে চৰকাৰে ২.১১ লাখ কোটি টকাৰ এখন বিপুল মূলধন উজ্জীৱিতকৰণ আঁচনি ঘোষণা কৰাৰ লগে লগে। অহা দুবছৰ কালৰ ভিতৰত ৰাজহুৱা খণ্ডৰ বেংক-সমূহৰ কাৰণে এই আঁচনিখন ৰূপায়ণ কৰিবলৈ লোৱা হৈছে। ইয়াৰ বাবে 'ইনছ'লভেন্সি এণ্ড বেংক্ৰাপ্টচি ক'ৰ্ড' সংশোধন কৰা হয় আৰু ৰাজহুৱা খণ্ডৰ বেংকবোৰ একত্ৰীকৰণৰ ওপৰতো আলোকপাত কৰা হয়। এই বেংকবোৰৰ স্থিতি খৰতকীয়াকৈ সুদৃঢ় কৰিবৰ বাবে এক 'বিকল্প ব্যৱস্থা'ৰো দিহা কৰা হয়। ৰাজহুৱা খণ্ডৰ বেংকিং পদ্ধতি অধিক ভাল কৰিবৰ কাৰণে হঠাতে লোৱা প্ৰয়াস ৰূপে ভাবিব পাৰে; কিন্তু এনে ধৰণৰ প্ৰচেষ্টা গ্ৰহণ কৰিবৰ কাৰণে চৰকাৰে কৌশলাত্মকভাৱে পৰিকল্পনা কৰে আৰু তাৰেই সুফল এতিয়া দেখিবলৈ পোৱা গৈছে। বৰ্তমানৰ চৰকাৰখনে ২০১৪ চনত ক্ষমতাত অধিষ্ঠিত হোৱাৰপৰা ৰাজহুৱা খণ্ডৰ বেংকবোৰৰ ভূমিকা সন্দৰ্ভত তৰ্কৰ অৱতাৰণা কৰা হয়। ভাৰতীয় অৰ্থনীতিত সেই বেংকবোৰেই এটা গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে বাবেই এই বিষয়টোৱে আলোচনাত আগস্থান পায়। আন্তঃগাঁথনিমূলক বিত্ত প্ৰদানৰ ক্ষেত্ৰত ৰাজহুৱা খণ্ডৰ বেংকৰ অংশ ভাগ যথেষ্ট, কিন্তু যোৱা কেইবছৰমানত এনে বৰঙণি যোগোৱাত বেয়াকৈ বাধাপ্ৰাপ্ত হয়। তাৰ কাৰণ বহুতো কেইটামান উল্লেখযোগ্য হ'ল— অনুমোদন আৰু মাটি অধিগ্ৰহণত বিলম্ব আৰু গোলকীয় তথা ঘৰুৱা চাহিদা কম। ফলস্বৰূপে লাভৰ পৰিমাণো কম হয়। এনে ধৰণৰ প্ৰত্যাহ্বানবোৰ অতিক্ৰম কৰিবৰ কাৰণে চৰকাৰে ২০১৫ চনত এখন আঁচনি যুগুতাই উলিয়ায়। এই আঁচনিখন 'ইন্দ্ৰধনুষ আঁচনি'ৰূপে বেছ জনাজাত। ৰাজহুৱা খণ্ডৰ বেংকসমূহক পুনৰুজ্জীৱিত কৰি তুলিবৰ কাৰণে এই আঁচনিখন ২০১৫ চনৰ ১৪ আগষ্টত ৰাজধানী চহৰ নতুন দিল্লীত কেন্দ্ৰীয় চৰকাৰে ঘোষণা কৰে। ১৯৭০ চনত বেংক ৰাষ্ট্ৰীয়কৰণৰ পাছৰপৰা এই আঁচনিখন হ'ল চৰকাৰৰদ্বাৰা হাতত লোৱা এখন অন্যতম অতি বিক্ষিপ্ত সংস্কাৰ আঁচনি।

**নিযুক্তি ঃ** চৰকাৰে অধ্যক্ষ আৰু পৰিচালন সঞ্চালকৰ পদ সুকীয়া কৰিবলৈ থিৰাং কৰে। পাছত খালী পদবোৰ পূৰণ কৰোঁতে মুখ্য কাৰ্যবাহী বিষয়াক পৰিচালনসকলক তথা মুখ্য কাৰ্যবাহী বিষয়াৰ নামেৰে অধিষ্ঠিত কৰা হ'ব আৰু তাত আন এজন ব্যক্তিক ৰাজহুৱা খণ্ডৰ বেংকৰ নন্ এক্জিকিউটিভ অধ্যক্ষ ৰূপে নিযুক্তি দিয়া হ'ব।

**বেংকছ বোৰ্ড ব্যুৰো ঃ** এই ব্যুৰো প্ৰখ্যাত পেছাদাৰী আৰু বিষয়াবৰ্গৰে গঠিত এটা সংস্থা হ'ব— যি ৰাজহুৱা খণ্ডৰ বেংকৰ পূৰ্ণকালিন সঞ্চালক তথা অ-কাৰ্যবাহী অধ্যক্ষ নিযুক্তি বিষয়ক নিযুক্তি বোৰ্ডৰ ঠাইত অধিষ্ঠিত কৰিব। এই সংস্থাটোৱে সকলো ৰাজহুৱা খণ্ডৰ

**ইন্দ্ৰধনুষ আঁচনিৰ মূল দিশসমূহ ঃ**




*লিখক ডী এছ মালিক তথ্য আৰু অনাতাঁৰ মন্ত্ৰণালয়ৰ প্ৰেছ ইনফৰমেশ্বন ব্যুৰ'ৰ সঞ্চালক প্ৰধান।

বেংকসমূহৰ সঞ্চালকসকলৰ বোৰ্ডৰ স'তে বিকাশ আৰু বৃদ্ধি সাধনৰ বাবে উপযুক্ত কৌশলপন্থা তৈয়াৰ কৰাৰ ক্ষেত্ৰত সঘনে ন্যস্ত থাকিব।

**মূলধনী পুঁজি বৃদ্ধি ঃ**

সম্প্ৰতি ৰাজহুৱা খণ্ডৰ বেংকবোৰক পৰ্যাপ্তভাৱে মূলধনী পুঁজিৰে পুষ্ট কৰা হয় আৰু ৰিজাৰ্ভ বেংকৰ সকলো নিয়ম-নীতিও মানি চলা হয়। কিন্তু চৰকাৰে 'বেছেল-৩'ৰ যি ন্যূনতম বিধি আছে তাৰ অতিৰিক্ত তথা নিৰাপদ স্তৰত পুঁজিৰ গতি প্ৰৱাহ অটুট ৰাখিবৰ কাৰণে সকলো বেংককে উপযুক্তভাৱে সবল কৰিবলৈ বিচাৰে। ২০১৯ বিত্তীয় বৰ্ষলৈকে অহা চাৰি বছৰ কালৰ কাৰণে অতিৰিক্ত মূলধন পুঁজিৰ বাবে প্ৰয়োজনীয় পৰিমাণ প্ৰায় ১,৮০,০০০ কোটি টকা হোৱাৰ সম্ভাৱনা আছে। এই হিচাপ চলিত বৰ্ষৰ ১২ শতাংশ তথা পৰৱৰ্তী তিনি বছৰৰ ১২ ৰপৰা ১৫ শতাংশ ঋণ বৃদ্ধি হাৰৰ ওপৰত ভিত্তি কৰি কৰা হৈছে। অৱশ্যে বেংকৰ আকাৰ আৰু সেইবোৰৰ বৃদ্ধি সামৰ্থ্যৰ ওপৰত নিৰ্ভৰ কৰি সঠিক মাত্ৰা নিৰ্ণয় কৰা হ'ব। সৰ্বমুঠ প্ৰয়োজনীয় ধনৰাশিৰ ভিতৰত চৰকাৰে চাৰি বছৰ কালত যি বাজেট আবণ্টন কৰা হ'ব তাৰপৰা ৭০,০০০ কোটি টকা প্ৰাপ্ত কৰিবলৈ প্ৰস্তাৱ কৰে। তলত তাৰ পৰিসংখ্যা দিয়া হ'ল—

বিত্তীয় বৰ্ষ ২০১৫-১৬— ২৫,০০০কোটি টকা
বিত্তীয় বৰ্ষ ২০১৬-১৭— ২৫,০০০কোটি টকা
বিত্তীয় বৰ্ষ ২০১৭-১৮— ১০,০০০কোটি টকা
বিত্তীয় বৰ্ষ ২০১৮-১৯— ১০,০০০কোটি টকা

**ক) ৰাজহুৱা খণ্ডৰ বেংকৰ চাপ প্ৰশমন ঃ**

যোৱা কেইটামান দশকত আন্তঃ গাঁথনি খণ্ড আৰু মূল খণ্ডৰ যোজনা-সমূহে ৰাজহুৱা খণ্ডৰ বেংকবোৰৰপৰা অধিক পুঁজি লাভ কৰে। কিন্তু বহু কাৰণ হেতু এইবোৰ যোজনাৰ কাম-কাজ বাধাপ্ৰাপ্ত হয় অথবা চাপত পৰে। ফলস্বৰূপে বেংকসমূহৰ ওপৰত এন পী এৰ বোজাৰ পথ মুকলি কৰে। এটা শেহতীয়া পৰ্যালোচনাত বিদ্যুৎ, তীখা আৰু পথ খণ্ডত চাপ সৃষ্টি কৰা বিষয়বোৰ চালি-জাৰি চোৱা হয়। নিৰ্দিষ্ট খণ্ডৰ উদ্যোগ-প্ৰতিষ্ঠানৰ প্ৰতিনিধি-সকলৰ স'তে এই সন্দৰ্ভত আলোচনা কৰা হয়। আলোচনাৰ পাছত গ্ৰহণ কৰা কিছুমান কাৰ্যব্যৱস্থা হ'ল এনে ধৰণৰ ঃ

* যোজনা পৰ্যবেক্ষণ গোট আৰু সংশ্লিষ্ট মন্ত্ৰণালয়সমূহে অনুমতি প্ৰদান নকৰাকৈ পৰি থকা বিষয়বোৰৰ ক্ষেত্ৰত খৰতকীয়া ব্যৱস্থা গ্ৰহণ কৰিবৰ কাৰণে সংশ্লিষ্ট এজেন্সী-সমূহৰ স'তে আলচ কৰি পদক্ষেপ ল'ব।
* যোজনা ৰূপায়ণৰ ক্ষেত্ৰত যিবোৰ নীতি বিষয়ক সিদ্ধান্ত কাৰ্যকৰী কৰা হোৱা নাই সেইবোৰৰ কাম সংশ্লিষ্ট মন্ত্ৰণালয়/বিভাগসমূহে হাতত ল'ব।
* এইবোৰ যোজনাৰ বাবে ইন্ধনৰ দীৰ্ঘদিনীয়া প্ৰাপ্তি সমস্যা সমাধানাৰ্থে কয়লা/পীএনজী মন্ত্ৰণালয়ে নীতি উদ্ভাৱন কৰিব।
* খৰতকীয়া সংস্কাৰ সাধনৰ দিশত যিবোৰ বিষয় অন্তৰায় হয় অথবা অসুবিধাৰ সৃষ্টি কৰে তাক দূৰ কৰিবৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰা হয়।
* এইবোৰ যোজনাৰ ক্ষেত্ৰত গতি প্ৰদানৰ সমানুপাত হাৰ অৱনমিত হোৱা সমস্যা সমাধান কৰিবলৈ পৃষ্ঠপোষকতা কৰাসকলক অতিৰিক্ত ইকুইটীৰ যোগান ধৰিবলৈ কোৱা হ'ব। পৃষ্ঠপোষকতা কৰাসকলে এই প্ৰয়োজন পূৰণ কৰিবলৈ য'তেই অসমৰ্থ হয় বেংকসমূহে তাৰ ঠাইত নিৰ্ভৰ-যোগ্য বিকল্প অথবা পৰিচালনাৰ কাম হাতত লোৱাৰ বিষয়ে বিবেচনা কৰিব।
* কিছুমান উদ্যোগ— যাৰ স্থিতি বাস্তৱ ক্ষেত্ৰত গতিপ্ৰৱাহৰ ওপৰত নিৰ্ভৰশীল, তেনে উদ্যোগত কোনো বেয়া প্ৰভাৱ নেপেলোৱাকৈ অক্ষত অৱস্থাত থকা শুল্কৰ পৰিৱৰ্তন সাধন কৰাৰ বিষয়ে চৰকাৰৰদ্বাৰা বিবেচনা কৰা হ'ব। তীখাৰ ওপৰত আমদানি শুল্ক বৃদ্ধি কৰাৰ সিদ্ধান্ত ইতিমধ্যে লোৱা হৈছে।
* বেংকসমূহে বৰ্তমানে থকা ঋণ ব্যৱস্থাৰ পুনৰগাঁথনিৰ বাবে সম্ভাব্য স্থিতিত অধিক শিথিল কৰাৰ প্ৰস্তাৱৰ বিষয়ে বিবেচনা কৰিবলৈ ৰিজাৰ্ভ বেংকক অনুৰোধ কৰা হৈছে।

**খ) আশংকা নিয়ন্ত্ৰণ ব্যৱস্থা শক্তিশালী কৰা আৰু এন পী এৰ ঘোষণা ঃ**

ডী আৰ টী তথা এছ এ আৰ এফ এ এছ আই কাৰ্য ব্যৱস্থাৰ অধীনত পুনৰুদ্ধাৰ প্ৰয়াস কৰাৰ উপৰি এন পী এৰ বিষয়বোৰ সমাধান কৰিবৰ বাবে তলত উল্লেখ কৰা অতিৰিক্ত পদক্ষেপ-সমূহ গ্ৰহণ কৰা হৈছে—

* ৰিজাৰ্ভ বেংকে ২০১৪ চনত বিত্তীয় মন্দা অৱস্থাৰ বিষয়ে আগতীয়াকৈ চিহ্নিত কৰি তাৰ আশু সমাধানৰ অৰ্থে পদক্ষেপ গ্ৰহণ কৰাৰ ক্ষেত্ৰত নীতি-নিৰ্দেৰ্শনা আগবঢ়ায়। অৰ্থ ব্যৱস্থাত বিপদাপন্ন অৱস্থাত থকা সম্পদসমূহক প্ৰাণ সঞ্চাৰ সক্ষম কৰিবৰ কাৰণে পৰিকাঠামো তৈয়াৰ কৰা সম্পৰ্কে

পৰামৰ্শ আগবঢ়ায়। ঋণ প্ৰদান কৰোঁতাসকলৰ বাবে পুনৰুদ্ধাৰ কৰাৰ ক্ষেত্ৰতো সঠিক পদক্ষেপ গ্ৰহণত গুৰুত্ব আৰোপ কৰে।

* ৰিজাৰ্ভ বেংকে এতিয়া নতুন শ্ৰেণীৰ ঋণ লওঁতাৰ বিষয়ে ব্যক্ত কৰিছে। তেনে ঋণ লওঁতাক কোৱা হয় 'নন্ কোঅ'পাৰেটিভ ঋণ লওঁতা'। এনে ঋণ লওঁতাসকলৰ ক্ষেত্ৰত অধিক ব্যৱস্থা গ্ৰহণ কৰাৰ আৱশ্যক হয়।
* **এছেট ৰি-কনষ্ট্ৰাকচন কোম্পানীজ (এ আৰ চি) ঃ** ৰিজাৰ্ভ বেংকে এনে কোম্পানীবোৰৰ বাবে বিধি-ব্যৱস্থা কঠোৰ কৰিছে। চিকিউৰিটি প্ৰাপ্তি-ৰাশিৰ ক্ষেত্ৰত ন্যূনতম বিনিয়োগৰ হাৰ পূৰ্বতে ৫ শতাংশ আছিল, কিন্তু এতিয়া এই হাৰ ১৫ শতাংশ হ'ব। এই পদক্ষেপ গ্ৰহণৰ ফলত তেনে কোম্পানীবোৰে সম্পদ ক্ৰয় কৰাৰ ক্ষেত্ৰত এ আৰ চিৰ নগদ ধন লগ্নীৰ পৰিমাণ বৃদ্ধি হ'ব। এনে বৃদ্ধিৰ ফলত বেংকবোৰে নিজৰ হিচাপ-নিকাচ প্ৰতিবেদন পৰিষ্কাৰ কৰিবলৈ বেছ উৎসাহ-উদগনি পাব।

**নতুন ঋণ পুনৰুদ্ধাৰ ট্ৰাইবুনেল প্ৰতিষ্ঠা ঃ** কেন্দ্ৰীয় চৰকাৰে ছখন নতুন ঋণ পুনৰুদ্ধাৰ ট্ৰাইবুনেল প্ৰতিষ্ঠা কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে। বেংক খণ্ডৰ বেয়া ঋণৰাশি পুনৰুদ্ধাৰৰ কাম খৰতকীয়া কৰাই হ'ল ইয়াৰ উদ্দেশ্য। উক্ত ট্ৰাইবুনেলসমূহ চণ্ডীগড়, বেংগালুৰু, এৰ্নাকুলম, ডেৰাদুন, শিলিগুৰি আৰু হায়দৰাবাদত অৱস্থিত।

**সবলীকৰণ ঃ** চৰকাৰে এখন চাৰ্কুলাৰ জাৰি কৰে যে চৰকাৰৰ ফালৰপৰা কোনো হস্তক্ষেপ কৰা নহ'ব আৰু বাণিজ্যিক স্বাৰ্থৰ বিষয়টোলৈ মনত ৰাখি বেংকসমূহক স্বতন্ত্ৰীয়ভাৱে নিজৰ সিদ্ধান্ত গ্ৰহণ কৰিবলৈ উৎসাহিত কৰা হ'ব।

**উত্তৰদায়িতাৰ পৰিকাঠামো**

* ৰাজহুৱা খণ্ডৰ বেংকবোৰৰ কাম-কাজ এটা নতুন পৰিকাঠামোৰ জৰিয়তে মাপ কৰা হ'ব। সেই পৰিকাঠামো হ'ল 'কী পাৰফৰ্মেঞ্চ ইণ্ডিকেটৰছ'।
* প্ৰৱঞ্চনামূলক কাৰ্যৰ গোচৰ চী বী আইৰ ওচৰত দাখিল কৰিবৰ কাৰণে ৰাজহুৱা খণ্ডৰ বেংকবোৰক কঠোৰ সময়সীমা বান্ধি বিত্ত মন্ত্ৰণালয়ৰ বিত্ত সেৱা বিভাগে এখন চাৰ্কুলাৰ জাৰি কৰে আৰু তাৰ লগতে তেনে প্ৰতিটো কাৰ্যকেই প্ৰায় দৈনন্দিন ভিত্তিত পৰ্যালোচনা কৰিবলৈও কোৱা হৈছে।
* বৃহৎ প্ৰৱঞ্চনামূলক কাৰ্যৰ বাবে— য'ত কৰ্মচাৰী আদিৰো হাত থাকিব পাৰে তেনে ক্ষেত্ৰত শীঘ্ৰে কাৰ্য-ব্যৱস্থা গ্ৰহণ কৰিবৰ বাবে সতৰ্কতা প্ৰক্ৰিয়া সু-নিয়াৰি কৰা সম্বন্ধে ৰিজাৰ্ভ বেংকে ২০১৫ চনৰ মে'ত নীতি-নিৰ্দেশনা জাৰি কৰে। ঋণ প্ৰদানৰ ক্ষেত্ৰত জালিয়াতি কৰা কাৰ্যৰ সঠিক ব্যৱস্থা গ্ৰহণ কৰিবৰ অৰ্থে পৰিকাঠামো সু-নিয়াৰি কৰাৰ ক্ষেত্ৰতো গুৰুত্ব আৰোপ কৰে।

**প্ৰশাসনৰ সংস্কাৰ**

প্ৰশাসন সংস্কাৰৰ প্ৰক্ৰিয়া 'জ্ঞানসংগম' বৈঠকত আৰম্ভ হয়। ২০১৫ চনৰ প্ৰাৰম্ভিক কালতেই ৰাজহুৱা খণ্ডৰ বেংক তথা বিত্তীয় প্ৰতিষ্ঠানসমূহৰ এই বৈঠক পুণেত অনুষ্ঠিত হয়। বৈঠকত গভৰ্ণৰ ৰিজাৰ্ভ বেংক আৰু সকলো ৰাজহুৱা খণ্ডৰ বেংক তথা বিত্তীয় প্ৰতিষ্ঠানসমূহৰ মুখ্য পৰিচালন সঞ্চালক-সকলকে ধৰি ইয়াৰ স'তে জড়িত থকা সকলো অনুষ্ঠান-প্ৰতিষ্ঠানৰ প্ৰতিনিধিবৰ্গ উপস্থিত আছিল। প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদী, বিত্ত মন্ত্ৰী অৰুণ জেইটলী আৰু তেতিয়াৰ বিত্ত ৰাজ্য মন্ত্ৰী জয়ন্ত সিন্হাই অংশ গ্ৰহণকাৰী প্ৰতিনিধিবৰ্গৰ আগত ভাষণ দিছিল আৰু তেওঁলোকৰ বিষয়বোৰ বুজিবলৈ তথা সমাধান কৰিবৰ কাৰণে ভাব বিনিময় কৰিছিল। প্ৰধান মন্ত্ৰীয়ে চৰকাৰৰ সামগ্ৰিক দৃষ্টিভংগীৰ বিষয়ে তেওঁলোকৰ আগত দাঙি ধৰে— যাতে বিত্তীয় স্বতন্ত্ৰতাকে ধৰি বেংকৰ কাৰ্য পদ্ধতি উন্নত কৰিব পৰা যায় আৰু লগতে বেংকবোৰৰ দৈনন্দিন বাণিজ্যিক কাম-কাজত চৰকাৰৰ তৰফৰপৰা কোনো হস্তক্ষেপ কৰা নহয়, সেই বিষয়েও তেওঁ আশ্বাস প্ৰদান কৰে। লগতে তেওঁ এই বুলিও কয় যে এইবোৰ কাম-কাজ উত্তৰদায়ীসহ হ'ব লাগে আৰু তেওঁলোকৰপৰা আটায়ে সেইটোকে আশা কৰে। 'জ্ঞানসংগম' বৈঠকত অনুমোদন জনোৱা বিষয়বোৰৰ ভিতৰত 'আশংকা ব্যৱস্থাপনা'ৰ অভ্যাসৰাজিক শক্তিশালী কৰা বিষয়কো সামৰি লোৱা হয়। 'এইচ আৰ মেনেজমেণ্ট' অভ্যাস-ৰাজি উন্নীতকৰণৰ ওপৰত আলোকপাত কৰা হয় আৰু বাধা বিঘিনি দূৰ কৰাৰ বিষয়ে গুৰুত্ব দিয়া হয়— যাতে বেংক-সমূহে উমৈহতীয়া সম্পদৰাজিক ব্যৱহাৰ কৰি মিলি-জুলি কাম কৰিব পাৰে। বেংকৰ বোৰ্ডসমূহকো সবল কৰিবৰ বাবে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰা হয়।

যোৱা এবছৰ কালত বেংক সংস্কাৰ সাধন কৰা ব্যৱস্থা অনুযায়ী কিছুমান বৃহৎ পৰিৱৰ্তনমূলক কাৰ্য ৰূপায়ণ কৰা হয় ঃ

**ঋণদাতাৰ দাবী পূৰণৰ অসমৰ্থতা আৰু দেউলীয়া বিধিৰ একীকৰণ ঃ** এই বিধি ২০১৬ চনৰ ২৮ মে'ত প্ৰণয়ন কৰা

হয়। ইয়াৰ লক্ষ্য হ'ল কোম্পানীসমূহৰ অসমৰ্থতা, সীমিত ঋণৰ লেঠা তথা অসীমিত ঋণৰ অংশীদাৰিতা আৰু ব্যক্তিসকলৰ বোজাৰ সন্দৰ্ভত যিবোৰ আইন আছে সেইবোৰ একক আইনত পৰিণত কৰাটো। অলপতে ঋণ লেন-দেনৰ ক্ষেত্ৰত অসমৰ্থ হোৱাসকলক চাপত থকা নিজ সম্পত্তিৰ কাৰণে পুনৰ ঋণ লাভ কৰিবলৈ প্ৰয়াস কৰা বাসনাক নস্যাৎ কৰিবৰ কাৰণে 'আই বী চী'ত সংশোধন কৰা হয়।

**ৰাজহুৱা খণ্ডৰ বেংকৰ পুনৰ মূলধনী ব্যৱস্থা ঃ** ঋণ বৃদ্ধি আৰু চাকৰি সৃষ্টি কাৰ্যক উৎসাহিত কৰিবৰ বাবে চৰকাৰে ৰাজহুৱা খণ্ডৰ বেংকবোৰক পুনৰ পুঁজি প্ৰদান কৰি শক্তিশালী কৰিব বিচাৰিছে। ইয়াৰ বাবে পুঁজি সংগ্ৰহৰ ক্ষেত্ৰত চলিত বৰ্ষত সৰ্বাধিক আবণ্টন পৰিমাণ প্ৰায় ২,১১,০০০ কোটি টকা কৰিবলৈ লোৱা হয় আৰু এই গতি অহা দুটা বছৰলৈকে অব্যাহত থাকিব। সেই আবণ্টন ৰাশিৰ উৎস হ'ল— ১৮,১৩৯ কোটি টকাৰ বাজেট ব্যৱস্থা ১,৩৫,০০০ কোটি টকাৰ পুনৰ মূলধনী পুঁজিৰ খণ্ড আৰু বাকীখিনি বেংকসমূহে বজাৰৰপৰা পুঁজি তুলি পূৰ্ণ কৰিব। লগতে চৰকাৰৰ ইকুইটী পৰিমাণো হ্ৰাস কৰিব। ঋণ বৃদ্ধি আৰু চাকৰি সৃষ্টি কৰা কাৰ্যক সমৰ্থন প্ৰদান কৰিবৰ কাৰণেই এনে কৰা হৈছে।

**বেংকসমূহক সুদৃঢ় কৰা ঃ** যোৱা দুবছৰ কালত সুদৃঢ়কৰণৰ প্ৰয়াস কাৰ্য ৰিজাৰ্ভ বেংকৰ কাৰ্যক্ৰমণিকাৰ বিষয় হৈ থাকিলেও বেংক খণ্ডত তেনে ধৰণে বৈশিষ্ট্যপূৰ্ণভাৱে চামিলকৰণ কৰা হোৱা নাই। মাত্ৰ ষ্টেট বেংকৰ সহযোগী বেংক-সমূহ আৰু ভাৰতীয় মহিলা বেংককহে ষ্টেট বেংকৰ স'তে চামিল কৰা হয়। সুদৃঢ়কৰণ কাৰ্য ব্যক্তিগত খণ্ড আৰু বিশেষকৈ ষ্টেট বেংকৰ সহযোগী বেংক-সমূহৰ মাজত ঘাইকৈ সীমাবদ্ধ আছে। ৰিজাৰ্ভ বেংকৰ গভৰ্ণৰ ড° উৰজিৎ পেটেলে কয় যে ভাৰতীয় বেংক পদ্ধতিক ভাল কৰিব পৰা যাব যদিহে কিছুমান ৰাজহুৱা খণ্ডৰ বেংকে ভাল প্ৰতিষ্ঠানৰ স'তে লেনদেন সম্পৰ্ক সুদৃঢ় কৰে; কাৰণ তেনে ব্যৱস্থাই চাপত থকা সম্পত্তিৰ সমস্যা সমাধান কৰাত সহায় কৰিব।

ইতিমধ্যে কেন্দ্ৰীয় চৰকাৰে ৰাজহুৱা খণ্ডৰ বেংকসমূহৰ সুদৃঢ়কৰণৰ অৰ্থে বিত্ত আৰু কৰ্পোৰেট পৰিক্ৰমা মন্ত্ৰী অৰুণ জেইটলীৰ অধ্যক্ষতাত বিকল্প ব্যৱস্থা গ্ৰহণ কৰিবলৈ এই পেনেল গঠন কৰে। সেই পেনেল হ'ব এনে ধৰণৰ—

**অধ্যক্ষ ঃ** অৰুণ জেইটলী, বিত্ত আৰু কৰ্পোৰেট পৰিক্ৰমা মন্ত্ৰী

**সদস্য ঃ** পীযুষ গোৱেল, ৰে'লৱে আৰু কয়লা মন্ত্ৰী

**সদস্য ঃ** নিৰ্মলা সীতাৰমণ, প্ৰতিৰক্ষা মন্ত্ৰী।

একত্ৰীকৰণৰ আঁচনি তৈয়াৰ কৰিবলৈ মূলতঃ অনুমোদনাৰ্থে বেংক-সমূহৰপৰা যিবোৰ প্ৰস্তাৱ লাভ কৰা হ'ব, সেইবোৰ উল্লিখিত বিকল্প পেনেলৰ আগত উপস্থাপন কৰা হ'ব। পেনেলে সন্মতি দান কৰা প্ৰস্তাৱসমূহৰ সন্দৰ্ভত তৈয়াৰী এখন প্ৰতিবেদন প্ৰত্যেক তিনি মাহৰ মূৰে মূৰে কেবিনেটলৈ প্ৰেৰণ কৰা হ'ব। উক্ত পেনেলে একত্ৰীকৰণৰ প্ৰস্তাৱবোৰ পৰীক্ষা কৰিবলৈ বেংক-সমূহকো নিৰ্দেশ দিব পাৰে। মুটামুটি হিচাপত অনুমোদন জনোৱাৰ পূৰ্বে পেনেলে ৰিজাৰ্ভ বেংকৰপৰা যুক্তি-যুক্ততাৰ তথ্য সম্ভাৰ লাভ কৰিব। একত্ৰী-কৰণৰ প্ৰস্তাৱ চালি জাৰি চাবৰ কাৰণে পেনেলে নিজৰ নীতি প্ৰয়োগ কৰিব আৰু ৰাষ্ট্ৰীয়কৰণ আইনৰ [বেংকিং কোম্পানীজ (একুইজিচন এণ্ড ট্ৰেন্সফাৰ অব্ আণ্ডাৰটেকিং) এক্টছ্, ১৯৭০ এণ্ড ১৯৮০] সামগ্ৰিক লক্ষ্যৰ-দ্বাৰা পৰিচালিত হ'ব।

তৈয়াৰী চূড়ান্ত আঁচনিসমূহ কেন্দ্ৰীয় চৰকাৰে অনুমোদন জনাব আৰু ইয়াক সংসদৰ উভয় সদনতে উপস্থাপন কৰা হ'ব। বিকল্প ব্যৱস্থা পেনেলৰ উদ্দেশ্যে সেৱা প্ৰদান কৰিব বিত্তীয় সেৱা বিভাগে।

ওপৰত উল্লিখিত বিষয়বোৰৰ উপৰি কেন্দ্ৰীয় চৰকাৰে 'ইন্দ্ৰধনুষ-২.০' আঁচনি নিকট ভৱিষ্যতত হাতত ল'বলৈ পৰিকল্পনা কৰিছে। এয়া হ'ল এনে বিক্ষিপ্ত আঁচনি যাৰদ্বাৰাই ৰাজহুৱা খণ্ডৰ ঋণদাতাসকলৰ পুনৰ পুঁজিকৰণ ক্ষমতা গঢ়ি তুলিব— যিটোৱে সেই ঋণদাতা-সকলক আত্মনিৰ্ভৰশীল কৰি তোলাটো নিশ্চিত কৰিব আৰু লগতে গোলকীয় পুঁজি পৰ্যাপ্ত বিধিৰ (বেছেল-৩) স'তে পূৰ্ণভাৱে খাপ খাই পৰিব। অৱশ্যে এই 'ইন্দ্ৰধনুষ-২.০' তেতিয়াহে চূড়ান্ত কৰা হ'ব, যেতিয়া ৰিজাৰ্ভ বেংক অব্ ইণ্ডিয়াই গুণগত সম্পদ পৰ্যালোচনাৰ (এছেট কুৱালিটি ৰিভিউ) বিশ্লেষণ সবিশেষভাৱে দাঙি ধৰিব। সংখ্যাৰ বিষয়টো পুনৰ অৱলোকন কৰিবলৈ লোৱা হৈছে আৰু ৰাজহুৱা খণ্ডৰ বেংকবোৰৰ পুঁজিকৰণৰ এটা পুনৰবৰ্দ্ধিত কাৰ্যসূচী 'ইন্দ্ৰধনুষ-২'ৰ অংশ ৰূপে জাৰি কৰা হ'ব। ❐

# বেংক উদ্যোগত বৃহৎ তথ্যৰ বিশ্লেষণ

**চতুৰ্ভুজ বাৰিক***
**শ্ৰীকান্ত শৰ্মা***

যদি আমি ৯০ দশকলৈ উভতি চাওঁ, তেন্তে গৱেষণা প্ৰণালীৰ জৰিয়তে দৈনিক কিমান কেলৰি গ্ৰহণ কৰিব পাৰোঁ তাৰ মান দৈনন্দিন জীৱনত গ্ৰহণ কৰা পদক্ষেপৰদ্বাৰা নিৰ্দ্ধাৰণ কৰিব পৰা গৈছিল। এইদৰে প্ৰত্যেক বিষয়কে দৈনিক বিশ্লেষণ কৰি এটা শুদ্ধ সিদ্ধান্তত উপনীত হ'ব পাৰোঁ। কিন্তু ২০১৭ চনত ম'বাইল ব্যৱহাৰৰ যোগেদি আমাৰ চলন-ফুৰণ, কেলৰি খৰচ নিৰ্দ্ধাৰণ কৰি আৰু তাৰ বিশ্লেষণৰ যোগেদি শুদ্ধ সিদ্ধান্ত ল'ব পাৰোঁ। গতিকে এই কেইবছৰত যি পৰিৱৰ্তন আহিছে, য'ত বিজ্ঞানে একেধৰণৰ সহায় কৰে তাত আমি অধিক তথ্য সংগ্ৰহ কৰি বিস্তৃতভাৱে বিশ্লেষণ কৰিব পাৰোঁ। ইয়াকেই প্ৰযুক্তিগতভাৱে Big Data অথবা বৃহৎ তথ্য বুলি চিহ্নিত হয়। এই ক্ষেত্ৰত দুটা বিষয়ে বৃহৎ তথ্য বিপ্লৱত ইন্ধন যোগাইছে—আমি যি কোনো তথ্য অধিক সংগ্ৰহ কৰিব পাৰোঁ আৰু ইয়াৰ বিস্তৃত পৰ্যালোচনা কৰিব পাৰোঁ। গ্ৰাহকৰ আচৰণ আৰু পচন্দক অধিক বুজিবৰ বাবে বৃহৎ তথ্যৰ ব্যৱহাৰ প্ৰয়োজন। কোম্পানীবোৰে তেওঁলোকৰ পৰম্পৰাগত ছ'চিয়েল মিডিয়া, ব্ৰাউজাৰ সহিতে পুথি বিশ্লেষণ, সংবেদক তথ্য অধিক পৰিমাণে গ্ৰাহকক দিব বিচাৰে। বৃহৎ তথ্য বিশ্লেষণ হৈছে বিভিন্ন তথ্য-সমূহৰ পৰীক্ষণ-নিৰীক্ষণ উদ্‌ঘাটন কৰা উদাহৰণ স্বৰূপে বৃহৎ তথ্যই সুপ্ত হৈ থকা পৰিপূৰক সম্পৰ্ক। বজাৰ ধাৰা, গ্ৰাহকৰ পছন্দ আৰু আন আন প্ৰয়োজনীয় খবৰ সমূহ— যিবোৰে অধিক তথ্য সমৃদ্ধ ব্যৱসায়িক সিদ্ধান্ত লোৱাত সহায় কৰে। বিভিন্ন বৃহৎ কোম্পানী অথবা সংগঠন বিলাকত বৃহৎ তথ্য অনুশীলনে উন্নয়ন সম্ভৱ কৰিব যেনে ৱালমাৰ্ট (Walmart), নেটফ্লিংকছ্, (Netflix), মাইক্ৰ'চফ্‌ট (Microsaft), ৰয়েল বেংক অৱ স্কটলেণ্ড ইউ এছ এ গভট (Royal Bank of Scotland USA govt) ইত্যাদি। অতি সাম্প্ৰতিক সময়ত ইউ এছ এ আৰু ভাৰতৰ নিৰ্বাচনত ইয়াৰ যথা-যোগ্যতা প্ৰমাণ হৈছে। ভাৰত আৰু ইউ এছ এ-ৰ নিৰ্বাচনে ইয়াৰ প্ৰাপ্তি আৰু প্ৰতিষ্ঠা প্ৰমাণ কৰিলে।

**বৃহৎ তথ্য কেনেকৈ/কেনেদৰে ব্যৱহৃত হয়**

তলত দিয়া বিষয় সমূহত বৃহৎ তথ্যই সৰ্বোত্তম সুবিধা সৃষ্টি কৰিছে। উদাহৰণ স্বৰূপে ঃ

১। গ্ৰাহকক বুজি পোৱা আৰু দৃষ্টি ৰখা।
২। ব্যৱসায়িক প্ৰণালীক বোধগম্য কৰা আৰু বিশাল কৰা।
৩। স্বাস্থ্য আৰু জনস্বাস্থ্যৰ উন্নীতকৰণ।
৪। বিজ্ঞান আৰু গৱেষণাৰ উন্নয়ন।
৫। দেশ আৰু মহানগৰসমূহক সুবিধা-যুক্ত আৰু উন্নীতকৰণ।
৬। সুৰক্ষা আৰু আইনৰ প্ৰয়োগ উন্নীতকৰণ।

**আমাৰ দৈনন্দিন জীৱনত বৃহৎ তথ্যৰ যথাৰ্থতা**

বৃহৎ তথ্যই আমাৰ ডিজিটেল জীৱন আৰু আমাক বিভিন্ন ধৰণে প্ৰভাৱান্বিত কৰিছে। এবাৰ যদি আমি ইণ্টাৰনেটৰ যোগেদি বিশ্বৰ লগত সহযোগ কৰিব পাৰোঁ, তেন্তে বিভিন্ন ৱেবছাইটৰ যোগেদি তথ্য সংগ্ৰহ কৰিব পাৰোঁ। আমি যদি ভালধৰণে লক্ষ্য কৰোঁ তেন্তে আমি এটা ই-মেইল-নাইবা ব্যক্তিগত বিজ্ঞাপন ফেইচবুকত পাওঁ যদিহে তেনেধৰণৰ সামগ্ৰী আমি আমাজনত তাত উল্লিখিত ভিন্ন দাম অনুসন্ধান কৰোঁ। এয়া ইণ্টাৰনেটত আপোনাৰ আচৰণ নিৰীক্ষণ কৰি গ্ৰাহক বঢ়োৱাৰ বাহিৰে আন একো নহয়। গতিকে ২০২০ চনত এই ডিজিটেল বিপ্লৱৰ জৰিয়তে প্ৰতিজন মানুহৰ কাৰণে ১.৭ এম বী তথ্য প্ৰস্তুত কৰা আশা কৰা হৈছে। এই তথ্য কেৱল ফেইচবুক বা ৱাটছএপৰ পৰা অহা নাই; কিন্তু আহিছে সকলো সংবেদক যেনে ফোনত থকা জী পী এছ, আমি আপলোড্ আৰু ডাউনলোড কৰা লক্ষ লক্ষ ফটো ইত্যাদিৰে। ভাৰতত সকলোবোৰ আধাৰ কাৰ্ড সংযোগী কৰণে তথ্য সংক্ষিপ্ত কৰণৰ লগতে গ্ৰাহকক লক্ষ্য কৰি লোৱা হৈছে।

***লিখক চতুৰ্ভুজ বাৰিক বেংকাৰ আৰু শ্ৰীকান্ত শৰ্মা স্কুল অৱ এণ্ট্ৰিপ্ৰেনিয়ৰশ্বিপ এণ্ড এক্সটেনশ্বন (এছ ই ই) নেশ্বনেল ইন্সটিটিউট ফৰ্ মাইক্ৰ', স্মল এণ্ড মিডিয়াম এণ্টাৰপ্ৰাইজ-ৰ এছ'ছিয়েট ফেকাল্টি।**

**বেংক ব্যৱস্থাত ভাৰতীয় দৃষ্টিপাত**

ক'ৰ বেংকিং আগমনৰ আগতে নৱৈ দশকত বেংক সমূহে পৰিচালক আৰু শাখা কৰ্মচাৰীৰ যোগেদি তেওঁলোকৰ গ্ৰাহকসকলক ব্যক্তিগতভাৱে জানিছিল। তেওঁলোকে জানিছিল গ্ৰাহক কোন, পৰিয়াল কি আৰু কি কৰিব বিচাৰে। ক'ৰ বেংকিঙৰ আৰু খুচুৰা ব্যৱসায়ৰ গুৰুত্ব পৰৱৰ্তী সময়ত আমি সেই অন্তৰ্দৃষ্টি হেৰুৱালোঁ। আগতে আমি গ্ৰাহকৰ প্ৰত্যাশ্যা পূৰণ কৰিছিলোঁ আৰু এতিয়া 'দুৱাৰৰ বাহিৰৰ উৎপাদন'ত গুৰুত্ব দিছোঁ। এই পৰিৱৰ্তনৰ সময়ত বেংক ব্যৱস্থাৰ পুৰণা নীতিলৈ ঘূৰি যাব লাগিব। এই ব্যৱস্থাক 'পৰিচয় সূচক' অথবা 'Identinomics' বুলিব পাৰি। য'ত গ্ৰাহকৰ প্ৰয়োজন আগতীয়াকৈ জানিব লাগে আৰু পুছিং বিক্ৰীৰ পৰিৱৰ্তে, গ্ৰাহকৰ প্ৰয়োজন অনুসৰি বিক্ৰী কৰিব পাৰি। বৃহৎ তথ্যৰ যোগেদি বৃহৎ কৰ কাৰ্যকৰী কৰিব পাৰি। অন্য উদ্যোগতকৈ বেংকত জৈৱিকভাৱে অধিক তথ্য থাকে, কিন্তু এতিয়াও ইয়াৰ ব্যৱহাৰৰ আৰম্ভ হোৱা নাই। গ্ৰাহক সম্বন্ধীয় তথ্যৰে অন্য উদ্যোগতকৈ আমি বেছি সামগ্ৰী বিক্ৰী কৰিব পাৰোঁ।

বৰ্তমান আনি তথ্য সংকটত ভুগিছোঁ, কাৰণ অনুক্ৰমিক হিচাপ আৰু কৰ্মচাৰীৰ মনোবৃত্তিৰ বাবে শুদ্ধ তথ্য ৰাখিব পৰা নাই, যাৰ কাৰণে যাত্ৰা কষ্টকৰ হৈছে। গতিকে বৃহৎ তথ্যৰ প্ৰয়োগৰ বাবে নিম্ন উল্লিখিত প্ৰক্ৰিয়া অনুসৰণ কৰিব লাগিব—

১। তথ্য সংগ্ৰহ
২। তথ্য সংৰক্ষণ
৩। তথ্য বিশ্লেষণ
৪। তথ্য প্ৰযোজ্যতা।

সঠিক ৰূপায়ণক বুজিবৰ বাবে তথ্য সমূহক দুটা গোট/শ্ৰেণীত বিভক্ত কৰা হৈছে— প্ৰথম ভাগত পূৰ্বস্থিত গ্ৰাহকক বিশ্লেষণ আৰু আনটো ভাগত সু-ভৱিষ্যতৰ গ্ৰাহকসকল।

**অৱস্থিত গ্ৰাহক** (Existing Customer)

**তথ্য সংগ্ৰহ ঃ** তথ্য সংগ্ৰহৰ বিভিন্ন সূত্ৰৰ সৃষ্টি কৰা হয়। যেনে—

১। শাখা সমূহ, ২। এপছ্ বেংকিং ৩। ইণ্টাৰনেট বেংকিং ৪। এছ এম এছ আৰু 'ই মেইল ৫। ঋণ নিৰ্দ্ধাৰণ আৰু ঋণ সম্পৰ্কীয় তথ্যৰ কোম্পানী সমূহ।

১। **শাখা সমূহ ঃ** আটাইতকৈ ডাঙৰ সুবিধা হ'ল সমগ্ৰ উপমহাদেশত শাখাৰ বিস্তাৰণ। সঠিক ব্যক্তিৰ নিয়োগৰ যোগেদি তথ্য সংগ্ৰহৰ সংস্কাৰ আনিব লাগে।

২। **এপছ্ বেংকিং আৰু ইণ্টাৰনেট্ বেংকিং ঃ** আমাৰ কাৰণে এইটো এটা ডাঙৰ সুবিধা। কাৰণ এই গ্ৰাহকসকলক ইতিমধ্যে সুবিধা দিয়া হৈছে। আমাৰ এপছ্ সমূহত কিছুমান বিশেষত্বৰ অন্তৰ্ভুক্তিৰে বৃহৎ তথ্য সংগ্ৰহ কৰিব পাৰোঁ, যিবোৰ তথ্য মূলতঃ গ্ৰাহক সম্পৰ্কীয়। এইবোৰে অন্তৰ্ভুক্তি কৰিব পাৰে কৰৰ হিচাপ। বিত্তৰ পৰিকল্পনাকাৰী আৰু আৰ্হি উৎপাদন যি বোৰে প্ৰদান কৰিব এটা বিশেষ চেক্ বুকৰ ৰেহাই ধৰণৰ লাভ। মূলতঃ গ্ৰাহকৰ স্বাৰ্থৰ চিন্তা যাৰ বিপৰীতে তেওঁলোকক প্ৰদান কৰিব সঞ্চয় আৰু আয়ৰ তথ্য।

৩। **এছ এম এছ আৰু ই-মেইল ঃ** তথ্য সংগ্ৰহৰ সাধাৰণ পদ্ধতি, বেংক সেৱা মূল্যায়নৰ বাবে গ্ৰাহকলৈ এছ এম এছ প্ৰেৰণ কৰিব পাৰে আৰু তাৰদ্বাৰা গ্ৰাহকৰ তথ্য সংগ্ৰহ কৰিব পাৰে।

৪। **ঋণ নিৰ্ণায়ক এজেন্সি ঃ** ঋণৰ বাবে তথ্য সংগৃহীত কৰিব পাৰি, যি যিবোৰৰদ্বাৰা শুনা দূৰত্বৰপৰা গ্ৰাহকক পাব পাৰে।

৫। **ঋণ তথ্য কোম্পানী ঃ** বৰ্তমান স্থিত গ্ৰাহকৰ তথ্য সংগ্ৰহৰ বাবে সুন্দৰ আৰ্হি যেনে ভৌগোলিক স্থানান্তৰ, সংযোগ পৰিৱৰ্তন, ক্ৰেডিট কাৰ্ড বা অন্য আৱশ্যকীয় বিষয় সমূহ।

৬। **তথ্য নিধি বা সংৰক্ষণ ঃ** যি বোৰ সংগঠনে বা অনুষ্ঠানে বৃহৎ তথ্য পৰিচালনা কৰে, সেইবোৰ অনুকৰণ বেংকে কৰিব পাৰে।

৭। **তথ্য বিশ্লেষণ আৰু উপযোগিতা বা প্ৰযোজ্যতা ঃ** যিবোৰ তথ্য বিশ্লেষণ কৰিব নোৱাৰি, সেইবোৰ অৰ্থহীন। বেংকে কেতবোৰ বিশেষ দিশত মনোনিৱেশ কৰিব পাৰে। এইবোৰ আগতে আলোচনা কৰা হৈছে।

**কিছুমান প্ৰয়োগৰ বিষয়ে আমি চিন্তা কৰিব পাৰোঁ ঃ**

আমাৰ ব্যৱসায়ত উচ্চ বৰঙণি দিওঁতাৰ তথ্য উদ্ঘাটন কৰি বেংকে তেওঁলোকলৈ কেলেণ্ডাৰ, জন্মদিনৰ শুভেচ্ছা আদি পঠাই পুনৰ পৃষ্ঠপোষকতা আৰু সহযোগিতাৰ অনুৰোধ কৰিব পাৰে। গ্ৰাহকসকললৈ পঠোৱা মেইলত এইবোৰ পঠিয়াব পাৰি। এইবোৰে বেংকক কেৱল পৰিচয় সূচক কামতে সহায় নকৰে, ব্যৱসায় সৃষ্টি আৰু ক্ষোভ প্ৰশমনতো সহায়ক হয়। ই হ'ল গ্ৰাহকসকলৰ ক্ষোভ প্ৰশমনৰ শ্ৰেষ্ঠ প্ৰণালী।

ঋণ নিৰ্ণয়ৰপৰা তথ্য উদ্ঘাটন কৰি নিৰ্দ্ধাৰিত গ্ৰাহকসকলক লক্ষ্য কৰি লোৱাত সহায় হ'ব। মূল ঋণৰ গ্ৰাহক হিচাপে তেওঁলোকক লক্ষ্য কৰি ল'ব

**(৫৬ পৃষ্ঠাত চাওক)**

# ডিজিটেল লেনদেন আৰু কম নগদ অৰ্থনীতি

**আৰ সুব্ৰমণিয়াকুমাৰ***

ডিজিটেলাইজেচন' অৰ্থাৎ তথ্য নিৰ্দেশ সূচক পদ্ধতি হ'ল লেনদেন কৰা এটা গতিক্ৰম— য'ত বেংক, গ্ৰাহক, সদাগৰ, উদ্যোগ আৰু অন্যান্য জড়িত অনুষ্ঠান -প্ৰতিষ্ঠানসমূহে এটা স্বতন্তৰীয়া বিত্তীয় পদ্ধতিৰ নেটৱৰ্ক গঠন কৰে। বেংক উদ্যোগৰ বাবে এই পদ্ধতি এটা বিকল্প ব্যৱস্থা নহয়, বৰং ই অপৰিহাৰ্য, কিয়নো প্ৰত্যেক উদ্যোগকেই পদ্ধতিৰ অধীনলৈ আনিবলৈ লোৰা হৈছে। বেংক খণ্ড ইয়াৰ ব্যতিক্ৰম নহয়।

বেংক আৰু বিত্তীয় লেনদেন কাৰ্যই আগৰ দৈনন্দিন জীৱনত এটা বৈশিষ্ট্যপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। আমাৰ বহুতৰ কাৰণে এটা দিনৰ ওৰ নপৰে— যেতিয়ালৈকে সদাগৰ কিম্বা বেংকসমূহত বিত্তীয় লেন-দেনৰ কাম সম্পূৰ্ণ নহয়। গতিকে বিত্তীয় প্ৰতিষ্ঠানসমূহ শেহতীয়া প্ৰযুক্তি অৱলম্বন কৰিবৰ বাবে আগশাৰীত থকা উচিত— যাৰদ্বাৰাই গ্ৰাহকে অধিক অভিজ্ঞতা লাভ কৰিব পাৰে আৰু তেনেদৰে গাঁও তথা চহৰৰ মাজত থকা প্ৰভেদখিনিও দূৰ কৰাত সহায়ক হ'ব পাৰে।

বেংকৰ কাৰ্য ব্যৱস্থাত তলত উল্লিখিত কাৰকবোৰে ডিজিটেল পদ্ধতি গ্ৰহণ কৰাত প্ৰভাৱান্বিত কৰে—

—ডিজিটেল কৰাৰ পক্ষত গ্ৰাহকৰ আচৰণৰ পৰিৱৰ্তন সূচায়।

—বিত্তীয় অন্তৰ্ভুক্তিকৰণ আৰু চৰকাৰৰ প্ৰয়াস।

—স্মাৰ্টফোন ব্যৱহাৰ বৃদ্ধি আৰু ম'বাইলৰ সবিস্তাৰ প্ৰৱেশ।

কম নগদ, অৰ্থনীতি হ'ল এনে এটা ব্যৱস্থা — য'ত বহু লেন-দেন মুঠ ঘৰুৱা উপায়েৰে কৰা হয়। এই উপায় বহুত ধৰণৰ আছে, যেনে— ইণ্টাৰনেট বেংকি, ম'বাইল বেংকিং, ডেবিট আৰু ক্ৰেডিট কাৰ্ড, কাৰ্ড-ছুৱাইপ কিম্বা পইণ্ট অৱ ছেলচ্ মেচিন, ইউনাইটেড ইণ্টাৰফেচ (ইউ পি আই) - বি.এইচ, আই. এম, কিউ আৰু ক'ড ভিত্তিক লেনদেন, টাচ-এন-গ' কাৰ্ড।


**বিএইছ আই এম (চমুকৈ ভিম)**

ভাৰতত প্ৰচলন কৰা বি.এইছ আই এম ইউ পি আই ব্যৱস্থা হ'ল এটা বিপ্লৱাত্মক ধন পৰিশোধ কৰা পদ্ধতি। বিশ্বৰ ভিতৰত এয়া হ'ল এনে ধৰণৰ প্ৰথম পদ্ধতি। যাঠিটা বেংকে এই ভিম ইউ পি আইক ব্যৱহাৰ ক্ৰমে ২১নিযুত লোকে ভিম -ইউ পি আই এপছ ডাউনলোড কৰে। এই মঞ্চত প্ৰায় ৮২লাখ লেনদেনৰ কাম প্ৰতি মাহে সাধন কৰা হয়।

'বি এইছ আই এম এপ' ২০১৬ চনৰ ডিছেম্বৰ মাহত প্ৰচলন কৰাৰ পাছত লেনদেনৰ সংখ্যা ২০০ গুণে বৃদ্ধি পায়। প্ৰত্যেক মাহৰ হিচাপত এই বৃদ্ধিৰ মাত্ৰা হ'ল প্ৰায় ৪০ হেজাৰৰ পৰা ৮২ লাখ।

অন্য এটা ডিজিটেল ধন গ্ৰহণৰ পদ্ধতি হ'ল 'বি এইচ আই এম আধাৰ।'

**বী এইছ আই এম লেনদেন**



*লিখক আৰ সুব্ৰমাণিয়াকুমাৰ ইণ্ডিয়ান অভাৰছীজ বেংকৰ পৰিচালন সঞ্চালক আৰু মুখ্য কাৰ্যবাহী বিষয়া।

ইয়াৰদ্বাৰাই সদাগৰসকলক আধাৰৰ জৰিয়তে কাউণ্টাৰত গ্ৰাহক সকলৰপৰা ডিজিটেলভাৱে ধন লাভ কৰিবলৈ সমৰ্থৱান কৰি তোলে। গ্ৰাহকে আধাৰ নম্বৰ আৰু বায়'মেট্ৰিক পৰিচয়ৰদ্বাৰা লেনদেন কাৰ্য সমাপন কৰে।

**[illegible] [illegible]**

বেংকৰ কাম-কাজত যি ডিজিটেল পদ্ধতি আকাশলঙ্ঘী গতিত বৃদ্ধি পাইছে তালৈ চাই ডিজিটেল কাৰ্য সমাপন কৰা মঞ্চবোৰত ছাইবাৰ নিৰাপত্তা কাৰ্য ৰূপায়ণত অধিক গুৰুত্ব দিব লগা হৈছে। এই ডিজিটেলাইজেচন পদ্ধতিৰ সমগ্ৰ বিষয়তে ইয়াৰ সৈতে জড়িত থকা প্ৰতিষ্ঠান আদিৰ সন্দৰ্ভত তেনে ধৰণৰ মনোযোগ দিয়াৰ প্ৰয়োজন হয়। সেই অনুষ্ঠান-প্ৰতিষ্ঠানবোৰ হ'ল—


— গ্ৰাহক/মূল উৎস।

— মূল প্ৰতিষ্ঠান।

— প্ৰছেচিং এজেন্সি

—হিতাধিকাৰী প্ৰতিষ্ঠান।

—হিতাধিকাৰী।




ডিজিটেল লেনদেন কৰা সকলো স্থানতে নিৰাপত্তা নিশ্চিত কৰা প্ৰয়োজন। সকলো লেনদেনৰ বাবে সমগ্ৰ পৰিৱেশ ছাইবাৰ সংবেদনশীল হ'ব লাগিব—যাতে তাত কোনো সুৰুঙা বা ত্ৰুটী নেথাকে। তলত উল্লিখিত বিষয়সমূহৰদ্বাৰা এনে নিৰাপত্তা প্ৰতিষ্ঠিত হোৱা উচিত—

— বিশ্বাসযোগ্যতা।

—সততা।

—প্ৰাপ্তযোগ্য।

উল্লিখিত লেনদেনৰ ক্ষেত্ৰত জড়িত থকা ব্যক্তি বা অনুষ্ঠানে কোনো হানি-বিঘিনি নোহোৱাকৈ কামবোৰ যে কৰা হৈছে সেইটো কেনেকৈ নিশ্চিত কৰিব পাৰিব তাৰ প্ৰতি অৱলোকন কৰোঁ আহক।

**[illegible]/আৰম্ভ কৰোঁতা[illegible]**

যিকোনো লেনদেনৰ আৰম্ভ কৰোঁতা ব্যক্তিজনে এইটো নিশ্চিত কৰিব যে তেওঁ যিটো যন্ত্ৰে আৰম্ভ কৰিছিল সেয়া সম্পূৰ্ণৰূপে ছাইবাৰ দিশৰপৰা সংবেদনশীল। উক্ত পদ্ধতি বা যন্ত্ৰ শেহতীয়া এণ্টি-ভাইৰাছ সংকেত কাৰ্যক্ষম। ই-মেইলৰপৰা ক্লিক নকৰাকৈ যদি এইটো অনলাইন লেনদেন হয়, তেনেহ'লে ৱেবছাইট ঠিকনা টাইপ কৰিবলৈ সতৰ্কতা অৱলম্বন কৰিব লাগে।

যি কোনো ম'বাইল অথবা অন্‌লাইন টুলছ অৰ্থাৎ আহিলাপাতিবোৰ বিনামূলীয়াকৈ দিয়া হয়, সেইবোৰক নিৰৱছিন্নভাৱে ব্যৱহাৰ কৰিব লাগে। পাছৱৰ্ড কিম্বা পিন নম্বৰ গোপানীয় কৰি ৰাখিব লাগে আৰু কাৰো সৈতে এইক্ষেত্ৰত ভাগ ল'ব নেলাগে। তেনে ধৰণৰ সতৰ্কতা অৱলম্বনে লেনদেন প্ৰক্ৰিয়াৰ গোপনীয়তা অটুট ৰখাই নিশ্চিত কৰিব।

**[illegible] [illegible]/হিতাধিকাৰী প্ৰতিষ্ঠান[illegible]**

লেনদেন আৰম্ভ কৰোঁতাৰপৰা এনে লেনদেন কাৰ্যৰ স্থিতি মূল প্ৰতিষ্ঠানত গৈ উপনীত হয়, আৰু সেই প্ৰতিষ্ঠান যিকোনে বিত্তীয় প্ৰতিষ্ঠানৰ তথ্য প্ৰযুক্তি পদ্ধতি হ'ব পাৰে। যিকোনো এটা ঘৰ-যিটো জুপুৰি ঘৰো হ'ব পাৰে অথবা বিলাসী বঙলাও হ'ব পাৰে—তাক যেনেদৰে তলা-চাবি লগাই সুৰক্ষিত কৰিব লাগে ঠিক তেনেদৰে তথ্য প্ৰযুক্তি পদ্ধতিৰ ব্যৱস্থাও কটকটীয়া নিৰাপত্তাৰ মাজত থকা দৰকাৰ। তেনে তথ্য প্ৰযুক্তি পদ্ধতি ষ্টেট-অব-দি আৰ্ট সমৃদ্ধ হ'ব পাৰে কিম্বা তথাকথিত প্ৰযুক্তিৰদ্বাৰা পৰিচালিত হ'ব পাৰে। সঠিক নিৰাপত্তা ব্যৱস্থাই লেনদেন কৰা চক্ৰটোৰ অখণ্ডতা অটুট ৰখাৰ নিশ্চিত কৰিব।

সততাই কাৰ্যকৰণৰ সমগ্ৰ জীৱন-চক্ৰত পৰিসংখ্যাৰ গতিক্ৰম, সঠিক মান আৰু বিশ্বাসযোগ্যতাক নিশ্চিত কৰে। সেই পৰিসংখ্যাবোৰ স্থানক্ৰমত সলনি কৰিব নেলাগিব আৰু তেনে পৰিসংখ্যা অনধিকাৰভাৱে যাতে পৰিৱৰ্তন কৰিব নোৱাৰে সেইটো নিশ্চিত কৰিবৰ কাৰণে অৱশ্যেই পদক্ষেপ গ্ৰহণ কৰিব লাগিব।

**প্ৰস্তুতিকৰণ এজেন্সি[illegible]**

প্ৰায়ভাগ ডিজিটেল লেনদেনৰ কাম এটা কেন্দ্ৰীয় মূল এজেন্সিৰ জৰিয়তে সাধন কৰা হয়। সেয়া হ'ব পাৰে মুম্বাইৰ নেচনেল পে'মেণ্ট কৰ্পোৰেচন অৱ ইণ্ডিয়া (এন পী চী আই) অথবা হায়দৰাবাদৰ ইনষ্টিটিউট ফৰ ডেভেলপমেণ্ট এণ্ড ৰিছাৰ্চ ইন বেংকিং টেক্‌ন'ল'জী (আই ডী আৰ বী টী)। এই পদ্ধতিবোৰৰ সৈতে অন লাইনত ভাব বিনিময় কৰা বিত্তীয় প্ৰতিষ্ঠানবোৰৰ তথ্য প্ৰযুক্তিশৈলী মূল এজেন্সিবোৰে বান্ধি দিয়া মান আৰু নিয়মাৱলীৰ লগত খাপ খাব লাগিব। এই পদ্ধতিসমূহ পোৱাৰ সন্দৰ্ভত মূল এজেন্সিৰদ্বাৰা নিশ্চিত কৰা হয়।

**হিতাধিকাৰী[illegible]**

তুলনামূলকভাৱে হিতাধিকাৰীৰ ক্ষেত্ৰত ছাইবাৰ দায়িত্ব কমেই থাকে, কিয়নো এনে হিতাধিকাৰীয়ে পুঁজি লাভ কৰে। যি একমাত্ৰ সতৰ্কতা অৱলম্বন

কৰিব লগা হয় সেয়া হ'ল হিতাধিকাৰীয়ে শুদ্ধ একাউণ্ট নম্বৰ/আই এফ চী ক'ড অথবা ভী পী এৰ (ভাৰ্চুৱেল পে'মেণ্ট এদ্ৰেছ) প্ৰতি সচেষ্ট হ'ব লাগিব।

সম্পূৰ্ণভাৱে ডিজিটেল ইকো-পদ্ধতিৰ ক্ষেত্ৰত ছাইবাৰ নিৰাপত্তাক শক্তিশালী কৰিবৰ কাৰণে ভাৰত চৰকাৰৰদ্বাৰা বহুত ব্যৱস্থা গ্ৰহণ কৰিবলৈ লোৱা হৈছে। সেই বিষয়ে তলত আলোচনা কৰা হ'ল।

**ৰাষ্ট্ৰীয় ছাইবাৰ নিৰাপত্তা নীতি, ২০১৩ :**

ৰাষ্ট্ৰীয় ছাইবাৰ নিৰপত্তা নীতি বৈদ্যুতিন আৰু তথ্য প্ৰযুক্তি বিভাগৰ অধীনত ছাইবাৰ নিৰাপত্তা প্ৰদান কৰাৰ দিশত আনুষ্ঠানিকভাৱে পদক্ষেপ গ্ৰহণ কৰিবৰ বাবে যোগাযোগ আৰু তথ্য প্ৰযুক্তি মন্ত্ৰণালয়ে ২০১৩ চনত ঘোষণা কৰে। এই নীতিৰ লক্ষ্য হ'ল নাগৰিক, ব্যৱসায়-বাণিজ্য আৰু চৰকাৰৰ বাবে এটা নিৰাপদ আৰু সহনশীল ছাইবাৰ ক্ষেত্ৰ গঢ়ি তোলা। ছাইবাৰ ক্ষেত্ৰৰ তথ্য আৰু আন্তঃগাঁথনিৰ সুৰক্ষা সাধন কৰি জনগণ আৰু প্ৰযুক্তিৰ সমন্বিত প্ৰয়াসেৰে ছাইবাৰ আক্ৰমণ ৰোধ তথা হানি-বিঘিনী কম কৰিবৰ কাৰণে ইয়াক সমৰ্থৱান কৰি তোলা—যাতে প্ৰতিষ্ঠানমূলক গাঁথনি তথা পদ্ধতি বিশেষ অধিক কৰ্মক্ষম হৈ উঠে।

**উল্লিখিত নীতিয়ে গ্ৰহণ কৰা কেইটামান কৌশল পদ্ধতি :**

কিছুমান ব্যৱস্থাৰ জৰিয়তে এটা নিৰাপদজনক ছাইবাৰ ইকো-পদ্ধতি গঢ়ি তোলা। তেনে ব্যৱস্থা হ'ল— ৰাষ্ট্ৰীয় স্তৰত এটা মূল এজেন্সি, তথ্য নিৰাপত্তা বিষয়া ৰূপে এজন জ্যেষ্ঠ পৰিচালনা সমিতিৰ সদস্যক উপৰিষ্ট কৰি সংগঠনসমূহক উৎসাহ প্ৰদান তথা তথ্য বিষয়ক নিৰাপত্তা নীতিসমূহৰ বিকাশ সাধন কৰা।

* তথ্য প্ৰযুক্তি আৰু নিৰাপত্তাৰ বাবে এটা আশ্বাসজনক পৰিকাঠামো গঢ়ি তোলা।
* মুক্তভাৱে মান কাৰ্যক উৎসাহিত কৰা।
* নিয়ামক পৰিকাঠামো শক্তিশালী কৰা আৰু লগতে নিৰ্দিষ্ট সময়ৰ মূৰে মূৰে পৰ্যৱেক্ষণ, আন্তৰ্জাতিক মানৰ সৈতে সামঞ্জস্য ৰখা আৰু ন্যায়িক পৰিকাঠামোৰ বিষয়ে সজাগতাৰ ভাৰ প্ৰসাৰিত কৰা।
* ৰাষ্ট্ৰীয় পদ্ধতি আৰু প্ৰক্ৰিয়াৰ জৰিয়তে নিৰাপত্তাৰ ক্ষেত্ৰত আহি পৰা ভাবুকি আৰু সঁহাৰি প্ৰদানৰ অৰ্থে কাৰ্য ব্যৱস্থা গ্ৰহণ কৰা
* সকলো ধৰণৰ ছাইবাৰ নিৰাপত্তা প্ৰয়াস, জৰুৰীকালীন সঁহাৰি আৰু সংকট ব্যৱস্থাপনাৰ সমন্বয় সাধনৰ বাবে মূল এজেন্সি ৰূপে নেচনেল কম্পিউটাৰ ইমাৰ্জেন্সী ৰেছপনছ টীমৰ কৰ্ম প্ৰদান।
* বিশ্বৰ শ্ৰেষ্ঠ অভ্যাসৰাজি কাৰ্যত ৰূপায়ণ কৰি ই-প্ৰশাসনক উপযুক্ত-ভাৱে কামত লগোৱা আৰু পাব্লিক কী ইনফ্ৰাষ্টাকচাৰ'ৰ বিস্তৃত ব্যৱহাৰ।
* মূল এজেন্সি ৰূপে কাম কৰা নেচনেল ক্ৰিটিকেল ইনফৰ্মেচন ইনফ্ৰাষ্টাকচাৰ প্ৰটেকচন ছেণ্টাৰৰ সৈতে লগ লাগি গুৰুত্বপূৰ্ণ তথ্য আন্তঃগাঁথনি ৰক্ষা কৰা।
* চাইবাৰ নিৰাপত্তা প্ৰযুক্তিৰ ক্ষেত্ৰত গৱেষণা তথা বিকাশক সমূহীয়া-ভাৱে উৎসাহিত কৰা।
* শিক্ষা আৰু প্ৰশিক্ষণ কাৰ্যসূচীৰ জৰিয়তে সমগ্ৰ ব্যৱস্থাক সৱল কৰি গঢ়ি তুলিবৰ বাবে মানৱ সম্পদ বিকাশ কাৰ্য গ্ৰহণ।

**ছাইবাৰ স্বচ্ছতা কেন্দ্ৰ :**

ছাইবাৰ নিৰাপত্তা উলংঘা তথা তেনে কামবোৰৰ বৃদ্ধি ৰোধ কৰিবৰ কাৰণে ভাৰত চৰকাৰৰ কম্পিউটাৰ ইমাৰ্জেন্সী ৰেছ্পনড্ টীমে ২০১৭চনৰ ফেব্ৰুৱাৰীত এটা কেন্দ্ৰ স্থাপন কৰে। ইয়াক 'ছাইবাৰ স্বচ্ছতা কেন্দ্ৰ' নামেৰে জনা যায়। এই কেন্দ্ৰটোৱে নতুন ডেস্কটপ আৰু নিৰাপত্তাৰ অৰ্থে ভ্ৰাম্যমান নিৰাপত্তা ব্যৱস্থাৰ দিহা কৰে।

কেন্দ্ৰটোৰ কাম-কাজ 'চী ই আৰ টী' অৰ্থাৎ কম্পিউটাৰ জৰুৰীকালিন সঁহাৰি দলটোৱে তথ্য প্ৰযুক্তি আইন, ২০০০ৰ ৭০ খ ধাৰাৰ অধীনত চোৰা-চিতা কৰে। ইণ্ডিয়াৰ প্ৰয়াসত দেশখনত ছাইবাৰ ক্ষেত্ৰখনত যি বেয়া ধৰণৰ সংক্ৰমণ ঘটে তাক ধৰা পেলাই আগলৈ যাতে সেইবোৰ বিয়পিব নোৱাৰে তাৰ বাবে সতৰ্কতামূলক ব্যৱস্থা গ্ৰহণ কৰিব। এনে ব্যৱস্থাৰদ্বাৰা যি দূষিত উপসৰ্গই ক্ৰিয়া কৰে (যেনে বিঅ'ট আদি) তাক সঠিকভাৱে বিশ্লেষণ কৰি তথ্যপাতিৰ যোগান ধৰা হয়—যাতে নাগৰিকসকলে তেনে মলিনতা দূৰ কৰিবলৈ সমৰ্থ হয়। নাগৰিকসকলে তেওঁলোকৰ কম্পিউটাৰ, পৰিসংখ্যা, ম'বাইল ফোন আৰু অন্যান্য পদ্ধতিসমূহক নিৰাপদজনকভাৱে ৰাখিবৰ বাবে সকলোৰে মাজত সজাগতা সৃষ্টি কৰিবলৈ প্ৰয়াস কৰা হয়।

এই ছাইবাৰ স্বচ্ছতা কেন্দ্ৰ হ'ল দেশখনত এটা ছাইবাৰ ইকোপদ্ধতি সৃষ্টি কৰাৰ দিশত হাতত লোৱা এটা পদক্ষেপ। ৰাষ্ট্ৰীয় ছাইবাৰ নিৰাপত্তা নীতিৰ অধীনত ইয়াক ৰূপায়ণ কৰিবলৈ লোৱা হৈছে।

কেন্দ্ৰটোৱে তলত উল্লেখ কৰা নিৰাপত্তা আৰু সুৰক্ষা সাধনৰ আহিলা-পাতি আগবঢ়ায়—

* চৰকাৰে 'ই উ এছ বী প্ৰতিৰোধত কাৰ্য প্ৰচলন কৰে। তথ্য প্ৰযুক্তি আৰু

বৈদ্যুতিন দপ্তৰৰ মন্ত্ৰী ৰবি শংকৰ প্ৰসাদৰ ভাষাত ক'বলৈ গ'লে ইয়াৰ লক্ষ্য হ'ল অনধিকাৰভাৱে যিবোৰ ই উ এছ বী মিডিয়া সঁজুলি ব্যৱহাৰ কৰা হয় তাক নিয়ন্ত্ৰণ কৰা। তেনে সঁজুলি হ'ল— পেন ড্ৰাইভ, এক্সটাৰ্নেল হাৰ্ড ড্ৰাইভ আদি।

* 'ছাম্বিদ' নামৰ এবিধ সঁজুলিও প্ৰচলন কৰা হয়। উইণ্ডো অপাৰেটিং ছিষ্টেমৰ বাবে ডেস্কটপ ভিত্তিক এটা এপ্লিকেচন হুৱাইটলিষ্টিং সমাধান ব্যৱস্থা। ই কেৱল কাৰ্য-কৰণৰ বাবে পূৰ্বঅনুমোদিত ফাইল-সমূহৰ ক্ষেত্ৰত প্ৰযোজ্য আৰু সন্দেহজনক প্ৰয়োগৰ পৰা ডেস্কটপক ৰক্ষা কৰে।
* এণ্ড্ৰইড্ ম'বাইল সঁজুলিসমূহৰ নিৰাপত্তা প্ৰদানৰ অৰ্থে ব্যৱহাৰ কৰা অন্য এক উপায় হ'ল 'এম কৱচ'। ই চুৰকৈ নিয়া ব্যক্তিগত ডাটা তথা পৰিচয়নামা সম্পৰ্কিত বিষয়বোৰৰ ক্ষেত্ৰত সুৰক্ষা ব্যৱস্থা প্ৰদান কৰে। ৱাই-ফাই আৰু ব্লুটুথ সম্পদ ৰাজিৰ অপপ্ৰয়োগ, হেৰুওৱা কিম্বা চুৰি ম'বাইল সঁজুলি, প্ৰিমিয়াম ৰেট এছ এম এছ আৰু অনাৱশ্যক কিম্বা সঁহাৰি জনাব নলগা বাহিৰৰপৰা অহা ফোন কলৰ ক্ষেত্ৰত সুৰক্ষাৰ যোগান ধৰে।
* ব্ৰাউজাৰ জে এছ গাৰ্ড হ'ল এটা সঁজুলি— যি ওপৰে ওপৰে চকু ফুৰাই চোৱাৰ কাম কৰে আৰু ৱেব ব্ৰাউজাৰৰ জৰিয়তে অভিসন্ধিমূলক এইছ টী এম এল তথা জাভাস্ক্ৰিপ্টৰ দুষ্কাৰ্য ধৰা পেলায়। ই ব্যৱহাৰ কৰোঁতাজনক সতৰ্ক কৰি দিয়ে যেতিয়া তেওঁ অসূয়াপূৰ্ণ ৱেব পৃষ্ঠাবোৰ চাবলৈ যায় আৰু তেওঁক তেনে পৃষ্ঠাৰ সবিশেষ জানিবলৈ দিয়ে।

**তথ্য প্ৰযুক্তি আইন ২০০০, ২০০৮ঃ**

তথ্য প্ৰযুক্তি আইন, ২০০০ হ'ল ছাইবাৰ অপৰাধ তথা বৈদ্যুতিন বাণিজ্যিকীকৰণৰ কাম-কাজ চোৱা-চিতা কৰা ঘাই আইন। ইয়াক পৰৱৰ্তী কালত, অৰ্থাৎ ২০০৮ বৰ্ষত সংশোধন কৰা হয়।

আইনখনত তলত উল্লিখিত বিষয়বোৰ আছে—

— ডিজিটেল আৰু ইলেক্ট্ৰনিক ছিগ্‌নেচাৰ।
— ইলেক্ট্ৰনিক গভৰ্ণেঞ্চ।
— বৈদ্যুতিন ৰেকৰ্ডপাতি প্ৰেৰণত স্বীকৃতি।
— বৈদ্যুতিন ৰেকৰ্ডপাতি আৰু ডিজিটেল ছিগ্‌নেচাৰ নিৰাপদে ৰাখে
— প্ৰত্যয়িতকৰণ কৰ্তৃপক্ষৰ বিধি।
— ইলেক্ট্ৰনিক ছিগ্‌নেচাৰ ছাৰ্টিফিকেট।

তথ্য প্ৰযুক্তি আইনখনত ইলেক্ট্ৰনিক অপৰাধ আৰু জৰিমনা সম্বন্ধে সবিশেষ উল্লেখ আছে। সেই অপৰাধসমূহ তলত দিয়া হ'ল—

— কম্পিউটাৰ উৎসৰ নথি-পত্ৰ জালিয়াতিকৰণ।
— কম্পিউটাৰ পদ্ধতি হেক কৰা।
— চুৰি কৰা কম্পিউটাৰ অথবা যোগাযোগ সঁজুলি লাভ কৰা।
— অন্য ব্যক্তিৰ পাছৱৰ্ড ব্যৱহাৰ কৰা।
— কম্পিউটাৰ সম্পদ ব্যৱহাৰত প্ৰৱঞ্চনা।
— ছাইবাৰ সন্ত্ৰাসবাদ কাৰ্য।
— নথি-পত্ৰ ভাল দৰে ৰখাত অপাৰগতা।
— আদেশ ৰক্ষা কৰাত অপাৰগ কিম্বা প্ৰত্যাখ্যান।
— ডিক্ৰিপ্ট ডাটা প্ৰাপ্ত কৰাত অপাৰগ কিম্বা প্ৰত্যাখান।
— এক সুৰক্ষিত পদ্ধতিৰ সুচল প্ৰাপ্তি অথবা তাক লাভ কৰাৰ প্ৰয়াস।
— ভুলভাৱে উপস্থাপন।

**অনলাইন প্ৰৱঞ্চনা আৰু তথ্য প্ৰযুক্তি আইনঃ**

তথ্য প্ৰযুক্তি আইনত বিভিন্ন চাইবাৰ অপৰাধ সম্পৰ্কে বিস্তৃতভাৱে উল্লেখ আছে আৰু অনলাইনত প্ৰৱঞ্চক-সকলে কৰা দুষ্কাৰ্যৰ বাবে অপৰাধ সন্দৰ্ভতো শাস্তি প্ৰদানৰ কথা উনুকিওৱা হৈছে। অনলাইনত অধিকভাৱে সংঘটিত বেংকৰ লেনদেনত কৰা কাৰ্যক কোৱা হয় 'ফিছিং'। এই ফিছিং হ'ল এটা অভিযান্ত্ৰিকভাৱে কৰা আক্ৰমণ। সততেই ইয়াক লগ্‌ইন পৰিচয় আৰু ক্ৰেডিট কাৰ্ডৰ নম্বৰকে ধৰি ব্যৱহাৰ কৰোঁতাৰ ডাটা চুৰ কৰা কাৰ্যত ব্যৱহাৰ কৰে। এনে ঘটনা তেতিয়া ঘটে যেতিয়া এজন তেনে আক্ৰমণকাৰীয়ে বিশ্বাস প্ৰদানেৰে সহানুভূতি প্ৰকাশ কৰি গ্ৰাহকক ই-মেইল, তৎকালিন বাৰ্তা আদি তথ্য সৰকাই প্ৰৱঞ্চনা কৰিবলৈ উদ্যত হয়।

তেনে ফিছিং প্ৰৱঞ্চনাৰ ক্ষেত্ৰত তথ্য প্ৰযুক্তি আইন, ২০০০ৰ তলত উল্লিখিত ধাৰাসমূহ প্ৰযোজ্য হয়।

**ধাৰা ৬৬ ঃ কম্পিউটাৰ পদ্ধতিত হেক্ কৰা কাৰ্যঃ**

যদি এজন ব্যক্তিয়ে হানি কৰাৰ অভিপ্ৰায়েৰে কিম্বা এইটো জানে যে তেওঁ তাৰদ্বাৰাই ৰাইজৰ প্ৰতি অন্যায়-ভাৱে ক্ষতি কিম্বা হানি-বিঘিনী ঘটোৱাৰ সম্ভাৱনা আছে অথবা কোনো ব্যক্তিয়ে কম্পিউটাৰত থকা সম্পদখিনিৰ কোনো তথ্য নষ্ট বা গুচাই পেলায় অথবা সলনি কৰে নাইবা যি কোনো উপায়েৰে তাৰ মূল্য অথবা উপকাৰিতা বিনষ্ট কৰে তেনে কাৰ্যক হেক কৰা বুলি কয়।

এই ধাৰাটোৰ অধীনত শাস্তিৰ বিধান হ'ল তিনি বছৰ পৰ্যন্ত কাৰাবাস কিম্বা আৰু ৫০০,০০০ টকা পৰ্যন্ত জৰিমনা।

**ধাৰা ৬৬ খ— চুৰি কৰা কম্পিউটাৰ অথবা যোগাযোগ সঁজুলি প্ৰাপ্তি**

চুৰি কৰা বুলি জ্ঞাত অথবা চুৰি কৰি নিয়া বুলি বিশ্বাস কৰাৰ কাৰণ আছে তেনে ক্ষেত্ৰত এজন ব্যক্তিয়ে কম্পিউটাৰৰ সম্পদখিনি অথবা যোগাযোগ সঁজুলি লাভ কৰে কিম্বা ৰাখি থয়, তেনে ক্ষেত্ৰত এই ধাৰা প্ৰযোজ্য হয়। ইয়াৰ শাস্তি বিধান হ'ল তিনি বছৰ পৰ্যন্ত কাৰাবাস। কিম্বা/আৰু এক লাখ টকা জৰিমনা।

**ধাৰা ৬৬ গ— অন্য ব্যক্তিৰ পাছৱৰ্ড ব্যৱহাৰ**

এজন ব্যক্তিয়ে আন এজনৰ পাছৱৰ্ড, ডিজিটেল চহী অথবা অন্য পৰিচয়নামা জালিয়াতিৰে ব্যৱহাৰ কৰিলে তেনে ব্যক্তিৰ শাস্তি বিধান কাল ৩ বছৰ অথবা আৰু এক লাখ টকা পৰ্যন্ত জৰিমনাসহ শাস্তি প্ৰদান কৰা হ'ব।

**ধাৰা ৬৬ ঘ— কম্পিউটাৰ সম্পদ ব্যৱহাৰ কৰি প্ৰৱঞ্চনা**

যদি এজন ব্যক্তিয়ে কম্পিউটাৰ সম্পদ ব্যৱহাৰ অথবা যোগাযোগ কৰি অন্য এজনক প্ৰৱঞ্চনা কৰে, তেনে ক্ষেত্ৰত ৩বছৰ পৰ্যন্ত কাৰাবাস অথবা আৰু এক লাখ টকালৈকে জৰিমনা সহ শাস্তি।

**ক্ৰেডিট কাৰ্ড জালিয়াতি**

ক্ৰেডিট কাৰ্ড জালিয়াতি হ'ল আন এটা অন লাইনত কৰা বেংক জালিয়াতি— য'ত গ্ৰাহকৰ কাৰ্ড ছলনা কৰি লৈ অনলাইনত ব্যৱহাৰ কৰে। এনে ছলনামূলক কাৰ্যৰ ক্ষেত্ৰতো তথ্য প্ৰযুক্তি আইন তথা ভাৰতীয় দণ্ডবিধি আইনে তেনে কাৰ্যৰ বলি হোৱা লোকক উদ্ধাৰ কৰে আৰু প্ৰৱঞ্চকক জৰিমনা বিহাৰ আশ্বাস দিয়ে।

তথ্য প্ৰযুক্তি আইনৰ তলত উল্লেখ কৰা ধাৰা প্ৰযোজ্য হ'ব—

* ধাৰা ৬৬ — কম্পিউটাৰ পদ্ধতি হেকিং কৰা।
* ধাৰা ৬৬গ— অন্য ব্যক্তিৰ পাছৱৰ্ড ব্যৱহাৰ কৰা।
* ধাৰা ৬৬ঘ— কম্পিউটাৰ সম্পদ ব্যৱহাৰ কৰি প্ৰৱঞ্চনা কৰা।

ভাৰতীয় দণ্ড বিধিৰ ধাৰা ৪২০ ক্ৰেডিট কাৰ্ড প্ৰৱঞ্চনাৰ বাবে প্ৰযোজ্য হয়। সৰ্বাধিক শাস্তি হ'ব পাৰে ৭বছৰ কাৰাবাস আৰু জৰিমনা। আনপিনে তথ্য প্ৰযুক্তি আইন ২০০০/২০০৮ ৰ অধীনত উল্লিখিত সুৰক্ষা ব্যৱস্থা এজন গ্ৰাহকৰ ক্ষেত্ৰত থাকিলেও ৰিজাৰ্ভ বেংক অৱ ইণ্ডিয়াই দেশখনৰ আটাইবোৰ বেংককে চাইবাৰ প্ৰৱঞ্চনা কৰাৰ বিৰুদ্ধে সুৰক্ষা ব্যৱস্থা অধিকভাৱে সুনিশ্চিত কৰিবলৈ নিৰ্দেশ দিছে।

**ৰিজাৰ্ভ বেংকৰ নিৰ্দেশাৱলী**

গ্ৰাহকৰ স্বাৰ্থ সুৰক্ষিত কৰিবৰ বাবে ৰিজাৰ্ভ বেংকে জাৰি কৰা এখন চাৰ্কুলাৰত সেই নিৰ্দেশাৱলী আছে। চাৰ্কুলাৰখনৰ বিষয় হ'ল—'কাষ্টমাৰ প্ৰটেকচন-লিমিটিং লায়েবিলিটি অৱ কাষ্টমাৰ্ছ ইন আন অথৰাইজড ইলেক্ট্ৰনিক বেংকিং ট্ৰেনজেকচনছ।'

বেংকৰ গ্ৰাহকসকলৰ কাৰণে ৰিজাৰ্ভ বেংকে যি কোনো প্ৰৱঞ্চনাৰ বিৰুদ্ধে যদি সেই বিষয়ে তৎক্ষণাৎ বেংকক জনায় তেনেহ'লে 'শূন্য দণ্ডনীয়' আৰু সীমিত দণ্ডনীয়'ৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

প্ৰৱঞ্চনামূলক লেনদেনৰ ক্ষেত্ৰত এজন গ্ৰাহকৰ 'শূন্য দণ্ডনীয় স্থিতি লাভ কৰিব যদিহে বেংকৰ ক্ষেত্ৰত অৱিহণা-মূলক প্ৰৱঞ্চনা কিম্বা অৱহেলা কৰা বিষয় থাকে। বেংকৰ বিনা জড়িত-কৰণৰে তৃতীয় পক্ষৰ হাত থাকিলে গ্ৰাহকজনক দোষী কৰাৰ শংকা নেথাকিব— যদিহে তেনে অনধিকাৰ লেনদেনৰ সন্দৰ্ভত তিনিটা কৰ্ম দিনৰ ভিতৰত বেংকক জানিবলৈ দিয়ে।

পাঠ বাৰ্তাৰ সৰ্তকতাৰ বাবে সকলো গ্ৰাহকক পঞ্জীকৃত কৰিবলৈ ৰিজাৰ্ভ বেংকে বেংকসমূহৰ ক্ষেত্ৰত বাধ্যতামূলক কৰিছে আৰু অনধিকাৰ লেনদেনৰ বিষয়ে সহানুভূতি সূচক উত্তৰ দিবলৈ কোৱা হৈছে—যাতে গ্ৰাহকে তাৎক্ষণিকভাৱে সতৰ্কতা অৱলম্বন কৰিব পাৰে। গ্ৰাহকৰ অভিযোগ সহজে সমাধান কৰিবৰ বাবে নিজৰ নিজৰ ৱেবছাইটত অনধিকাৰ লেনদেন সম্পৰ্কে বেংকক জনাব পাৰিব। প্ৰৱঞ্চনা কৰাৰ বিষয়ে ফোন বেংকিং এছ এম এছ, ই-মেইল কল ছেণ্টাৰ আৰু ভাব-বিনিময় ভইচ ৰেছপনছ পদ্ধতিকে ধৰি যি কোনো ছেনেলৰ জৰিয়তে জনাব পাৰিব। পিছে য'ত গ্ৰাহকৰ অৱহেলাৰ হেতু ক্ষতি হয়, তেনে ক্ষেত্ৰত তেওঁ সমগ্ৰ ক্ষতিখিনি বহন কৰিব লাগিব যেতিয়ালৈকে তেওঁ অনধিকাৰ লেনদেন সম্পৰ্কে বেংকক নজনায়।

তৃতীয় পক্ষৰ কাৰণবশতঃ ক্ষতি হ'লে গ্ৰাহকে সেই পৰিমাণৰ লেনদেনৰ বাবে জগৰীয়া হ'ব—যদিহে তেওঁ বেংকৰ তৰফৰপৰা জনোৱাৰ ৪-৭ দিনৰ ভিতৰত সেই প্ৰৱঞ্চিত লেনদেনৰ বিষয়ে জনাবলৈ অপাৰগ হয়। আৰু যদি কৰ্ম দিনৰ ৪-৭ দিনৰ ভিতৰত সেই প্ৰৱঞ্চনাৰ বিষয়ে জনায় তেনে ক্ষেত্ৰত এজন গ্ৰাহকে ধন ভৰিব লগা সৰ্বাধিক পৰিমাণ হ'ব ৫,০০০ টকাৰ পৰা ২,৫,০০০ টকাৰ ভিতৰত। তাকো এয়া কি ধৰণৰ একাউণ্ট আছে আৰু ক্ৰেডিট কাৰ্ডৰ সীমাৱদ্ধতাৰ ওপৰত নিৰ্ভৰ কৰিহে সেয়া নিৰূপণ হ'ব।

**সামৰণি ঃ**

ছাইবাৰ নিৰাপত্তা শক্তিশালী কৰাৰ দিশত এই সকলোবোৰ ব্যৱস্থাৰে আমাৰ দেশখনে এটা সম্পূৰ্ণ ছাইবাৰ ছিকিউৰ স্থাপত্য আৰ্হি যোগান ধৰিব— যি স্থাপত্যশৈলী ডিজিটেল লেনদেনৰ বাবে নিৰাপদজনক আৰু নিৰ্ভৰযোগ্য হ'ব। অৱশ্যে নতুন নতুন ভাবুকি আহি থকাৰ হেতু এনে ব্যৱস্থাৱলীৰ মান নিৰন্তৰ-ভাৱে উন্নত কৰি থকা হ'ব। নিৰাপত্তা প্ৰদান বিষয়টো হ'ল এটা ভ্ৰমণৰ দৰে। স্থান বিশেষ উদ্ভৱ হোৱা স্থিতিলৈ চাই তেনে ভ্ৰমণৰ ওপৰত গুৰুত্ব দিব লাগিব। সজাগতাই তেনে আশংকাৰ সন্মুখীন হৈ তাক উপযুক্তভাৱে সমাধান কৰিব। ❐

---

**(৩৫ পৃষ্ঠাৰ পৰা)**

ব্যাহ্যিক ঋণ মাত্ৰ ৪ শতাংশ। ২০১০ চনত চীনৰ মুঠ ঘৰুৱা উৎপাদনলৈ ঋণ অনুপাত ১৪২ শতাংশৰ পৰা ২০১৬ চনত ২০৫ শতাংশ হৈছিল কিন্তু ভাৰতত সেয়া লক্ষণীয়ভাৱে ৭০ শতাংশ কম। তৎসত্বেও, এই দুখন দেশৰ তুলনা বিপথে পৰিচালিত।

**সামৰণি ঃ**

ভাৰতবৰ্ষৰ বৃহৎ অৰ্থনৈতিক স্বাস্থ্য, বিশেষকৈ ইয়াৰ বিনিয়োগ স্থিতি আৰু ঋণ সূচকৰ (অৰ্থনৈতিক উন্নয়ন, চলিত একাউণ্ট জমা, প্ৰত্যক্ষ বৈদেশিক বিনিয়োগ সোঁত, আৰু বৈদেশিক বিনিময় সংৰক্ষণ) ২০১৩ চনৰ পৰা উন্নতি ঘটিছে। ভাৰতবৰ্ষই স্পষ্টভাৱে ইয়াৰ ঋণ পৰিশোধ কৰাৰ সক্ষমতা প্ৰদৰ্শন কৰিছে আৰু সদায় পৰিশোধৰ আগ্ৰহ উচ্চভাৱে প্ৰদৰ্শন কৰি আছে, ই কোনো দায়বদ্ধতাতে অনাদায়ী হৈ থকা নাই। বৃহৎ ঋণ বহন কৰাৰ ক্ষেত্ৰত ভাৰতবৰ্ষৰ সক্ষমতা আছে আৰু সমসাময়িকভাৱে স্বচ্ছল হৈ থাকিবলৈ বিত্তীয় যোগান নিৰাপদ হৈ থাকিব পাৰে। সমগ্ৰ বিশ্বৰ দ্ৰুত বিকশিত অৰ্থনীতিৰ ক্ষেত্ৰত ই এক স্থিৰ অৱস্থাৰ আৰু বিগত কেই দশক মানৰ ভিতৰত ই ধনাত্মক বিনিয়োগ মানসিকতাৰ প্ৰতিফলন ঘটায়। কিন্তু বৰ্তমানলৈকে আন্তৰ্জাতিক মাপ প্ৰাধিকৰণবোৰে এই পৰ্যন্ত ভাৰতৰ ক্ষেত্ৰত ভাল ভাৱে দেখুওৱা নাই আৰু মোডীৰ চলিত উন্নীতকৰণে ৰাজনৈতিক স্থিৰতাৰ লগতে ভাৰতীয় অৰ্থনীতিৰ স্থিৰতা আৰু ধনাত্মক বিনিয়োগকাৰী মানসিকতাৰ প্ৰদৰ্শন ঘটায়। এছ এণ্ড পীয়ে এই উন্নয়নত অৱহেলা দেখুৱাইছে আৰু ভাৰতৰ ঋণ মাপৰ প্ৰসংগত স্থিতাৱস্থা বাহাল ৰাখিছে। তেনে পৰিপ্ৰেক্ষিতত চী আৰ এ-এ ভাৰতৰ ক্ষেত্ৰত দেখুওৱা পক্ষপাতমূলক আচৰণৰ যুক্তিযুক্ততা আছে। এই পক্ষপাত মূলক আচৰণে ভাৰতবৰ্ষক আঘাত কৰে কিয়নো দেশখনৰ অৰ্থনীতিৰ উন্নতি ঘটি আছে আৰু কোনো ধৰণৰ ব্যাহ্যিক ক্ষেত্ৰত স্বচ্ছলতা আৰু সংশ্লিষ্ট প্ৰত্যাহ্বান নোহোৱাকৈ উচ্চ উন্নয়নত উপনীত হ'বলৈ বৈদেশিক বিনিয়োগ হৈছে। মূলধন ৰক্ষাৰ ক্ষেত্ৰত ভাৰতবৰ্ষক অন্যান্য ঋণ মাপক প্ৰাধিকৰণবোৰে ঘটোৱা উন্নতিয়ে ভাৰতবৰ্ষক সহায় কৰিব। এই ধৰণে অৰ্থনৈতিক উন্নয়ন ঘটোৱাৰ লগতে স্থিৰ ব্যাহিক খণ্ড আৰু সক্ৰিয় মুদ্ৰাস্ফীতিৰ লক্ষ্যৰে ভাৰতবৰ্ষই ইয়াৰ মেধাৰ লগতে বিশ্ব অৰ্থনীতিৰ আন দেশবোৰৰ সৈতে নিজৰ তুলনামূলক যোগ্যতা প্ৰদৰ্শন কৰিবলৈ সক্ষম হ'ব। ❐

# বেংকিং ক্ষেত্ৰৰ সংস্কাৰত ভাৰতীয় ৰিজাৰ্ভ বেংকৰ ভূমিকা

**হামান আলী***

ৰিজাৰ্ভ বেংক অব্ ইণ্ডিয়া (আৰ বি আই) বা ভাৰতীয় ৰিজাৰ্ভ বেংক হৈছে ভাৰতৰ কেন্দ্ৰীয় বেংকিং প্ৰতিষ্ঠান আৰু ইয়ে ভাৰতীয় টকাৰ মুদ্ৰা নীতি নিয়ন্ত্ৰণ কৰে। ৰিজাৰ্ভ বেংক অব্ ইণ্ডিয়া আইন ১৯৩৪ত সন্নিবিষ্ট ব্যৱস্থা অনুসৰি ১৯৩৫ চনৰ ১ এপ্ৰিলত ৰিজাৰ্ভ বেংক প্ৰতিষ্ঠা কৰা হয়। প্ৰথম অৱস্থাত ইয়াৰ মূলধনক ১০০ টকা মূল্যৰ অংশ পত্ৰত ভগোৱা হৈছিল আৰু এই সমগ্ৰ অংশপত্ৰ ব্যক্তিগত অংশীদাৰৰ অধীনত আছিল। ১৯৪৭ চনত দেশ স্বাধীন হোৱাৰ পাছত ১৯৪৯ চনত ৰিজাৰ্ভ বেংকৰ চৰকাৰী কৰণ কৰা হয়।

ভাৰত চৰকাৰৰ উন্নয়নমূলক আঁচনিসমূহত ৰিজাৰ্ভ বেংক অব্ ইণ্ডিয়া (আৰ বি আই)এ গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। ই এছিয়ান ক্লিয়েৰিং ইউনিয়নৰ এটা সদস্য বেংক। ৰিজাৰ্ভ বেংকৰ সাধাৰণ চোৰাচিতা আৰু নীতি নিৰ্দেশনাৰ বাবে ২১ গৰাকী সদস্যৰে গঠিত এখন কেন্দ্ৰীয় পৰিচালনা সমিতি আছে। ৰিজাৰ্ভ বেংকৰ গভৰ্ণৰ, চাৰিজন ডেপুটি গভৰ্ণৰ, ভাৰতীয় বিত্ত মন্ত্ৰণালয়ৰ দুজন প্ৰতিনিধি, অৰ্থনৈতিক ক্ষেত্ৰখনৰ বিভিন্ন শাখাসমূহ প্ৰতিনিধিত্ব কৰিবলৈ চৰকাৰে নিৰ্বাচন কৰি দিয়া ১০ গৰাকী প্ৰতিনিধি আৰু মুম্বাই, কলকাতা, চেন্নাই তথা নতুন দিল্লীৰ স্থানীয় শাখাসমূহৰ চাৰিগৰাকী প্ৰতিনিধিৰে এই সমিতি গঠন কৰা হৈছে।

এই স্থানীয় শাখাসমূহ পাঁচ-গৰাকীকৈ সদস্যৰে গঠিত, যিয়ে কো-অপাৰেটিভ বেংক বা অন্যান্য বেংক-সমূহৰ লগতে স্থানীয় বিষয়সমূহ আলোচনাৰ মেজলৈ আনে। বিত্তীয় অন্তৰ্ভুক্তি নীতিৰ প্ৰসাৰৰ ক্ষেত্ৰতো ৰিজাৰ্ভ বেংকে সক্ৰিয় ভূমিকা গ্ৰহণ কৰে। ই দেশৰ সমগ্ৰ অৰ্থনৈতিক ক্ষেত্ৰ তথা বেংক বা বেংকিং ক্ষেত্ৰৰ লগত প্ৰত্যক্ষভাৱে জড়িত হৈ থাকে।

প্ৰথম অৱস্থাত সমাজত মুদ্ৰাৰ প্ৰচলন হোৱা নাছিল। তেতিয়া মানুহে মূলতঃ পণ্য বিনিময় প্ৰথাকে গ্ৰহণ কৰিছিল। বিনিময় ব্যৱস্থা মানুহৰ সকলো পাৰ্থিৱ অৱস্থানৰ মূল উপাদান। খাদ্য, বস্ত্ৰ আৰু বাসস্থান হৈছে জীৱন ধাৰণৰ ন্যূনতম প্ৰয়োজনীয় সামগ্ৰী। মানৱ সমাজৰ উন্নয়ন আৰু প্ৰগতিৰ লগে লগে মানুহৰ অভাৱ আৰু চাহিদাৰ পৰিমাণো ক্ৰমশঃ বৃদ্ধি পাই আহিছে। অতীতত মানুহে নিজৰ প্ৰয়োজনীয় সামগ্ৰীসমূহৰ অধিক সংখ্যকেই নিজেই তৈয়াৰ কৰি বা উৎপাদন কৰি লৈছিল। তথাপিও অন্য প্ৰয়োজনীয় সামগ্ৰী আনৰ লগত বিনিময় পদ্ধতিৰে সংগ্ৰহ কৰি লৈছিল।

খ্ৰীষ্টপূৰ্ব ষষ্ঠ শতিকাৰ পৰাই ভাৰতীয় টকাৰ ইতিহাস আৰম্ভ হয়। প্ৰাচীন ভাৰত, মুদ্ৰাৰ প্ৰাৰম্ভিক প্ৰচলন-কাৰী দেশসমূহৰ অন্যতম।

শেৰশ্বাহ সুৰীয়ে তেওঁৰ পাঁচবছৰীয়া শাসন কালত (১৫৪০-১৫৪৫) ১৭৮ ৰতি ওজনৰ ৰূপৰ মুদ্ৰা ৰূপিয়া নামেৰে প্ৰচলন কৰিছিল। হিন্দী ৰূপিয়া শব্দটো মৰিয়াই চেপেটা কৰা ৰূপ (ধাতু) অৰ্থাৎ ৰূপৰ মুদ্ৰা বা মোহৰ মাৰি চিহ্নিত কৰা কাৰ্য বুজায় যিটো সংস্কৃত শব্দ ৰূণৰ পৰা উদ্ভৱ হৈছে।

কৌটিল্যৰ অৰ্থশাস্ত্ৰতো ৰূপৰ মোহৰ, সোণৰ মোহৰ, সীহৰ মোহৰৰ উল্লেখ আছে। ইংৰাজৰ শাসন কালতো পৰৱৰ্তী সময়ত ৰূপৰ মুদ্ৰা প্ৰচলন হৈছিল। কাগজৰ বেংক নোটৰ পোন প্ৰথম প্ৰচলনকাৰীৰ ভিতৰত আছিল বেংক অব্ হিন্দুস্থান (১৭৭০-১৮৩২) ৱাৰেণ হেষ্টিংছে প্ৰতিষ্ঠা কৰা চেণ্ট্ৰেল বেংক অব্ বেংগল এণ্ড বিহাৰ (১৭৭৩-৭৫) আৰু বেংগল বেংক (১৭৮৪-৯১)।

১৯ শতিকাৰ সময়ছোৱাত দেশৰ সবল অৰ্থ ব্যৱস্থাসমূহত সোণৰ ভিত্তিত দেশীয় মুদ্ৰাৰ মূল্য নিৰ্দ্ধাৰণ হোৱাৰ বিপৰীতে ভাৰতীয় টকা ৰূপৰ (ধাতু) ওপৰত নিৰ্দ্ধাৰণ কৰা হৈছিল। ৰিজাৰ্ভ বেংক অব্ ইণ্ডিয়া আইন ১৯৩৪ৰ ২২ নং অনুচ্ছেদ মতে নিজা নোট প্ৰস্তুত নোহোৱালৈকে ৰিজাৰ্ভ বেংকক ভাৰত চৰকাৰে ইতিমধ্যে চলাই অহা নোট-সমূহ প্ৰচলনৰ প্ৰচলনৰ কৰ্তৃত্ব প্ৰদান কৰে।

১৯৩৮ চনত বেংকটোৱে ৬ষ্ঠ জৰ্জৰ প্ৰতিকৃতি অংকিত প্ৰথমখন ৫ টকীয়া নোটৰ প্ৰচলন কৰে। ইয়াৰ পাছত ১০ টকীয়া, ১০০ টকীয়া, ১,০০০ টকীয়া আৰু সেই বছৰৰে জুন মাহত

*লিখক হামান আলী বৰক্ষেত্ৰী মহাবিদ্যালয়ৰ প্ৰবক্তা

১০,০০০ টকীয়া নোট প্ৰচলনৰ ব্যৱস্থা কৰে। দ্বিতীয় গভৰ্ণৰ ছাৰ জেমছ টেইলৰে ৰিজাৰ্ভ বেংকৰ প্ৰথম নোটসমূহত হস্তাক্ষৰ কৰে। ১৯৪০ চনত জাপানীসকলে ভাৰতীয় টকাৰ উচ্চ মানৰ জালনোট প্ৰস্তুত কৰি উলিয়ায় আৰু ইয়াৰ ফলত ৱাটাৰ মাৰ্কটো সলনি কৰাৰ প্ৰয়োজন হয়। ৬ষ্ঠ জৰ্জৰ অৰক্ষ প্ৰতিকৃতিৰ সলনি সম্পূৰ্ণ প্ৰতিকৃতি অংকন কৰা হয় আৰু তেতিয়াই ভাৰতত প্ৰথম বাৰৰ বাবে সুৰক্ষা সূত্ৰডাল সন্নিবিষ্ট কৰা হয়। স্বৰাজোত্তৰ কালত নতুন নোটৰ প্ৰচলনৰ ফলত এই নোটসমূহ অচল হৈ পৰে।

সংশোধিত ভাৰতীয় ৰিজাৰ্ভ বেংক আইনৰ ১৯৩৪ৰ ৪৫ ম, ঠ ধাৰাৰ অন্তৰ্গত গঠিত মৌদ্ৰিক নীতি সমিতিৰ চতুৰ্থখন বৈঠক ৫ আৰু ৬ এপ্ৰিল ২০১৭ তাৰিখে মুম্বাইস্থিত ভাৰতীয় ৰিজাৰ্ভ বেংকৰ প্ৰধান কাৰ্যালয়ত অনুষ্ঠিত হয়।

এই বৈঠকত কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰা হয়।

বৈঠকত চলিত উদ্ভাসমান স্থূল অৰ্থনৈতিক পৰিস্থিতিৰ ভিত্তিত মৌদ্ৰিক নীতি সমিতি (এম পী পী)এ এই মৰ্মে সিদ্ধান্ত লয়—

চলনিধি সমযোজনা সুবিধা (এল এ এফ)ৰ অধীনত নীতিগত ৰেপ'হাৰ ৬.২৫ শতাংশত অপৰিৱৰ্তিত ৰখা হ'ব।

* বিকাশাত্মক আৰু নিয়ামক নীতি-সমূহৰ ওপৰত সংলগ্ন প্ৰবিৰৰণত বৰ্ণোৱা মতে এল এ এফ কৰিড'ৰ সংকীৰ্ণকৰণ হেতুকে এল এ এফৰ অধীনত ৰিভাৰ্ছ ৰেপ'হাৰ ৬.০ শতাংশত আৰু উপান্ত স্থায়ী সুবিধা (এম এছ এফ)ৰ হাৰ তথা বেংক হাৰ থাকে ৬.৫০ শতাংশত।
* বিকাশত সমৰ্থন আগবঢ়াই +/-২ শতাংশ বেণ্ডৰ ভিতৰত ৪ শতাংশ উপভোক্তা মূল্য সূচাংক স্ফীতি (চী বী আই)ৰ বাবে মধ্য ম্যাদী লক্ষ্যত উপনীত হোৱাৰ উদ্দেশ্যৰে সৈতে এম পী চীৰ সিদ্ধান্তটো সংগতিপূৰ্ণ আৰু এই সিদ্ধান্তৰ অন্তৰালৰ মূল বিবেচনাবোৰৰ বিষয়েও উল্লেখ কৰা হয়।

ভাৰতীয় ৰিজাৰ্ভ বেংক গঠন কৰিবলৈ ৰিজাৰ্ভ বেংক অব্ ইণ্ডিয়া এক্ট প্ৰণয়ন কৰা হৈছিল। এই আইনখন সময়ে সময়ে সংশোধিত হৈ থাকে। এই আইনখনে ভাৰতীয় ৰিজাৰ্ভ বেংকৰ গঠন ক্ষমতা আৰু ইয়াৰ কাৰ্য প্ৰণালীৰ লগত জড়িত কাম-কাজসমূহ সম্পাদন কৰে। ইন ক'ৰ্পৰেচন, কেপিটেল মেনেজমেণ্ট আৰু বেংকসমূহৰ ব্যৱসায় কেন্দ্ৰীয় বেংক-সমূহৰ কাৰ্যসমূহ, বেংকৰ বিত্তীয় নিৰীক্ষণ আৰু বিত্তীয় অনুষ্ঠানসমূহ ফৰেক্স, ৰিজাৰ্ভ মেনেজমেণ্ট, বেংকৰেট, হিচাপ-নিকাচ পৰীক্ষণ, একাউণ্টছ আদিৰ কাৰ্যপ্ৰণালী নিয়ন্ত্ৰণ, নিয়ম ভংগৰ বাবে শাস্তি ইত্যাদি সমূহো ভাৰতীয় ৰিজাৰ্ভ বেংক আইন মতে পৰিচালিত হয়।

বী আৰ এক্ট ১৯৪৯ৰ অধীনত ভাৰতীয় ৰিজাৰ্ভ বেংকে নতুন বেংক স্থাপন, একাধিক বেংক লগ লগোৱা সংযোজন নতুন শাখা খোলা আদিৰ ক্ষেত্ৰত যথেষ্ট ক্ষমতা লাভ কৰিছে। এই আইনৰ অধীনত ভাৰতীয় ৰিজাৰ্ভ বেংকে নিয়ামক নিয়ন্ত্ৰণ আৰু বেংক ব্যৱস্থা উন্নয়নৰ ক্ষেত্ৰত যথেষ্ট ক্ষমতা লাভ কৰিছে।

দেশৰ বিত্তীয় অন্তৰ্ভুক্তি নীতিৰ প্ৰসাৰৰ ক্ষেত্ৰতো ৰিজাৰ্ভ বেংকে সক্ৰিয় ভূমিকা গ্ৰহণ কৰে। ই এলায়েঞ্চ ফৰ ফাইনেন্সিয়েল ইনক্লুচনৰো আগশাৰীৰ সদস্য। তলত ৰিজাৰ্ভ বেংকৰ কেইটামান কাৰ্য উল্লেখ কৰা হ'ল।

**মুদ্ৰা প্ৰচলন ঃ**

ৰিজাৰ্ভ বেংক আৰু ভাৰত আইনৰ ধাৰা ২২ অনুসৰি কেৱল ৰিজাৰ্ভ বেংকেহে বেংকনোট আৰু মুদ্ৰাসমূহ প্ৰচলন কৰিব পাৰে। অৱশ্যে এটকীয়া নোট আৰু মুদ্ৰাসমূহ বিত্ত মন্ত্ৰণালয়ে প্ৰচলন কৰে।

বেংক নোটৰ প্ৰচলন কৰি ৰিজাৰ্ভ বেংকে কেন্দ্ৰীয় চৰকাৰৰ এজেণ্ট হিচাপে কাম কৰে। এই কামৰ বাবে প্ৰতিষ্ঠানটোৰ এটা সুকীয়া বিভাগ আছে আৰু এই বিভাগটোৰ সম্পত্তি আৰু দেনাসমূহ বেংকিং বিভাগটোৰ পৰা পৃথককৈ ৰখা হয়।

**আৰ্থিক কৰ্তৃত্ব ঃ**

ভাৰতীয় অৰ্থ ব্যৱস্থাৰ মূল পৰিচালিকা বা কৰ্তৃপক্ষ হৈছে ভাৰতীয় ৰিজাৰ্ভ বেংক। ই কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰসমূহৰ বেংক হিচাপে কাম কৰে। ৰিজাৰ্ভ বেংকে ভাৰতীয় মুদ্ৰা নীতিৰ প্ৰস্তুত তথা ৰূপায়ণ কৰাৰ লগতে ইয়াৰ নিৰীক্ষণ কৰে আৰু উৎপাদনমুখী ক্ষেত্ৰসমূহলৈ ঋণৰ প্ৰবাহ নিশ্চিত কৰে।

**অৰ্থ ব্যৱস্থাৰ নিয়ন্ত্ৰক আৰু উপদেষ্টা ঃ**

ৰিজাৰ্ভ বেংকৰ নিৰ্দেশনা আৰু নিৰ্দিষ্ট কৰি দিয়া সীমাৰ ভিতৰত দেশৰ বেংকিং তথা আৰ্থিক ব্যৱস্থাটো পৰিচালিত হয়। কেন্দ্ৰীয় বেংকটোৱে মুদ্ৰাৰ বিতৰণ, অৰ্থনৈতিক সূচক যেনে মুঠ ঘৰুৱা উৎপাদন আদি নিৰীক্ষণ কৰে আৰু বেংকনোট সমূহৰ নক্সা তৈয়াৰ কৰে।

**বৈদেশিক বিনিময় ঃ**

বৈদেশিক বিনিময় পৰিচালনা আইন ১৯৯৯ অধীনত ৰিজাৰ্ভ বেংকে ভাৰতৰ বৈদেশিক বিনিময় আৰু ইয়াৰ লেনদেনসমূহ নিয়ন্ত্ৰণ তথা ইয়াৰ উন্নয়নৰ ব্যৱস্থা কৰে।

**অন্যান্য বেংকেসমূহৰ বেংক ঃ**

ভাৰতীয় ৰিজাৰ্ভ বেংক হৈছে ভাৰতৰ কেন্দ্ৰীয় বেংক। বাণিজ্যিক বেংকসমূহে ইয়াত এটা নিৰ্দ্ধাৰিত পৰিমাণৰ টকা জমা ৰখাটো বাধ্যতামূলক। ৰিজাৰ্ভ বেংকৰ সৈতে সূচীভুক্ত আটাইবোৰ বেংকৰ একাউণ্ট থাকিব লাগিব। বাণিজ্যিক বেংকসমূহে সৃষ্টি কৰা ঋণসমূহ ভাৰতীয় ৰিজাৰ্ভ বেংকে জমা টকাৰ অনুপাত বেংকৰ হাৰ আৰু মুকলি বজাৰ ভাল পোৱা আদি নিয়ন্ত্ৰণ কৰে। কেন্দ্ৰীয় বেংকটোৱে চেক সমূহৰ নিষ্পত্তি তথা আন্তঃবেংক অৰ্থৰ আদান-প্ৰদানতো সহায় কৰে। ইয়াৰ লগতে বেংকসমূক জৰুৰীকালিন ঋণ প্ৰদান কৰে। ই বাণিজ্যিক বেংকসমূহৰ কাৰ্য-কলাপত নজৰ ৰাখে আৰু প্ৰয়োজন অনুসাৰে অনুশাসনমূলক ব্যৱস্থা হাতত লয়।

**অন্যান্য কাৰ্য ঃ**

ভাৰতীয় ৰিজাৰ্ভ বেংক চৰকাৰৰো বেংক আৰু ই কেন্দ্ৰীয় তথা ৰাজ্য চৰকাৰৰসমূহৰ হৈ মাৰ্চেণ্ট বেংকিং কাৰ্যও সম্পাদন কৰে।

১৯৫০ চনত স্বাধীন ভাৰতৰ প্ৰথমগৰাকী প্ৰধান মন্ত্ৰী জৱাহৰলাল নেহৰুৰ সময়ত কৃষি ক্ষেত্ৰখনৰ ওপৰত প্ৰাধান্য দিয়া হৈছিল। প্ৰশাসনে বণিজ্যিক বেংকসমূহৰ চৰকাৰীকৰণ কৰাৰ লগতে বেংকিং কোম্পানী আইন ১৯৪৯ৰ ভিত্তিত ভাৰতীয় ৰিজাৰ্ভ বেংকৰ এটা অংশ হিচাপে এটা কেন্দ্ৰীয় বেংক বিধি স্থাপন কৰে। তদুপৰি কেন্দ্ৰীয় ৰিজাৰ্ভ বেংকক অৰ্থনৈতিক পৰিকল্পনাসমূহত ঋণ আদিৰে সাহায্য প্ৰদান কৰিবলৈ নিৰ্দেশ দিয়ে।

বেংকসমূহৰ বিপৰ্যয়ৰ ফলস্বৰূপে ৰিজাৰ্ভ বেংকক এটা জমা ধন বীমা ব্যৱস্থাৰ প্ৰৱৰ্তন তথা চোৱাচিতা কৰিবলৈ অনুৰোধ জনোৱা হয়। ১৯৬১ চনৰ ৭ ডিছেম্বৰত কেন্দ্ৰীয় বেংক ব্যৱস্থাটোৰ বিশ্বাসযোগ্যতা ঘূৰাই আনিবলৈ এই ব্যৱস্থাটোৰ প্ৰৱৰ্তন কৰা হয়।

১৯৬৯ চনত ইন্দিৰা গান্ধীৰ নেতৃত্বাধীন চৰকাৰে ১৪ টা আৰু ১৯৮০ চনত পুনৰ ছটা বেংকৰ চৰকাৰীকৰণ কৰে। সেই সময়ৰ পৰা ৰিজাৰ্ভ বেংকে দেশৰ অৰ্থনৈতিক ক্ষেত্ৰখনত প্ৰধান ভূমিকা ল'বলৈ আৰম্ভ কৰে আৰু জমা সুদ, ৰিজাৰ্ভৰ হাৰ আৰু দৃশ্যমান জমা ৰাশিৰ ক্ষেত্ৰত বিভিন্ন নীতি হাতত লয়।

এনেদৰে আমি ভাৰতীয় বেংকিং ক্ষেত্ৰত আৰু দেশীয় অৰ্থনীতিত ভাৰতীয় ৰিজাৰ্ভ বেংকৰ এটা শক্তিশালী ভূমিকা সম্পৰ্কে জানিব পাৰো। ❐

---

(৪৭ পৃষ্ঠাৰ পৰা)

পাৰে। অন্যবেংকৰপৰা নগদ ধন লোৱাসকলক গৃহ ঋণৰ বাবে লক্ষ্য কৰি ল'ব পাৰি।

ক্ৰেডিট ব্যুৰ'বোৰ বেংকাৰৰ বাবে সঁচাকৈয়ে বৃহৎ তথ্য যন্ত্ৰ। যেনে এক বিশেষ চুক্তি বা বিষয়ববীয়াৰ তথ্য উদ্‌ঘাটন বা ২৫ লাখৰ ওপৰৰ গৃহ ঋণৰ অধিকাৰীৰ তথ্য আদিৰ ক্ষেত্ৰত বেংকে সঠিক খবৰ পাব পাৰে। এই তথ্যক পুনৰ বিভিন্ন উৎপাদনৰ বাবে বিশ্লেষণ কৰিব পাৰে যেনে ক্ৰেডিট কাৰ্ড, গাড়ী ঋণ, ইত্যাদি। এইবোৰে গ্ৰাহকক বাট দেখুৱাব পাৰে আৰু গ্ৰাহকে কি বিচাৰে তাৰ সম্ভাৱনীয়তা পাব পাৰে। তদুপৰি চলি থকা দামৰ ভৱিষ্যৎ নিৰ্ণয় কৰিব পাৰি।

**নতুন গ্ৰাহক ঃ**

এই ক্ষেত্ৰত বেংক ৱেবছাইট সমূহৰ কাম বিস্ময়কৰ। আমি গ্ৰাহক কেন্দ্ৰিক কিছু অনুসূচী যদি ৱেবছাইটত অন্তৰ্ভুক্ত কৰাওঁ, তেন্তে এইবোৰ বাধ্যবাধকতাত ৰূপান্তৰিত হ'ব। এইবোৰে বিভিন্ন অনুষ্ঠানক সামৰি ল'ব। সাঙুৰি ল'ব। w.w.w fundoodata.com জাতীয় ৱেবছাইট বোৰে সামান্য নিৰিখতে তথ্য প্ৰদান কৰে। এইবোৰ আমাৰ সুবিধাৰ বাবে ব্যৱহাৰ কৰিব পাৰি।

**সিদ্ধান্ত ঃ**

আমি এনে এটা পৰ্যায়লৈ গতি কৰি আছোঁ, য'ত বজাৰ কৰা ধৰণ নাকচ কৰি কম সংখ্যক মানুহ বেংকলৈ যাব পাৰে আৰু এই গতি ধৰি ৰাখিবৰ বাবে অতি খৰতকীয়া/তীব্ৰ আৰু বিকল্পৰ সন্ধানৰ সময় আহিল আৰু এই সুযোগ বৃহৎ তথ্য বিশ্লেষণে দিব। বেংকে আইডেণ্টিনমিক্স বা পৰিচয় নীতি ব্যৱহাৰ কৰিব পাৰে— যাৰ যোগেদি গ্ৰাহকৰ অধিক ভাল হ'ব পাৰে। ❐

---

(৩০ পৃষ্ঠাৰ পৰা)

উদ্ভুত প্ৰত্যাহ্বানবোৰ সমাধান হ'ব আৰু এইদৰে গ্ৰামাঞ্চলৰ জনসাধাৰণৰ গুণগত আৰু পৰিমাণগতভাৱে উন্নতি হ'ব। আহক আমি গ্ৰাম্য বেংকিং ব্যৱস্থাৰ লক্ষ্য বাস্তৱায়িত কৰোঁ।

**গ্ৰাম্য বেংকিং— লক্ষ্য ২০২৫**

| | | | | | |
|---|---|---|---|---|---|
| ১০০% বিদ্যুৎ যোগান | — | ১০০% শিক্ষিত | এফ পী অ' | — | এফ এল চী |
| শাখাবোৰ | — | বী চী/বী এফবোৰ | এছ এইছ জী | — | এ জে এল জী |
| বিক্ৰী পইণ্ট | — | এ টী এম | ম'বাইল বেংকিং | — | এপ |
| কিষাণ কল ছেণ্টাৰ | — | ই-শক্তি | ❐ | | |

# ভাৰতৰ ৰাজহুৱা খণ্ড বেংকৰ চামিলকৰণ

**মীৰা বালা বৰা***

ভাৰতৰ মুঠ ঘৰুৱা উৎপাদন বৃদ্ধিৰ হাৰ ২০১৬ বৰ্ষৰ জানুৱাৰী-মাৰ্চত আছিল ৭.৪ শতাংশ। ই ২০১৭ বৰ্ষৰ এপ্ৰিল-জুনত অৰ্থাৎ প্ৰায় এবছৰত ৫.৭ শতাংশলৈ নিম্নগামী হয়। অৱশ্যে এই নিম্নমুখী গতি বিশ্বজুৰি হোৱা দেখা গৈছে। ভাৰতৰ এনে নিম্নমুখী গতি থাকিলেও ভাৰতৰ কৰ্মী জনসংখ্যাৰ অনুপাত বৃদ্ধি বা ভাৰতৰ জনসংখ্যা বৃদ্ধিৰ পৰা লাভ অৰ্জন কৰিব পৰা স্তৰত অৱস্থান, সঞ্চয়ৰ হাৰ বৃদ্ধি, অনুকূল জলবায়ু, নিয়ন্ত্ৰিত মুদ্ৰাস্ফীতি আদিৰ অনুকূল অৱস্থিতি দেখিবলৈ পোৱা গৈছে। সেয়ে ভাৰতবৰ্ষই দেশখনৰ উন্নয়নৰ বাবে গাঁথনিগত দীৰ্ঘম্যাদী সংস্কাৰৰ বাবে উত্তম সময় বুলি বিবেচনা কৰিছে। তদুপৰি বৰ্তমানৰ চৰকাৰে তেওঁলোকৰ নিৰ্বাচনী ইস্তাহাৰত ভাৰতৰ ৰূপান্তৰ বা পৰিৱৰ্তন ঘটাই জনসাধাৰণৰ মঙ্গলৰ বাবে পৰিৱৰ্তনশীল ভাৰতবৰ্ষ সৃষ্টি কৰাৰ ওপৰত গুৰুত্ব দিছে। সেয়ে ক'লা টকা ৰোধৰ বাবে বি-মুদ্ৰাকৰণ, সমগ্ৰ দেশত সমজাতীয় বজাৰ গঢ়ি তুলিবৰ বাবে দ্ৰব্য আৰু সেৱা কৰ প্ৰৱৰ্তন আৰু দেশখনৰ উন্নয়নৰ চালিকা শক্তি বৃদ্ধি কৰিবলৈ বেংক ব্যৱস্থাৰ সংস্কাৰৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছে।

ভাৰতবৰ্ষই ১৯৯১ বৰ্ষত বজাৰমুখী নতুন অৰ্থনৈতিক নীতি গ্ৰহণ কৰাৰ সময়ছোৱাতে এম নৰসিংহ সমিতি গঠন কৰা হৈছিল। সমিতিখনে ৰাজহুৱা খণ্ডৰ বেংকসমূহক চামিল কৰি তিনিধৰণৰ বেংক গঠনৰ ওপৰত গুৰুত্ব দিছিল। (১) আন্তঃৰাষ্ট্ৰীয় অৱস্থিতিৰে ৩ বা ৪টা বৃহৎ বেংক গঠন (২) ৮-১০টা ৰাষ্ট্ৰীয় বেংক গঠন— যাৰ শাখাসমূহে সমগ্ৰ দেশতে বেংকৰ সেৱা আগবঢ়াব, (৩) স্থানীয় বেংক স্থাপন— যিবিলাকে একোটা বিশেষ অঞ্চলত সেৱা আগবঢ়াব, (৪) আঞ্চলিক গ্ৰাম্য বেংকৰ দৰে গ্ৰাম্য বেংকে গ্ৰাম্য অঞ্চলৰ কৃষি আৰু আনুষংঙ্গিক খণ্ডত বিত্তীয় সাহায্য আগবঢ়াব।

কিন্তু এই ব্যৱস্থা কাৰ্যকৰী নোহোৱাত এম. নৰসিংহৰ অধীনত বেংক খণ্ডৰ সংস্কাৰৰ বাবে ১৯৯৮ বৰ্ষত পুনৰ এখন সমিতি গঠন কৰা হয়। এই সমিতিখনে দেশখনত সবল বিত্তীয় ব্যৱস্থা গঠনৰ ওপৰত গুৰুত্ব দিয়ে যাতে দেশখনে ইতিমধ্যে গ্ৰহণ কৰা কেপিটেল একাউণ্ট কনভাৰ্টিবিলিটিৰ ফলত উদ্ভৱ হোৱা মূলধনী প্ৰৱাহৰ কাম-কাজ সুচাৰুৰূপে পৰিচালনা কৰিব পাৰে। সমিতিখনে সবল বেংক চামিলকৰণৰ ওপৰত গুৰুত্ব দিছিল, যাতে এনে চামিলকৰণে বেংক উদ্যোগটোৰ দক্ষতাৰ ত্বৰণ গতি আনি দিব পাৰে।

১৯৯৭ বৰ্ষত এছিয়া বিত্তীয় সংকটৰ বাবে মালয়ছিয়া, ফিলিপাইনছ আদিৰ বেংক ব্যৱস্থা দুৰ্বল হৈ পৰিছিল। সেয়ে মালয়ছিয়াই কেন্দ্ৰীয় চৰকাৰৰ সহযোগত ৫০টা বিত্তীয় অনুষ্ঠান চামিল কৰি ১২টা বেংক গঠন কৰে। ইয়াৰ মুখ্য উদ্দেশ্য আছিল দুৰ্বল বেংকসমূহ চামিল কৰি সবল আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ বেংক গঢ়ি তোলা। ভাৰতবৰ্ষ উক্ত সময়ছোৱাত এই সংকটৰপৰা মুক্ত হৈ থকা বাবে ব্যক্তিগত খণ্ডত নতুন বেংক খুলিবলৈ অনুমতি পত্ৰ প্ৰদান কৰা হয়।

ভাৰততো বেংক চামিলকৰণ বা একত্ৰিকৰণ সম্পৰ্কে ৯০ দশকৰ প্ৰাৰম্ভৰ পৰাই চিন্তা-চৰ্চা কৰা হৈছে। ১৯৯৩ বৰ্ষত প্ৰথম দুৰ্বল নিউ বেংক অৱ ইণ্ডিয়া (NBI) সেই সময়ৰ লাভজনক বেংক, পঞ্জাব নেচনেল বেংক (PNB)ৰ লগত চামিল কৰা হয়। ইয়াৰ ফলত দুৰ্বল বেংক এটাক সুৰক্ষা দিয়া হয় যদিও ১৯৯৬ বৰ্ষত পী এন বী-এ ৯৬ কোটি টকাৰ লোকচান ভৰে। তদুপৰি চামিলকৰণৰ বাবে কৰ্মচাৰী-সকলৰ ক্ষেত্ৰত উদ্ভৱ হোৱা সমস্যা সমাধানৰ বাবে পাঁচ বছৰৰ প্ৰয়োজন হৈছিল। অৱশ্যে ভাৰতত সময়ে সময়ে দুৰ্বল আঞ্চলিক বেংক ৰাজহুৱা খণ্ডৰ বেংকৰ উপৰি বেচৰকাৰী বাণিজ্যিক বেংক অন্তৰ্ভুক্ত হোৱা দেখা যায় মূলতঃ বেংক সেৱা বৃদ্ধি, বজাৰত অংশগ্ৰহণ বৃদ্ধি, বজাৰ সম্প্ৰসাৰণ আৰু এটা উন্নত বৃহৎ পৰিচয় সৃষ্টি কৰিবৰ বাবে।

ভাৰততো মুদ্ৰা সংকট (currency crisis)ৰ পাছত মালয়ছিয়াৰ দৰে বেংকৰ গুণগত মানৰ দ্ৰুত অৱনতি, মূলধনৰ অভাৱ আদিৰ বাবে চামিল-কৰণৰ প্ৰয়োজন হৈছে বুলি কোৱা হৈছে। অৰ্থনৈতিক অৱস্থাৰ নিম্নমুখী উন্নয়ন, নিগম খণ্ডত অধিক ঋণ (over

*লিখিকা মীৰা বালা বৰা জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ সহযোগী অধ্যাপিকা।

leveraged balance sheet), অনাদায় ঋণ, মূলধনৰ অভাৱ আৰু নিম্ন ঋণ সৃষ্টি আদিৰ বাবে বেংকসমূহ লোকচানৰ সন্মুখীন হৈছে। ডিজিটাইজেশ্বন আৰু ম'বাইল বেংকিং কাৰ্যকৰী কৰাত ৰাজহুৱা খণ্ডৰ বেংক বিভিন্ন প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। এনে পৰিস্থিতিত ছেণ্টুম গ্ৰুপৰ সভাপতি যশপাল বৃন্দাৰ মতে চামিলকৰণে প্ৰাৰম্ভিক অৱস্থাত কিছু অসুবিধা সৃষ্টি কৰিব পাৰে। কিন্তু দেশ এখনৰ উন্নতিৰ লগে লগে ঋণৰ প্ৰয়োজনীয়তা বৃদ্ধি পায়, গতিকে ইয়াৰ প্ৰয়োজনীয়তা পূৰাবৰ বাবে বৃহৎ মূলধনী বেংকৰ প্ৰয়োজন হয়। কিন্তু বাৰ্ষিক ভিত্তিত কৰা হিচাপত দেখা গৈছে ২০১৬-১৭ বৰ্ষৰ ফেব্ৰুৱাৰীত সকলো খণ্ডৰ ঋণ লোৱাৰ পৰিমাণ হ্ৰাস পাইছে। ভাৰতত ৰাজহুৱা খণ্ডৰ বেংকে মুঠ বিত্তীয় অনুষ্ঠানৰ ৭৪ শতাংশ সঞ্চয়, ৭১ শতাংশ ঋণ, মুঠ সম্পদৰ ৬৯ শতাংশ আৰু মুঠ আয়ৰ ৬৮ শতাংশ অধিকাৰ কৰি আছে। সেয়ে দেশৰ উন্নয়নৰ বাবে শক্তিশালী বেংক প্ৰতিষ্ঠানৰ বাবে ৰাজহুৱা খণ্ডৰ বেংকৰ চামিলকৰণৰ ওপৰত গুৰুত্ব দিছে। তদুপৰি বিগত ২-৩ বছৰত ৰাজহুৱা খণ্ডৰ বেংকৰ বজাৰ অংশৰ পৰিমাণ ব্যক্তিগত খণ্ডৰ বেংক আৰু অ-বিত্তীয় খণ্ডৰ অনুষ্ঠানৰ বাবে বজাৰ অংশৰ পৰিমাণ হ্ৰাস পাইছে। সেয়ে সবল বেংক প্ৰতিষ্ঠাৰ বাবে বৃহৎ ৰাজহুৱা খণ্ডৰ বেংক, ষ্টেট বেংক অৱ ইণ্ডিয়াক ১ এপ্ৰিল ২০১৭ত ইয়াৰ ৫টা সহযোগী বেংক আৰু নতুনকৈ স্থাপন কৰা ভাৰতীয় মহিলা বেংক একত্ৰিকৰণ কৰা হয়। ইয়াৰ পূৰ্বে ২০০৮ আৰু ২০১০ বৰ্ষত একোটাকৈ সহযোগী বেংক ষ্টেট বেংক অৱ ইণ্ডিয়াৰ লগত চামিল কৰা হৈছিল। ফলপ্ৰসূ এই চামিলকৰণ প্ৰক্ৰিয়াই বেংক চামিলকৰণত ইন্ধন যোগাইছে। ষ্টেট বেংক অৱ ইণ্ডিয়াৰ এই চামিলকৰণে বিশ্বৰ শীৰ্ষ ৫০টা বেংকৰ ভিতৰত স্থান লাভ কৰাত সহায় কৰিছে। ষ্টেট বেংক অৱ ইণ্ডিয়াৰ অধ্যক্ষজনেই সহযোগী বেংকসমূহৰ অধ্যক্ষ আছিল। তদুপৰি তেওঁলোকে একেধৰণৰ প্ৰযুক্তি বিদ্যা ব্যৱহাৰ কৰে, গতিকে বৃহৎ চামিলকৰণ কাৰ্য সম্ভৱ হৈছে। কিন্তু এনেধৰণৰ চামিলকৰণে সবল বেংকটোৰ লাভসমূহ কেনেদৰে লোকচানলৈ পৰিণত হয় তাক তলত দেখুওৱা হ'ল।

এই তথ্যৰ পৰা দেখা গ'ল সহযোগী বেংকৰ মুঠ লোকচানৰ পৰিমাণ হ'ব ১১,৮৫৯ কোটি টকা। এই পৰিমাণ ষ্টেট বেংকৰ মুঠ লাভতকৈ বেছি। গতিকে চামিলকৰণৰ তাৰিখত বেংকৰ লাভৰ পৰিৱৰ্তে মুঠ লোকচান হ'ব ১,৩৮৫ কোটি টকা।

**তালিকা-১** **(কোটি টকাৰ হিচাপত)**

| বেংকৰ নাম | সঞ্চয় | ঋণ | মুঠ লাভ | এন পী এ (%) |
|---|---|---|---|---|
| ১। ষ্টেট বেংক অৱ ইণ্ডিয়া | ২০,৪৪,৭৫১ | ১৫,৭১,০৭৮ | ১০,৪৮৪ | ৩.৭ |
| ২। ষ্টেট বেংক অৱ বিকানি আৰু জয়পুৰ | ১,০৩,৬৬২ | ৬৮,৭৭৪ | – ১,৩৬৮ | ১০.৫ |
| ৩। ষ্টেট বেংক অৱ হায়দৰাবাদ | ১,৪২,৯৫৫ | ৮৭,৭১৫ | – ২,৭৬০ | ১২.৪ |
| ৪। ষ্টেট বেংক অৱ ট্ৰাভানকুৰ | ১,১৪,৩২৩ | ৫২,৫০৬ | – ২,১৫২ | ১০.২ |
| ৫। ষ্টেট বেংক অৱ পাটিয়ালা | ১,০০,৫০৭ | ৭৭,১০০ | – ৩,৫৭৯ | ১৫.৫ |
| ৬। ষ্টেট বেংক অৱ মহীশূৰ | ৭৭,৭৬৯ | ৩৮,৬০৮ | – ২,০০৬ | ১৬.৯ |

**উৎস ঃ** এছ বি আই বাৰ্ষিক ৰিপৰ্ট ২০১৬-১৭; তথ্য ৩১ মাৰ্চ ২০১৭ৰ

বৰ্তমানে ষ্টেট বেংক অৱ ইণ্ডিয়াৰ উপৰি আৰু ৫টা বেংক বৃহৎ বেংক হিচাপে প্ৰতিষ্ঠা কৰিবৰ বাবে তালিকা-২ত দিয়া ধৰণে বেংক চামিলকৰণৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

ৰাজহুৱা খণ্ড বা অন্য বেংকসমূহৰ তথ্য প্ৰযুক্তি ব্যৱস্থা একে নহয়, কৰ্ম-সংস্কৃতি, ভৌগোলিক প্ৰতিনিধিত্ব, কোষাগাৰ লেনদেন প্ৰক্ৰিয়া একে নোহোৱা বাবে চামিলকৰণত কিছু সমস্যাই দেখা দিব।

বেংক এটা সম্পদ ভিত্তিত বৃহৎ হ'লেও সি দক্ষ আৰু লাভজনক বেংক নহ'বও পাৰে। ৰাজহুৱা খণ্ডৰ বেংক, বেংক অৱ বৰোদা, বেংক অৱ ইণ্ডিয়া আৰু ছেণ্ট্ৰেল বেংক অৱ ইণ্ডিয়াৰ সম্পদৰ পৰিমাণ বেছি যদিও গুণগত সম্পদৰ অভাৱ হোৱা দেখা যায়। ৰাজহুৱা খণ্ডৰ বেংকৰ অকাৰ্যক্ষম সম্পদ (Non-performing assets) ২০১৪ বৰ্ষৰ মাৰ্চ মাহত আছিল ২.৭৫ লাখ কোটি টকা। এই পৰিমাণ ২০১৭ বৰ্ষৰ জুনত ৭.৩৩ লাখ কোটি টকালৈ বৃদ্ধি পায়। বেচৰকাৰী বেংকৰ তুলনাত ৰাজহুৱা খণ্ডৰ বেংক অকাৰ্যক্ষম সম্পদৰ অনুপাত যথেষ্ট বেছি। জুন, ২০১৭ৰ হিচাপ মতে আই ডী বী আই বেংক অকাৰ্যক্ষম সম্পদৰ অনুপাত ২৪.১১ আৰু ৭.২১ অনুপাতেৰে ইণ্ডিয়ান বেংকে সৰ্বনিম্ন স্থান লাভ কৰিবলৈ সক্ষম হৈছে। আনহাতে উক্ত সময়ত যশ বেংকৰ অনুপাত হ'ল মাত্ৰ ০.৯৭। দেখা গৈছে বৃহৎ বণিক গোষ্ঠীয়ে ইচ্ছা কৰি তেওঁলোকৰ ঋণ ঘূৰাই দিয়া নাই। ক্ষুদ্ৰ ঋণৰ ক্ষেত্ৰতো এনে প্ৰৱণতা সময়ে সময়ে কৰা ঋণ ৰেহাই বা মাফ ব্যৱস্থাৰ বাবে গঢ় লৈ উঠা দেখা যায়। ঋণ ঘূৰাই

**তালিকা-২**

| বৃহৎ বেংক | | বিলুপ্ত হ'ব ধৰা বেংক |
|---|---|---|
| (১) পঞ্জাব নেচনেল বেংক | (i) | অৰিয়েণ্টেল বেংক অৱ কমার্চ |
| | (ii) | এলাহাবাদ বেংক |
| | (iii) | কৰ্প'ৰেচন বেংক |
| | (iv) | ইণ্ডিয়ান বেংক |
| (২) কানাড়া বেংক | (i) | চিণ্ডেকেট বেংক |
| | (ii) | ইণ্ডিয়ান অভাৰছিছ বেংক |
| | (iii) | ইউকো বেংক |
| (৩) ইউনিয়ন বেংক | (i) | আই ডী বী আই |
| | (ii) | ছেণ্ট্ৰেল বেংক অৱ ইণ্ডিয়া |
| | (iii) | ডেনা বেংক |
| (৪) বেংক অৱ ইণ্ডিয়া | (i) | অন্ধ্ৰ বেংক |
| | (ii) | বেংক অৱ মহাৰাষ্ট্ৰ |
| | (iii) | বিজয়া বেংক |
| (৫) বেংক অৱ বৰোদা | (i) | ইউনাইটেড বেংক অৱ ইণ্ডিয়া |
| | (ii) | পঞ্জাব এণ্ড ছিন্ধ বেংক |

দিবলগীয়া দায়বদ্ধতাৰ অভাৱৰ বাবেই বহু সময়ত এনে হোৱা দেখা যায়। অনুপযুক্ত প্ৰকল্প, অনুপযুক্ত পৰিচালনা, উন্নত প্ৰযুক্তিৰ অভাৱ, চৰকাৰৰ সঘন নীতিৰ সলনিৰ বাবে শিল্পৰ ক্ষেত্ৰত ৰুগ্নতা সৃষ্টি হোৱা দেখা যায়। ফলস্বৰূপে নিগম খণ্ডৰ ঋণ অনাদায় বৃদ্ধি পোৱা দেখা যায়।

ভাৰতীয় ৰিজাৰ্ভ বেংক (RBI)ৰ ২০১৭ বৰ্ষৰ মাৰ্চ মাহৰ তথ্য মতে ঋণগ্ৰস্ত শিল্পখণ্ডসমূহৰ— যাৰ ঋণ অনাদায়ৰ মুঠ অনুপাত (stressed advance ratio বা GNPA) ২০১৬ বৰ্ষৰ মাচত আছিল ২২.৩ শতাংশ। ই ২০১৭ বৰ্ষৰ মাৰ্চত ২৩.০ শতাংশলৈ বৃদ্ধি পায়। কুৰি শতাংশৰ ওপৰত থকা বিভিন্ন শিল্পখণ্ডৰ জী এন পী এ-ৰ অনুপাত তালিকাত দিয়া হ'ল।

| | শিল্পখণ্ড | মুঠ অকাৰ্যক্ষম সম্পদৰ অনুপাত |
|---|---|---|
| (i) | মূলধাতুৰ উদ্যোগ | ৪৫.৬ |
| (ii) | চিমেণ্ট আৰু ইয়াৰ উৎপাদন | ৩৪.৬ |
| (iii) | বস্ত্ৰশিল্প | ২৭.৫ |
| (iv) | যানবাহন আৰু আহিলা | ২৫.৬ |
| (v) | নিৰ্মাণ খণ্ড | ২৪.৫ |
| (vi) | কাগজ আৰু ইয়াৰ উৎপাদন | ২২.৮ |
| (vii) | খাদ্য সংসাধন | ২১.৪ |
| (viii) | খনি আৰু কুৰেৰী | ২১.১ |

উৎপাদিত দ্ৰব্যৰ চাহিদাৰ অভাৱ আৰু উচ্চ ঋণ থকা নিগমলৈ বৃহৎ পৰিমাণৰ ঋণ প্ৰদানে অকাৰ্যক্ষম সম্পদ বৃদ্ধিত অৰিহণা যোগাইছে। ঋণ প্ৰদানৰ বাবে ক্ষতি শংকা নিৰ্ণয়ৰ ক্ষেত্ৰত ঋণৰ নিৰীক্ষণ প্ৰকল্পসমূহৰ প্ৰয়োজনীয় মূল্যাংকনৰ উপযুক্ত কৌশলৰ অভাৱ হোৱা দেখা যায়। প্ৰাক্তন ৰিজাৰ্ভ বেংকৰ গভৰ্ণৰ ৰঘুৰাম ৰাজনৰ মতে ঋণ দিয়া প্ৰকল্পসমূহ viable যদিও প্ৰকল্পসমূহ অসম্পূৰ্ণ হৈ ৰৈছে বিভিন্ন কাৰণত যেনে— ভূমি অধিগ্ৰহণৰ সমস্যা, পৰিৱেশ সম্পৰ্কত অনুমোদন আদিৰ অভাৱ। অৰ্থনৈতিক উপদেষ্টা সঞ্জীৱ সান্ন্যালৰ মতে অকাৰ্যক্ষম সম্পদৰ সমস্যা দূৰীকৰণে মুখ্য অগ্ৰাধিকাৰ লাভ কৰিলেও অকাৰ্যক্ষম সম্পদ আৰু বেংক চামিল-কৰণৰ মাজত সম্পৰ্ক নাই। চামিলকৰণে এই সমস্যা দূৰ নকৰিবও পাৰে। বেংক চামিলকৰণ বাণিজ্যিক উদ্দেশ্যে কৰা উচিত। চামিলকৰণে বেংকসমূহৰ দক্ষতা আৰু দক্ষ, উত্তম পৰিচালনাৰ সৃষ্টি কৰিব। ইয়ে অকাৰ্যক্ষম সম্পদ দূৰীকৰণত সহায় কৰিব। বেংকৰ চামিলকৰণে বেংকৰ আভ্যন্তৰীণ সুবিধা বৃদ্ধি কৰিব। গ্ৰাহকে বৃহৎ পৰিমাণে এ টী এম নেটৱৰ্কৰ সুবিধা লাভ কৰিবলৈ সক্ষম হ'ব। বৃহৎ বেংকে আগবঢ়োৱা সেৱা যেনে— মিউচুৱেল ফাণ্ড, বীমা আদিৰ সুবিধা চামিল হোৱা সৰু বেংকেও লাভ কৰিবলৈ সক্ষম হ'ব। সম্পদৰ পৰিমাণ বৃদ্ধিৰ লগে লগে বৃহৎ পৰিমাণৰ ঋণ প্ৰদান কৰিব পাৰিব। অকাৰ্যক্ষম সম্পদ বৃদ্ধিৰ বাবে ৰাজহুৱা খণ্ডৰ বেংকসমূহ সবল কৰি ৰাখিবৰ বাবে চৰকাৰে পুনৰ মূলধন যোগান (Recapitalisation)ৰ ব্যৱস্থা কৰিব লগা হয়। '৮০ দশকৰ মাজভাগৰপৰা চতুৰ্থ-বাৰৰ বাবে অক্টোবৰ ২০১৭ত মূলধন প্ৰদানৰ ব্যৱস্থা কৰিছে। কিন্তু ই এটা সাময়িক সকাহ। ই লক্ষণসমূহহে দূৰ কৰে, অকাৰ্যক্ষম সম্পদ উদ্ভৱ হোৱা কাৰকসমূহ দূৰ কৰিব নোৱাৰে। তদুপৰি জনসাধাৰণৰ টকা বেংকৰ ঘাটি পূৰাবৰ বাবে ব্যৱহাৰ কৰা হৈছে। গতিকে বেংকসমূহ বাণিজ্যিক ভিত্তিত লাভজনক উদ্যোগ হিচাপে গঢ় দিয়াত গুৰুত্ব দিয়া উচিত।

**(৬৬ পৃষ্ঠাত চাওক)**

# গ্ৰাম্য বেংক, প্ৰত্যাহ্বান আৰু ভৱিষ্যতৰ পথ

**অৰূপজ্যোতি শইকীয়া***

উন্নয়নশীল অৰ্থনীতিত অৰ্থনৈতিক কাম-কাজ অধিক গতিশীল কৰাত গ্ৰাম্য বেংকৰ বিশেষ গুৰুত্ব আছে। গ্ৰাম্য বেংক হৈছে নিৰ্দিষ্ট পৰিসীমাৰ ভিতৰত সেৱা প্ৰদানকাৰী আৰু সূচীভুক্ত বাণিজ্যিক বেংকৰ সমৰ্থনত গঢ়ি উঠা একপ্ৰকাৰ বেংক। ভাৰতবৰ্ষত গ্ৰাম্য বেংক বুলিলে সাধাৰণতে নিৰ্দিষ্ট অঞ্চলত গঢ় লৈ উঠা আঞ্চলিক গ্ৰাম্য বেংককে (আৰ আৰ বী) বুজা যায়।

ভাৰতবৰ্ষত বেংক ৰাষ্ট্ৰীয়কৰণৰ পৰৱৰ্তী সময়ত গ্ৰাম্য বেংকৰ ধাৰণাই গুৰুত্ব লাভ কৰে। গ্ৰামাঞ্চলত বিত্তীয় প্ৰতিষ্ঠানৰ প্ৰয়োজনীয়তা উপলব্ধি কৰি বিগত শতিকাৰ সত্তৰৰ দশকত ভাৰতবৰ্ষত কেন্দ্ৰীয় চৰকাৰ, ৰাজ্য চৰকাৰ আৰু ৰাষ্ট্ৰীয়কৃত বেংকৰ পৃষ্ঠপোষকতাত গ্ৰাম্য বেংক প্ৰতিষ্ঠা কৰা হয়। ১৯৭৫ চনৰ ২৬ ছেপ্তেম্বৰত এখন অধ্যাদেশ যোগে আৰু পাছলৈ ১৯৭৬ চনত গ্ৰহণ কৰা 'আঞ্চলিক গাঁৱলীয়া বেংক আইন' অনুসৰি ভাৰতবৰ্ষত গ্ৰাম্য বেংক প্ৰতিষ্ঠা কৰা হয়। প্ৰথম অৱস্থাত ১৯৭৫ চনৰ ২ অক্টোবৰত উত্তৰ প্ৰদেশৰ গোৰখপুৰ আৰু ফৰিদাবাদ, ৰাজস্থানৰ জয়পুৰ, হাৰিয়ানাৰ ভিৱানী আৰু পশ্চিম বঙ্গৰ মালডাত পাঁচটা আঞ্চলিক গ্ৰাম্য বেংক প্ৰতিষ্ঠা কৰা হয়। এই পাঁচটা বেংক স্থাপন কৰাত ক্ৰমে ভাৰতীয় ষ্টেট বেংক, ছিণ্ডিকেট বেংক, ইউনাইটেড কমাৰ্চিয়েল বেংক, পঞ্জাব নেশ্বনেল বেংকে পৃষ্ঠপোষকতা কৰিছিল। ১৯৮২ চনত 'ৰাষ্ট্ৰীয় কৃষি আৰু গ্ৰাম্য উন্নয়ন বেংক' চমুকৈ 'নাবাৰ্ড' প্ৰতিষ্ঠাৰ পৰৱৰ্তী সময়ত গ্ৰাম্য বেংকসমূহৰ অভিভাৱক-ৰূপে নাবাৰ্ডে কাম কৰি আহিছে। ভাৰতবৰ্ষত গ্ৰাম্য বেংক প্ৰতিষ্ঠাৰ মূল উদ্দেশ্য হ'ল— গ্ৰামাঞ্চলৰ দৰিদ্ৰ কৃষক, কুটিৰ শিল্পী, কলা-কুশলী, ক্ষুদ্ৰ ব্যৱসায়ী, শ্ৰমিক আদিক ঋণ তথা আৰ্থিক সকাহ প্ৰদান কৰি অৰ্থনৈতিক বিকাশৰ গতি ক্ষিপ্ৰ কৰা।

ভাৰতবৰ্ষত আঞ্চলিক গ্ৰাম্য বেংক প্ৰতিষ্ঠাৰ ৪২ বছৰীয়া পৰিক্ৰমাত ভাৰতীয় ৰিজাৰ্ভ বেংক আৰু নাবাৰ্ডে আগবঢ়োৱা বাৰ্ষিক প্ৰতিবেদনৰ আধাৰত কিছু বিৱৰণ দাঙি ধৰিব পাৰি। ২০১৭ চনৰ মাৰ্চ মাহলৈকে সামৰি নাবাৰ্ডে প্ৰকাশ কৰা প্ৰতিবেদনত প্ৰকাশ পাইছে যে ভাৰতবৰ্ষত ২৮ খন ৰাজ্যত ৬৩৫ খন জিলা সামৰি ৫৬টা আঞ্চলিক গ্ৰাম্য বেংকে ১৭,৮৫৬টা শাখাসহ জনসাধাৰণক সেৱা আগবঢ়াই আছে। ৰাজ্যসমূহৰ ভিতৰত উত্তৰ প্ৰদেশত ৮১ খন জিলা সামৰি সৰ্বাধিক আঞ্চলিক গ্ৰাম্য বেংক আছে। কানাড়া বেংকৰ পৃষ্ঠপোষকতা স্থাপিত 'কেৰালা গ্ৰামীণ বেংক'এ ১৫,০৭৫ কোটি টকা জমা কৰি আৰু ১০২ কোটি টকা লাভ অৰ্জন কৰি ভাৰতৰ সকলো গ্ৰাম্য বেংকৰ ভিতৰত বৃহৎ বেংকৰূপে খ্যাতি অৰ্জন কৰিছে। চিণ্ডিকেট বেংকৰ সমৰ্থনত গঢ়ি উঠা ভাৰতৰ প্ৰথমটো আঞ্চলিক গ্ৰাম্য বেংকত পৰিমত হয়। ঠিক তেনেকৈ উত্তৰ প্ৰদেশৰ 'এলাহাবাদ গ্ৰামীণ বেংক'এ ২০১৬-১৭ বিত্তীয় বৰ্ষত ৩১.৩৭ কোটি টকা লাভ অৰ্জন কৰি, 'কৰ্ণাটক গ্ৰামীণ বেংকে ৮৫.১৩ কোটি টকা লাভ আৰু ৯,৬১৩ কোটি টকা জমা কৰি, মহাৰাষ্ট্ৰ গ্ৰামীণ বেংকে ৯,৬৩২ কোটি টকা জমা আৰু ৬৫ কোটি টকা লাভ অৰ্জন কৰি সফল গ্ৰাম্য বেংকত পৰিণত হৈছে।

এনেধৰণৰ তথ্যৰ আধাৰত ভাৰতবৰ্ষত গ্ৰাম্য বেংকৰ ছবিখন বিশ্লেষণ কৰিলে দেখা যায় যে ভাৰতবৰ্ষৰ কেইখনমান বিশেষ ৰাজ্য— উত্তৰ প্ৰদেশ, অন্ধ্ৰ প্ৰদেশ, কৰ্ণাটক, বিহাৰ, মধ্য প্ৰদেশ আৰু ৰাজস্থানত মুঠ গ্ৰাম্য বেংক শাখাৰ ৫০ শতাংশতকৈও অধিক প্ৰতিষ্ঠা কৰা হৈছে। অৰ্থাৎ অসমতা দেখিবলৈ পোৱা গৈছে।

উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যকেইখনৰ ভিতৰত অসমত দুটা আৰু বাকীকেইখন ৰাজ্যত এটাকৈ গ্ৰাম্য বেংক আছে। অঞ্চলটোত সৰ্বমুঠ ৭৭৬টা শাখাসহ ৮টা আঞ্চলিক গ্ৰাম্য বেংক আছে। অঞ্চলটোৰ সকলোবোৰ ভিতৰুৱা অঞ্চলক গ্ৰাম্য বেংকৰ সেৱাই সামৰি ল'ব পৰা নাই। নাগালেণ্ডত মাত্ৰ ১০টাহে গ্ৰাম্য বেংকৰ শাখা আছে। ছিকিমত এতিয়ালৈকে গ্ৰাম্য বেংক স্থাপন কৰা হোৱা নাই। তলৰ তালিকাৰ সহায়ত উত্তৰ-পূৰ্বাঞ্চলত গ্ৰাম্য বেংকৰ এখন ছবি দাঙি ধৰা হ'ল।

***লিখক অৰূপজ্যোতি শইকীয়া যোৰহাটস্থিত নকছাৰি মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ সহকাৰী অধ্যাপক**

তালিকা-১ ঃ **উত্তৰ-পূৰ্বাঞ্চলৰ আঞ্চলিক গ্ৰাম্য বেংক**

| ৰাজ্য | বেংক | বেংকৰ শাখাৰ সংখ্যা | মুখ্য কাৰ্যালয় |
|---|---|---|---|
| অৰুণাচল প্ৰদেশ | অৰুণাচল প্ৰদেশ গ্ৰাম্য বেংক | ৩০ | নাহৰি লাগুন |
| অসম | অসম গ্ৰামীণ বিকাশ বেংক | ৪১৪ | গুৱাহাটী |
| | লংপি দিহাংগী গাঁৱলীয়া বেংক | ৫৮ | ডিফু |
| মেঘালয় | মেঘালয় গ্ৰাম্য বেংক | ৭৬ | শ্বিলং |
| মিজোৰাম | মিজোৰাম গ্ৰাম্য বেংক | ৭১ | আইজল |
| মণিপুৰ | মণিপুৰ গ্ৰাম্য বেংক | ২২ | ইম্ফল |
| নাগালেণ্ড | নাগালেণ্ড গ্ৰাম্য বেংক | ১০ | কহিমা |
| ত্ৰিপুৰা | ত্ৰিপুৰা গ্ৰামীণ বেংক | ১৩৩ | আগৰতলা |

**উৎস ঃ** নাবাৰ্ডৰ প্ৰতিবেদন

ভাৰতবৰ্ষত আঞ্চলিক গ্ৰাম্য বেংকৰ বিকাশৰ গতিধাৰা তলৰ তালিকাৰ সহায়ত দাঙি ধৰা হ'ল।

ভৰা বেংকসমূহ বন্ধ কৰা হৈছে। পৃষ্ঠপোষক বাণিজ্যিক বেংকৰ লগত বহু বেংক একত্ৰীকৰণ কৰা হৈছে।

অৰ্জন কৰিবলৈ সক্ষম হৈছে। বেংক একত্ৰীকৰণৰ পৰৱৰ্তী সময়ত লাভৰ পৰিমাণ বৃদ্ধি হৈছে। তথ্যৰ পৰা প্ৰমাণিত হৈছে যে কাৰ্যক্ষম হৈ থকা বেংকসমূহৰ ৮৫ শতাংশ বেংকেই লাভ অৰ্জন কৰিব পাৰিছে। ভাৰতবৰ্ষত আঞ্চলিক গ্ৰাম্য বেংকৰ লাভজনক অৱস্থাতো শেহতীয়া দহ বছৰৰ পৰিসংখ্যা তালিকা-৩ত দাঙি ধৰা হ'ল।

ভাৰতবৰ্ষত গ্ৰাম্য বেংকৰ বিকাশ তথা কাৰ্যকাৰিতাত উদ্ভৱ হোৱা সমস্যাসমূহ নিম্নোক্ত ধৰণৰ—

১। ভাৰতবৰ্ষৰ কেন্দ্ৰীয় বেংক ৰিজাৰ্ভ বেংকে আঞ্চলিক গ্ৰাম্য বেংকৰ কাৰ্যকাৰিতাৰ নেতিবাচক প্ৰভাৱ পেলোৱা তিনিটা প্ৰধান কাৰক ইয়াৰ বিভিন্ন প্ৰতিবেদনত চিহ্নিত কৰিছে। প্ৰথমতে, আঞ্চলিক গ্ৰাম্য

তালিকা-২ ঃ **আঞ্চলিক গ্ৰাম্য বেংকৰ লাভ-লোকচানৰ পৰিসংখ্যা**

| বৰ্ষ | আঞ্চলিক গ্ৰাম্য বেংকৰ সংখ্যা | লাভ অৰ্জন কৰা আঞ্চলিক গ্ৰাম্য বেংক | লাভৰ পৰিমাণ (কোটি টকা) | লোকচান ভৰা আঞ্চলিক গ্ৰাম্য বেংক | লোকচানৰ পৰিমাণ (কোটি টকা) | শুদ্ধ লাভ (কোটি টকা) |
|---|---|---|---|---|---|---|
| ২০০৭-০৮ | ৯১ | ৮২ | ১৩৮৩.৬৯ | ৮ | ৫৫.৫৮ | ১৩২৮.১১ |
| ২০০৮-০৯ | ৮৬ | ৮০ | ১৮২৩.৫৫ | ৬ | ৩৫.৯১ | ১৭৮৭.৬৪ |
| ২০০৯-১০ | ৮২ | ৭৯ | ২৫৯৪.৮৩ | ৩ | ৫.৬৫ | ২৫০৯.১৮ |
| ২০১০-১১ | ৮২ | ৭৫ | ২৪২০.৭৫ | ৭ | ৭১.৩২ | ২৩৪৯.৪৩ |
| ২০১১-১২ | ৮২ | ৭৯ | ১৮৮৬.১৫ | ৩ | ২৮.৮৭ | ১৮৫৭.২৮ |
| ২০১২-১৩ | ৬৪ | ৬৩ | ২২৭৫ | ১ | ২.০৭ | ২২৭২.৯৩ |
| ২০১৩-১৪ | ৫৭ | ৫৭ | ২৮৩৩ | ০ | ০ | ২৮৩৩ |
| ২০১৪-১৫ | ৫৬ | ৫৬ | ৩২১১ | ০ | ২১.৪ | ২৪৫৯.৪৩ |
| ২০১৫-১৬ | ৫৬ | ৫৬ | ৩৯১৬ | ০ | ২২.৩ | ১৯৩৭.২৮ |
| ২০১৬-১৭ | ৫৬ | ৫৬ | ৪৩১৫ | ০ | ২৫.১ | ২৩৯২.৯৩ |

**উৎস ঃ** ২০০৭ চনৰ পৰা ২০১৭ চনলৈ নাবাৰ্ডৰ বাৰ্ষিক প্ৰতিবেদন।

তালিকাৰ পৰা স্পষ্ট হয় যে বিগত সময়ছোৱাত গ্ৰাম্য বেংকৰ সংখ্যা ক্ৰমান্বয়ে হ্ৰাস পাই আহিছে। লোকচান

আঞ্চলিক গ্ৰাম্য বেংকৰ লাভৰ প্ৰসঙ্গত দেখা যায় যে ২০১৭ চনৰ মাৰ্চ মাহ পৰ্যন্ত ২২৭৩ কোটি টকা লাভ

বেংকসমূহ আৰু ইয়াৰ শাখাসমূহ এনে অঞ্চলসমূহত স্থাপন কৰা হৈছে য'ত জনসাধাৰণৰ বেংকিং

তালিকা-২ ঃ **ভাৰতৰ গ্ৰাম্য বেংকৰ গতিধাৰা**

| বৰ্ষ | আঞ্চলিক গ্ৰাম্য বেংকৰ সংখ্যা | বিকাশৰ হাৰ | আঞ্চলিক গ্ৰাম্য বেংকৰ শাখাৰ সংখ্যা | বিকাশৰ হাৰ | আঞ্চলিক গ্ৰাম্য বেংকে সামৰি লোৱা জিলাৰ সংখ্যা | বিকাশৰ হাৰ |
|---|---|---|---|---|---|---|
| ২০০৭-০৮ | ৯১ | – ৬.২ | ১৪৭৬১ | ১.৩১ | ৫৯৪ | ১১.২৩ |
| ২০০৮-০৯ | ৮৬ | – ৬.৪৯ | ১৫১৮১ | ২.৮৪ | ৬১৭ | ৩.৮৭ |
| ২০০৯-১০ | ৮২ | – ৫.৬৫ | ১৫৪৮০ | ১.৯৬ | ৬১৮ | ০.১৬ |
| ২০১০-১১ | ৮২ | ০ | ১৬০০১ | ৩.৩৬ | ৬২০ | ০.৩২ |
| ২০১১-১২ | ৮২ | ০ | ১৬৯০৯ | ৫.৬৭ | ৬৩৮ | ২.৯ |
| ২০১২-১৩ | ৬৪ | – ২২.৯৭ | ১৭৮৬১ | ৫.৬৩ | ৬৩৫ | ০.৪৭ |
| ২০১৩-১৪ | ৫৭ | – ১১.৮৪ | ১৯০৮২ | ৬.৮৪ | ৬৪২ | ১.১ |
| ২০১৪-১৫ | ৫৬ | ১.৭ | ১৯৬৪ | ৪.৬ | ৬৪২ | ০ |
| ২০১৫-১৬ | ৫৬ | ০ | ২০৩৪২ | ১.৮৪ | ৬৪৮ | ০.৯৩ |
| ২০১৬-১৭ | ৫৬ | ০ | ২০৯২৪ | ২.৮৬ | ৬৪৮ | ০ |

**উৎস ঃ** ২০০৭ চনৰ পৰা ২০১৭ চনলৈ নাবাৰ্ডৰ বাৰ্ষিক প্ৰতিবেদন।

অভ্যাস কম আৰু তেওঁলোক বেংক ব্যৱস্থাৰ প্ৰতি বিশেষ সচেতন নহয়। দ্বিতীয়তে, আঞ্চলিক বেংকসমূহে লক্ষ্য নিৰ্দ্ধাৰণ কৰোঁতে বহু সীমাবদ্ধতা আৰোপ কৰিব লগা হয়। তৃতীয়ততে, বেংকে জমা পুঁজিৰ বাবে নিৰ্দ্ধাৰণ কৰা সুদৰ হাৰ নিম্ন হোৱা বাবে জনসাধাৰণে লেনদেনৰ বাবে আগ্ৰহ প্ৰকাশ নকৰে।

২। আঞ্চলিক গ্ৰাম্য বেংকৰ এলেকা-সমূহত ইয়াৰ পৃষ্ঠপোষক বাণিজ্যিক বেংকসমূহেও সেৱা আগবঢ়াই থকা বাবে আঞ্চলিক বেংকসমূহৰ কাৰ্যকাৰিতত প্ৰতিবন্ধকতাৰ সৃষ্টি কৰে। আপেক্ষিকভাৱে ৰাষ্ট্ৰীয়কৃত বাণিজ্যিক বেংকসমূহৰ আন্তঃ-গাঁথনি আৰু সেৱাৰ মান আঞ্চলিক গ্ৰাম্য বেংকসমূহতকৈ উন্নত হোৱা বাবে জনসাধাৰণে তেওঁলোকৰ এলেকাৰ বাণিজ্যিক বেংকলৈহে প্ৰথমে যোৱাৰ চিন্তা কৰে।

৩। আঞ্চলিক গ্ৰাম্য বেংকবিলাক যথাৰ্থ পুঁজিৰ অভাৱত ভোগে। এনে বেংকত সঞ্চয় তথা জমাৰ পৰিমাণ কম হোৱা বাবে নাবাৰ্ডৰ ওপৰত বিশেষকৈ নিৰ্ভৰ কৰিব লাগে। গ্ৰাম্য জনসাধাৰণে দৰিদ্ৰতা আৰু নিম্ন জনমূৰী আয়ৰ বাবে অধিক ধন বেংকত জমা কৰিব নোৱাৰে।

৪। আঞ্চলিক বেংকৰ দুৰ্বল পৰিচালনাৰ বাবে জনসাধাৰণক আকৃষ্ট কৰিব পৰা নাই। এনে বেংকত কৰ্মচাৰীসকলৰ অদক্ষতা আৰু নতুন প্ৰযুক্তি কৌশলৰ প্ৰতি সচেতন নোহোৱা বাবে বেংকৰ পৰিচালনাত অসুবিধাই দেখা দিছে। এনেধৰণৰ কৰ্মচাৰীক সময়ে সময়ে উপযুক্ত প্ৰশিক্ষণ আৰু নতুন নিযুক্তি দিব নোৱাৰাটোও বেংক-সমূহৰ সন্মুখত এটা প্ৰত্যাহ্বানৰূপে দেখা দিছে।

৫। আঞ্চলিক বেংকসমূহৰ পৰিচালনাৰ ক্ষেত্ৰত নাবাৰ্ড, ভাৰতীয় ৰিজাৰ্ভ বেংক, পৃষ্ঠপোষক বেংক আৰু আন বিত্তীয় অনুষ্ঠানৰ মাজত যথাৰ্থ সু-সমন্বয় নথকাটোৱেও প্ৰতিবন্ধকতাৰ সৃষ্টি কৰিছে। এনে কাৰণতো বেংকসমূহৰ কাৰ্যদক্ষতা হ্ৰাস পাইছে। সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়া দীঘলীয়া আৰু লেহেমীয়া হোৱাটোৱে বেংকৰ কাৰ্যকাৰিতাত প্ৰভাৱ পেলাইছে।

৬। দৰিদ্ৰতা দূৰীকৰণত বিশেষ প্ৰভাৱশালী ভূমিকা পালন কৰিব নোৱাৰাটো গ্ৰাম্য বেংকৰ অন্যতম প্ৰত্যাহ্বানৰূপে চিহ্নিত হৈছে। বেংকে আগবঢ়োৱা সুবিধাসমূহৰ বাবে দৰিদ্ৰ লোক উপকৃত হৈছে বুলি নিশ্চিতভাৱে ক'ব পৰা নাযায়।

৭। বেংকসমূহৰ পৰিচালনাৰ ব্যয় ক্ৰমান্বয়ে বৃদ্ধি পাই অহাটো আঞ্চলিক গ্ৰাম্য বেংকৰ বাবে ক্ৰমবৰ্দ্ধিত সমস্যা হৈ পৰিছে।

চালুকীয়া বিত্তীয় অৱস্থাৰে প্ৰতিযোগিতা আৰু জনকল্যাণ দুটা বিপৰীত আদৰ্শৰ সমন্বয়ত বেংকৰ কাম-কাজ চলাই নিয়াত সমস্যাৰ উদ্ভৱ হৈছে।

৮। অপৰিশোধিত ঋণ বা খিলাপী আঞ্চলিক গ্ৰাম্য বেংকৰ বাবে বৃহৎ প্ৰত্যাহ্বান। এন পী এ বা খিলাপীৰ পৰিমাণ বৃদ্ধি পোৱা বাবেই বহু আঞ্চলিক গ্ৰাম্য বেংকৰ মৃত্যু ঘণ্টা বাজিল।

ভাৰতবৰ্ষৰ দৰে এটা বৃহৎ অৰ্থনীতিত গ্ৰাম্য বেংকৰ আৱশ্যকতা নুই কৰিব নোৱাৰি। সাম্প্ৰতিক সময়ত আঞ্চলিক গ্ৰাম্য বেংকসমূহে প্ৰত্যাহ্বানৰ সন্মুখীন হ'লেও ভৱিষ্যতে নতুন অৰ্থনীতিৰ প্ৰেক্ষাপটত অধিক শক্তিশালী ৰূপত দাঙি ধৰাৰ আৱশ্যকতা আছে। আঞ্চলিক বেংকসমূহক অধিক গতিশীল আৰু কাৰ্যক্ষম কৰি তুলিবৰ বাবে ভাৰতীয় ৰিজাৰ্ভ বেংক আৰু কেন্দ্ৰীয় চৰকাৰে বৰ্তমান সময়ত কেতবোৰ ব্যৱস্থা গ্ৰহণ কৰিছে।

ভাৰতীয় ৰিজাৰ্ভ বেংকে বিত্তীয় অন্তৰ্ভুক্তি অভিযানৰ জৰিয়তে বেংকিং সুবিধা লাভ নকৰাসকলক সামৰি লোৱাৰ পৰিকল্পনা গ্ৰহণ কৰিছে। ক্ষুদ্ৰ সঞ্চয় আৰু ঋণৰ বাবে সাধাৰণ ঋণ পত্ৰ (জী চী চী) আৰু কৃষাণ ক্ৰেডিট কাৰ্ড (কে চী চী)ৰ জৰিয়তে গ্ৰাম্য জনসাধাৰণক সামৰি ল'ব বিচাৰিছে। তদুপৰি ২০০৬ চনৰ জানুৱাৰী মাহত ভাৰতীয় ৰিজাৰ্ভ বেংকে প্ৰকাশ কৰা এখন ঘোষণা পত্ৰত বাণিজ্যিক বেংকসমূহক বেচৰকাৰী সংগঠন, আত্মসহায়ক গোট, ক্ষুদ্ৰ বিত্তীয় প্ৰতিষ্ঠানৰ সংযোগত ঋণ আৰু বেংকৰ সেৱা প্ৰদানৰ অনুমতি প্ৰদান কৰে। ইয়াৰ ফলত আঞ্চলিক গ্ৰাম্য বেংকসমূহে কাম কৰাত সহায়ক হ'ব বুলি আশা কৰা হৈছে।

কেন্দ্ৰীয় চৰকাৰে ২০১৪ চনত আৰম্ভ কৰা প্ৰধান মন্ত্ৰী জন ধন যোজনাৰ জৰিয়তে প্ৰায় ২৬ কোটি একাউণ্ট খুলি গ্ৰাম্য জনসাধাৰণক বেংকিং সেৱাৰ প্ৰতি উৎসাহী কৰি তুলিছে। ২০১৫ চনৰ ২ এপ্ৰিলত সূচনা কৰা মাইক্ৰ' ইউনিট ডেভেলপমেণ্ট ৰিফাইনেন্স এজেন্সি (চমুকৈ মুদ্ৰা)ৰদ্বাৰাও গ্ৰাম্য বেংকৰ সম্প্ৰসাৰণ আৰু গতিশীলতা বৃদ্ধিৰ প্ৰয়াস কৰা হৈছে। তদুপৰি সামাজিক সুৰক্ষামূলক আঁচনি অটল পেন্সন যোজনা, প্ৰধান মন্ত্ৰী সুৰক্ষা বীমা যোজনা, প্ৰধান মন্ত্ৰী জীৱন জ্যোতি বীমা যোজনা আদি আঁচনিসমূহেও আঞ্চলিক গ্ৰাম্য বেংকসমূহক পুনৰুজ্জীৱিত কৰাত সহায় কৰিছে।

অনাগত সময়ত ভাৰতবৰ্ষত গ্ৰাম্য বেংক ব্যৱস্থাৰ সবলীকৰণৰ বাবে গ্ৰহণ কৰিবলগীয়া ব্যৱস্থাসমূহ এনেধৰণৰ—

ক) 'ইলেক্ট্ৰনিক বেনিফিট টেন্সফাৰ' ব্যৱস্থা গ্ৰাম্য অঞ্চলতো অধিক জনপ্ৰিয় কৰি তোলা উচিত। ইয়াৰ বাবে গ্ৰাম্য বেংকসমূহৰ আন্তঃগাঁথনি অধিক শক্তিশালী কৰি তোলাত ৰাজহুৱা ধন ব্যয় কৰাৰ আৱশ্যকতা আছে।

খ) ভাৰতবৰ্ষৰ গ্ৰাম্য জনসাধাৰণৰ ইংৰাজী ভাষাৰ প্ৰতি অহেতুক ভয় থকাৰ বাবে সকলো গ্ৰাম্য বেংকতে গ্ৰাহকৰ বাবে থকা প্ৰ-পত্ৰসমূহ ইংৰাজী ভাষাৰ লগতে মাতৃভাষাত লিখা উচিত।

গ) গ্ৰাম্য জনসাধাৰণৰ লগত ভাব বিনিময় প্ৰক্ৰিয়া অৰ্থবহ আৰু কাৰ্যকৰী কৰি তুলিবৰ বাবে বেংকৰ কৰ্মচাৰীক উপযুক্ত প্ৰশিক্ষণ প্ৰদান কৰা উচিত।

ঘ) গ্ৰাম্য বেংকসমূহত স্থানীয় লোকক নিযুক্তি প্ৰদান কৰা উচিত যাতে স্থানীয় সমস্যা আৰু উৎপাদন ব্যৱস্থালৈ লক্ষ্য ৰাখি বেংক ব্যৱস্থা পৰিচালনা কৰিব পৰা হয়।


ঙ) ৰাজ্য চৰকাৰসমূহেও গ্ৰাম্য বেংক-সমূহক বিশেষ গুৰুত্ব প্ৰদান কৰি প্ৰতিবছৰে বাৰ্ষিক ৰাজ্যিক বাজেটত নীতি নিৰ্দ্ধাৰণ ব্যৱস্থা কৰা উচিত।

চ) বেংকৰ পৰিচালনা ব্যয় হ্ৰাস কৰাত বেংক কৰ্তৃপক্ষই গুৰুত্ব দিব লাগিব। ইয়াৰ বাবেও কৰ্মচাৰীৰ দক্ষতা বৃদ্ধিৰ আৱশ্যক।

ছ) বেংক কৰ্তৃপক্ষই ঋণ প্ৰদানৰ পাছত ঋণ লওঁতাক সঠিক তদাৰক আৰু পৰামৰ্শ দিয়াৰ ব্যৱস্থা কৰিব লাগিব যাতে অপৰিশোধিত ঋণ বা খিলাপী বৃদ্ধি নাপায়।

জ) গ্ৰাম্য বেংকসমূহে আগবঢ়োৱা ঋণ দৰিদ্ৰসকলৰ বাবে নিশ্চিত কৰিব লাগিব। বেংকৰ ঋণযোগ্য পুঁজি এটা নিৰ্দিষ্ট সীমাত দৰিদ্ৰসকলৰ বাবে সীমাবদ্ধ কৰি ৰাখিব লাগিব।

বহু প্ৰত্যাহ্বান থকা সত্ত্বেও আঞ্চলিক গ্ৰাম্য বেংকসমূহে দৰিদ্ৰ লোক আৰু সৰু মানুহৰ বেংকৰূপে সেৱা আগবঢ়াই আহিছে। ভাৰতৰ গ্ৰাম্য প্ৰধান অৰ্থনীতি টনকিয়াল কৰাৰ ক্ষেত্ৰত আঞ্চলিক গ্ৰাম্য বেংক ব্যৱস্থা অধিক সবল ৰূপত আৰু সক্ৰিয় ৰূপত গঢ়ি তোলা আৱশ্যক। ❐


PUBLICATIONS DIVISION
Ministry of Information & Broadcasting, Government of India
Invites you to
World Book Fair 2018
Pragati Maidan, New Delhi
(6-14 January 2018)
A Treasure of Books on
Art & Culture,
Freedom Struggle & History
Satyagraha
THE COLLECTED WORKS OF MAHATMA GANDHI
BELIEF IN THE BALLOT
INDIA
भारत के नारी रत्न
INDIAN COSTUMES
प्रवासी पक्षी
HISTORY OF INDIAN JOURNALISM
BUILDERS OF MODERN INDIA
Also available
Gandhian Literature,
Biographies, Children Books
Environment & books
on many other subjects
To buy online visit: www.bharatkosh.gov.in
For placing orders, please contact: Ph : 011-24367260, 24365609, e-mail: businesswng@gmail.com
website: www.publicationsdivision.nic.in
@ DPD_India
www.facebook.com/publicationsdivision
www.facebook.com/yojanaJournal

# শৰীৰ সুস্থ ৰখাৰ বাবে প্ৰয়োজনীয় খাদ্য

**প্ৰদীপ কুমাৰ দাস***

বয়স জীৱজগতৰ বাবে এটা এৰাব নোৱাৰা পদ্ধতি। মানুহো যিহেতু এই জীৱজগতৰ অন্তৰ্ভুক্ত, সেই কাৰণে মানুহেও এই পদ্ধতিৰপৰা হাতসাৰি থাকিব নোৱাৰে। জন্মৰ লগে লগে আমাৰ বয়স আৰম্ভ হয় আৰু ক্ৰমাগতভাৱে আমি শিশুকাল, কিশোৰ কাল, যৌৱন কাল অতিক্ৰম কৰি অৱশেষত পৌঢ় আৰু বৃদ্ধ কালত উপনীত হওঁ। এই পদ্ধতি প্ৰকৃতিৰ নিয়ম মতেই আগবাঢ়ে আৰু এটা সময়ত আমাৰ জীৱনৰ পৰিসমাপ্তি ঘটে। ই এটা চিৰন্তন প্ৰথা আৰু ইয়াৰ পৰা কোনেও হাতসাৰি থাকিব নোৱাৰে। উল্লেখনীয় যে বয়স বঢ়াৰ লগে লগে আমাৰ শৰীৰত নানা পৰিৱৰ্তনে দেখা দিয়ে। বিশেষকৈ স্নায়ুতন্ত্ৰ আৰু ডী এন এ গঠনৰ পৰিৱৰ্তন ঘটে আৰু লগত শৰীৰৰ কোষ আৰু হৰম'নৰো সলনি হয়। এই পৰিৱৰ্তনৰ বাবে আমাৰ শৰীৰত বেমাৰ-আজাৰে দেখা দিয়ে আৰু ইয়াৰ ফলত আমি বৃদ্ধাৱস্থাৰ সন্মুখীন হওঁ। কিন্তু আমি যদি ৫০ বছৰ বয়সৰ পৰাই নানাধৰণে সাৱধানতা অৱলম্বন কৰিব পাৰো, তেনেহ'লে ৬০ বছৰতো আমি অন্ততঃ ৫০ বছৰীয়া হৈ থাকিব পাৰো। অৰ্থাৎ বয়স হ'লেও শৰীৰত ইয়াৰ প্ৰভাৱ নপৰাকৈয়ে ৰাখিব পাৰোঁ। শাৰীৰিক পৰিশ্ৰম, ব্যায়াম, যোগাসন আৰু পৰিমিত আৰু উপযোগী খাদ্যই আমাৰ শৰীৰটোক কৰ্মক্ষম কৰি ৰখাত বহুখিনি সহায়ক হয়। বিশেষ খাদ্যই আমাৰ শৰীৰতন্ত্ৰক নিয়ন্ত্ৰণ কৰি ৰাখিব পাৰে। এনে ক্ষেত্ৰত বয়স বেছি হ'লেও কম বয়সীয়া যেন কৰি ৰাখে।

প্ৰতিটো প্ৰাণী জীৱই খাদ্যৰ ওপৰত নিৰ্ভৰশীল। বিশেষকৈ মানুহৰ জীৱনটোক সুস্থ কৰি ৰখাত ভিটামিন, প্ৰ'টিন আৰু এণ্টি অক্সিজেনৰ প্ৰয়োজন হয়। এই তিনিওবিধ, খাদ্যত পাবলৈ হ'লে আমি নিয়মিতভাৱে ফল-মূল, শাক-পাচলি আৰু কিছুমান উপযোগী মছলা ব্যৱহাৰ কৰিব লাগিব।

আমাৰ শৰীৰ সুস্থ কৰি ৰাখিবলৈ হ'লে কিছুমান ফল-মূল আমি খাদ্যত অন্তৰ্ভুক্ত কৰিব লাগিব। এই ফল-মূলৰ ভিতৰত আছে— আঙুৰ, আপেল, কমলা, তৰমুজ, আনাৰস, ডালিম, তিয়ঁহ, মধুৰীআম, আমলখি আদি। আঙুৰত থাকে ভিটামিন-ই, মণিক পদাৰ্থ, ফেটী এচিড, আঁহযুক্ত পদাৰ্থ আৰু এণ্টি-অক্সিজেন গুণ। ইয়াৰ বাবেই আঙুৰৰ আছে কৰ্কট ৰোগ, ৰক্তচাপ আদি প্ৰতিৰোধ কৰাৰ ক্ষমতা। তদুপৰি আঙুৰ খালে ছাল সিক্ততাপূৰ্ণ হয়। আপেলত ফাইটো-নিউট্ৰেন আৰু এণ্টি-অক্সিডেণ্ট গুণ থকাৰ লগতে যথেষ্ট পৰিমাণৰ মণিক পদাৰ্থ থাকে। কমলা টেঙাত ভিটামিন-চী, ট'ক্সিন আৰু এণ্টি-অক্সিডেণ্ট আছে। সেইবাবে এইবিধ ফলে আমাৰ শৰীৰৰ বেমাৰ-আজাৰ দূৰ কৰাত সহায় কৰে। তৰমুজত প্ৰায় ৯০ শতাংশ পানী থাকে। তদুপৰি ইয়াত থাকে এ বী চী আৰু ই ভিটামিন আৰু লগতে থাকে জিংক, ছেলেনিয়াম আদি মণিক পদাৰ্থ। সেইবাবে ই এণ্টি-অক্সিডেণ্ট আৰু বয়সৰ চাপ শৰীৰত পৰাৰ পৰা ৰক্ষা কৰে। আনাৰস বা মাটি কঁঠালত থাকে প্ৰায় ১৫ শতাংশ পানী, ভিটামিন-বী-১, বী-২, বী-১২। ভিটামিনৰ লগত লো, জিংক, ক'পাৰ, পটাছিয়াম, কেলছিয়াম, মেগ্‌নেছিয়াম আদি লৌহ পদাৰ্থ। এইবোৰে আমাৰ শৰীৰ ৰোগমুক্ত কৰি ৰাখিব পাৰে। ডালিম বা বেদেনাত যথেষ্ট পৰিমাণে লৌহ পদাৰ্থ থাকে। আমাৰ ছাল সতেজ কৰি ৰখাত ইয়াৰ ভূমিকা অতি সন্তোষজনক। তিয়ঁহে আমাৰ বয়স ধৰি ৰখাত যথেষ্টখিনি সহায় কৰে। ইয়াত থাকে ছিলিকা, পটাছিয়াম, মেগ্‌নেছিয়াম আৰু ভিটামিন-চী। তিয়ঁহ ছালৰ কমনীয়তা ৰক্ষা কৰাৰ বাবে উত্তম ফল। মধুৰি আমত যথেষ্ট পৰিমাণে ভিটামিন-চী থাকে আৰু সেই বাবেই ই বয়স ধৰি ৰখাত সহায়ক হয়। মধুমেহ ৰোগত ভোগা শৰীৰৰ বাবে উত্তম ফল। আমলখিতো যথেষ্ট পৰিমাণৰ ভিটামিন-চী থাকে। ইয়াৰ উপৰিও আম, লিচু, কঁঠাল আদি ফলবোৰো আমাৰ শীৰৰ বাবে উপকাৰী যদিও মধুমেহ ৰোগত আক্ৰান্ত হোৱা ৰোগীয়ে নামমাত্ৰহে খাব লাগে।

শাক-পাচলিৰ ভিতৰত আছে সেউজীয়া শাক, বিলাহী, কবি, ব্ৰ'কলি, মূলা, গাজৰ, অমিতা, পানীলাউ আদি। পালেং, লাউ, লফা, মৰিছা, ৰঙালাউৰ

*লিখক ড° প্ৰদীপ কুমাৰ দাস গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভূতত্ত্ব বিভাগৰ ভূতপূৰ্ব অধ্যাপক।

শাক আৰু নানাবিধ বনৰীয়া শাকে আমাৰ শৰীৰ সুস্থ সবল কৰি ৰখাৰ লগতে বেমাৰৰ বিৰুদ্ধে যুঁজ দিয়াতো সহায় কৰে। এই সেউজীয়া শাকবোৰত আছে ভিটামিন-এ, চী, কে আৰু জিংক, কেলছিয়াম, লো, পটাছিয়াম, ছ'ডিয়াম আদি মণিক পদাৰ্থ। ইয়াৰ লগতে আছে বিটাকেৰোটিন আৰু এণ্টি অক্সিডেণ্ট। দৃষ্টি শক্তি বঢ়াবৰ বাবে আমি সদায় শাক খাব লাগে। তদুপৰি বেছিভাগ সেউজীয়া শাক বয়সক থমকি ৰখোৱাৰ মহৌষধ স্বৰূপ।

পাচলিৰ ভিতৰ বিলাহী হ'ল এণ্টি অক্সিডেণ্ট। বিলাহীত প্ৰধানকৈ আছে লাইক'পেন। ই শৰীৰৰ বাবে উত্তম পাচলি। ফুলকবি, বন্ধাকবি আৰু ওলকবি— তিনিওবিধতে আছে আমাৰ দেহৰ উপকাৰী উপাদানবোৰ। পাচলিৰ ভিতৰত আন এবিধ উত্তম পাচলি হ'ল অমিতা। কাৰণ ইয়াত আছে এ, ই, চী ভিটামিন আৰু দৰ্কাৰী মণিক পদাৰ্থ। অমিতাত আছে প্ৰ'টেঅলাইটিক এনজাইম। ছাল মজবুত ৰখা আৰু হজম শক্তি বঢ়োৱাৰ বাবে অমিতা আমাৰ বাবে উত্তম পাচলি। অমিতা খোৱা মানুহ সহজে বুঢ়া নহয়। আনহাতে ব্ৰ'কলিত আছে ভিটামিন বী, চী, ই আৰু কেলছিয়াম আৰু ক্ৰ'মিয়াম মণিক পদাৰ্থ। গাজৰ হ'ল ভিটামিন এ, বী, চী আৰু কেলছিয়াম আৰু পটাছিয়ামৰ উৎস। ইয়াত বিটাকেৰ'টিন থকাৰ বাবে ই এণ্টি অক্সিডেণ্ট। মূলা দৃষ্টি শক্তি বঢ়োৱাত যথেষ্টখিনি সহায়ক। কাৰণ ইয়াত ফছফৰাছ যথেষ্টখিনি থাকে। গৰম কালিৰ আন এবিধ পাচলি হ'ল ছজিনা। ছজিনাত ভিটামিন চী থকাৰ উপৰিও কেলছিয়াম, লো আৰু ফছফৰাছ থাকে। ছালৰ ৰোগ বসন্ত আদি নিৰাময় কৰাত ছজিনাৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে। শীতকালৰ বাবে দৰকাৰী আন এবিধ পাচলি হ'ল পানীলাউ। পানীলাউত যথেষ্ট পৰিমাণৰ পানী থাকে। শীতকালত আমাৰ দেহৰ পানী কমি গ'লে পানীলাউ খাব লাগে। তেতিয়া আমাৰ দেহৰ ছালবোৰ শুকাই নাযায়। ইয়াৰ উপৰিও জিকা, কোমোৰা, ভেন্দি, পটল আদি পাচলিবোৰে আমাৰ দেহৰ বহুখিনি উপকাৰ সাধন কৰে।

আমাৰ বয়সক কমাই ৰখাৰ বাবে আৰু কিছুমান বেমাৰ ৰোধৰ বাবে কিছুমান মছলা খাদ্যৰ লগত খোৱা উচিত। ইয়াৰ ভিতৰত আছে নহৰু আৰু পিয়াঁজ। বিশেষকৈ হৃদৰোগীৰ বাবে নহৰু এবিধ উত্তম ঔষধ। আনহাতে কেঁচা হালধি আৰু লঙৰ এণ্টি অক্সিডেণ্ট গুণ আছে। ইয়াৰ লগতে আমি মাজে মাজে আদাও তৰকাৰীৰ লগত খোৱা উচিত।

বয়স বঢ়াৰ লগে লগে নানা ধৰণৰ বেমাৰ ৰোধ কৰাৰ বাবে মাজে সময়ে আমি প্ৰ'টিনযুক্ত আহৰো গ্ৰহণ কৰিব লাগে। বিশেষকৈ বাদামজাতীয় খাদ্য, সৰু মাছ, মুৰ্গীৰ মাংস, কণী আৰু দাইল আদি খোৱা প্ৰয়োজন আছে। সেউজ চাহ এণ্টি অক্সিডেণ্টযুক্ত। গতিকে ইয়াকো সময় বুজি সেৱন কৰিব লাগে।

শেষত ইয়াকে ক'ব পাৰি যে বয়সক ধৰি ৰাখিব খুজিলেকিছুমান বদ্ অভ্যাস পৰিহাৰ কৰিব লাগিব। ধূমপান, ৰাগিয়াল বস্তু, সুৰাপান, ফাষ্ট-ফুড, জাংক ফুড স্বাস্থ্যৰ পৰিপন্থী। এইবোৰ বস্তুৰ প্ৰতি থকা মোহ এৰিব লাগিব। তেতিয়াহে দীৰ্ঘায়ু লাভ কৰিব পৰা যাব। ❐

---

(৫৯ পৃষ্ঠাৰ পৰা)

বেংকসমূহ দক্ষ আৰু লাভজনক কৰিববৈলে হ'লে একেধৰণৰ তথ্য প্ৰযুক্তি আৰু কৰ্ম-সংস্কৃতি থকা বেংকসমূহৰ মাজত চামিলকৰণৰ বাবে গুৰুত্ব দিব লাগে। সবল বেংকৰ লগত দুৰ্বল বেংকৰ চামিলকৰণৰ ফলত ইয়াৰ বোজা সবল বেংকে গ্ৰহণ কৰিব লগা হয়। একে ভৌগোলিক খণ্ডৰ বেংকৰ চামিলকৰণে ইয়াৰ কৰ্মচাৰী আৰু গ্ৰাহকক উপকৃত কৰিব। বেংকসমূহে একে ধৰণৰ তথ্য প্ৰযুক্তি ব্যৱহাৰ কৰাৰ ওপৰত গুৰুত্ব দিয়া উচিত। বেংকত সঘনে হোৱা জালিয়াতি, ডকাইতি, লুট আদিৰ প্ৰতিৰোধৰ বাবে উপযুক্ত সুৰক্ষা ব্যৱস্থা গ্ৰহণ কৰা উচিত। বিত্তীয় সংকটৰ উপস্থিতিয়ে বৃহৎ বেংকৰদ্বাৰা অৰ্থনীতিলৈ দ্ৰুত সংকট নমাই আনিব পাৰে। এই ক্ষেত্ৰত ২০০৮ বৰ্ষৰ বিশ্ব বিত্তীয় সংকট প্ৰণিধানযোগ্য। সেয়ে প্ৰশ্ন উঠিছে আমিও লোকচান ভৰিববৈলেকে বা সংকটত পৰিববৈলেকে বৃহৎ বেংক গঠন কৰিছোঁ নেকি? 'To big to fail'। গতিকে দক্ষ বৃহৎ বেংক প্ৰতিষ্ঠাত গুৰুত্ব দিব লাগিব। ❐

# সংকট কালত 'বেংকৰ পুনৰ মূলধনীকৰণ'

**বিদ্যুৎ বৰুণ শৰ্মা***

ভাৰতৰ অৰ্থনীতি অনাদায় ঋণ (এন পী এ)ৰ লগতে অন্য ভালেমান কাৰকে নেচিবাচক প্ৰভাৱ পেলাই আহিছে। অৰ্থনীতিৰ অন্যতম চালিকা শক্তিৰূপে পৰিচিত বেংকসমূহক কাৰ্যতঃ জুৰুলা কৰি আহিছে বহু হেজাৰ কোটিটকীয়া আদায় ঋণসমূহে। ইয়াৰ পৰিণতিস্বৰূপে থৰক-বৰক হোৱা বেংকিং ব্যৱস্থাটোক পুনৰুজ্জীৱিত কৰি তুলিবলৈ কেন্দ্ৰীৰ চৰকাৰে ন ন নীতি বলবৎ কৰিবলৈ আৰু আইন প্ৰণয়নৰ লগতে নিজাববীয়াকৈ ভালেমান কাৰ্যব্যৱস্থা হাতত ল'বলৈও বাধ্য হৈছে। ৰাজহুৱা খণ্ড তথা ৰাষ্ট্ৰীয়কৃত কেন্দ্ৰ-সমূহৰ মূল অংশীদাৰ যিহেতু কেন্দ্ৰীয় চৰকাৰ, সেয়েহে অনাদায় ঋণকে ধৰি বিভিন্ন নেতিবাক কাৰকৰপৰা সমগ্ৰ বেংকিং ব্যৱস্থাটোক উদ্ধাৰ কৰিবলৈ কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা পদক্ষেপৰ অন্যতম হৈছে 'বেংক ৰিকেপিটেলাইজেচন' বা 'বেংক পুনৰমূলধনীকৰণ'।

বিগত বৰ্ষ (২০১৭)ৰ ২৪ অক্টোবৰত কেন্দ্ৰীয় চৰকাৰে এটা বৃহৎ পুনৰ মূলধনীকৰণ পৰিকল্পনা ঘোষণা কৰে। এই বৃহৎ কাৰ্যসূচী ৰূপায়ণৰ বাবে তিনিটা মাধ্যম ব্যৱহাৰৰ কথাও চৰকাৰে ঘোষণা কৰে— বাজেট, বজাৰৰপৰা ধাৰ আৰু পুনৰ মূলধনীকৰণ বস্তু মুকলি কৰা। এই পৰিকল্পনাৰ অনুসৰি ২.১১ মিলিয়ন টকা অৰ্থাৎ ২.১১ লাখ কোটি টকা যিমান পাৰি যিমান সোনকালে ৰাজহুৱা খণ্ডৰ বেংক (পী এছ বি) সমূহক প্ৰদান কৰাৰ সিদ্ধান্ত লোৱা হয়। পৰিকল্পনা অনুসৰি তিনি ধৰণৰ ব্যৱস্থা এনে ধৰণৰ ঃ

**বাজেটত পুঁজি আৱণ্টন ঃ** ৰাজহুৱা খণ্ডৰ বেংকসমূহৰ ১৮,০০০ কোটি টকাৰ শ্বেয়াৰ বা অংশ ক্ৰয় কৰিব চৰকাৰে।

**বজাৰৰপৰা ধাৰ লোৱা ঃ** ৰাজহুৱা খণ্ডৰ বেংকসমূহে ধাৰৰ মাধ্যমত বজাৰৰপৰা ৫৮,০০০কোটি টকা সংগ্ৰহ কৰিব।

**পুনৰ মূলধনীকৰণ বণ্ড ঃ** চৰকাৰে, ১,৩৫,০০০ কোটি টকাৰ বেংক পুনৰ মূলধনীকৰণ বস্তু মুকলি কৰিব আৰু এই বস্তুবোৰ ৰাজহুৱা খণ্ডৰ বেংকৰ অধিক শ্বেয়াৰ ক্ৰয়ত ব্যৱহাৰ কৰা হ'ব।

এই তিনি ধৰণৰ ব্যৱস্থাৰ বেংকসমূহক পুনৰ উজ্জীৱিত কৰি তুলি নতুনকৈ ঋণদানৰ ক্ষমতা বৃদ্ধিত লগতে অন্যান্য বেংকিং ব্যৱস্থা সুচল আৰু সক্ৰিয় কৰি তোলাৰ লক্ষ্য গৈছে চৰকাৰে। সামগ্ৰিকভাৱে সমস্যাটো সমাধান কৰিব নোৱাৰিলেও সাময়িক-ভাৱে বেংকসমূহে এই ব্যৱস্থাৰে যথেষ্ট সকাহ পাব বুলিয়াই আশা কৰা গৈছে। কিন্তু বেংকসমূহে 'নিৰ্বিচাৰ বা নিয়ন্ত্ৰণহীন' পুনৰ মূলধনীকৰণৰ ফল নাপাব। বেংকসমূহে চৰকাৰৰে বুজাবুজি চুক্তি স্বাক্ষৰ কৰি উন্নত কাৰ্যদক্ষতা (পাৰফৰমেন্স) ৰ বাবে ব্যৱস্থা গ্ৰহণৰ প্ৰতিশ্ৰুতিবদ্ধ হ'ব লাগিব। এই বুজাবুজি চুক্তি ত্ৰিপাক্ষিক হ'ব। চৰকাৰ, বেংক ব্যৱস্থাপনা আৰু শ্ৰমিক সংঘৰ মাজত চুক্তি স্বাক্ষৰিত হ'ব যাৰ যোগেদি পুনৰমূলধনীকৰণ দক্ষতানিৰ্ভৰ হ'ব। যোৱা ২৪ জানুৱাৰীত এই অভিলাষী পৰিকল্পনা সম্পৰ্কে বেংকিং সচিব ৰাজীৱ কুমাৰে সদৰি কৰামতে বেয়া ঋণ বা অনাদায় ঋণৰপৰা উদ্ভূত ভয়াৱহ পৰিস্থিতিৰপৰা বেংকসমূহক উদ্ধাৰ কৰাৰ বাবে লোৱা এই পৰিকল্পনাৰে ৰাজহুৱা খণ্ডৰ বেংকসমূহৰ পুনৰ মূলধনীকৰণ এনেদৰে কৰা হ'ব যাতে বেংকসমূহে সুচাৰুৰূপে কাম-কাজ চলাব পাৰে। দুবছৰ ধৰি এই পৰিকল্পনা কাৰ্যকৰী কৰা হ'ব। এই পৰিকল্পনাৰ অধীনত চলিত বিত্তীয় বৰ্ষত ২০টা ৰাজহুৱা খণ্ডৰ বেংকে ৮৮,১৩৯ কোটি টকা চৰকাৰৰপৰা পাব আৰু ইয়াৰে সৰ্বাধিক লাভ কৰিব আই ডী বী আই বেংকে। বেংকটোৱে পাব ১০,৬১০ কোটি টকা। আনহাতে, ৰাজহুৱা খণ্ডৰ বেংকসমূহৰ নিয়মীয়াকৈ পৰীক্ষা (জৰীপ) চলাই ছটাই মাপকৰ ওপৰত ভিত্তি কৰি 'মান স্থান' নিৰ্ণয় কৰা হ'ব। প্ৰতিটো ৰাজহুৱা খণ্ডৰ বেংকক 'বিশ্বাসৰ আধাৰ বুলি গণ্য কৰি চৰকাৰে এই ব্যৱস্থা হাৰত লোৱাৰ কৰা ঘোষণা কৰি ৰাজীৱ কুমাৰে কয় যে বেংকসমূহে যাতে ৰাইজলৈ সেৱা আগবঢ়াব পাৰে আৰু সৰ্বাজনীন বিকাশলৈ অৱদান আগবঢ়াব পাৰে সেয়াই এই পৰিকল্পনাৰ মূল কথা। এই সন্দৰ্ভতে চৰকাৰে কৰা ঘোষণা অনুসৰি প্ৰতিটো ৰাজহুৱা খণ্ডৰ

**(৭১ পৃষ্ঠাত চাওক)**

***লিখক বিদ্যুৎ বৰুণ শৰ্মা দৈনিক অসম কাকতৰ সাংবাদিক।**

# Employment News

*Leading weekly on Jobs for over 41 years*




**Subscribe e-version at www.en.eversion.in @ ₹ 400 per annum.**

**Visit us at: employmentnews.gov.in**

facebook page
facebook.com/director.employmentnews

Follow us @Employ_News

**Publications Division**
Ministry of Information &
Broadcasting
Govertment of India

**Employment News**
7th Floor, Soochna Bhawan
C.G.O Complex, Lodhi Road, New Delhi-110003
Ph. 24369429, 24369443
E-Mail: director.employmentnews@gmail.com

# শিল্প, শিল্পী আৰু বিপণন ঃ এটি চমু অধ্যয়ন

কিংশুক চক্ৰৱৰ্তী*

আধুনিক যুগত আৰ্থ সামাজিক বিকাশত আটাইকৈ জোৰ দিয়া হৈছে বৃহৎ শিল্পৰ ওপৰত। প্ৰতিখন দেশৰ চৰকাৰে দেশত বৃহৎ শিল্প স্থাপন কৰিবলৈ বিভিন্ন পৰিকল্পনা প্ৰস্তুত কৰিছে। দেশ-বিদেশৰ বৃহৎ বিনিয়োগকাৰীক মাতি আনিছে। ডাঙৰ শিল্প উদ্যোগ গঢ়ি তোলাৰ বাবে চৰকাৰী নীতি প্ৰস্তুত কৰা হৈছে। স্বাধীনতাৰ পিছৰ পৰাই ভাৰত চৰকাৰে বৃহৎ উদ্যোগ গঢ়ি তোলাৰ বাবে নীতি ঘোষণা কৰি আহিছে। ঔদ্যোগিকৰণৰ ফালৰ পৰা আমি এতিয়াও বহু ক্ষেত্ৰত পিছুৱাই আছোঁ। কিন্তু এটা বিষয়ত আমি খুবেই চহকী যে স্মৰণাতীত কালৰ পৰাই আমাৰ দেশত একাধিক দেশীয় উদ্যোগ গঢ়ি উঠিছিল। উচ্চ শিল্পসন্মত এই শিল্প উদ্যমবোৰক আমাৰ লোককৃষ্টিৰ অংগ বুলি বিবেচনা কৰা হৈছে। লোক কৃষ্টিৰ অন্যতম পীঠস্থান অসমত অৱস্থান কৰিছে একাধিক লোক শিল্পকেন্দ্ৰিক উদ্যম। এই ক্ষুদ্ৰ উদ্যমবোৰ স্মৰণাতীত কালৰ পৰা মানুহৰ ঘৰে ঘৰে প্ৰতিপালন হৈ আহিছে। এয়া আমাৰ জাতীয় সম্পদ আৰু পৰিচয় বাহক।

অসমৰ পশ্চিম প্ৰান্তত থকা ধুবুৰী জিলাৰ আৰ্থ-সামাজিক বুৰঞ্জী অতি উল্লেখযোগ্য। জিলাখনৰ অৰ্থনীতিৰ প্ৰধান জীৱিকা হৈছে কৃষিকাম আৰু কৃষি অনুষংগমূলক কাম। কিন্তু ইয়াত কৃষিৰ বাহিৰেও বিৰাজ কৰিছে একাধিক শিল্প ভিত্তিক উদ্যম। ধুবুৰী জিলাৰ আটাইতকৈ উল্লেখযোগ্য শিল্পকেন্দ্ৰিক উদ্যমবোৰ হৈছে —'মৃৎ শিল্প' আৰু 'কুঁহিলা শিল্প'। স্মৰণাতীত কালৰ পৰা এই উদ্যম দুটাই এটা বৃহৎ পৰিমাণৰ শ্ৰমজীৱি মানুহলৈ জীৱিকাৰ উৎস প্ৰদান কৰি আহিছে। গৌৰীপুৰৰ গদাধৰ নৈৰ কাষত থকা আসাৰীকান্দী গাঁওখন মৃৎশিল্পৰ বাবে জনাজাত। ইয়াত বসবাসকাৰী পাল উপাধিধাৰী পৰিয়ালবোৰৰ মুখ্য জীৱিকা হৈছে মৃৎ শিল্প। ইয়াৰ মৃৎশিল্পৰ সুনাম কেৱল অসম আৰু ভাৰতবৰ্ষত আৱদ্ধ হৈ থকা নাই বৰং বিভিন্ন দেশলৈ বিয়পি গৈছে। উল্লেখযোগ্য যে আসাৰীকান্দি গাঁৱৰ তিনিটা প্ৰজন্মই সুনাম কঢ়িয়াইছে টেৰাক'টাৰ শিল্প নিৰ্মাণত। সৰলা দেৱী আছিল ৰাষ্ট্ৰীয় বঁটা প্ৰাপ্ত এগৰাকী উচ্চমানৰ মৃৎ শিল্পী। তেওঁৰ পুতেক ধীৰেণ পালে টেৰাক'টা শিল্পক কঢিয়াই লৈ গৈছিল বিশ্বৰ অইন প্ৰান্তলৈকে। সৰলা দেৱীৰ নাতি তথা ধীৰেণ পালৰ পুতেক গকুল পালে এই মৃৎ শিল্পক উচ্চ পৰ্যায়ৰ শিল্পলৈ পৰিণত কৰিছে। গকুল এগৰাকী সুশিক্ষিত আৰু গুণী শিল্পী হিচাপে শিল্প সমালোচকসকলৰ দৃষ্টি আকৰ্ষণ কৰিছে। এই পৰিয়ালটোৰ সাফল্যই গাঁওখনৰ বহু শিল্পী পৰিয়ালক এই শিল্পত মনোনিৱেশ কৰাত উদ্‌গনি দি আহিছে। মৃৎ শিল্পৰ দৰেই ইয়াৰ আন এটা উল্লেখযোগ্য লোক শিল্প হৈছে কঁহিলা শিল্প যাক শোলাৰ শিল্প বুলিও কোৱা হয়। দৰাচলতে কুঁহিলা হৈছে এক প্ৰকাৰৰ জলজ উদ্ভিদ। ইয়াক ৰ'দত শুকোৱাৰ পিছত কাটি বগা অংশ উলিয়াই বিভিন্ন শিল্প কৰ্ম তৈয়াৰ কৰা হয়। কুঁহিলা শিল্পৰ মুখ্য অঞ্চলবোৰ হৈছে গৌৰীপুৰ, গোলকগঞ্জ, হালাকুৰা, আগমনী, ডেপডেপী আদি। এই শিল্পৰ বাবে ৰাজ্যিক বঁটা লাভ কৰিছে কৰেণ মালাকাৰে। এই দুই প্ৰকাৰৰ লোক শিল্পৰ উপৰিও ধুবুৰীত আন বহুত সৰুসুৰা লোকশিল্পৰ উপস্থিতি চাবলৈ পোৱা যায়। যেনে হস্ততাঁত, বাঁহ-বেতৰ কাম, কাঠৰ কাম, লোৰ কাম আদি। এই আটাইবোৰ লোক শিল্প গঢ়ি তোলা হৈছে একেবাৰে ক্ষুদ্ৰ পৰ্য্যায়ত আৰু পৰিয়ালকেন্দ্ৰিক ভাৱে। কেন্দ্ৰীয় ভাৱে হওঁক কিংবা ৰাজ্যিক ভাৱে এই শিল্পবোৰৰ লগতে জড়িত থকা ব্যক্তিসকলক শিল্পীৰ সন্মান দিয়া হৈছে। কিন্তু কেৱল মাথোন শিল্পীৰ সন্মান পালেই এটি উদ্যমে সুস্থ সৱল ভাৱে চলিব নোৱাৰে। যিহেতু এই উদ্যমবোৰেই হৈছে জীৱন-যাপনৰ একমাত্ৰ অৱলম্বন গতিকে এই শিল্পবোৰ যদি সুস্থ স্বাভাৱিক ভাৱে নচলে তেনেহ'লে সমাগত সময়ত এই উদ্যমবোৰ জীয়াই থকাতো বৰ সংঘৰ্ষপূৰ্ণ হ'ব আৰু আজি যাক শিল্পী বুলি সন্মান দিয়া হৈছে তেওঁ কিংবা তেওঁৰ বংশজসকলে এই উদ্যমটো এৰি বিকল্প জীৱিকা সন্ধানী হ'ব গৈ।

উদ্যম এটা সুস্থ সৰলভাৱে চলিবলৈ প্ৰয়োজন উদ্যমী ব্যক্তিৰ আয় উপাৰ্জনৰ বেগৰ ওপৰত। আকৌ আয় নিৰ্ভৰ কৰিছে উদ্যমটোৰ বিপনন ব্যৱস্থাৰ ওপৰত। ধুবুৰী

জিলাত বহু লোক শিল্পকেন্দ্ৰিক থলুৱা উদ্যম আছে কিন্তু ইয়াত কেৱল মাথোন দুটা উদ্যমৰ ওপৰত নিৰ্ভৰ কৰি গোটেই বিপনন ব্যৱস্থাটোক বিশ্লেষণ কৰা হৈছে আৰু ইয়াৰ ফলাফলক সৰলীকৰণ কৰা হৈছে।

মৃৎ শিল্প আৰু কুঁহিলা শিল্পৰ বিপনন ব্যৱস্থাটোক চাৰি ভাগত বিভাজন কৰিব পাৰি। ১। স্থানীয় বজাৰত নিজে গৈ বিক্ৰী কৰা, ২। দালালৰ মাধ্যমত বিক্ৰী কৰা, ৩। নিজৰ ঘৰত বিক্ৰীৰ ব্যৱস্থা কৰা আৰু ৪। প্ৰদশনী কিংবা মেলাকেন্দ্ৰিক বিক্ৰী।

স্থানীয় বজাৰত উদ্যমীয়ে নিজে বহি কৰা বিক্ৰী। ই অতি জনপ্ৰিয় বিপনন ব্যৱস্থা। ইয়াত শিল্পীয়ে নিজে উৎপাদিত পণ্য কঢ়িয়াই আনি বজাৰত বিক্ৰীৰ বাবে বহে। ক্ৰেতা আৰু বিক্ৰেতাৰ মাজত প্ৰত্যক্ষ দৰাদৰিৰ ভিত্তিত বয়-বস্তুৰ কিনা-বেচা কৰা হয়। যেনে কোনো পূজাৰ আগত মৃৎশিল্পী কিংবা কুঁহিলা শিল্পীয়ে স্থানীয় বজাৰত নিজৰ উৎপাদিত বয়-বস্তুবোৰ বিক্ৰী কৰে। মাটিৰ প্ৰতিমা, কুঁহিলাৰ প্ৰতিমা, মাটিৰ বিভিন্ন বয়-বস্তু, কলহ, ঘটি, কাঁহি, চাকি, গছা, ধূপদানি আদি। কুঁহিলাৰ সামগ্ৰী যেনে মালা, মুকুট, ফুল, মুখা আদি। মুকলি বজাৰত শাক-পাচলি বিক্ৰী কৰাৰ দৰেই শিল্পীয়ে উৎপাদিত বয় বস্তু বিক্ৰী কৰে। লক্ষ্মী পূজা কিংবা স্বৰস্বতী পূজাৰ সময়ত গুৱাহাটী মহানগৰীত পদপথত মৃৎশিল্পীয়ে লক্ষ্মী আৰু সৰস্বতী কিম্বা বিশ্বকৰ্মাৰ প্ৰতিমা বিক্ৰী কৰে, ঠিক তেনেধৰণৰ বিপণনক ইয়াত অৰ্থ কৰা হৈছে।

দ্বিতীয় প্ৰকাৰৰ বিপণন হৈছে দালালৰ মাধ্যমত বিক্ৰী। ইয়াত প্ৰকৃত শিল্পীয়ে বস্তুবোৰ উৎপাদন কৰি দালালৰ কিম্বা কমিচন এজেণ্টৰ মাধ্যমত বিক্ৰীৰ ব্যৱস্থা কৰে। দালালে বস্তুবোৰ গোটাই বিভিন্ন বজাৰত বিক্ৰী কৰে। প্ৰথম বিধ বিপণন ব্যৱস্থাত এটা অসুবিধা ইয়াত নাথাকে। কেতিয়াবা যোগান বেছি হোৱাৰ বাবে বজাৰত বহু বস্তু অবিক্ৰিত অৱস্থাত থাকি যায়, যি এক প্ৰকাৰৰ ব্যয়ৰ সমান। কিন্তু সেই আশংকা দ্বিতীয় বিধ বিপনন ব্যৱস্থাত নাথাকে। দালালৰ ওচৰত এবাৰ বস্তুবোৰ বিক্ৰী কৰাৰ পিছত ইয়াৰ যাৱতীয় ব্যয় বহন কৰে দালালজনেই, প্ৰকৃত শিল্পীজনে নহয়। অৱশ্যে ইয়াৰ এটা ডাঙৰ অসুবিধা হৈছে যে দালালে নাম মাত্ৰ মূল্য প্ৰদান কৰি প্ৰকৃত উৎপাদনকাৰীৰ পৰা বস্তুবোৰ ক্ৰয় কৰে। কেতিয়াবা এই মূল্য ইমানেই কম হয় যে কোনো মতে উৎপাদন ব্যয়খিনি পূৰণ কৰিব পৰা যায়।

তৃতীয় বিধ বিপণন ব্যৱস্থাত ক্ৰেতা প্ৰয়োজন সাপেক্ষে মূল শিল্পীৰ ঘৰলৈ গৈ বস্তুবোৰক ক্ৰয় কৰে। বিশেষকৈ এনেকুৱা বিপণন দেখিবলৈ পোৱা যায় 'অৰ্ডাৰ' অনুসৰি বস্তুৰ বিপণন প্ৰক্ৰিয়াত। দুৰ্গা পূজা, কালী পূজা আদিৰ দৰে ডাঙৰ পূজাৰ সময়ত পূজা সমিতিয়ে আগতীয়াকৈ মৃৎ শিল্পীৰ ঘৰলৈ গৈ অগ্ৰীম ধন প্ৰদান কৰি প্ৰতিমাৰ অৰ্ডাৰ দি আহে আৰু পিছত ইয়াক শিল্পীৰ ঘৰৰ পৰা সংগ্ৰহ কৰে। মৃৎ শিল্পী আৰু কুঁহিলা শিল্পীয়ে এনেকুৱা 'অৰ্ডাৰ' নিয়মীয়াকৈ নাপায় বৰং কিছুমান বিশেষ উৎসৱ অনুষ্ঠানকেন্দ্ৰিকভাৱে লাভ কৰে। অৱশ্যে ইয়াত লাভৰ মাত্ৰা অলপ বেছি থাকে আৰু অপচয়ৰ আশংকা নাথাকে।

চতুৰ্থবিধ বিপণন হৈছে বিভিন্ন মেলা কিংবা বাণিজ্যিকে প্ৰদৰ্শনীত বিক্ৰীৰ ব্যৱস্থা কৰা। জিলাখনৰ বিভিন্ন মেলা অনুষ্ঠানত মৃৎ শিল্পী, কুঁহিলা শিল্পী সহিতে আন বহুতো ক্ষুদ্ৰ আৰু কুটীৰ উদ্যমীয়ে নিজৰ নিজৰ দোকান পোহাৰ খুলি বয়বস্তু বিক্ৰীৰ ব্যৱস্থা কৰে।

লোক শিল্পৰ এই বিপণন ব্যৱস্থাবোৰৰ সুবিধা আৰু অসুবিধা দুয়োটা আছে। সবাতোকৈ অসুবিধাৰ মাত্ৰা আটাইতকৈ বেছি। যদি অসুবিধাবোৰ ফঁহিয়াই চোৱা যায় তেনেহ'লে তলত দিয়া অসুবিধাবোৰ স্পষ্ট হৈ উঠিব—

১। লোক শিল্পৰ পণ্যবোৰ বিক্ৰী কৰিবলৈ কোনো স্থায়ী ব্যৱস্থা নাই। এই দুৰাৱস্থাই শিল্পবোৰৰ উন্নতিৰ ক্ষেত্ৰত অসুবিধাৰ সৃষ্টি কৰিছে। বিশেষকৈ প্ৰাকৃতিক দুৰ্যোগৰ সময়ত বিক্ৰেতাই যথেষ্ট অসুবিধাৰ সন্মুখীন হ'বলগীয়া হয়।

২। এই শিল্পবোৰৰ আন এটা অসুবিধা হৈছে যে বিগত সময়ছোৱাত কেঁচা সামগ্ৰীৰ মূল্য যি হাৰত বৃদ্ধি পাইছে সেই অনুপাতে বয়-বস্তুৰ মূল্য বৃদ্ধি পোৱা নাই। অধিক মূল্য হ'লে ক্ৰেতাই বিকল্প সামগ্ৰীৰ কথা চিন্তা কৰে। স্থানীয় বজাৰত লোক শিল্পবোৰৰ একাধিক বিকল্প বয়বস্তু এতিয়া সহজলভ্য হৈ পৰিছে। যেনে দুৰ্গা পূজাৰ সময়ত বহুতে স্থানীয় মৃৎ শিল্পীৰ পৰা প্ৰতিমা ক্ৰয় নকৰি কোচবিহাৰৰ পৰা ক্ৰয় কৰিছে। এটা সময়ত কুঁহিলাৰ মালা কিংবা ঘৰ সজোৱাৰ বয় বস্তুৰ চাহিদা বজাৰত আছিল। কিন্তু এতিয়া বজাৰ ভৰি পৰিছে বিভিন্ন প্লাষ্টিকৰ সা সামগ্ৰীৰে। ইয়াৰ মূল্য কম হোৱাৰ বাবে চাহিদাও উচ্চ হৈছে।

৩। সৰহ ভাগ লোক শিল্পী হৈছে দুখীয়া শ্ৰেণীৰ মানুহ। আৰ্থিক দুদৰ্শাৰ বাবে এই শিল্পীয়ে শিল্পত আধুনিকতা আনিব পৰা নাই। পুৰণি কলীয়া উৎপাদনে বিক্ৰেতাক আকৰ্ষণ কৰিব পৰা নাই। বৰং

ক্ৰেতা বজাৰত উপলব্ধ সস্তীয়া বিদেশী সামগ্ৰী প্ৰতি আকৰ্ষিত হৈছে।

৪। পৰিবহনৰ অসুবিধাটো হৈছে লোক শিল্পৰ বিপণনৰ আন এটা ডাঙৰ অসুবিধা। উপযুক্ত পৰিবহণৰ অভাৱৰ বাবে দূৰৰ শিল্পীয়ে নগৰৰ বজাৰলৈ আহিব পৰা নাই। অথচ নগৰৰ বজাৰত তেওঁলোকৰ পণ্যবোৰ দালালে উচ্চ মূল্যত বিক্ৰী কৰিছে।

৫। লোক শিল্পীৰ আধুনিক বিপণন সম্পৰ্কে থকা অজ্ঞতাই তেওঁলোকক উপযুক্ত মূল্যলাভৰ পৰা বঞ্চিত কৰিছে।

লোক কৃষ্টিকেন্দ্ৰিক উদ্যমবোৰক বচাবলৈ বিভিন্ন উদগনিমূলক ব্যৱস্থা গ্ৰহণ কৰাৰ উপৰিও প্ৰয়োজন তেওঁলোকক আধুনিক বিপণন সম্পৰ্কে সচেতন কৰি তোলা। বহু ক্ষেত্ৰত দেখা গৈছে যে শিল্পীসকলৰ সুলভ মূল্যত ঋণ আৰু কেঁচা মালৰ যোগান ধৰা হৈছে। ক'ৰবাত কৰ্মশালা অনুষ্ঠান কৰি প্ৰশিক্ষণৰ ব্যৱস্থাও কৰা হৈছে। কিন্তু অতি প্ৰয়োজনীয় বিষয় বিপননক এৰাই চলা হৈছে। যদি এই বিশ্বায়নৰ সময়ত আমাৰ দেশত লোক-কৃষ্টিমূলক শিল্পবোৰক বিপণনকেন্দ্ৰিকভাৱে সৰলীকৰণ কৰা নহয় তেনেহ'লে সমাগত সময়ত ইয়াক বৃহৎ সংগ্ৰহালয়ত প্ৰদৰ্শনীৰ সমল হিচাপেই ব্যৱহাৰ কৰিব লাগিব। ৰাইজৰ আৰ্থ-সামাজিক সৰলীকৰণৰ সমল হিচাপে নহয়। ❐


---

**(৬৭ পৃষ্ঠাৰ পৰা)**

বেংককে বাৰ্ষিক ৰিপ'ৰ্ট' কাৰ্ড' প্ৰদান কৰা হ'ব আৰু প্ৰতি পাঁচ কিলোমিটাৰ ব্যাসৰ্দ্ধৰ এলেকাত বেংকিং সুবিধা প্ৰদানেৰে দেশৰ চুকে-কোণে ৰাইজক বেংকৰ সা-সুবিধা প্ৰদান কৰা হ'ব। পুনৰ মূলধনীকৰণ বণ্ড সম্পৰ্কত চৰকাৰে সদৰি কৰামতে এনে বণ্ডসমূহৰ মেচিউৰিটী ১০-১৫ বছৰৰ হ'ব আৰু মূল্য ৮শতাংশৰ আশে-পাশে হ'ব। বণ্ডসমূহ নগদ-নিৰপেক্ষ হ'ব অৰ্থাৎ এই বণ্ডৰ বাবে বিত্তীয় ঘাটীত প্ৰভাৱ নপৰে। কেন্দ্ৰীয় বিত্তমন্ত্ৰী অৰুণ জেইটলীয়ে সদৰি কৰামতে বেংকসমূহে উচ্চতম মান ৰক্ষা কৰি কাম-কাজ পৰিচালনা কৰাৰ প্ৰয়োজন আৰু ইয়াকে নিশ্চিত কৰিবলৈ এই পদক্ষেপসমূহ লোৱা হৈছে। অতীতৰ পুনৰাবৃত্তি যাতে নহয় তাক নিশ্চিত কৰিবলৈ আনুষ্ঠানিক ব্যৱস্থা এটাৰ প্ৰয়োজনৰ কথাও কৈছে তেওঁ। অকল উত্তৰাধিকাৰী সূত্ৰে পোৱা অতীতৰ সমস্যা সমাধানতে নহয়, আনুষ্ঠানিক ব্যৱস্থা এটাৰে এনে পৰিস্থিতিৰ পুনৰাবৃত্তি প্ৰতিৰোধতো তেওঁ জোৰ দিয়ে। ৰাজহুৱা খণ্ডৰ বেংকসমূহৰ 'সুস্বাস্থ্য' অটুট ৰখাটো কেন্দ্ৰীয় চৰকাৰৰে প্ৰধান দায়িত্ব বুলিও তেওঁ স্পষ্ট কৰে। সেইবাবেই মাৰ্চৰ ভিতৰত প্ৰায় ৮০,০০০ কোটি টকা ব্যয় কৰিবলৈ সংসদৰ অনুমতি বিচৰাৰ কথাও তেওঁ উল্লেখ কৰে।

উল্লেখ্যযোগ্য যে দেশৰ ২০টা ৰাজহুৱা খণ্ডৰ বেংকে ইতিমধ্যে নিজ নিজ ব'ৰ্ডৰপৰা কেন্দ্ৰীয় চৰকাৰে এই বৃহৎ পুনৰ মূলধনীকৰণ পৰিকল্পনা কাৰ্যকৰীকৰণৰ বাবে বান্ধি দিয়া চৰ্তাৱলীত অনুমোদন লাভ কৰিছে। পুনৰ মূলধনীকৰণ বণ্ডৰ ক্ষেত্ৰত কেন্দ্ৰই নিৰ্দ্ধাৰণ কৰা চৰ্তাৱলীত বেংকৰ ব'ৰ্ডসমূহে অনুমোদন জনাইছে। 'ইজ' আঁচনিত ব'ৰ্ডসমূহে ইতিমধ্যে অনুমোদন জনাইছে যাতে বেংকসমূহক সংবেদনশীল আৰু দায়বদ্ধ কৰি তুলিব পৰা যায়। আনহাতে, পুনৰ মূলধনীকৰণ বস্তুৰ মাধ্যমত সৰ্বাধিক ধন পাব ষ্টেট বেংক অৱ ইণ্ডিয়াই। বেংকটোৱে ৮৮০০ কোটি টকা পোৱাৰ বিপৰীতে আই ডী বী আই-এ বণ্ডৰ মাধ্যমত ৭৮০৮ কোটি টকা, বেংক অৱ ইণ্ডিয়াই ৬৯০৭ কোটি টকা পাব। তাৎক্ষণিকভাৱে সংশোধনী ব্যৱস্থা ল'বলগীয়া ১১টাকৈ ৰাজহুৱা খণ্ডৰ বেংকে চলিত বিত্তীয় বৰ্ষতে মুঠতে ৫২৩০০ কোটি টকা পাব আৰু বাকী তুলনামূলকভাৱে উন্নত অৱস্থাত থকা বেংকসমূহে মুঠতে ৩৫৮০০ কোটি টকা পাব। বণ্ডৰ যোগেদি ৮০০০০ কোটি টকা যোগান ধৰাৰ উপৰি বাকী নিৰ্দ্ধাৰিত ধনখিনি বাজেট সাহায্য আৰু 'বজাৰ ধাৰ'ৰ মাধ্যমত যোগান ধৰা হ'ব। অৰুণ জেইটলীয়ে ঘোষণা কৰা মতে ২০০৭-১৮ বৰ্ষতে ৮,১৩৯ কোটি টকা বাজেট অন্তৰ্গত সাহায্যৰূপে বেংকসমূহে পাব। মন কৰিবলগীয়া যে বেংকসমূহে সন্মুখীন হৈ অহা সমস্যাবোৰ কেৱল অৰ্থনৈতিক দুৰ্বলতা, কাৰিকৰী আসোঁৱাহ বা চৰকাৰী অব্যৱস্থাৰে ফল নহয়। বৰঞ্চ বেংক কৰ্মচাৰী (একাংশ) ৰ প্ৰত্যক্ষ বা পৰোক্ষ ভূমিকাও আছে এনে সমস্যাত। পঞ্জাব নেচনেল বেংকৰ শেহতীয়া কেলেংকাৰী (শেহতীয়াকৈ উন্মোচিত) য়ে আমাক স্পষ্ট কৰি দিছে যে বেংকৰ বিষয়া-কৰ্মচাৰীৰ দুৰ্নীতিত সমগ্ৰ বেংকিং ব্যৱস্থাৰ বাবে অভিশাপ স্বৰূপ হ'ব পাৰে। চৰকাৰে এনে সমস্যাসমূহে একেদিনাই সমাধান কৰাও অসম্ভৱ। তৎসত্ত্বেও কেন্দ্ৰীয় চৰকাৰে শেহতীয়াকৈ লোৱা পুনৰ মূলধনীকৰণ আৰু সংস্কাৰ নীতিয়ে সমগ্ৰ বেংকিং ব্যৱস্থাটোক নতুন গতি প্ৰদান কৰিব বুলিয়েই আশা কৰাৰ নিশ্চয় থল আছে। ❐

## About Our Books





### LEGENDS OF INDIAN SILVER SCREEN

Price : Rs. 400.00 (Hard Bound)

Rs. 285.00 (Paper Back Edition)

To buy Log on to: http://publicationsdivision.nic.in

This book is a compilation of write-ups on 23 film personalities who have been conferred the Dadasaheb Phalke Award from 1992-2014. The awardees are from the various fields of from direction, acting, cinematography, music and lyrics etc. These include BR Chopra, Shashi Kapoor, K Balachander, Sivaji Ganesan, Bhupen Hazarika to name just a few. Eminent writers and film critics like Saibal Chatterjee, Randor Guy, Rachel Dwyer, Jai Arjun Singh have contributed to this anthology. The essays range from brief sketches of the personalities to a critical evaluation of their contributions to Indian cinema. Enriched with appropriate photographs from various sources, this book would be resourceful and delightful for anyone who loves Celluloid.




### SAMAY, CINEMA AUR ITIHAAS

Author : Sanjiv Srivastav

Price : 430.00

Language: Hindi

To buy Log on to: http://publicationsdivision.nic.in

Book narrates the journey of Hindi cinema, which is more than 100 years old now. As the name suggests it analyses the growth of cinema with respect to time thereby it indicates the social importance and significance it carries. It lucidly brings out the various elements of change and transformations, from the days of motion picture to the modern world digital cinema. Special accounts on the important contributors to the Indian cinema like H.S. Bhatavdekar, Hiralal Sen, Dadasaheb Phalke etc. has also been provided the author. It also discusses the multiple dimensions, cinema being an entertainment tool, role of music and dance in movies, women-centric films, stardom and golden era of Bollywood, along with the issues like film censor. With colourful illustrations, senior journalist Sanjiv Srivastav introduces the essentials of Hindi cinema in this handy volume.